

# পাতিদৰং মহাবিদ্যালয় আলোচনী

সপ্তবিংশতিতম্ প্ৰকাশ

২০১৬-১৭ বৰ্ষ

তত্বাৱধায়ক
ৰেখাৰাণী শইকীয়া

সম্পাদক
চিন্টু চুমন কলিতা



এক সুন্দৰ সপোন বাস্তৱায়িত কৰাৰ কল্পনাৰে পাতিদৰং মৌজাৰ ৰাইজে এই "পাতিদৰং মহাবিদ্যালয়"ৰ প্ৰতিষ্ঠা সম্ভৱ কৰি তুলিছিল। তাৰ পিছৰে পৰা অবিৰত যাত্ৰা। যাত্ৰা পথত আমি শতিকাৰ চিন্তানায়ক সকলৰ চিন্তাৰে সঁচকিত হ'ব বিচাৰোঁ— অসংখ্য বিদ্যায়তনিক আসন আছে, কিন্তু জ্ঞানী মহান শিক্ষকৰ সংখ্যা তেনেই কম। অসংখ্য বৃহৎ বক্তৃতাৰ কোঠা আছে, কিন্তু সত্য আৰু ন্যায়ৰ অন্বেষী যুৱক-যুৱতীৰ সংখ্যা তাকৰ। প্ৰকৃতিয়ে উৎপাদন কৰা সৃষ্টিৰ আঁহ অলেখ, কিন্তু তাক লৈ প্ৰকৃতিৰ উৎপাদিত ফলৰ সংখ্যা অতি কম। নিশ্চিতভাৱে প্ৰকৃতিয়ে আমাক যি দিয়ে তাকেই গ্ৰহণ কৰিব লাগিব। কিন্তু প্ৰতিটো সময়ৰ এটি আহ্বান থাকে, প্ৰতিটো প্ৰজন্মৰ মনৰ এটি বৈশিষ্ট্য থাকে, যিটো ব্যক্তিৰ পৰা ব্যক্তিলৈ প্ৰবাহিত হয় আৰু ইয়েই সমাজখনৰ পাৰ্থক্যসূচক চিহ্ন হৈ পৰে।

ধন্যবাদ—
শ্ৰীয়ম বৰকাকতি
অধ্যক্ষ
১০-১০-২০১৭

# পাতিদৰং মহাবিদ্যালয়

# আলোচনী

## সপ্তবিংশতিতম প্ৰকাশ

২০১৬-২০১৭

প্ৰতি,

..............................................................................

..............................................................................


তত্বাৱধায়ক
ৰেখাৰাণী শইকীয়া

সম্পাদক
চিন্টু চুমন কলিতা

**PATIDARRANG COLLEGE MAGAZINE :** 2016-2017, the Annual mouthpiece of the Patidarrang College, P.O : Loch, Dist. : Kamrup (Assam), Edited by Chintu Suman Kalita and Published by Patidarrang College Students' Union.

# সম্পাদনাৰ নেপথ্যত

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীয়ম বৰকাকতি, অধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | ৰেখাৰাণী শইকীয়া |
| সম্পাদক | ঃ | চিন্টু চুমন কলিতা |
| শিক্ষক সদস্য | ঃ | তপন কুমাৰ শৰ্মা |
| | | ধীৰাজ তালুকদাৰ |
| | | কল্পনা বসুমতাৰী |
| ছাত্ৰ সদস্য | ঃ | ইন্টাজুল আলী |
| | | নমিতা ডেকা |
| বেটুপাত পৰিকল্পনা | ঃ | সম্পাদনা সমিতি |
| মুদ্ৰণ | ঃ | হাই-প্ৰিণ্ট অফছেট |
| | | বাইহাটা চাৰিআলি (মঙ্গলদৈ পথ) |
| | | কামৰূপ (অসম) |




কৃতজ্ঞতা ঃ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, পৰিচালনা সমিতিৰ সমূহ বিষয়ববীয়া, শিক্ষক-কৰ্মচাৰী প্ৰমুখ্যে সমূহ লেখক-লেখিকা আৰু হাই-প্ৰিণ্ট অফছেটৰ স্বত্বাধিকাৰী, কৰ্মচাৰীবৃন্দলৈ।

নকল লেখাৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়

# শ্ৰদ্ধাঞ্জলি

যিসকল কৰ্মপ্ৰাণ, সমাজহিতৈষী, বিদ্যানুৰাগী মহান ব্যক্তিৰ মহৎ প্ৰচেষ্টাত পাতিদৰং মহাবিদ্যালয় গঢ় লৈ উঠিল সেই মহান খনিকৰ সকলক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো

আৰু

অকালতে মৃত্যুবৰণ কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে জননী জন্মভূমিৰ স্বাৰ্থত নিজৰ জীৱন উছৰ্গা কৰা বীৰ ছহিদ আৰু সাহিত্য, সংগীত আৰু সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰা চিৰ নমস্য সকললৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

— সম্পাদনা সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com

## MESSAGE

I am happy to learn that Patidarrang College, Loch, Kamrup is going to publish 27th Volume of its Annual College Magazine very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time. It also provides scope for manifestation of hidden talents in the college. Contributors to the magazine, I am sure, have made a good exercise to uphold the values of the college through their creativity.

I wish all success in their mission and hope the Magazine will be well accepted by the readers.

Date : 06.10.2017

(Mridul Hazarika)

Address : Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam 781014
Phone : 0361-257-0412
Web : www.gauhati.ac.in

শ্ৰীঅমৃত চন্দ্ৰ নাথ, এম.এ, বি.টি
সভাপতি, পাতিদৰং মহাবিদ্যালয় পৰিচালনা সমিতি



## শুভেচ্ছাবাণী

পাতিদৰং মহাবিদ্যালয়ৰ ২৭ তম আলোচনীখন প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছো। একোখন আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট অৰিহণা যোগাব পাৰে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক, বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধন কৰিবলৈ সুবিধা পায়। ইয়াতে তেওঁলোকে গল্প, প্ৰবন্ধ, কবিতা আদি প্ৰকাশ কৰি সাহিত্য সংস্কৃতিলৈ অৱদান আগবঢ়াব পাৰে।

আলোচনীখনে আঞ্চলিক ইতিহাসৰ লগতে মহাবিদ্যালয়ৰ গৌৰৱময় ইতিহাস শিক্ষাৰ্থী, শিক্ষাগুৰুসকলৰ সেউজীয়া স্মৃতি চিৰ যুগমীয়া কৰি ৰখাত সহায় কৰে।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ হওঁক। শেষত মহাবিদ্যালয়খনৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।



# তত্বাৱধায়কৰ কলম...

"সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখাৰ
উন্মাদ বাসনা আমাৰ নাই।
আমি বুৰঞ্জীৰ শিলাখণ্ডৰ
জীৱন্ত ফচিল।"
— হেম বৰুৱা

জীৱ শ্ৰেষ্ঠ হিচাপে জন্ম লৈছো যেতিয়া ওপৰত কোৱাৰ দৰে সময়ৰ বলুকাত পদচিহ্ন ৰখাৰ বাসনা নাথাকিলেও আমি যুগ-যুগান্তৰলৈ জীয়াই ৰাখিব লাগিব আমাক, আমাৰ প্ৰজন্মক। আমি নিজক জীয়াই ৰাখিবলৈ সক্ষম হ'ম একমাত্ৰ আমাৰ কৰ্মৰাজিৰে। এই কৰ্মৰাজি কেৱল মাত্ৰ শ্ৰেষ্ঠতা আৰু ক্ষমতাৰ নহয়। ই হ'ব লাগিব ব্যক্তি বিশেষৰ শাৰীৰিক, মানসিক, শৈক্ষিক আৰু বৌদ্ধিক বিকাশৰ উন্নতি। হ'ব লাগিব মানৱীয় প্ৰমূল্যবোধৰ উন্নতি।

এখন সমাজৰ উত্তৰণত মুখ্য ভূমিকা পালন কৰে যুৱ চামে। এখন সুস্থ আৰু নিকা সমাজ গঢ়িবলৈ যুৱ চামক মূল চালিকা শক্তি হিচাপে লৈ এটি সুস্থ বাতাবৰণ গঢ়ি তুলিব লাগিব। তাৰ বাবে প্ৰয়োজন স্বচ্ছ মানসিকতাৰ। প্ৰতিগৰাকী যুৱক-যুৱতী নিকা ভাৱাদৰ্শৰ হ'ব লাগিব। গাব লাগিব মানৱতাৰ জয়গান। এই নিকা ভাৱমূৰ্ত্তি গঢ়ি তুলিবলৈ হ'লে সকলোধৰণৰ যুৱ উচ্ছৃংখলতাৰ পৰা আঁতৰাই ৰাখি তেওঁলোকৰ মাজত গঢ়ি তুলিব লাগিব কিতাপ পঢ়াৰ অভ্যাস।

কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিনত আজিৰ প্ৰজন্ম কোনদিশে ধাৱমান........!! সাম্প্ৰতিক সময়ত ইণ্টাৰনেটৰ দৌৰাত্মই ক্ৰমশঃ নাইকিয়া কৰি পেলাইছে কিতাপ পঢ়াৰ অভ্যাস। যুৱ চামক ইণ্টাৰনেটে আগুৱাই লৈ গৈ আছে এখন virtual পৃথিৱীৰ দিশে। আজিৰ প্ৰজন্মই কিতাপৰ সলনি তথ্য সংগ্ৰহৰ বাবে আশ্ৰয় লয় ইণ্টাৰনেটৰ। যদিও বৰ্তমান সময়ত ইণ্টাৰনেট নহ'লে নহয়, তথাপি পুথিৰ ভূমিকাক কোনো কালেই উলাই কৰিব নোৱাৰি। পুথি অধ্যয়ন অবিহনে এখন সমাজৰ বৌদ্ধিক উত্তৰণ সম্ভৱপৰ নহয়। এই প্ৰসংগত উল্লেখ কৰিব পাৰি— "The Internet can't replace libraries why they matter more than ever in the age of google."

কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ হ'লে স্কুল কলেজৰ পৰাই জাগৰণ আনিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীক লিখা পঢ়াৰ প্ৰতি আগ্ৰহ জন্মাবৰ বাবে স্কুল-কলেজৰ আলোচনীখনে এক বিশেষ ভূমিকা পালন কৰে। আলোচনীখন হৈছে বিদ্যালয়/মহাবিদ্যালয়ৰ মুখপত্ৰ। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে আলোচনীখনৰ প্ৰতি দায়বদ্ধশীল হোৱা উচিত। কিয়নো ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লগতে শৈক্ষিক, মানসিক আৰু বৌদ্ধিক বিকাশত আলোচনীখনেই অগ্ৰণী ভূমিকা পালন কৰে।

যা নহওঁক মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ বাবে যি দায়িত্বভাৰ দিয়া হৈছিল পালন কৰিবলৈ পাই খুব আনন্দ অনুভৱ কৰিছিলো। ডিচেম্বৰ মাহতেই প্ৰকাশ কৰি উলিয়াবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলো যদিও সম্পাদকৰ গাফিলতিৰ

বাবে নিৰ্দ্ধাৰিত সময়ত হৈ নুঠিল আৰু পিছলৈ মোৰ ব্যক্তিগত অসুবিধাৰ বাবে মোৰ দায়িত্বভাৰ শ্ৰদ্ধাৰ ধীৰাজ তালুকদাৰ আৰু তপন কুমাৰ শৰ্মা চাৰক দিছিলোঁ। কিন্তু তেওঁলোকে আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়ালে যদিও দায়িত্বৰ পৰা মোক আঁতৰাই নপঠালে। এই ছেগতে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যা নহওঁক আলোচনীখন সৰ্বাংগসুন্দৰ কৰাত সহায় কৰা প্ৰতিগৰাকী লেখক-লেখিকালৈ মোৰ আন্তৰিক অভিনন্দন নিবেদিছোঁ, যিখিনি লিখনি অবিহনে আলোচনীখন সম্ভৱপৰ নহ'লহেঁতেন। আলোচনীখন প্ৰকাশ কৰি উলিওৱাত আগবঢ়োৱা দিহা-পৰামৰ্শ, সহায়-সহযোগিতাৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষা বাইদেউ, মোৰ সতীৰ্থ চাৰ-বাইদেউ, ছাত্ৰ একতা সভাৰ সম্পাদক ইন্টাজুলৰ লগতে মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জনাইছোঁ। আলোচনীখনত ৰৈ যোৱা অনাকাংক্ষিত ভুলৰ বাবে ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ। আশা ৰাখিছোঁ মহাবিদ্যালয়খনক সাহিত্যৰ দিশত আৰু এখোপ আগবঢ়াই নিয়াৰ প্ৰচেষ্টা অব্যাহত থাকিব।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

ৰেখাৰাণী শইকীয়া
তত্বাৱধায়ক, আলোচনী বিভাগ
পাতিদৰং মহাবিদ্যালয়

# সম্পাদনা কক্ষৰ পৰা....

**অসমৰ শৈক্ষিক জগতত পাতিদৰং মহাবিদ্যালয় ঃ**

এই নামটো সংযোজন কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ জন্মলগ্নৰ পৰাই এতিয়ালৈকে যিসকল ব্যক্তিয়ে পুৰুষাৰ্থ কৰি ইহজগতৰ পৰা মেলানি মাগিলে, সেইসকল পুৰোধা ব্যক্তিলৈ আমি যাঁচিলো গভীৰ অশ্ৰু-অঞ্জলি।

বৰ্তমানৰ সাহিত্যই ভৱিষ্যতৰ বাবে আজিৰ সময়ত প্ৰকৃত প্ৰতিচ্ছবি। কিন্তু আজিৰ সময় অতি ভয়ানকভাবে দুঃসময়। মানৱতা আজি ভুলুণ্ঠিত। ইতৰ প্ৰাণীতকৈ বহু বেছি নিৰ্দয়তাৰে মানুহক হত্যা কৰা হৈছে আজিৰ অসমত। দুৰ্নীতিয়ে যেন বৰ্তমান সময়ৰ যুগধৰ্ম। ভাতৃঘাতী সংঘৰ্ষ, সন্ত্ৰাসবাদী কাৰ্যকলাপ, অন্ধবিশ্বাস, ধৰ্ষণ আদি ভয়ংকৰ সামাজিক সমস্যাসমূহৰ সমাধানৰ পথো সৃষ্টিশীল সাহিত্যৰ বুকুত উপলব্ধ।

যাহওঁক, মুখপত্ৰৰ এই সংখ্যাটোৱে প্ৰকাশৰ বাটলৈ আহোতে যথেষ্ট সময় ল'লে। অনাকাংক্ষিত সমস্যাই সম্পাদনাৰ মজিয়াত যথেষ্ট আহুকালৰ সৃষ্টি কৰিলে। যাৰ বাবে প্ৰত্যয় তথা সন্তুষ্টিজনক সম্পাদনা কোনো কাৰণতে সম্ভৱপৰ হৈ নুঠিল।

— সম্পাদনা সমিতি

# সূচীপত্ৰ


| | | |
|---|---|---|
| শিশু শ্ৰমিক দেশৰ এক জ্বলন্ত সমস্যা | ৰাণী ডেকা | ১১ |
| বিংশ শতিকাৰ নাট্য ধাৰা আৰু অসমীয়া নাটক | তপন কুমাৰ শৰ্মা | ১৩ |
| দিব্যাংগ — এক অনুভৱ | দৈব্যশক্তি ডেকা | ১৮ |
| অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান | কল্পনা বসুমতাৰী | ১৯ |
| পুতলা নাচ — অসমৰ এক আপুৰুগীয়া সম্পদ | সংগীতা বৈশ্য | ২৩ |
| স্বৰ্গত স্থান পালে ড° ভূপেন হাজৰিকা | ৰিতুপৰ্ণ ঠাকুৰীয়া | ২৫ |
| বহাগ আৰু গামোচা | জয়শ্ৰী ডেকা | ২৯ |
| মানৱ জীৱনত শিক্ষাৰ গুৰুত্ব | স্বৰ্ণ মণ্ডল | ৩০ |
| নিৰাশ্ৰয়ৰ জীৱনৰ বিয়লি বেলাৰ আলয়— বৃদ্ধাশ্ৰম | হীৰক দাস | ৩১ |
| মুদ্ৰাস্ফীতি | খনিন্দ্ৰ ডেকা | ৩৩ |
| খটবা সত্ৰৰ পাচেতি উৎসৱ | নিত্যনন্দ ডেকা | ৩৪ |
| মদন-কামদেৱ দেৱালয় | পূজা ডেকা | ৩৬ |
| পিঙ্গলেশ্বৰ শ্ৰীশ্ৰী অৰ্দ্ধনাৰীশ্বৰ দেৱালয় | মণিকা বৰুৱা | ৩৮ |
| অন্ধবিশ্বাস মানৱ প্ৰগতিৰ অন্তৰায় | পম্পী গোস্বামী | ৩৯ |
| ঐতিহাসিক গোপেশ্বৰ দেৱালয় | ভাষ্যতি দেৱী | ৪১ |
| বহাগ আমাৰ সৃষ্টিৰ প্ৰাণময় অমল বাসনা | বৰ্ণালী দাস | ৪৩ |
| বন্ধুত্ব এক আত্মিক সম্পৰ্ক | নিকুমণি ঠাকুৰীয়া | ৪৫ |
| নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা | আছমিনা বেগম | ৪৬ |
| প্ৰেম আৰু যুৱ প্ৰজন্ম | কিশোৰ তালুকদাৰ | ৪৮ |
| বৰ্তমান সময়ত আধ্যাত্মিকতা আৰু ইলাৰাম দাস | ৰাতুল ৰাজবংশী | ৪৯ |
| পাতিদৰং মৌজা এক চমু অৱলোকন | ৰীমা ভৰালী | ৫২ |
| দুৰ্গা পূজাৰ উপাখ্যান | মৃদুলা দত্ত | ৫৪ |
| নাৰী আৰু আমাৰ সমাজ ব্যৱস্থা | অনামিকা কুমাৰ | ৫৫ |
| আধুনিক অসমীয়া কবিতা | হিমাক্ষী দাস | ৫৬ |
| শৰণীয়া কছাৰীসকলৰ চমু পৰিচয় আৰু কৃষিকেন্দ্ৰীক লোকাচাৰ | দিপিকা বড়ো | ৫৯ |
| দুখ সপোন আৰু জীৱনটো | নন্দিতা বড়ো | ৬২ |
| অসমাপ্ত পাণ্ডুলিপি | জাহ্নবী ৰাজবংশী | ৬৪ |
| অতৃপ্ত আত্মাৰ বিননি | প্ৰাণজিৎ ৰাজবংশী | ৬৬ |
| এখন আকাশ আৰু এমুঠি জোনাক | ভাষ্যাতি দেৱী | ৬৭ |
| মথনী উৎসৱ | জুৰিমা কলিতা | ৬৯ |
| অভিমান | নিশা কলিতা | ৭২ |
| জীৱন আৰু বিষাদ | মিনাক্ষী দেৱী | ৭৫ |
| তুমি | সাবিত্ৰী শৰণীয়া | ৭৭ |

| | | |
|---|---|---|
| তুমি | সাবিত্ৰী শৰণীয়া | ৭৭ |
| তোমাৰ ইচ্ছাৰ বিৰুদ্ধে | তুলিকা দাস | ৭৭ |
| বন্ধুত্ব | চাজিদা বেগম | ৭৭ |
| প্ৰণাম | সৰোজনী কলিতা | ৭৮ |
| ভালপোৱাৰ ঠিকনা | | ৭৮ |
| ল'বানে তুমি | প্ৰাণজিৎ কুমাৰ | ৭৮ |
| তোমাৰ প্ৰেমত | ধৰ্মেন্দ্ৰ কলিতা | ৭৮ |
| মোৰ ফেচবুকত | হৃদীপ দাস | ৭৯ |
| অভিমানী মন | নয়নমণি তালুকদাৰ | ৭৯ |
| তোমাৰ প্ৰতীক্ষাত | মিনাক্ষী ডেকা | ৭৯ |
| জীৱশ্ৰেষ্ঠ মানৱ | বৰ্ণালী দাস | ৮০ |
| সপোন | চাৱৰিণ চুলতান | ৮০ |
| পাতিদৰং মহাবিদ্যালয় | জুৰিমা কলিতা | ৮০ |
| শৰৎ আহিলেই | নিকুমণি ঠাকুৰীয়া | ৮১ |
| আলোচনী | নজমূল হক | ৮১ |
| তোমাৰ বাবে | নমিতা ৰাজবংশী | ৮১ |
| The Importance of Philosophy in Human Life | Joweha Dewan | ৮২ |
| Anti-Colonial Tribal Movements of India | Dhiraj Talukdar | ৮৪ |
| Environmental Pollution and Its impact in Eco-System | Dipak Kumar Boro | ৮৮ |
| The place of Old English Literature in our study | Rwinsuwmi Ramchiary | ৯৪ |
| The Society I see around | Nijwm Boro | ৯৫ |
| रिंसार होग्रा अंगफोर आरो रिंसार होनायाव बेफोरनि फाव | Monika Basumatary | ৯৬ |

जोंनि गामि/Anamika Baro/৯৮, मेगननि नोजोराव/Nitu Baro/৯৯,
मा-सिमां/Doli Brahma/৯৯, होनाय राव्राय/Mohesh Baro/৯৯,
जिउ/Marami Baro/১০০, फोरोंगिरि/Bibari Baro/১০০
लोरबां आंनि जिउ/Bijoy Baro/১০১, मावरिया/Dhrubajit Baro/১০১
सिमां/Ranjit Daimary/১০২, जिउ/Subangsri Daimary/১০২

| | |
|---|---|
| ছাত্ৰ জিৱণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | ১০৩ |
| সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | ১০৪ |
| ছাত্ৰী জিৱণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | ১০৫ |


**********************

# শিশু শ্ৰমিক দেশৰ এক জ্বলন্ত সমস্যা

ৰাণী ডেকা
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

অনৈক্যৰ মাজত ঐক্যৰ দেশ হ'ল ভাৰতবৰ্ষ। নানা জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে এই ভাৰতবৰ্ষ এখন পৰিপূৰ্ণ দেশ। কিন্তু এইখন দেশেই বিভিন্ন ধৰণৰ সমস্যা ৰাজিৰে পৰিপূৰ্ণ হৈ আছে। সমস্যাৰাজিৰ ভিতৰত বৰ্তমান ভাৰতত শিশু শ্ৰমিক সমস্যা এক জ্বলন্ত সমস্যা ৰূপে পৰিগণিত হৈছে। নৱজাতক শিশু এটি ভূমিষ্ঠ হোৱাৰ লগে লগে কান্দি উঠে। শিশুটি জন্ম পোৱাৰ লগে লগে পৰিয়ালত আনন্দৰ জোৱাৰ পৰিস্ফুট হৈ উঠে। এই শিশুটিয়ে ভৱিষ্যতলৈ এখন দেশৰ এজন সু-নাগৰিক হৈ গঢ়ি উঠে। এই ফুল কুমলীয়া শিশু সকলে যিদৰে হাঁহি-মাতি, আনন্দ-স্ফুৰ্তি তথা পঢ়া-শুনাৰ মাজেৰে সোণালী শৈশৱ পাৰ কৰিব লাগে, ঠিক সেই সময়তে একাংশ শিশুৱে জীৱনৰ সোণালীময় অমূল্য শিশু কালছোৱা অন্ধকাৰময় হিচাবে অতিবাহিত কৰিব লাগে। আমাৰ দেশৰ অসংখ্য শিশুৱে কঠোৰ পৰিশ্ৰমৰ দ্বাৰা কপালৰ ঘাম মাটিত পেলাই দুবেলা দুমুঠি আহাৰ যোগাৰ কৰিবলগীয়া হয়। এই ঘটনাবোৰ অত্যন্ত হৃদয় বিদাৰক আৰু লজ্জাজনক। কোনো এখন দেশৰ সম্যক ধাৰণা শিশুসকলৰ জীৱন-ধাৰণৰ মানদণ্ডলৈ লক্ষ্য কৰিলেই বুজা যায়। শিশুসকলৰ মানদণ্ড উন্নত হ'বলৈ হ'লে তেওঁলোকৰ সেৱা সমূহ পৰিপূৰ্ণ কৰি তুলিব লাগিব। সেৱাসমূহ পৰিপূৰ্ণ কৰিলেহে শিশুসকলে পূৰ্ণতা পায়। শিশুৱে পূৰ্ণতা পোৱাৰ সেৱা সমূহ হ'ল সুস্থ পৰিবেশ, বাসস্থান, শিশু খাদ্য, চিকিৎসা, শাৰিৰীক তথা মানসিক সেৱা, সামাজিক তথা নৈতিক আদৰ্শ আদিৰ যত্ন লোৱা অতি বাঞ্চনীয়। এটি শিশুৱে এই সকলো উপযুক্ত সময়ত পোৱাৰ দ্বাৰাহে এটা জাতি বা এখন দেশৰ বাবে আপুৰুগীয়া সম্পদ হৈ উঠিব পাৰে। যি দেশ বা জাতিয়ে শিশুক উপযুক্ত পৰিচৰ্য্যা কৰিব পাৰে, সেই দেশ বা জাতিৰ বাবে সেই শিশু উপযুক্ত নাগৰিক হৈ গঢ়ি উঠিব পাৰে।

ভাৰতীয় সংবিধান মতে ১৪ বছৰৰ তলৰ শিশুক শ্ৰমিক ৰূপে নিযুক্তি দিব নোৱাৰে। কিন্তু ভাৰতৰ বিভিন্ন উৎপাদনমুখী উদ্যোগত দিনক দিনে শিশু শ্ৰমিক নিযুক্তি দিয়াটো বৃদ্ধি পাই গৈছে। ভাৰতীয় শিশুক অৰ্থৰ বাবেই আংশিক ভাৱে আৰু পুৰ্ণকালীন ভাৱে শ্ৰমত নিয়োগ কৰাই আছে। শ্ৰমৰ অত্যধিক চৰ্চাৰ বাবেই শিশুসকলৰ শাৰিৰীক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট বাধাপ্ৰাপ্ত হোৱা দেখা যায়। দাৰিদ্ৰ, সুস্থ বিদ্যালয়ৰ অভাৱ, অনানুষ্ঠানিক কৰ্মক্ষেত্ৰ আদিয়ে শিশু শ্ৰমিকৰ প্ৰধান কাৰক বুলি ভবা হয়। ২০০১ চনৰ লোকপিয়ল অনুসৰি ১৪ বছৰ তলৰ শিশু শ্ৰমিক হ'ল ১৩ মিলিয়ন আৰু ৫০,০০০ শিশু হ'ল ঘৰুৱা শ্ৰমিক। শিশু শ্ৰম সামাজিক আৰু সাংস্কৃতিক দিশৰ দ্বাৰাও সম্পূৰ্ণ বৰ্জনীয় হ'ব লাগে।

শিশু শ্ৰমিকৰ কোনো নিৰ্দিষ্ট কৰ্মস্থল থকা বুলি ক'ব নোৱাৰি। সকলো কৰ্মস্থানতে শিশু শ্ৰমিক জড়িত। বিশ্বৰ অত্যাধিক শিশু শ্ৰমিক থকা দেশৰ ভিতৰত ভাৰতো অন্যতম। শিশু শ্ৰমিকবোৰে সাধাৰণতে চিমেন্ট উৎপাদন উদ্যোগ, ঘৰ সজা কাম, গ্ৰীলৰ কাম, কাৰ্পেট তৈয়াৰ কৰা শিল্প, হোটেল, ৰেষ্টুৰেণ্ট, আঁতচবাজী, দিয়াশলাই উৎপাদন উদ্যোগ, শিল ভঙা, ৰাস্তা-ঘাট নিৰ্মাণ, ঘৰুৱা কাম আৰু ছাৰ্কাচ গোষ্ঠী লুপ্ত হোৱাৰ পৰা বাটৰ ছাৰ্কাচবোৰতো সৰু সৰু ল'ৰা-ছোৱালী নিয়োগ হৈ থকা দেখা যায়। এনে বাটৰ ছাৰ্কাচত দেখা যায় যে এজনী আঠ-ন বছৰীয়া ছোৱালী বা ল'ৰা এজনে মাটিৰ পৰা ১০-১২ ফুট ওপৰত থকা একোডাল ৰচীয়েদি খোজ কাঢ়ি ৰাইজক আমোদ দিয়ে। প্ৰায় ব্ৰহ্মপুত্ৰৰ পাৰত, অলপতে হোৱা অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰ অধিবেশন বা যিকোনো জনবহুল ঠাইত এই আঠ-ন বছৰীয়া শিশুৱে এক অদ্ভুত আৰু ভয়ংকৰ খেল প্ৰদৰ্শন কৰাই টকা অৰ্জন কৰাটোও এক অপৰাধ হয়। ইয়াৰোপৰি যি বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা আইন, সেইখনৰ পৰা এনে ল'ৰা-ছোৱালীবোৰ বহু আঁতৰত। গতিকে এনে শিশুবোৰো শিশু শ্ৰমিক। এনেকুৱা আৰু বহুতো অৱহেলিত শিশু শ্ৰমিক আছে যিবোৰে

বৰ্তমানেও শিক্ষাৰ পোহৰত বিপদজনক কামত নিয়োজিত হৈ আছে। শিশু আইনখনো কৰ্মক্ষেত্ৰত প্ৰয়োগ নহৈ একমাত্ৰ সংবিধানখনতহে লিপিবদ্ধ হৈ আছে।

বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্বাৰা পৃথিৱীৰ নানা ধৰণৰ ন ন আৱিষ্কাৰ হোৱা দেখা গৈছে। এই নৱ আৱিষ্কাৰ তথা উদ্ভাৱনে বিশ্ববাসীক চমক খুৱাই দিছে। কিন্তু এই নৱ উদ্ভাৱনে বিশ্ববাসীৰ মৌলিক প্ৰয়োজন সমূহ পূৰ্ণ কৰিববলৈ সক্ষম হোৱা নাই। ফলস্বৰূপে ভাৰতৰ নিচিনা দেশ এখনত চৰম দাৰিদ্ৰতাই বিৰাজমান কৰা দেখা গৈছে। দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা যথেষ্ট পৰিলক্ষিত হোৱা দেখা যায়। এই দাৰিদ্ৰতাৰ সুযোগ লৈয়েই এচাম মুখাপিন্ধা ভদ্ৰলোকে নিজস্বাৰ্থ পূৰ্ণ কৰিববলৈ শিশু শ্ৰমিকৰ সৃষ্টি কৰে। শিশু শ্ৰমিকৰ উৎপত্তিৰ স্থলেই হ'ল দাৰিদ্ৰ। যি দেশত দাৰিদ্ৰতাৰ পৰিমাণ যথেষ্ট দেখা পোৱা যায়, সেই দেশত শিশু শ্ৰমিকৰ সংখ্যাও অধিক পৰিমাণে পোৱা যায়।

১৯৮৬ চনত এখন শিশু শ্ৰমিক আইন প্ৰণয়ন কৰা হৈছে। এই আইন অনুসৰি ১৩ বিধ কামত শিশু শ্ৰমিক নিষিদ্ধ কৰা হৈছে। এই আইনৰ বিৰোধিতা কৰা সকলক জৰিমণা বিহা বা কাৰাদণ্ড বিহাৰো ব্যৱস্থা কৰা হৈছে। তথাপিও নিয়োগকৰ্তা বা সুযোগ সন্ধানী মধ্যবিত্ত শ্ৰেণীৰ তথাকথিত ভদ্ৰলোকসকলে আইনক ফাঁকি দি শিশু শ্ৰমিক নিয়োগ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰি থকাটোও সকলোৰে জ্ঞাত। চৰকাৰে এই সমস্যাৰ বিলোপ সাধনৰ বাবে প্ৰকল্প হাতত লৈছে যদিও যথাৰ্থ ভূমিকা পালনত ব্যৰ্থ হোৱা বাবে দেশত শিশু শ্ৰমিকৰ সমস্যা এতিয়াও অতি জটিল সমস্যা হৈয়ে আছে।

শিশু শ্ৰমিকৰ বিৰোধিতা কৰি সমগ্ৰ বিশ্বতে অভিযান চলিছে। ৰাষ্ট্ৰসংঘৰ শেহতীয়া প্ৰবিদেনত প্ৰকাশ পোৱা মতে ভাৰতত ১.৫১ কোটি শিশু শ্ৰমিকে কঠোৰ পৰিশ্ৰমৰ দ্বাৰা জীৱন নিৰ্বাহ কৰি আছে। যিহেতু ভাৰতত কাৰ্পেট উদ্যোগত যথেষ্ট শিশু শ্ৰমিক নিয়োগ হৈ আছে, সেয়ে বিভিন্ন দেশে ঘোষণা কৰিছে যে নেপাল, ভাৰত আৰু পাকিস্তানত, উৎপাদিত কাৰ্পেটবোৰত শিশু শ্ৰমিক ব্যৱহাৰ কৰা নাই বুলি প্ৰমাণ পত্ৰ দিলেহে অন্য দেশে ক্ৰয় কৰিব।

শিশু শ্ৰমিক বন্ধ কৰি উপযুক্ত সময়ত শিশুসকলক শিক্ষা লাভৰ সুযোগ প্ৰদান কৰি দেশৰ এক উপযুক্ত নাগৰিক হিচাবে গঢ়ি তোলাই হৈছে কল্যাণকামী ৰাষ্ট্ৰসমূহৰ প্ৰধান কৰ্তব্য। শিশু শ্ৰমিক বন্ধ কৰাটো দৰিদ্ৰ পৰিয়ালৰ বাবে এক অভিশাপ স্বৰূপ। ভাৰতবৰ্ষৰ নিচিনা দেশত শিশু শ্ৰমিক আইনখন মানি চলাটোও অসুবিধাজনক। আকৌ পালন নকৰিবলেও শিশুসকল শিক্ষা লাভৰ পৰা বঞ্চিত হয়। অথবা দেশৰ ভৱিষ্যত নাগৰিক হোৱাত বিফল হয়। দাৰিদ্ৰতাৰ অৱসান ঘটাবলৈ চৰকাৰৰ একান্ত আগ্ৰহৰ প্ৰয়োজন; চৰকাৰ আগবাঢ়িবই লাগিব, অৱশ্যে ভাৰত চৰকাৰে আন্তৰ্জাতিক শ্ৰমিক সন্থাৰ লগত ইতিমধ্যে এই কথাৰ বাবে চুক্তিবদ্ধ হৈছে।

দেশৰ বিশিষ্ট সমাজকৰ্মী, বুদ্ধিজীৱী, ৰাজনৈতিক নেতা, শিল্পী, সাহিত্যিক আদিয়েও ইয়াৰ নিৰাময়ৰ বাবে আপ্ৰাণ চেষ্টা কৰিব লাগিব। ই এক সমাজৰ ব্যাধিস্বৰূপ হৈ পৰিছে। এই ব্যাধি নিৰ্মূল কৰাৰ বাবে কঠিন হ'লেও কিছু লাঘৱ কৰিব পৰা যায়।

এটি সদ্য প্ৰস্ফুটিত ফুল বিকশিত হ'বলৈ যি সুযোগ সুবিধা প্ৰদানৰ প্ৰয়োজন ঠিক তেনেদৰে এটি ফুল কুমলীয়া শিশুকো বিকাশ হ'বলৈ হ'লে আমি তেওঁলোকক সুযোগ সুবিধা প্ৰদান কৰিব পাৰো। তেওঁলোক হৈছে আমাৰ দেশ তথা সমাজৰ এক অমূল্য সম্পদ। এখন শোষণমুক্ত সমাজৰ পৰা ৰক্ষা কৰিব পাৰিলেহে মানৱ সম্পদ ৰূপে বিচাৰি পাব পাৰোহঁক।○

# বিংশ শতিকাৰ নাট্য ধাৰা আৰু অসমীয়া নাটক

শ্ৰীতপন কুমাৰ শৰ্মা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

নাটক যিহেতু অভিনয়ৰ কাৰণে ৰচনা কৰা হয় গতিকে বিষয়বস্তু পৰিবেশন কৰা পদ্ধতিৰ ওপৰত নাটকৰ কৃতকাৰ্য্যতা বহু পৰিমাণে নিৰ্ভৰ কৰে। বিষয়বস্তুৰ প্ৰকৃতি অনুসৰি নাটকত বিষয়বস্তু উপস্থাপনৰ বিভিন্ন ৰীতি অৱলম্বন কৰা হৈছে। উপস্থাপন ৰীতিৰ এই ভিন্নতাৰ ওপৰত ভিত্তি কৰি বিংশ শতিকাৰ নাটকত প্ৰধানতঃ বাস্তৱবাদী বা বাস্তৱধৰ্মী নাটক, ৰূপক আৰু সাংকেতিক নাটক, প্ৰকাশবাদী নাটক, কাব্য নাটক, মহাকাব্যিক অথবা ব্ৰেখ্‌টীয় নাটক আৰু এবছাৰ্ড অথবা উদ্ভট নাটক এইকেইটা ধাৰাত চিহ্নিত কৰা হৈছে।

নাটকৰ জৰিয়তে সমকালীন সমাজৰ সমস্যা আৰু সামাজিক জীৱনৰ স্বৰূপ দাঙি ধৰিবলৈ যাওতেই সামাজিক নাটকৰ সৃষ্টি। বৰ্তমান সময়ত বিভিন্ন কাৰণত সামাজিক সমস্যা বৃদ্ধি পোৱাৰ লগে লগে দৰ্শক আৰু লেখকৰ সমাজ সচেতনতাওঁ বৃদ্ধি পাইছে। সমস্যাৰ জটিলতাই মানুহক বাস্তৱমুখী কৰি তোলাৰ লগে লগে নাটকত বাস্তৱ পৰিবেশৰ কথাও আহি পৰিছে। ইমানেই নহয়, আধুনিক নাটকত বাস্তৱধৰ্মিতাই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। যি নাটকত আধুনিক জীৱন আৰু সমাজে সন্মুখীন হোৱা বিভিন্ন সমস্যাবোৰ বাস্তৱসন্মত ভাৱে উত্থাপন কৰা হয় তাকেই বাস্তৱধৰ্মী নাটক (realistic drama) আখ্যা দিয়া হয়। এই কথাও ঠিক, সমকালীন সমাজৰ বাস্তৱ সমস্যা দাঙি ধৰিলেও এই 'বাস্তৱ' জীৱনৰ হুবহু নকল নহয়। এই নাট্যধাৰাত সমাজৰ সমস্যা সমূহ আলোচনাৰ মাজেদিহে বিচাৰ কৰা হয়। সমাজ সমালোচনাৰ ঠাইত আলোচনাই স্থান পোৱাটো এইবিধ নাটকৰ এটি গুৰুত্বপূৰ্ণ দিশ। বাস্তৱধৰ্মী নাটকৰ গুৰি ধৰোতা হেন্‌ৰিক ইব্‌ছেন আধুনিক নাটক আৰু ৰঙ্গমঞ্চৰ বুৰঞ্জীত এটি অতি পৰিচিত নাম। এইজন নাট্যকাৰে ইংৰাজী তথা পাশ্চাত্য নাট্য সাহিত্যত এক যুগান্তকাৰী পৰিবৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। বাস্তৱবাদী সামাজিক নাটকৰ গুৰি ধৰোতা হিচাপে বিংশ শতিকাৰ প্ৰথমাৰ্ধত সমগ্ৰ বিশ্বতে অতি জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা ইব্‌ছেনৰ নাটকীয় দৃষ্টিভংগীৰ বৈশিষ্ট্য সম্পৰ্কে ৰবীন্দ্ৰ চন্দ্ৰ বৰাদেৱে তেখেতৰ প্ৰবন্ধ সংকলনৰ পুথি 'সাহিত্য সমীক্ষা'ত এনেদৰে দাঙি ধৰিছে—

১। ভাবাবেগৰ পৰিবৰ্তে সমস্যাৰ দ্বন্দাত্মক বা বৌদ্ধিক বিশ্লেষণ, ২। সামন্তযুগীয়া চৰিত্ৰৰ বিপৰীতে সমস্যাবহুল মধ্য আৰু নিম্ন মধ্যবিত্ত সমাজৰ চৰিত্ৰাঙ্কন, ৩। জৈৱিক, পাৰিবাৰিক, আৰ্থ-সামাজিক সমস্যাৰ প্ৰতিফলনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান, ৪। গদ্যাশ্ৰয়ী চুটি, সহজ অথচ তাৎপৰ্য্যপূৰ্ণ সংলাপ আৰু স্বগতোক্তিৰ বিলুপ্তি সাধন।' যিকেইখন বাস্তৱধৰ্মী, সমস্যামূলক নাটকৰ জৰিয়তে ইব্‌ছেনে আধুনিক নাটকৰ বুৰঞ্জীত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল সেই নাটক সমূহ হ'ল— 'পিলাৰ্ছ অব চছাইটি' (Pillars of society), 'এ ডলছ হাউচ' (A Doll's House), 'গ'ষ্টচ (Ghosts) আৰু 'এন এনিমি অব দা পিপল' (An enemy of the people)। নাট্যৰীতি আৰু কৌশলৰ সুন্দৰ প্ৰয়োগৰ লগতে বিষয়বস্তুৰ বাছনিৰ ফালৰ পৰা ইব্‌ছেনৰ এই কেইখন নাটকে আধুনিক নাট্যমঞ্চত এক বৈপ্লবিক পৰিবৰ্তন সাধন কৰে। এই সমূহ নাটক ৰচনাৰ গুৰিতে ইব্‌ছেনৰ যি উদ্দেশ্য নিহিত হৈ আছিল সেয়া হ'ল, সমসাময়িক সমাজৰ সমস্যা উত্থাপন কৰি সমাজৰ আচল ৰূপটো দাঙি ধৰা আৰু সত্য প্ৰতিষ্ঠা কৰা।

আধুনিক অসমীয়া নাটকৰ বিৱৰ্তনত সামগ্ৰিকভাৱে এইজনা নাট্যকাৰৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিলক্ষিত হয়। দ্বিতীয় মহাসমৰৰ পৰৱৰ্তী সময়ত অসমীয়া নাটকৰ ক্ষেত্ৰত যিবিলাক গুৰুত্বপূৰ্ণ পৰিবৰ্তন চকুত পৰে, সেই সমূহ পৰিবৰ্তনত ইব্‌ছেনৰ বৰঙণিয়ে আটাইতকৈ বেছি। বিষয়বস্তু চৰিত্ৰৰ অন্তৰ্দন্দ আৰু মনস্তাত্বিক বিশ্লেষণ, দীঘলীয়া মঞ্চনিৰ্দেশ তথা আংগিক চিন্তা-ভাৱনা আদিৰ ক্ষেত্ৰত ওপৰোক্ত কথাৰ সত্যতা বিৰাজমান। জ্যোতিপ্ৰসাদৰ 'শোণিতকুৱঁৰী', 'কাৰেঙৰ লিগিৰী' আৰু 'লভিতা' নাটক এইক্ষেত্ৰত উৎকৃষ্ট উদাহৰণ। বিশেষকৈ, 'কাৰেঙৰ লিগিৰী' আৰু

'লভিতা' ইব্‌ছেনীয় নাট্যৰীতিৰ সফল ৰূপায়ণ। পৰবৰ্তী সময়ত প্ৰবীণ ফুকনৰ 'শতিকাৰ বাণ', সাৰদা বৰদলৈৰ 'মগৰিবৰ আজান', 'পহিলা তাৰিখ', 'সেইবাটেদি', অনিল চৌধুৰীৰ 'প্ৰতিবাদ', গিৰীশ চৌধুৰীৰ 'মিনাবজাৰ', সৰ্ব্বেশ্বৰ চক্ৰবৰ্তীৰ 'অভিমান' আৰু 'কঙ্কন', অমৰেন্দ্ৰ পাঠকৰ 'ইন্টাৰভিউ', সত্যপ্ৰসাদ বৰুৱাৰ 'শিখা' আৰু 'জ্যোতিৰেখা', প্ৰফুল্ল বৰুৱাৰ 'আশাৰ বালিচৰ', ফণী শৰ্মাৰ 'কিয়' আদি নাটকৰ বিষয়বস্তু ইব্‌ছেনৰ সামাজিক সমস্যামূলক নাটকবোৰৰ দৰেই বাস্তৱধৰ্মী, নাট্যৰীতি আৰু শৈলীৰ ক্ষেত্ৰত প্ৰকৃতিবাদী। কিন্তু কব লাগিব, সমাজৰ বিভিন্ন সমস্যা, যেনে দাৰিদ্ৰ, দুৰ্ভিক্ষ, মধ্যবিত্ত পৰিয়ালৰ বিভিন্ন পাৰিবাৰিক অসুয়া, জাতি ভেদ প্ৰথা, দুৰ্নীতি, স্বজন প্ৰীতি, ভাষা সমস্যা আদিক নাটক বিলাকৰ বিষয়বস্তু হিচাপে লোৱা হৈছে যদিও প্ৰায়বোৰ নাটকতে সামাজিক সমস্যা বা প্ৰশ্ন কিছুমানৰ উপৰুৱা নাট্যৰূপহে দিয়া হৈছে। চৰিত্ৰৰ গভীৰ অধ্যয়ন তথা মনস্তাত্বিক বিশ্লেষণৰ প্ৰতি গুৰুত্ব প্ৰায়বোৰ নাটকতে উপেক্ষিত। এইখিনিতে উল্লেখযোগ্য যে বসন্ত ভট্টাচাৰ্য্যৰ নাটক 'সময়বৃত্ত'ই অসমীয়া বাস্তৱধৰ্মী নাটকৰ এটা নতুন দিশ উন্মোচন কৰিছে।

বাস্তৱবাদক আৰু এখোপ আগুৱাই নিবলৈ বিচৰাৰ পৰিণতি হিচাপে জন্ম হ'ল প্ৰকৃতিবাদ (naturalism)ৰ বাস্তৱবাদী সকলে নগ্ন বাস্তৱক অবিকল ভাৱে অনুকৰণ নকৰে। বাস্তৱবাদে বাস্তৱ জীৱন অভিজ্ঞতাৰ ভৌতিত সত্যক ৰূপায়ণ কৰাটোকে উদ্দেশ্য হিচাপে লোৱাৰ বিপৰীতে প্ৰকৃতিবাদে জীৱনৰ চাক্ষুষ ৰূপৰ নগ্ন প্ৰদৰ্শনক উদ্দেশ্য হিচাপে লৈছিল। প্ৰকৃতিবাদৰ প্ৰধান প্ৰবক্তা আছিল ফৰাচী কথাশিল্পী নাট্যকাৰ এমিল জোলা। এই প্ৰকৃতিবাদৰ প্ৰতিক্ৰিয়াৰ ফলশ্ৰুতিতেই এদিন জন্ম হৈছিল ৰূপক (allegorical) আৰু সাংকেতিক (symbolical) নাটকৰ। এই ধাৰাৰ নাট্যকাৰ সকলে দৃশ্যমান জগতৰ আঁৰত থকা আধ্যাত্মিক জগতৰ ভাব অথবা তত্বক নাটকীয় ৰূপ দিবলৈ প্ৰয়াস কৰিছিল। এইচাম নাট্যকাৰৰ মতে আমি চকুৰে দেখা জড়জগতখন আচলতে বাস্তৱ নহয়। ইয়াৰ অন্তৰালত যি আধ্যাত্মিক জগত এখন আছে সেইখনতহে আচলতে জীৱনৰ চিৰন্তন সত্যই বিৰাজ কৰে। কিন্তু, এনেকুৱা এটি বিমুৰ্ত্ত ভাবধাৰাক বাস্তৱ পৰিস্থিতিৰ পটভূমিত নাট্যৰূপ প্ৰদান কৰাটো সম্ভৱপৰ নহয় বাবে এইসকল নাট্যকাৰে সহায় ল'বলগা হ'ল ৰূপক আৰু প্ৰতীক বা সংকেতৰ। ৰূপকধৰ্মী নাট্যকাৰ সকলে কোনো গভীৰ আধ্যাত্মিক ভাব অথবা দাৰ্শনিক তত্বক ইন্দ্ৰিয় গ্ৰাহ্য ৰূপৰ সহায়েৰে নাটকত প্ৰকাশ কৰে। সাংকেতিক নাটকতো অন্তৰৰ সূক্ষ্ম অনুভূতি তথা উপলব্ধিক আন এটা ৰূপৰ মাজেদি প্ৰকাশ কৰা হয়। অন্তৰ্মুখিতা দুয়োবিধ নাটকৰে বৈশিষ্ট্য। দুয়োবিধ নাটকতে ভাবগত সত্যক প্ৰধান বিষয় হিচাপে গণ্য কৰি কাহিনী, চৰিত্ৰ আদিক মাথো মাধ্যম হিচাপেহে গ্ৰহণ কৰা হয়। মনকৰিবলগীয়া যে প্ৰতীকধৰ্মী বা সাংকেতিক নাটকৰ কাহিনীত স্পষ্টতা নাথাকে আৰু মূলবস্তু অনুভূতি সাপেক্ষ হোৱাৰ লগতে ভাব প্ৰকাশৰ বাবে প্ৰতীকেই একমাত্ৰ মাধ্যম। ৰূপকধৰ্মী নাটকত কাহিনীৰ স্পষ্টতাৰ লগতে অন্তৰ্নিহিত ভাবটো অন্য ধৰণেও প্ৰকাশ কৰিব পাৰি। এইখিনিতে এটা কথা মনত ৰখা ভাল যে ৰূপক আৰু প্ৰতীক বা সঙ্কেত সৰহভাগ নাটকতে মিহলি হৈ থাকে বাবে দুয়োবিধ নাটকৰ মাজত এডাল স্পষ্ট সীমাৰেখা টানিবলৈ অসুবিধা। সেয়া যিয়েই নহওক, বিশ্বসাহিত্যত সাংকেতিক নাটকৰ উদাহৰণ হিচাপে, বেলজিয়াম নাট্যকাৰ মেটাৰনিলঙ্কৰ নাট সমূহলৈ আঙুলিয়াব পাৰি। মেটাৰলিঙ্কৰ 'নীলা চৰাই' নাটকখন এইক্ষেত্ৰত প্ৰকৃত উদাহৰণ। অসমীয়া নাট্যসাহিত্যত ৰূপকাত্মক আৰু প্ৰতীকাত্মক নাটৰ সংখ্যা আঙুলিৰ মূৰত সহজে গণিব পৰা বিধৰ। প্ৰতীকাত্মক বা সাংকেতিক নাট নাই বুলিলেই হয়। মাথো, পাৰ্বতি প্ৰসাদ বৰুৱাৰ 'সোণৰ সোলেং' গীতি নাটিকাখনেই একমাত্ৰ অসমীয়া সাংকেতিক নাটক। অৱশ্যে এই কথাও কব লাগিব আকৃতি ঠিকে ঠাকে থাকিলেও প্ৰকৃতিৰ ফালৰ পৰা 'সোণৰ সোলেং' সম্পূৰ্ণ নাটৰ শাৰীত উঠিব পৰা নাই। অসমীয়া ৰূপক নাটক বুলিলে পাৰ্বতি প্ৰসাদ বৰুৱাৰ এখন নাটিকা 'লখিমী', কমলেশ্বৰ চলিহাৰ 'ধুলি', কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈয়ে ৰচনা কৰা 'সুৰবিজয়', 'লুইতকোঁৱৰ', আনন্দ বৰুৱাৰ 'কপৌকুঁৱৰী', বদন চন্দ্ৰ শৰ্মাৰ 'কবিতাৰ জন্ম', হৈমন্তিকা' আদি নাটকৰ নাম উল্লেখ কৰিব পাৰি। বাস্তৱবাদী আৰু প্ৰকৃতিবাদীসকলক প্ৰত্যাহ্বান জনাই সৃষ্টি হোৱা আন দুটা ধাৰা হ'ল প্ৰকাশবাদ (expressionistic) আৰু কাব্য নাটক (poetic drama)। বিংশ শতিকাৰ দ্বিতীয় দশকত জাৰ্মান মঞ্চত প্ৰভাব বিস্তাৰ কৰা প্ৰকাশবাদী বা অভিব্যক্তিবাদী আন্দোলনে মনস্তাত্বিক বাস্তৱতাৰ প্ৰতি অধিক আগ্ৰহী হোৱা পৰিলক্ষিত হয়। সামূহিক অনুভূতিক সাংকেতিক ৰূপত দাঙি ধৰিবলৈ গৈ প্ৰকাশবাদী সকলে প্ৰচলিত তথা গতানুগতিক নাটৰীতি বৰ্জন কৰি মুখাৰ ব্যৱহাৰৰ উপৰিও অন্যান্য ভালেমান কৌশলপূৰ্ণ দৃশ্য সজ্জাৰ সহায় লয়। এইবিধ নাটকৰ কাহিনী সংহতিহীন, সংলাপ অসংলগ্ন আৰু কাব্যিক লগতে চৰিত্ৰও নিৰ্দিষ্ট ব্যক্তিৰ ঠাইত এটা শ্ৰেণী বা সমষ্টিৰ প্ৰতিনিধি হিচাপেহে ৰূপায়িত হয়। মাৰ্কিন নাট্যকাৰ এলমাৰ ৰাইচৰ 'এডিংমেচিন' এইশ্ৰেণীৰ এখন বিখ্যাত নাটক। অসমীয়া নাট্য সাহিত্যত অৰুণ শৰ্মাৰ 'পুৰুষ' নাটকখনৰ বিষয়

উপস্থাপন ৰীতিত এই শ্ৰেণীৰ নাটকৰ প্ৰভাৱ পৰিছে বুলি ড° সত্যেন্দ্ৰ নাথ শৰ্মাই তেখেতৰ 'অসমীয়া নাট্য সাহিত্য' শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে। বিংশ শতিকাৰ নাট্যধাৰাৰ অন্য এক অভিনৱ সংযোজন হ'ল কাব্য-নাটক। ইব্ছেন আৰু বাৰ্ণাডশ্বৰ পৰৱৰ্তী সময়ত বাস্তৱধৰ্মী গদ্য নাটকৰ অৱস্থা শোচনীয় হৈ পৰিছিল। তেনে এক পৰিস্থিতিত কবি টি.এছ.ইলিয়ট, উইলিয়াম বাটলাৰ ইয়েট্চ আদিয়ে গদ্য নাটকৰ বিৰুদ্ধে সবল যুক্তি আগবঢ়ায় আৰু নাটকৰ মাধ্যম হিচাপে কাব্যৰ যুক্তিযুক্ততা প্ৰদৰ্শন কৰি পাশ্চাত্যত কাব্য-নাট্যক ৰচনাৰ দিশটো যথেষ্ট শক্তিশালী আৰু জনপ্ৰিয় কৰি তোলে। এলিয়টে বিভিন্ন বিষয়কলৈ কাব্য-নাটক ৰচনা কৰিছে। তেওঁৰ কেউখন নাটকৰ ভিতৰত 'মাৰ্ডাৰ ইন দি কোথেড্ৰাল' (Murder in the Cathedral) নামৰ কাব্য নাটকখনে তৎকালীন ইংলণ্ডত বেছ জনপ্ৰিয়তা অৰ্জন কৰিছিল। ইংলণ্ডৰ ৰজা দ্বিতীয় হেনৰিৰ বিৰুদ্ধাচৰণ কৰা কেণ্টাৰবাৰী গীৰ্জাৰ ধৰ্মযাজক টমাচ বেকেটৰ হত্যাকাণ্ডক লৈ কেণ্টাৰবাৰী উৎসৱত প্ৰদৰ্শনৰ কাৰণে লিখা এইখন কাব্য নাটকে পৰৱৰ্তী সময়ত বহুতকে কাব্য নাটক ৰচনাৰ কাৰণে অনুপ্ৰেৰণা দিছিল। অৱশ্যে পাশ্চাত্য সাহিত্যত বিভিন্ন কাৰণত কাব্য নাটকৰ এই ধাৰাটো স্থায়ী নহ'ল। ইয়াৰে ভিতৰত প্ৰধান কাৰণ হিচাপে আঙুলিয়াব পাৰি যে এই নাটক সমূহ যি সকলে সৃষ্টি কৰিছিল তেওঁলোক আছিল কবি লেখক যাৰ মঞ্চৰ লগত কোনোধৰণৰ ওচৰ সম্পৰ্ক নাছিল। দ্বিতীয়তে, ইউৰোপীয় নাট্য আন্দোলনত ক্ৰমাৎ প্ৰসাৰ লাভ কৰা এবছাৰ্ড অথবা উদ্ভট নাটক আৰু পৰৱৰ্তী সময়ৰ ব্ৰেখ্টীয় নাটকৰ অগ্ৰগতিয়ে কাব্য নাটক ৰচনাৰ ধাৰা প্ৰায় স্তিমিত কৰে। অসমীয়া নাট্য সাহিত্যত কাব্য নাটকৰ উদাহৰণ বুলিলে চৈয়দ আব্দুল মালিকৰ 'ৰাজদ্ৰোহী' নাটকখনলৈ আঙুলিয়াব পাৰি। অসমীয়া নাট্য সাহিত্যৰ আলোচক সকলে 'ৰাজদ্ৰোহী'ক কাব্য নাটক ৰচনাৰ এটা প্ৰচেষ্টা বুলি উল্লেখ কৰিছে।

কুৰি শতিকাৰ নাট্যধাৰা সমূহৰ ভিতৰত অন্য এটা উল্লেখযোগ্য ধাৰা হৈছে 'এব্ছাৰ্ড (absurd) অথবা উদ্ভট নাটক। 'এব্ছাৰ্ড' শব্দটোৰ অভিধানিক অৰ্থ হৈছে অস্বাভাৱিক বা অগতানুগতিক। সাহিত্যত এই শব্দটোৰ প্ৰতিৰূপ দিয়া হৈছে। 'উদ্ভট' প্ৰচলতি তথা গতানুগতিক নাটকৰ সঙ্গতি সামঞ্জস্য লগতে অৰ্থময়তা অস্বীকাৰ কৰাৰ পৰিণতিতে এদিন এইবিধ নাটকৰ জন্ম হৈছিল। সাধাৰণতে এখন গতানুগতিক নাটকত চৰিত্ৰ, সংলাপ, প্লট বা বিষয়বস্তু এইকেইটা সমল থাকে আৰু সু-সংহত কাহিনীৰ লগতে অৰ্থপূৰ্ণ সংলাপৰ জৰিয়তে কোনো সমস্যা অথবা কোনো চৰিত্ৰ এইবিধ নাটকত ৰূপায়ণ কৰা হয়। কিন্তু এব্ছাৰ্ড নাটকত সমস্যা বা চৰিত্ৰ ৰূপায়ণৰ কথা নাথাকে। এইবিধ নাটকত সচৰাচৰ মানি লোৱা অৰ্থত চৰিত্ৰ, কথোপকথন আৰু কাহিনী আদি প্ৰায়েই দেখিবলৈ পোৱা নাযায়। ইয়াৰ ঘটনা যিদৰে অযৌক্তিক আৰু অস্বাভাবিক, ভাষাও সেইদৰে সংগতিহীন, আচহুৱা আৰু যুক্তিতৰ্ক বৰ্জিত।

কাহিনী বিন্যাস, চৰিত্ৰ সৃষ্টি, সংলাপ সংযোজনাকে আদি কৰি সকলো ক্ষেত্ৰতে প্ৰচলিত ৰীতিৰ পৰা আতৰি অহা বাবে আৰু সাধাৰণ দৃষ্টিত গোটেই বিষয়টো অস্বাভাবিক যেন লগা বাবেই সমালোচক মাৰ্টিন এছলিনে এই নাটক সমূহক এব্ছাৰ্ড নাম দি এটা সুকীয়া ধাৰাৰ অন্তৰ্ভুক্ত কৰিছে। এইসম্পৰ্কত ড° পোনা মহন্তই তেখেতৰ 'নাটক আৰু নাট্যকাৰ' গ্ৰন্থত লিখিছে, 'উদ্ভট নাটক বা ইংৰাজী 'এব্ছাৰ্ড ড্ৰামা' কোনো এটা বিশেষ নাট্য আন্দোলন নহয়। দ্বিতীয় মহাযুদ্ধৰ পিছত ইউৰোপ আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ জনচেৰেক নাট্যকাৰৰ নাটকক 'এব্ছাৰ্ড ড্ৰামা' বা থিয়েটাৰ অব দি এবছোৰ্ড আখ্যা দিয়া হয়। এওঁলোকৰ প্ৰত্যেকেই জীৱন সম্পৰ্কে নিজৰ ব্যক্তিগত দৃষ্টিভঙ্গী বা অভিমত প্ৰকাশ কৰিছে; কিন্তু, এই নাট্যকাৰসকলৰ মিল এইখিনিতে যে আধুনিক মানুহৰ জীৱনৰ অৰ্থহীনতা আৰু উদ্দেশ্য বিহীনতালৈ লক্ষ্য কৰি আটায়ে একপ্ৰকাৰ অধিবিদ্যা মূলক বেদনা অনুভৱ কৰিছে। এওঁলোকৰ এইধৰণৰ দৃষ্টিভঙ্গীৰ বাবে আৰু এওঁলোক আটাইৰে নাটকৰ ৰীতি তথা আংগিকো গতানুগতিক নাটকতকৈ সুকীয়া হোৱা বাবে এই নাট্যকাৰ সকলক একেলগে এব্ছাৰ্ড বা উদ্ভট নাটক ৰচোতা বুলি কোৱা হয়।...এওঁলোকে বিশ্বাস কৰে যে পাশ্চাত্য জগতৰ আধুনিক মানুহৰ অৱস্থা গ্ৰীক আখ্যানৰ চিচিফাচৰ অৱস্থাৰ লেখীয়া। চিচিফাচৰ শাস্তি হৈছে পাহাৰৰ টিঙৰ ওপৰলৈ প্ৰকাণ্ড শিল এটা তুলিব লাগে। দেখাতেই এইটো অসম্ভৱ আৰু অৰ্থহীন কাম। কিন্তু ইয়াৰ শেষো নাই; কাৰণ ওপৰলৈ তোলা শিলাখণ্ড বাৰে বাৰে বাগৰি আহে।' এইখিনিতে এব্ছাৰ্ড ধৰ্মী নাট্যকাৰ সকলৰ জীৱন সম্পৰ্কীয় ধাৰণা সম্পৰ্কে ড° শৈলেন ভৰালীয়ে তেখেতৰ 'নাটক আৰু অসমীয়া নাটক' পুথিত উল্লেখ কৰা কথাখিনি প্ৰণিধানযোগ্য। তেখেতে লিখিছে, 'মহাযুদ্ধই জীৱনৰ মূল্যবোধক প্ৰচণ্ডভাৱে আঘাট কৰিলে। সামাজিক মূল্যবোধ অৰ্থহীন হৈ পৰিল। পূৰ্ব্বস্থাপিত সকলো বিশ্বাস আৰু আদৰ্শ ধূলিত পৰিণত হ'ল। আধ্যাত্মিক নিৰ্ভৰতাৰ ওপৰত মানুহৰ আস্থা নাইকিয়া হৈ আহিল। ঈশ্বৰৰ মৃত্যু হৈছে বুলি উনবিংশ শতিকাতেই দাৰ্শনিক নীৎচে ঘোষণা কৰা ধাৰণাই তেওঁলোকৰ মন অধিকাৰ কৰি ল'লে। বৈজ্ঞানিক আবিষ্কাৰ

সমূহৰ ধ্বংসলীলাই মানুহৰ অস্তিত্ব বিপদাপন্ন কৰি তুলিলে। জীৱন আৰু মৰণ দুয়োটাই মূল্যহীন হৈ পৰিল। পৃথিৱীত ঘটা বহুতো ঘটনাৰেই কাৰণ আৰু অৰ্থবিচাৰি লেখক, সাহিত্যিক সকল অবাক হ'ল। তেওঁলোকৰ দৃষ্টিত জীৱনৰ অৱস্থিতিয়ে অদ্ভুত আৰু উদ্ভট ৰূপ ধাৰণ কৰিলে। সমগ্ৰ বিশ্বই হৈ পৰিল এবছাৰ্ড।' মুঠতে এই নাট্যকাৰ সকলে আধুনিক জীৱন আৰু পৰিবেশৰ প্ৰতি থকা 'বিশেষ' দৃষ্টিভঙ্গী তথা বিশেষ মানসিক অৱস্থা বা সামাজিক পৰিবেশক অগতানুগতিক আৰু অভিনব ভাৱে নাট্যৰূপ প্ৰদান কৰিছে। এই ধৰণৰ নাটক লেখোতা সকলৰ ভিতৰত আগশাৰীৰ কেইজনমান হ'ল— চেমুৱেল বেকেট্, আয়োনেস্ক, জ্যাঁ জেনেট আৰু আৰ্থাৰ আডামড্। উনৈশ শতিকাৰ শেষাৰ্দ্ধৰ ফৰাচী দেশৰ কবি আৰু নাট্যকাৰ আলফ্ৰেড জেৰিকক এবছাৰ্ড নাটকৰ পিতৃ বুলি মানি অহা হৈছে যদিও এই শতিকাৰ মাজভাগত ওলোৱা চেমুৱেল বেকেটৰ 'বেইটিং ফৰ গড', জ্যাঁ জেনেটৰ 'দি মেইড্ছ' আয়োনেস্কৰ 'দি বল্ড প্ৰাইম ড'না' আদি নাটকে এই নাট্যধাৰাৰ নাটকৰ প্ৰতি সমগ্ৰ বিশ্বৰে মনোযোগ আকৰ্ষণ কৰে। ক্ৰমে ক্ৰমে এই নাটকে ইউৰোপ আৰু আমেৰিকাত অতি জনপ্ৰিয় হৈ পৰে আৰু প্ৰায় সমগ্ৰ পাশ্চাত্য জগতত জনপ্ৰিয়তা লাভ কৰাৰ এক দশকমানৰ ভিতৰতে এইবিধ নাটকে ভাৰতীয় মঞ্চতো প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। অসমীয়া নাট্য জগতত উদ্ভট নাটক প্ৰবেশ কৰে নাট্যকাৰ অৰুণ শৰ্মাৰ নাটৰ জৰিয়তে। শৰ্মাদেৱ ৰচিত 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য, আৰু 'আহাৰ' নাটকত এবছাৰ্ড নাটকৰ লক্ষণ দেখা পোৱা যায়। এই দুয়োখন নাটকক অসমীয়া উদ্ভট নাটকৰ ভাল নিদৰ্শন বুলি ক'ব পাৰি। অসমীয়া নাট্য ক্ষেত্ৰত এবছাৰ্ড ধাৰাটোৰ অনুগামী আন এজন নাট্যকাৰ বসন্ত শইকীয়াৰ ৰচিত নাটকেইখন হৈছে 'মৃগতৃষ্ণা', 'মানুহ' আৰু 'অসুৰ', তিনিওখন নাটকৰ ভিতৰত উদ্ভট নাটকৰ প্ৰভাৱান্বিত নাটক হিচাপে 'মানুহ' নামৰ নাটকখন উজ্বল। ইয়াৰোপৰি, ৰত্নওজাৰ 'প্ৰলাপ', 'খং' আদি নাটকতো উদ্ভট নাটকৰ প্ৰভাৱ পৰাটো পৰিলক্ষিত হয়।

প্ৰচলিত নাট্য ৰীতিৰ বিৰুদ্ধে প্ৰতিবাদ জনাই, বাস্তৱধৰ্মী আৰু প্ৰকৃতিবাদী নাটকৰ সীমাবদ্ধতা অতিক্ৰম কৰি জাৰ্মান নাট্যকাৰ আৰু পৰিচালক বাৰ্টোল্ট ব্ৰেখ্‌টে মহাকাব্যিক নাটক (epic drama) ৰচনা কৰে। মাৰ্ক্সীয় দণ্ডাত্মক বস্তুবাদৰ আধাৰত ৰচিত বাবে এইবিধ নাটকক কোনো কোনোৱে 'সমাজতান্ত্ৰিক বাস্তৱধৰ্মী' নাটক আখ্যা দিছে। একেধাৰে কবি, নাট্যতাত্ত্বিক, সমালোচক আৰু মঞ্চ পৰিচালক হিচাপে খ্যাতি আৰ্জিবলৈ সক্ষম হোৱা বাৰ্টোল্ট ব্ৰেখ্‌টৰ মতে, থিয়েটাৰৰ উদ্দেশ্য আবেগ উদ্ৰেক কৰা নহয় চিন্তাৰ খোৰাক যোগোৱা অথবা শিক্ষা প্ৰদান কৰাহে। কিন্তু গতানুগতিক নাট্য ৰীতিয়ে দৰ্শকক অভিনেতা-অভিনেত্ৰীৰ লগত একাত্মহৈ মিলি যোৱাতহে সহায় কৰে, যাৰ ফলত দৰ্শকে ঘটনাৰ সোঁতত উটি-বুৰি ভাঁহি থাকে আৰু মঞ্চত সংঘটিত হোৱা ঘটনাকে তেওঁলোকৰ বাস্তৱ জীৱনৰ ঘটনা বুলি ধৰি লয় আৰু ইয়াৰ ফলত দৰ্শকে নাটকীয় কাহিনীত অন্তৰ্নিহিত হৈ থকা সামাজিক আৰু নৈতিক সমস্যা সমূহৰ বিষয়ে ভাবিবলৈ অকনো অৱকাশ নাপায়। সেয়ে, ব্ৰেখ্‌টে ধাৰণা কৰিছিল যে নাটক এৰিষ্টটোলীয় নাটকৰ দৰে নাটকীয় হোৱাতকৈ মহাকাব্যৰ দৰে বৰ্ণনাত্মক হোৱা উচিত; আবেগ-অনুভূতিৰ সলনি বৈজ্ঞানিক সমাজবাদহে নাটকৰ ভেঁটি হ'ব লাগে। নাটকৰ দৰ্শকো হ'ব লাগে মহাকাব্যৰ পঢ়ুৱৈৰ লেখীয়া। দৰ্শকক এইটো কেতিয়াও ভাবিবলৈ সুবিধা দিব নালাগে যে তেওঁলোকে মঞ্চত দেখা চৰিত্ৰবিলাক বাস্তৱিক আৰু কাহিনী মসূহ সঁচা-সঁচিকৈ সংঘটিত হৈ আছে। লগতে অভিনেতাজনেও এইকথাষাৰ কেতিয়াও পাহৰি যাব নালাগে যে তেওঁ নিজে চৰিত্ৰটো নহয়, মাথো চৰিত্ৰটোৰ কাৰ্য্যকলাপ দেখুৱাবৰ বাবেহে অভিনয় কৰিছে। ব্ৰেখ্‌টে কৈছে যে অভিনেতা এজন হ'ব লাগে ঠিক কোনো পথত ঘটা দুৰ্ঘটনা এটা বৰ্ণনা কৰা প্ৰত্যক্ষদৰ্শী এজনৰ লেখীয়া। মুঠতে, এপিক থিয়েটাৰৰ জৰিয়তে, দৰ্শকৰ মনত কোনো ভুৱা বৰ্তমানৰ সৃষ্টি কৰিবলৈ চেষ্টা নকৰি, দৰ্শকে যাতে নাটকৰ চৰিত্ৰৰ সৈতে একাত্মবোধ অনুভৱ কৰাৰ পৰিৱৰ্তে নিৰপেক্ষ পৰ্য্যবেক্ষকৰ ভূমিকালৈ এইবোৰৰ প্ৰতি সমালোচনামূলক দৃষ্টিভঙ্গীহে গ্ৰহণ কৰে, সেই কথাত ব্ৰেখ্‌টে গুৰুত্ব দিছিল। এনেদৰে, থিয়েটাৰত দৰ্শকৰ চিন্তা আৰু বিশ্লেষণী শক্তি জগাই তুলিবলৈ দৰ্শকক অভিনেতাৰ পৰা বিচ্ছিন্ন কৰি ৰাখিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ পোষকতা কৰি মানৱ প্ৰকৃতিৰ পৰম্পৰাগত অৱস্থান আৰু ইতিহাসৰ গতি পৰিবৰ্তনত বিশ্বাসী ব্ৰেখ্‌টে উদ্ভাৱন কৰে যুগান্তকাৰী 'বিচ্ছিন্নকৰণ বা বিচ্ছেদীকৰণ তত্ত্ব' (Theory of Alienation)। বিচ্ছিন্নকৰণ তত্ত্বই ব্ৰেখ্‌টৰ সামাজিক দায়বদ্ধতাসূচক জলাত্মক দৃষ্টিভঙ্গীৰ স্পষ্ট আভাষ, দিয়ে। দৰ্শকে যে অতীত সংঘটিত হোৱা কোনো ঘটনাৰ অভিনীত ৰূপহে মঞ্চত দেখিবলৈ পাইছে এই কথা সকিয়াই থাকিবৰ বাবে ব্ৰেখ্‌টে গ্ৰহণ কৰা উপায় সমূহৰ ভিতৰত, মঞ্চৰ ওপৰত যথেষ্ট পোহৰৰ ব্যৱস্থা কৰা, কিন্তু কোনো নাটকীয় পৰিবেশ সৃষ্টি কৰিবলৈ কৃত্ৰিম পোহৰৰ ব্যৱস্থা নকৰা; দৰ্শকক আঁৰ কৰি কোনো ধৰণৰ কৃত্ৰিম নাটকীয় প্ৰস্তুতি চলোৱাৰ বাবে পৰ্দাৰ ব্যৱহাৰ নকৰা ইত্যাদি। পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰচলিত উৎসৱ অনুষ্ঠান, নাটক আদিৰ লগতে চীনা, জাপানী, ভাৰতীয় থিয়েটাৰ আৰু ঠাই বিশেষৰ লোক

নাট্যৰ পৰা নাট্য উপাদান সংগ্ৰহ কৰা ব্ৰেখ্‌টে মাৰ্ক্সবাদত প্ৰবল বিশ্বাস ৰাখিছিল। মানুহ কোনো দৈৱিক শক্তিৰ দ্বাৰা পৰিচালিত নহয়, বৰঞ্চ এক ঐতিহাসিক বিৱৰ্ত্তনৰ পথেদিহে মানুহ আৰু সমাজ আগবাঢ়িছে; এই বিৱৰ্ত্তনৰ প্ৰক্ৰিয়াও মানুহে নিজেই নিজৰ ভাগ্য নিয়ন্ত্ৰণ কৰে। ব্ৰেখ্‌টে এইকথাও কৈছিল যে সামাজিক প্ৰাণী হিচাপেহে মানুহে ক্ৰিয়া-প্ৰক্ৰিয়া কৰে; কোনো দেৱতাৰ হাতিয়াৰ হিচাপে নহয়। মুঠতে, কাৰ্লমাৰ্ক্সৰ ৰচনা সমূহ গভীৰ ভাৱে অধ্যয়ন কৰাৰ পাছত সমাজ আৰু কলা সম্পৰ্কে তেওঁৰ মগজুৰ যি ধাৰণা আৰু বিশ্বাসে গঢ় লৈ উঠিছিল, তাৰ ফলশ্ৰুতিত 'দ্যা থ্ৰী পেনি আপৰা' (The Three penny Opera), 'চেজুৱানৰ ভাল মহিলাগৰাকী' (The good Women of Seizuan) 'গেলিলিও' (The Life of Galileo), 'মাদাৰ কাৰেজ' (Mother Courage) আদি বিখ্যাত নাটকৰ জন্ম হয়।

ভাৰত তথা অসমতো এপিক্ থিয়েটাৰৰ প্ৰভাৱ আৰু জনপ্ৰিয়তা লক্ষ্য কৰিবলগীয়া। উল্লেখযোগ্য যে ব্ৰেখ্‌টীয় নাটকৰ 'ৰিপৰ্টেজ' বা বিৱৰণ পদ্ধতি অংকীয়া নাটৰ সূত্ৰধাৰৰ ভূমিকাতে দেখিবলৈ পোৱা যায়। যি নহওক; অসমীয়া নাট্য সাহিত্যত ব্ৰেখ্‌টৰ প্ৰভাৱসিক্ত হৈ নাটক ৰচনা কৰা সকলৰ বিতৰত সৰ্বশ্ৰী ৰত্ন ওজা, মহেন্দ্ৰ বৰঠাকুৰ, পবিত্ৰ ডেকা আদিৰ নাম উল্লেখযোগ্য। এই প্ৰসঙ্গত পবিত্ৰ ডেকাৰ অনুদিত নাটক 'সম্ৰাটৰ বিচাৰ', মহেন্দ্ৰ বৰঠাকুৰৰ 'জন্ম আৰু ৰত্ন ওজাৰ 'বাটৰ নাট' আৰু 'মহ খেদিবলৈ টোকোন ল' আদি উল্লেখযোগ্য। ব্ৰেখ্‌টৰ প্ৰভাৱসিক্ত এই নাটক সমূহত পোহৰ সংযোজন আৰু আবহসঙ্গীতৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰাটো পৰিলক্ষিত হয়।○

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। শৰ্মা, সত্যেন্দ্ৰনাথ— অসমীয়া নাট্য সাহিত্য (সৌমাৰ প্ৰকাশ, গুৱাহাটী)।

২। মহন্ত, পোনা— নাটক আৰু নাট্যকাৰ (বনলতা প্ৰকাশ, গুৱাহাটী)।

৩। ভৰালী, শৈলেন—নাটক আৰু অসমীয়া নাটক (চন্দ্ৰ প্ৰকাশ, গুৱাহাটী)।

৪। বৰা, ৰবীন্দ্ৰ চন্দ্ৰ— সাহিত্য সমীক্ষা (বনলতা প্ৰকাশ, ডিব্ৰুগড়)।

# কুইজ

সংগ্ৰাহক ঃ মিছ চুনিয়া বেগম

ভাৰতৰ সৰ্বপ্ৰথম কবি কোন?
মহৰ্ষি বাল্মীকি।
অসমৰ কোনজন সাহিত্যিকক ৰামমোহন ৰায় বোলা হয়?
আনন্দৰাম ঠেকিয়াল ফুকন।
ৰামায়ণত কেইটা কাণ্ড আছে?
২৪ হাজাৰ।
ভাৰতৰ কোনখন ৰাজ্যৰ দুখন ৰাজধানী?
জম্মু আৰু কাশ্মীৰ।
দিল্লীৰ লালকিল্লাটো কোনে সাজিছিল?
ছাহজাহানে।
ৰাষ্ট্ৰীয় সংগীতটো গাবলৈ কিমান সময় লাগে?
৫২ ছেকেণ্ড।

# দিব্যাংগ — এক অনুভৱ

দৈব্যশক্তি ডেকা
সহঃ অধ্যাপক, বুৰঞ্জী বিভাগ

ক'ৰ পৰা আৰম্ভ কৰিম। আচলতে সিদ্ধান্ত কৰিব পৰা নাই। বৰ্তমান সমাজ ব্যৱস্থাত মানৱীয় গুণৰ অৱনতি ঘটিছে। তাহানিৰ ব্ৰিটিছৰ দিনৰ বিষবাষ্পবোৰে সমাজ ব্যৱস্থাটোক অস্থিৰ কৰি পেলাইছে। ক'ব খুজিছো সেই সকলৰ কথা যিসকল সমাজৰ আজিকোপতি অৱহেলিত, লাঞ্ছিত, নিষ্পেষিত। হিন্দুৱেই হওঁক, মুছলমানেই হওঁক বা খ্ৰীষ্টানেই হওঁক তেওঁলোক চাৰিওফালৰ পৰা অৱহেলিত। চৰকাৰী ভাৱেই হওঁক বা সামাজিক ভাৱেই হওঁক তেওঁলোক সদায় সমাজৰ পৰা একাষৰীয়া। আমাৰ সমাজৰ সেই জাতিটোৱে হ'ল বিকলাংগ/প্ৰতিবন্ধী/দিব্যাংগ।

প্ৰতিবন্ধী জন্মগত ভাৱে হওঁক বা দুৰ্ঘটনাৰ মুখামুখি হৈয়েই হওঁক, প্ৰতিবন্ধী প্ৰতিবন্ধীয়েই। কেতিয়াবা মনতে প্ৰশ্ন হয় এই প্ৰতিবন্ধীসকলৰ প্ৰতি দেখুওৱা অকৃত্ৰিম মৰম স্নেহবোৰৰ বাবে। মাজে মাজে কিছুমান বেচৰকাৰী সংস্থাই এইসকলক লৈ সভা-সমিতি পাতি কিছুমান বয়বস্তু বিতৰণ কৰা দেখা যায়। বেচৰকাৰী সংস্থাৰ বিষয়ববীয়াসকলক যথেষ্ট আবেগিক হৈ পৰা দেখা যায় আৰু উদাত্ত ভাষণেৰে প্ৰতিন্ধীসকলৰ অন্তৰ জয় কৰি প্ৰতিবন্ধীসকলৰ দায়িত্বও গ্ৰহণ কৰে। গালো বালো খোলাগুটিৰ তাল। সভা শেষ কৰি বেচৰকাৰী সংস্থাৰ বিষয়ববীয়াই ঘৰলৈ উভতি যাওঁতে ফুটপাথত এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি থকা প্ৰতিবন্ধীসকলক মাত দিবলৈ সময় নাই। এয়া সঁচা অৰ্থত অকৃত্ৰিম স্নেহ নহয় জানো। সন্দেহৰ থল আছে। এয়া এক দৰাচলতে পুতৌলগা ছবি।

আজিকালি আকৌ টিভিৰ ৰঙীণ পৰ্দাত প্ৰতিবন্ধীসকলক দেখা যায় এক ব্যতিক্ৰমী ৰূপত। আনকি অনুষ্ঠান চলি থকাৰ মাজতে অসমৰ বিভিন্ন ঠাইৰ দুই এজন ব্যক্তিয়েও প্ৰতিবন্ধীসকলক ধন টকা পইচাৰে সহায় আগবঢ়োৱা দেখা যায়। টিভি চেনেলবোৰক মই উপলুঙা কৰিব খোজা নাই কিয়নো সাংবাদিকতা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। আচলতে প্ৰতিবন্ধীসকলৰ প্ৰতিভা প্ৰকাশ কৰাৰ লগতে যদি সেইসকলৰ সমস্যা সমূহৰ স্থায়ী সমাধানৰ বাবে গঠনমূলক প্ৰেক্ষাপট অনুষ্ঠানৰ আয়োজন কৰিলে হয়তো তেওঁলোকে সমাজত মানুহ হিচাপে জীয়াই থাকিব পাৰিব। নক'লে নহ'ব এইক্ষেত্ৰত নিউজ লাইভ চেনেলটোৱে ধাৰাবাহিকভাৱে প্ৰকাশ কৰি অহা 'সুখৰ সংজ্ঞা বিচাৰি' অনুষ্ঠানটোৱে প্ৰতিবন্ধীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোক যে শাৰীৰিক ভাৱেহে অক্ষম মানসিকভাৱে নহয় তাক প্ৰতিপন্ন কৰি তুলিছে। চেনেলটোৰ কৰ্তৃপক্ষক এই লেখাৰ জৰিয়তে ধন্যবাদ যাচিছো আৰু প্ৰতিবন্ধীসকলৰ বাবে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে অনুৰোধ যাচিছো।

বৰ্তমানৰ অত্যাধুনিক সমাজত মানৱীয়তা, সহিষ্ণুতা আদি শব্দৰ অৱনতি ঘটিছে। আমি সকলোৱে জানো যাত্ৰীবাহী বাছবোৰত শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে আসন সংৰক্ষণ কৰা হৈছে। কিন্তু বাস্তৱত দেখিব অন্ধজন থিয় হৈ আছে আৰু সুস্থ সুঠাম ব্যক্তিগৰাকী সেই নিৰ্দিষ্ট আসনত বহি আছে। এয়াই অত্যাধুনিক প্ৰকৃত সমাজৰ আচল ৰূপ। পঞ্চায়তৰ অধীনৰ জনপ্ৰতিনিধিয়ে হিতাধীকাৰী বাচনি কৰাৰ সময়ত সেইসকল প্ৰতিবন্ধীৰ নাম পাহৰি পেলায় কিয়নো প্ৰতিবন্ধীসকলৰ উৎকোচ দিবলৈ হাতত ধন নাই। কোৱা বাহুল্য প্ৰতিবন্ধীসকল আজি পৰ্য্যন্ত চৰকাৰী সাহাৰ্য্য পাবলৈ অপৰাগ। যা নহওঁক মাজে সময়ে আকৌ অসম চৰকাৰবো প্ৰতিবন্ধীসকলৰ প্ৰতি প্ৰেম জাগে। এয়া প্ৰেম কিন্তু মাত্ৰ এদিনৰ বাবেহে। মানে ক'ব বিচাৰিছো ঢালি বাকী দিয়ে এটুপিও নপৰে। প্ৰতি বছৰৰ ডিচেম্বৰৰ ৩ তাৰিখে সমগ্ৰ বিশ্বতে 'বিশ্ব বিকলাংগ দিৱস' উদ্‌যাপন কৰা হয়। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। উক্ত দিনত ৰজাঘৰীয়াই ঘৰিয়ালৰ চকুপানী টুকি প্ৰতিবন্ধীসকলক আভুৱা ভাবি ৩৬৪ দিনৰ বাবে এই প্ৰতিবন্ধীসকলক স্মৃতিৰ পাহৰণিৰ গৰ্ভত পেলাই দিয়ে। বেচৰকাৰী কিছুমান সংস্থাই উক্ত দিনটোৰ অপেক্ষাত বৈ থাকে কিয়নো প্ৰতিবন্ধীৰ কান্ধত বন্দুক থৈ তেওঁলোকে তেওঁলোকৰ মুনাফা আদায় কৰে।

অনুভৱৰ শেষত ক'ব বিচাৰিছো অসম চৰকাৰ, বুদ্ধিজীৱী, সংবাদ মাধ্যমক, যদি এই প্ৰতিবন্ধীসকলৰ কথা আপোনালোকে চিন্তা নকৰে এই জাতিটোলৈ অতিশীঘ্ৰে ঘোৰ অমানিশা নামি আহিব। হে শ্ৰদ্ধাৰ বুদ্ধিজীৱীসকল, আপোনালোকৰ এ.কে.৪৭সদৃশ কলম হাতত তুলি লওঁক, পৰিৱৰ্তনকামী চৰকাৰক অনুৰোধ যাচিছো। ব্যতিক্ৰমী চিন্তা চৰ্চা তথা প্ৰতিবন্ধীৰ সমস্যাৰ স্থায়ী সমাধান, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম, আপোনাসবে এই অৱহেলিত আমাৰ সমাজৰ প্ৰতিবন্ধীসকলৰ স্থায়ী সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰক।○

# অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান

কল্পনা বসুমতাৰী
সহঃ অধ্যাপক, বড়ো বিভাগ

অৱতাৰণিকা ঃ ভাৰতবৰ্ষ যিদৰে আৰ্য্য-অনাৰ্য্যৰ মিলনৰ তীৰ্থভূমি, অনৈক্যৰ মাজত ঐক্যৰ আধাৰ স্থল, অসমো সেইদৰে আৰ্য্য, অনাৰ্য্যৰ মিলনভূমি আৰু অনৈক্যৰ মাজত ঐক্যৰ আৱাসস্থল। পণ্ডিতসকলৰ মতে প্ৰাচীন অসমত ক্ৰমে অষ্ট্ৰীয়া, নেগ্ৰিটো, মঙ্গোলীয় প্ৰজাতিৰ লোকে আহি বসবাস কৰিছিল। একেবাৰে শেষত ককেচীয় (আৰ্য্য গোষ্ঠীৰ) জাতিগোটৰ লোক অসমলৈ প্ৰব্ৰজন কৰে। এই প্ৰজাতিবোৰৰ (আৰ্য্যসকলক বাদ দি) সৰহ ভাগ লোক গোষ্ঠীয়েই বৰ্তমানে জনজাতি হিচাপে খ্যাত। নৃতাত্ত্বিক জাতি গোষ্ঠীৰ বিচাৰত অসমৰ জনজাতীয় সকলক মঙ্গোলীয় গোষ্ঠীত ধৰা হয়। জনজাতিসকলৰ স্বকীয় ভাষা, ধৰ্ম আৰু সংস্কৃতি আছে। অসম আৰু ইয়াৰ চুবুৰীয়া প্ৰদেশ আদিত থকা মঙ্গোলীয় লোকগোষ্ঠীৰ মাজত কিছুমান উমৈহতীয়া সংস্কৃতি পৰিলক্ষিত হয়। যেনে— ঘৰ সজা সঁজুলিত কাঠ, বাঁহ, বেতৰ ব্যৱহাৰ, চাংঘৰ, ডেকা চাং, গাভৰু চাং, শুকতি মাছ-মাংস, আপং বামদ, পিতৃ প্ৰধান সমাজ ব্যৱস্থা, তামোল-পানৰ ব্যৱহাৰ, গণতান্ত্ৰিক সমাজ ব্যৱস্থা, বোৱা-কটা নাৰীৰ একচেতীয়া সম্পত্তি ইত্যাদি বহু লক্ষণ একে দেখা যায়। ঠিক তেনেকৈ আৰ্য্য গোষ্ঠীৰ অসমীয়া লোকসকলৰ মাজতো বহুতো স্বকীয় সংস্কৃতি আছে। এতিয়া উল্লেখ কৰিবলগীয়া কথাটো হ'ল— বিভিন্ন জাতি গোষ্ঠীয়ে বহুকাল একেলগে সহৱস্থান কৰিলে আচাৰ-ৰীতি, ধৰ্ম, ভাষা আদিৰ আদান-প্ৰদান কৰিবলগীয়া হয়। প্ৰাচীন কালৰে পৰা অসমতো যিহেতু বিভিন্ন জাতি জনজাতি, জাতিগোটে বিভিন্ন পৰিবেশত একেলগে বসবাস কৰি আহিছে সেয়েহে অসমীয়া সংস্কৃতি আৰু ভাষাত জনজাতীয় সংস্কৃতি আৰু ভাষাই প্ৰভাৱ পেলাইছে আৰু জনজাতীয় সংস্কৃতি আৰু ভাষাৰ ওপৰটো অসমীয়া সংস্কৃতি আৰু ভাষাৰ প্ৰভাৱ পৰিছে।

অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান ঃ অসমৰ লোক-সংস্কৃতিৰ ঘাই ভেটিটো হৈছে ইয়াৰ থলুৱা লোকগোষ্ঠীৰ লোক সংস্কৃতি। এই থলুৱা লোকগোষ্ঠীৰ সৰহ ভাগকে বৰ্তমানে জনজাতি হিচাপে আখ্যা দিয়া হৈছে। সেয়েহে চমুকৈ অসমৰ লোক সংস্কৃতিৰ ভেঁটি জনজাতীয় লোক সংস্কৃতি বুলিব পাৰি। জনজাতি হিচাপে আখ্যা লোৱা এই লোকসকলৰ প্ৰাচীন মানৱগোষ্ঠী অসমত বহু শতাব্দীৰ পূৰ্বেই প্ৰৱেশ কৰি তেওঁলোকৰ ধৰ্ম-অনুষ্ঠান, পূজা-পাতল, লোক-বিশ্বাস, আচাৰ-ৰীতি, লোককথা, কিংবদন্তি আদি সৰ্বত্ৰতে সিঁচৰতি কৰে। তাৰ বহুকালৰ পিছতে খ্ৰীষ্টীয় প্ৰথম শতিকা মানৰ পৰা দক্ষিণ-পশ্চিম কোণেদি আৰ্য্য সংস্কৃতিৰ প্ৰবাহ অসমলৈ বৈ আহে। পিছলৈ আৰ্য্য ভাষা আৰু সংস্কৃতিয়ে প্ৰাচীন জনজাতীৰ লোক সংস্কৃতিক ভেঁটি কৰি সিবিলাকৰ ওপৰত প্ৰলেপ সানি আৰ্য্যীকৰণ কৰিবলৈ আৰম্ভ কৰে। অসমৰ সংস্কৃতিক প্ৰথম দৃষ্টিত আৰ্য্য সংস্কৃতি বুলি ভাবিবলৈ বাধ্য হ'লেও, সম্প্ৰতি, অসমৰ সংস্কৃতিৰ বিষয়ে যিমানে চৰ্চা হৈছে, সিমানেই ইয়াৰ অন্তঃগাঠনিত জনজাতীয় উপাদান উদঘাটন হ'ব ধৰিছে। অসমীয়া সংস্কৃতিত থকা জনজাতীয় সাংস্কৃতিক উপাদান চমুকৈ উল্লেখ কৰাৰ প্ৰয়াস কৰিছো।

উৎসৱ ঃ অসমৰ বিহু উৎসৱ বিভিন্ন জনজাতীৰ সংস্কৃতিৰ সংমিশ্ৰণৰ ফল বুলিব পাৰি। কোনো কোনোৱে 'বিষুৱ' শব্দৰ পৰা 'বিহু' উৎপত্তি হোৱা বুলি ক'ব খুজিলেও প্ৰকৃততে সিও আৰ্য্যীকৰণ কৰাৰ অপচেষ্টাহে। বিহুত গো-সেৱা বা গৰু গা-ধোওৱা কাৰ্য্য মূলতে বৈদিক সংস্কৃতিৰ প্ৰভাৱ যেন লাগিলেও প্ৰকৃততে সেয়া কৃষিজীৱীলোকৰ আচাৰহে। অসমৰ জনজাতীয়সকল প্ৰকৃততে কৃষিজীৱী আৰু তেওঁলোকৰ কৃষি উৎপাদন আৰু প্ৰজনন শক্তিৰ লগত জড়িত বহুতো উৎসৱ আছে। অসমৰ বড়ো, মিচিং, দেউৰী, চুটীয়া, কছাৰী, মটক-মৰাণ ইত্যাদি জনজাতি আৰু সম্প্ৰদায়ে আজিও তেওঁলোকৰ নিজা বৈশিষ্ট্যৰে বিহু পালন কৰে। বিহুৰ

বিহুৱান, ভোজন পান, ঘৰুৱা মদ, তামোল পাণৰ ব্যৱহাৰ তিব্বত-বৰ্মীয় সংস্কৃতিৰ দান। তিব্বত বৰ্মীয় বা মঙ্গোলীয় সংস্কৃতিক 'বাঁহ সংস্কৃতি' বুলি আখ্যা দিয়া হয় কাৰণ তেওঁলোকৰ মাজত বাঁহ, বেত, কাঠ আদিৰ প্ৰচুৰ পৰিমাণৰ ব্যৱহাৰ আছে আৰু তেওঁলোকে ব্যৱহাৰ কৰা টকা, পেঁপা, গগণা, বাঁহী, ঢোল ইত্যাদিয়েই বিহুত সংযোজিত হৈছে। অসমৰ জনজাতি সকলৰ বাদে ভাৰতবৰ্ষত অন্যান্য হিন্দু নাইবা আৰ্য্য সমাজত এইবোৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নাই। বিহুৰ লগত জড়িত বিহুগীত, হুচৰি গীত আদিৰ সমপৰ্যায়ৰ গীত-মাতো বিভিন্ন জনজাতিৰ নিজস্ব ভাষাত পোৱা যায়। বিহুৱা, ঢুলীয়া, নামতি, নাচনীয়ে মনে মিলাজনৰ লগত মনে মনে পলাই গৈ ঘৰ-সংসাৰ পতা প্ৰথা আজিৰ জনজাতীয় সমাজত বিদ্যমান। সেয়েহে বিহুক জনজাতীয় অৱদান বুলিব পাৰি।

**সমাজ ঃ** অসমীয়া সমাজত প্ৰচলিত বহু প্ৰথা জনজাতীয় সংকৃতিৰ পৰা অহা। জনজাতীয় সমাজত প্ৰচলিত বৰলা বা বিধৱা বিবাহৰ প্ৰচলন প্ৰাচীন হিন্দু সমাজত নাছিল। মাতৃপ্ৰধান জাতি খাচী, গাৰো আৰু বড়োৰ ঢোকা ৰখা পদ্ধতিৰ পৰা উচ্চ হিন্দু সমাজতো ঢোকা আৰু ধেমানী প্ৰথা সোমাই পৰিছে। বিবাহযোগ্য কন্যাক পলুৱাই নি বিবাহ কৰোৱাটো জনজাতীয় সমাজৰ এটা স্বীকৃত নিয়ম। হিন্দু সমাজত ইয়াক গন্ধৰ্ব, অসুৰ, ৰাক্ষস নাইবা পিশাচ শ্ৰেণীৰ বুলি স্বীকৃতি দিছে। বিয়াৰ সময়ত দৰাই কন্যাক ঘৰলৈ তামোল-পাণৰ ভাৰ নিয়া, ছোৱালীয়ে গা মচি দৰাক বিবাহ কৰা প্ৰথা, ঢোকা প্ৰথা, বলপূৰ্বক ভাৱে টানি লৈ গৈ বিবাহ কৰোৱা প্ৰথা, দৰা-কইনাক বাটত হেঙাৰ দি টকা-পইচা বা তামোল-পাণৰ শৰাই লৈ আশীৰ্বাদ দিয়াৰ প্ৰথা এইবোৰ আৰ্য্যভিন্ন জনজাতীয় সমাজৰ পৰা অহা।

জনজাতীয় সমাজত গাম বা গাঁওবুঢ়াৰ ভূমিকা, ডেকা চাং আৰু গাভৰু চাং সমূহীয়া ভাৱে চাঙত থকা ডেকা গাভৰু সকলে ৰাইজৰ কাম কৰা নিয়ম এইবোৰে বৈষ্ণৱ যুগৰ অসমীয়া সমাজত যথেষ্ট প্ৰভাৱ পেলাইছিল। এতিয়াৰ অসমীয়া গাঁওসমূহৰ গাঁথনিত জনজাতিৰ সমাজ পদ্ধতিৰ প্ৰভাৱ উল্লেখযোগ্য বুলিব পাৰি। অৰুণাচলৰ আদী আৰু মিচিংসকলৰ কৌবাং, বানৌকৌবাং, বাংগ কৌবাং আদি বিচাৰ সভাৰ আৰ্হিৰ পৰা সমল আহৰণ কৰি আধুনিক পঞ্চায়ত পদ্ধতি গঢ় দিয়াৰ কথা ডক্টৰ ৱেৰিয়াৰ এলুইনে উল্লেখ কৰিছে।

**সাজ-পোছাক ঃ** অসমীয়া সাজপাৰতো জনজাতীয় লোক-সংস্কৃতিৰ উৎস বিচাৰি পোৱা যায়। এড়ী-মুগাৰ ব্যৱহাৰ তিব্বত-বৰ্মীয় বড়ো সকলৰ দান। প্ৰাচীন বড়ো গোষ্ঠীৰ লোকে এড়ী-মুগাৰ বেপাৰ কৰিবলৈ তিব্বত পাৰ হৈ অসমত প্ৰৱেশ কৰা বুলি কথিত আছে। 'মিৰিজিম' কাপোৰ মিচিংসকলৰ দান। সাজ-পোছাকৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য কথা যে সৰ্বভাৰতীয় নাৰীৰ পৰিধান 'শাৰী' একেখন কপোৰৰ; কিন্তু অসমৰ সকলো নাৰীয়ে দুখন কাপোৰ অৰ্থাৎ মেখেলা ৰিহা নাইবা চাদৰ ব্যৱহাৰ কৰে। ৰিহা-মেখেলা ৰিহা নাইবা চাদৰ ব্যৱহাৰ কৰে। বিহা-মেখেলা, কঁকালত টঙালি বন্ধাৰ মূলতে জনজাতীয় পৰিধানৰ আৰ্হিৰ পৰা অহা বুলি ক'ব পাৰি। বড়ো তিৰোতাৰ দখনা এই প্ৰসঙ্গত উল্লেখযোগ্য। ইয়াৰ লগতে অসমীয়া তিৰোতাই পিন্ধা কেৰু, থুৰীয়া, জাংফাই, গামখাৰু ইত্যাদি অংগ সজ্জাত বিবিধ জনজাতীয় সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে।

গামোছা, ৰিহা, মেখেলাত বচা বিবিধ চানেকী যেনে— ফুল, চৰাই, তৰা, জীৱ-জন্তু আৰু এইবোৰ চিত্ৰক কোণীয়া, ত্ৰিভুজীয়া, চতুৰ্কোণীয়া, সৰলৰৈখিক কৰাৰ যি আৰ্হি সিও মূলতে জনজাতীয় বয়ন শিল্পৰ মটিফৰ পৰা গৃহীত বুলিব পাৰি। বিশেষ ভাৱে উল্লেখযোগ্য যে বিকলাঙ্গ সকলৰ বাদে কাপোৰ বব নজনা তিৰোতা জনজাতীয় সমাজত বিৰল। কাপোৰ বোৱাটো জনজাতীয় তিৰোতাৰ সংস্কৃতিৰ প্ৰধান অংগ। ইয়াৰ ফলতে অজনজাতীয় তিৰোতাও অসমত কাপোৰ বোৱা কাম শিকিলে। আনফালে ভাৰতৰ বিভিন্ন ঠাইত কাপোৰ বোৱা কাম তাঁতী বা পুৰুষ সকলেহে কৰে। তিৰোতা শিপিনী ভাৰতৰ আন ঠাইত পাবলৈ নাই।

বৰ্তমানে অসমৰ অসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰা 'জাপি' মূলতঃ মংগোলীয় জনজাতিৰ পৰা অহা। চীন, মংগোলীয়া, তিব্বত, থাইলেণ্ড, কম্বোডিয়া, লাওচ ইত্যাদি মঙ্গোলীয় জনগোষ্ঠী প্ৰধান অঞ্চল সমূহত জাপিৰ ব্যৱহাৰ দেখা যায়। অসমৰ মংগোলীয় জনজাতীৰ মাজত বিবিধ প্ৰকাৰৰ জাপিৰ ব্যৱহাৰ আছে।

**খাদ্য ঃ** অসমীয়া সমাজৰ খাদ্য আৰু আহাৰৰ ক্ষেত্ৰতো জনজাতীয় সকলৰ প্ৰভাৱ কম নহয়। অসমীয়া সমাজত প্ৰচলিত চুঙা চাউল, খাৰলী, খৰিচা, মাটি মাহৰ খাৰ, কলাখাৰ ইত্যাদি জনজাতীয় লোকৰ খাদ্যৰ প্ৰধান অংগ। খৰিচা, শুকতি মাছ বা মাংস, মদ বাঁহৰ গাজ, নানাবিধ বনৰীয়া শাক-পাচলি খোৱা, পচলা, টোপোলা ভাত, পোৱা মাছ, পইতা ভাত খোৱা, মাছ পাতত দি খোৱা মংগোলীয় জনজাতিৰ উল্লেখযোগ্য খাদ্য। অন্যান্য অ-জনজাতীয় লোকেও এতিয়া এইবোৰ খাদ্য গ্ৰহণ কৰা দেখা গৈছে। অসমৰ উচ্চ বৰ্ণৰ ব্ৰাহ্মণ গোঁসাইসকল আমিষ ভোজী। তেওঁলোকে মাছ, ছাগলী, পাৰ মাংস খায়। কিন্তু ভাৰতবৰ্ষৰ আন ঠাইৰ ব্ৰাহ্মণ নিৰামিষ ভোজী। প্ৰাচীন কালৰ পৰা অসম আৰু বঙ্গদেশ মংগোলীয়

জনজাতি অধ্যুষিত অঞ্চল হোৱাৰ হেতুকে পৰিবেশ আৰু জনজাতীয় সংস্কৃতিৰ প্ৰভাৱত এই দুটা অঞ্চলৰ উচ্চ বৰ্ণৰ হিন্দু আমিষভোজী হ'ল।

অসমীয়া সমাজত তামোল-পাণৰ ব্যৱহাৰ অপৰিহাৰ্য্য। তামোল-পাণৰ ব্যৱহাৰ ভাৰতবৰ্ষত প্ৰথমে দ্ৰাবিড়ী আৰু অষ্ট্ৰিক লোকগোষ্ঠীয়ে কৰিছিল বুলি কোৱা হয়। অষ্ট্ৰিকভাষী খাচীসকলৰ বাবে তামোল অতি আৱশ্যকীয় বস্তু। মংগোলীয় বড়ো, নগা, মিচিং, কাৰ্বি আদি সকলো জনজাতিয়ে সকলো অনুষ্ঠানতে তামোল-পাণ ব্যৱহাৰ কৰে। তামোল শব্দটো বৈদিক সাহিত্যত পোৱা নাযায়। সেই কাৰণে তামোল শব্দৰ উৎপত্তি দ্ৰাবিড় নাইবা অষ্ট্ৰিক ভাষাৰ পৰা হোৱা বুলি বহুতে মত পোষণ কৰে। তামোল-পাণৰ লগত জড়িত নানান লোকবিশ্বাস, আচাৰ-ৰীতি অসমত বহুকালৰ পৰাই প্ৰচলিত হৈ আহিছে। সেইবিলাকৰ উৎসও জনজাতীয় লোক-সংস্কৃতি বুলি ভাবিবৰ থল আছে। ইয়াৰ বাহিৰেও উৎসৱ পাৰ্বণ উপলক্ষে সমূহীয়াকৈ মাছ ধৰা পশু চিকাৰ কৰা ইত্যাদি মূলতে তিব্বত-বৰ্মীয় লোকৰ সংস্কৃতিৰ দান।

**ধৰ্ম আৰু বিশ্বাস ঃ** অসমৰ ধৰ্ম আৰু লোক বিশ্বাসত জনজাতীয় উপাদান যথেষ্ট পোৱা যায়। অসমত আৰ্য্য হিন্দু ধৰ্মৰ বাদেও জনজাতিৰ আদিম ধৰ্মবিশ্বাস, বৌদ্ধ, ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰচলন আছে লগতে সেই ধৰ্মৰ লগত জড়িত মন্দিৰ, থান, বিহাৰ , মছজিদ, গীৰ্জা আদিও আছে। আৰ্য্য হিন্দুধৰ্মত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ইত্যাদি ভাগ আছে। এই ভাগবোৰত প্ৰাচীন কালৰে পৰা জনজাতীয় সমাজত প্ৰচলিত নানান লোক-বিশ্বাস আৰু আচাৰ সোমাই পৰিছে। জনজাতীয় সমাজত (যেনে— মিচিং, নক্তে) প্ৰচলিত বৈষ্ণৱ ধৰ্মত মাছ-মঙহ আৰু আপং বা মদৰ ব্যৱহাৰ আছে, এইবোৰ প্ৰাচীন লৌকিকতা। বড়ো, মিকিৰ, নগা, খাচী, গাৰো, মিজোৰ মাজত খ্ৰীষ্টান ধৰ্ম প্ৰচলিত আছে। বাহ্যিক আচাৰ-বিচাৰত খ্ৰীষ্টান ধৰ্মৰ নীতি-বিৰুদ্ধ কিছুমান ক্ৰিয়াকাণ্ড তেওঁলোকে পালন কৰে। পূৰ্ববঙ্গ, বাংলাদেশ অঞ্চলত থকা মঙ্গোলীয় বড়ো গোষ্ঠীৰ বহুলোকে মুছলমান ধৰ্মত দীক্ষিত হৈছে। তেওঁলোকৰ মাজতো ইছলাম ধৰ্ম-বিৰুদ্ধ কিছুমান আচাৰ-ৰীতি থকাৰ উমান পোৱা যায়। এইবিলাক জনজাতীয় সকলৰ প্ৰাচীন লোক-বিশ্বাসৰ ফল।

কামাখ্যা প্ৰথমে অষ্ট্ৰিকসকলৰ মৰিশালী আছিল, তাৰ পিছত মৰিশালীৰ দেৱী, তাৰ পিছত বড়োসকলৰ উপাস্য দেৱী, তাৰে পিছত হিন্দুৰ পীঠস্থান। কামাখ্যাত আৰ্য্য-হিন্দু ধৰ্মৰ বৰ্হিভূত কিছুমান আচাৰ-বিচাৰ এতিয়াও চলি আছে। এয়াও জনজাতীয় ধৰ্মীয় উপাদানৰ প্ৰভাৱৰ ফল। শিৱ দ্ৰাবিড়ী সংস্কৃতিৰ প্ৰধান দেৱতা। নীলাচলৰ কামাখ্যা, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ এতিয়া হিন্দু মঠ-মন্দিৰ হিচাপে খ্যাত যদিও মূলতে এইবোৰ আৰ্য্যেত্তৰ সংস্কৃতিৰ। বড়োসকলে শিৱক বাথৌৱাই বা বুঢ়া মহাৰজা, আই গোঁসানী বা কেঁচাইখাইতিৰ ৰূপত কামাখ্যা, বীৰলীবুঢ়ী, লক্ষ্মী (মাইনাওৱী) আৰু দেউৰী চুতীয়া সকলে বলিয়া বাবা (গিৰা চিগিৰি) আৰু তাম্ৰেশ্বৰী মাতৃক 'পিশাছি ডেমা' ৰূপত কল্পনা কৰি আৰাধনা কৰে। এইবিলাক থানত হাঁহ, পাৰ, কুকুৰা, ছাগলী, মহ, ঘোঁৰা ইত্যাদি বলি দিয়া হয়। আগতে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিয়া হৈছিল। এইবোৰ বিধান ইণ্ডো-তিব্বতীয় বা কিৰাত সকলৰ পৰা অহা।

অসমত বিবিধ পূজা-পাতল আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত বহুতো তন্ত্ৰ-মন্ত্ৰ আছে। অসমৰ সকলো জনজাতিৰ মাজত নানান প্ৰকাৰৰ তন্ত্ৰ-মন্ত্ৰ আছে। এই তন্ত্ৰ-মন্ত্ৰত উল্লেখিত শিৱৰ নামোচ্চাৰণ সঘনাই হোৱাৰ পাৰও এইকথা ধাৰণা কৰিব পাৰি যে এইবোৰ সৰহ ভাগেই জনজাতীয় সমাজৰ পৰা অহা। আছদি, বশীকৰণ, নিদ্ৰাবাণ, এইবোৰ এতিয়াও জনজাতীয় সমাজত প্ৰচলিত আছে। মাতৃপ্ৰধান জনজাতি খাচী তিৰোতাই পুৰুষক আছদি কৰি নিজৰ বৰণ-যোগ্য কৰি লোৱাৰ কথা আজিও বিদ্যমান। সেইদৰে অশৌচ পালন, প্ৰসুতি আৰু জন্ম-মৃত্যুৰ লগত জড়িত বহুতো আচাৰ-ৰীতি জনজাতি সমাজৰ পৰাই অসমৰ বিভিন্ন জনগোষ্ঠীলৈ সোমাই পৰিছে। জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ, যাদু-বিদ্যা ইত্যাদি অবৈদিক নীতি-নিয়ম মূলতে জনজাতীয় সকলৰ পৰা অহা। বড়ো, মিচিং, কাৰ্বি, দেউৰীৰ মাজত নানান ৰূপত দেও-ভূত, বুঢ়া-ডাঙৰীয়া, জলদেৱতা, জলকুঁৱৰী, বীৰা, পিশাচ, যখ ইত্যাদি অশৰীৰী দেৱ-দেৱীৰ কল্পিত ৰূপ আছে। বৰ্তমানে অসমীয়া সমাজত থকা এইবিলাক দেৱ-দেৱী জনজাতীয় উপাদানৰ পৰাই অহা বুলিব পাৰি। মাছ, কাছ, কুকুৰা, মেথোন, সাপৰ লগত জড়িত কিংবদন্তি আৰু বিশ্বাস, লোকবিশ্বাসৰ সৰহ ভাগেই জনজাতিসকলৰ পৰা অহা।

**লোক সংগীত ঃ** লোক সংগীতৰ ক্ষেত্ৰতো তিব্বত-বৰ্মীয় লোক গোষ্ঠীৰ অৱদানৰ আভাষ পোৱা যায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে এঠাইত উল্লেখ কৰিছে যে চীনা পৰিব্ৰাজক হিউৱেন চাঙক আপ্যায়িত কৰিবৰ কাৰণে কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজসভাত 'মহাচীনৰ কৌৰৱৰ ৰণজয়' নামৰ এটি চীনা গীত পৰিৱেশন কৰোৱা হৈছিল। চট্টোপাধ্যায়ে উল্লেখ কৰিছে যে এই চীনা গীতৰ সুৰটোহে ইয়াত জনপ্ৰিয় হৈছিল, কথাংশ খুব সম্ভৱ বড়ো ভাষালৈ ৰূপান্তৰিত হৈছিল। সম্ভৱতঃ প্ৰাচীন কালৰে পৰা চীন-তিব্বত আদি ঠাইৰ পৰা মংগোলীয় জনগোষ্ঠীৰ লোকে ক্ৰমান্বয়ে পৰিব্ৰাজন কৰি থকাৰ ফলস্বৰূপে চীনত প্ৰচলিত গীত মাতো অসমত প্ৰবেশ

কৰিছিল আৰু এনে গীত-মাতৰ সুৰে অসমত থলুৱা গীতৰ সুৰতো প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমীয়া লোকগীতৰ বিভিন্ন সুৰৰ লগতে চৰ্য্যাপদ, ওজাপালি, বৰগীত আদিতো জনজাতীয় লোকগীতৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱৰি।

**সামৰণি ঃ** আৰ্য্য গোষ্ঠীভুক্ত অসমীয়া জাতি সম্প্ৰতি বৰ অসমীয়া বা বৃহত্তৰ অসমীয়া জাতি-সত্বাত পৰিণত হৈছে। এই অসমীয়া জাতিসত্বাৰ বৰভেঁটি গঢ়ি উঠিছে প্ৰাচীন-অপ্ৰাচীন সৰু-বৰ সকলো জনগোষ্ঠীৰ সংমিশ্ৰণ তথা সমাহাৰেৰে। সেইদৰে বৰ অসমৰ সাংস্কৃতিক পথাৰখনত অসমৰ পাহাৰ-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্য সংস্কৃতিৰ পলস পৰি বৰ অসমীয়া সংস্কৃতি জীপাল হৈ আছে। এই বৰ অসমীয়া লোক-সংস্কৃতিৰ ঘাই ভেঁটিটো হৈছে ইয়াৰ থলুৱা লোকগোষ্ঠীৰ লোক-সংস্কৃতি। এই থলুৱা লোকগোষ্ঠীৰ সৰহ ভাগকে বৰ্তমানে জনজাতি আখ্যা দিয়া হৈছে। সেয়েহে চমুকৈ অসমৰ লোক-সংস্কৃতিৰ ভেঁটি জনজাতীয় লোক-সংস্কৃতি বুলিব পাৰি। আজি কিছু বছৰ আগলৈকে অসমীয়া ভাষা সংস্কৃতিৰ বিষয়ে আলোচনা কৰোতে অসমৰ বহু লেখক-সমালোচকে সৰ্বত্ৰ বিষয়তে কেৱল আৰ্য্য সংস্কৃতিৰ উপাদানকেহে দেখা পাইছিল। আৰ্য্যোত্তৰ বহু সংস্কৃতিক উপাদানক আৰ্য্য সংস্কৃতিৰ আৰ্হিত বিজনি দি আলোচনা কৰিছিল। কিন্তু ড° বাণীকান্ত কাকতি আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাই অসমৰ ভাষা আৰু সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত এটা নতুন পথৰ সন্ধান দি থৈ গ'ল। তেওঁলোকৰ আলোচনাৰ পথ অনুসৰণ কৰিহে বৰ্তমানে অসমৰ লোক-সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত কিছুদূৰ অগ্ৰসৰ হৈছে আৰু নতুন নতুন সত্যৰ পুনৰুদঘাটন হৈছে। অৰ্থাৎ অসমীয়া লোক সংস্কৃতিৰ অন্তঃকৰণত থকা জনজাতীয় বা আৰ্য্যোত্তৰ সংস্কৃতিৰ উপাদান উদঘাটন হ'ব ধৰিছে।○


প্ৰসঙ্গ পুথি ঃ

১। নাহেন্দ্ৰ পাদুন ঃ
অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি।

২। ড° নবীন চন্দ্ৰ শৰ্মা ঃ
ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা।

৩। ড° বিৰিঞ্চি কুমাৰ বৰুৱা ঃ
অসমীয়া ভাষা আৰু সংস্কৃতি।

৪। Binoy Kr. Brahma :
Assamni Somaj and Harimu.

৫। Bhaben Narzy :
Boro Kocharir Somaj aru Sanskrity.


# কুইজ

সংগ্ৰাহক ঃ আৰ্জিনা বেগম

ভাৰতৰ সকলোতকৈ সুন্দৰ অট্টালিকাখনৰ নাম কি? — তাজমহল, আগ্ৰা।

বিশ্বৰ সৰ্বপ্ৰথম কাগজৰ মুদ্ৰাৰ আবিষ্কাৰ ক'ত আৰু কেতিয়া কৰিছিল? — ১৮১২ চনত চীনত।

ভাৰতৰ সংবিধান বনাবলৈ কিমান সময় লাগিছিল? — ২ বছৰ ১১ মাহ, ১৮ দিন।

বিশ্বৰ কোনখন দেশত এখনো নদী নাই? — চৌদী আৰৱ।

বিশ্বৰ কোনখন নদীৰ পানী গৰম হয়? — নীল নদী।

ভাৰতৰ সকলোতকৈ ডাঙৰ ৰাস্তাটোৰ নাম কি? — গ্ৰাণ্ড ট্ৰাঙ্ক ৰোড।

বিশ্বৰ কোনডাল গছ হয় য'ত খৰি পোৱা নাযায়? — কলগছ।

কোনটো জন্তুৱে চকু বন্ধ কৰি সকলোবোৰ দেখা পায়? — উট।

সূৰ্য্যৰ ৰশ্মি পৃথিৱীত কিমান দেৰিকৈ পৰে? — ৮ মিনিট ২২ ছেকেণ্ড।

জুইশলা বাকচটোত কি লগোৱা হয়? — ৰেড ফচফৰাচ।

মানুহৰ চকুৰ পানীত কি পোৱা যায়? — চ'ডিয়াম ক্লৰাইড।

মহাকাশলৈ পঠোৱা প্ৰথম জীৱ কি আছিল? — লাইফা নামৰ এটা কুকুৰা।

ইণ্ডিয়ান ফিল'ছফি গ্ৰন্থৰ লেখক কোন? — ড° সৰ্বপল্লী ৰাধাকৃষ্ণন।

# পুতলা নাচ — অসমৰ এক আপুৰুগীয়া সম্পদ

শ্ৰীসংগীতা বৈশ্য
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

লোক নাট্যৰ অভিনৱ সম্ভাৰেৰে উপচি থকা অসমৰ জনসাধাৰণৰ বুকুৰ কুটুম 'পুতলা নাচ' এবিধ প্ৰাচীন কলা। লোক সংস্কৃতিৰ ঐতিহ্যশালী সম্পদ পুতলা নাচৰ ইতিহাস মানৱ সভ্যতাৰ সমানে পুৰণি বুলিব পাৰি। এই পুতলা নাচে মানুহক মনোৰঞ্জন দিয়াৰ লগতে ভিন্ন জাতি জনজাতিৰ মাজত সম্প্ৰীতিৰ ভাব জগাই তুলিবলৈ সক্ষম হৈছিল।

পুতলা নাচৰ পৰম্পৰা কেতিয়াৰ পৰা অসমত প্ৰচলন হ'ল সেয়া সঠিককৈ ক'ব নোৱাৰিলেও ইয়ে বিশ্বৰ লোক নাট্যৰ পথাৰ খনত সৃষ্টিৰ বীজ ৰোপণ কৰিছিল সেয়া অনস্বীকাৰ্য।

'Encyclopedia Britinica' নামৰ গ্ৰন্থত পুতলা নাচ (Puppet Dance) সম্পৰ্কে এনেদৰে কোৱা হৈছে— "এটি কন্যাশিশুৱে পুতলা এটিৰ সৈতে নাচি-বাগি আনন্দ কৰাকে পুতলা নাচ বোলা নহয়, এটা পুতলাক শিশুটিয়ে কাপোৰ পিন্ধাই সজাই পৰাই যেতিয়া টেবুল বা টুলৰ ওপৰত উঠি ধৰি নচুৱাই আৰু সেই নাচ তাইৰ পিতৃ-মাতৃ বা পৰিয়ালে উপভোগ কৰে সেয়াহে পুতলা নাচ।" অৱশ্যে শিশুৰ হাতত পুতলা নাচৰ উদ্ভৱ হোৱা বুলি ক'লে হয়তো ভুল হ'ব।

'কালিকা পুৰাণ'ত দেৱী চণ্ডিকাক 'পাঞ্চালিকা বিহাৰে'ৰে তুষ্ট কৰিব দিয়া নিৰ্দেশ অসমত একাদশ শতিকাৰ আগৰে পৰা যে পুতলা নাচৰ ব্যৱহাৰ আছিল সেই কথাৰ প্ৰমাণ পোৱা যায়।

'মহাভাৰত'ৰ 'উদ্যোগ পৰ্ব', 'বনপৰ্ব' আদিত পুতলা নাচৰ উল্লেখ থকালৈ চায় ভাৰতবৰ্ষত মহাভাৰতৰ দিনৰ পৰাই পুতলা নাচৰ প্ৰচলন আছিল যেন বোধ হয়। ইয়াৰোপৰি 'কামসূত্ৰ', 'কথাসৰিৎ সাগৰ', মৎভাগৱত আদি গ্ৰন্থতো পুতলা নাচৰ উল্লেখ পোৱা যায়। ভাৰতীয় বিশ্বাস মতে, পুতলাৰ উৎপত্তি পাঞ্চাল ৰাজ্যত। সেয়েহে সংস্কৃতত পুতলাক পাঞ্চালিকা বুলি কোৱা হয়।

অসমীয়া সাহিত্যত পঞ্চদশ ষোড়শ শতিকা মানৰ পৰা পুতলা নাচৰ উল্লেখ পোৱা যায়। যুগস্ৰষ্টা শংকৰদেৱেও নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কাৰ্যত এইবিধ লোক মনোৰঞ্জন ধৰ্মী কলাক অন্তৰ্ভুক্ত কৰিছিল আৰু সেই সময়ত পুতলাবোৰ টাটকীয়া ৰাজিকৰে বিভিন্ন কৌশল প্ৰয়োগ কৰি নচুৱাইছিল। ইয়াৰোপৰি গুৰুজনাই অংকীয়া নাট সৃষ্টিৰ ক্ষেত্ৰত পুতলা নাচৰ পৰা সমল সংগ্ৰহ কৰা বুলি পণ্ডিত সকলে মতপোষণ কৰিছে। শংকৰদেৱৰ 'ৰাসক্ৰীড়া' বৰ্ণনাত পুতলা নাচৰ কথা এনেদৰে পাওঁ—

ক) 'টাটকীয়া যেন জড় পুতলাক যন্ত্ৰত তুলি নচাৱে।'

খ) 'ছায়া পুতলাক যেন নচাৱৈ যতনে।'

পুতলা নাচ প্ৰদৰ্শনৰ বাবে সাধাৰণতে মুকলি ঠাইত কাঠ বা বাঁহেৰে মঞ্চ সজা হয়। এই মঞ্চখন আগতে বাঁহৰ চৌচালিৰে সজা হৈছিল আৰু মঞ্চৰ চাৰিও ফালে কাপোৰেৰে আঁৰ কৰি দিয়া হয় যাতে বাহিৰৰ পৰা দৰ্শকে ভিতৰৰ কাৰুকাৰ্যবোৰ দেখা নাপায়। কেতিয়াবা কেতিয়াবা মঞ্চৰ পিছফালেও এখন আঁৰ কাপোৰ দিয়া হয় আৰু এই আঁৰ কাপোৰৰ পাছফালে থিয় দি বা চাঙত উঠি পুতলা নচুওতাসকলে পুতলাবোৰক সংলাপ বা নৃত্যৰ সৈতে খাপ খোৱাকৈ নিয়ন্ত্ৰণ কৰি নচুৱাই থাকে। পুতলা নাচ পৰিচালকে ৰামায়ণ, মহাভাৰত, পুৰাণ, বুৰঞ্জীমূলক কাহিনী, ৰাজনৈতিক, সামাজিক আদি ঘটনাক নাটকৰ বিষয়বস্তু হিচাপে লৈ প্ৰদৰ্শন কৰে।

পুতলা নাচৰ দলত সূত্ৰধাৰ, বায়ন, দাইনাপালী আৰু দুজনমান পালী থাকে। সূত্ৰধাৰজনে মঞ্চৰ আঁৰত থাকি পুতলা নচুৱায়। নেপথ্যৰ গীত আৰু সংলাপেৰে একোটা কাহিনী পুতলাৰ সাহাৰ্যতে ৰূপ দিয়া হয়। পুতলা নাটৰ কাহিনী এটা সংলাপৰ মাধ্যমেদি প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত পেঁপাই মুখ্য ভূমিকা পালন কৰে যদিও ঠাই বিশেষে ঢোল, খোল, তাল, বাঁহী আদি বাদ্যযন্ত্ৰও নৃত্যৰ লগত সংগত কৰা হয়।

পুতলাৰ গঠন, আকাৰ নচুওৱা কৌশলৰ ওপৰত ভিত্তি কৰি পুতলাবোৰক চাৰিটা ভাগ কৰা হৈছে। যেনে—

ক) হাত পুতলা (Hand Puppet/Gloves Puppet)

খ) লাঠী পুতলা (Rop Puppet)

গ) ৰচী পুতলা (Marionells)

ঘ) ছায়া পুতলা (Shadow Puppet)

হাত পুতলা সৰল আকৃতিৰ। ইয়াক নচুওতা জনে হাতত লৈ নচুৱায়। পুতলাবোৰৰ মূৰ, হাত আদি কাপোৰেৰে বা কাগজৰ মণ্ডৰে তৈয়াৰ কৰে। ডিঙি আৰু বাহু ফোঁপোলা, হাতত চুঙাকৃতিৰ বস্তু সুমুৱাই দিয়া হয়। প্ৰায়বোৰ পুতলাৰ গা ভৰি নাথাকে, নচুওৱাজনে হাত বা আঙুলি পুতলাৰ ভিতৰেদি সুমুৱাই নচুৱাই কাৰণে য়িাক Gloves Puppet বোলে।

আকৌ লাঠি পুতলা লাঠিৰ লেখিয়া। অৱশ্যে, ইয়াৰ আকৃতি ডাঙৰ। এই পুতলাবোৰ মাৰিৰ সহায়ত নচুওৱা হয়। ইয়াৰ ভৰি থাকে যদিও ভৰিবোৰ সঞ্চালিত কৰা নহয়।

ৰচী পুতলাক নচুওতা জনে মঞ্চৰ আঁৰত থাকি ৰচীৰ সহায়ত ওপৰৰ পৰা নচুৱায়। পুতলা নাচত ৰচীৰ পুতলাৰ সংখ্যাই সৰহ।

ইয়াৰোপৰি ছায়া পুতলা জন্তুৰ চালত বিভিন্ন ৰং বোলাই সজা হয় আৰু কাঠৰ টুকুৰাৰ ওপৰত পুতলাবোৰ বহুৱাই দিয়া হয় যাতে কাঠ টুকুৰাৰ সহায়ত পুতলাবোৰে প্ৰয়োজন অনুসৰি আগা-পিছা কৰিব পাৰে। ঠাই বিশেষে ছায়া পুতলাৰ ঠাইত দাৰু পুতলাও পোৱা যায়। এই চাৰি প্ৰকাৰৰ পুতলা কম বেছি পৰিমাণে ঠাই বিশেষে প্ৰদৰ্শন কৰা হয় যদিও আমাৰ অসমত ৰচী পুতলাই Marionells বিশেষ স্থান দখল কৰি আহিছে।

এই পুতলা নাচ প্ৰদৰ্শনৰ ক্ষেত্ৰত মঞ্চত আঁৰ কাপোৰ হিচাপে কলা ৰঙৰ কাপোৰ ব্যৱহাৰ কৰা হয়।

দৰ্শকৰ আমোদৰ বাবে পুতলা নাচৰ কাহিনীৰ লগত সংগতি ৰাখি চৰিত্ৰবোৰৰ সাজপাৰ তৈয়াৰ কৰা হয়। অৱশ্যে এইক্ষেত্ৰত থলুৱা সাজপাৰক বেছি প্ৰাধান্য দিয়া হয়। পুৰুষ পুতলাৰ বাবে গামোচা, ধুতি, চেলেং চাদৰ, কুৰ্তা আদি আৰু মহিলা পুতলাৰ বাবে মেখেলা-চাদৰ, ৰিহা, শাৰী, মণি-মুকুতা লগোৱা বিভিন্ন পোচাক তৈয়াৰ কৰা হয়। আনকি সূত্ৰধাৰ বা গায়ক সকলেও থলুৱা সাজ পৰিধান কৰি অনুষ্ঠান পৰিবেশনত মান্যতা প্ৰদান কৰে। সূত্ৰধাৰে মঞ্চৰ আঁৰত থাকি ৰচী টানি দক্ষতাৰে পুতলাবোৰক নচুৱায়, প্ৰয়োজন, অনুসৰি হহুৱায়, কন্দুৱায়, যুদ্ধ কৰোৱায় ইত্যাদি। এইদৰে পুতলা বোৰৰ প্ৰবেশ প্ৰস্থান, কাৰ্যকলাপ আদি দৰ্শকক দেখুৱায় আমোদ দিয়ে। পুতলা নাচৰ বায়ন চৰিত্ৰটোৰ সাজ-পাৰ বিশেষ ভাৱে মন কৰিবলগীয়া। তেওঁ মূৰত পাগুৰি, কঁকালত দীঘল চুৰিয়া, গাত আঠুলৈ ওলমি পৰা চোলা পিন্ধি হাতত চোঁৱৰ লৈ নাচি নাচি পালীৰ সহযোগত হাতৰ মুদ্ৰা দি গীত-পদ গায়।

এসময়ত পূজা, বিহু, সভা আদি উৎসৱত পুতলা নাচ প্ৰদৰ্শন কৰাটো যেন বাধ্যতামূলক আছিল। কিন্তু বৰ্তমান সময়ত আধুনিকতাৰ পৰশ লাগিয়ে হওঁক বা প্ৰয়োজনীয় সুবিধাৰ পৰা বঞ্চিত হোৱা বাবেই হওঁক পুতলা নাচ বিলুপ্তিৰ পথত। অৱশ্যে এইবিধ লোক পৰিৱেশ্য কলা আজিও ঠাই বিশেষে অতি প্ৰিয়। অসমৰ ছিপাঝাৰ, নলবাৰী, বিজয় নগৰ, মাখিবাহা আদি ঠাইত আজিও পুতলা নাচৰ দল আছে। এটা সুখবৰ যে এইবেলি শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে গুৱাহাটী চিৰিয়াখানা পথ সাৰ্বজনীন পূজা উদযাপন সমিতিৰ উদ্যোগত নাম প্ৰসংগ, ওজাপালি আদিৰ উপৰিও মাখিবাহাৰ 'অসমী' পুতলা দলৰ পুতলা নাচ অনুষ্ঠান পৰিবেশন কৰিবহে। উদ্যোক্তা সকলৰ এই প্ৰচেষ্টা সঁচাকৈয়ে শলাগিব লগীয়া।

যিয়েই নহওঁক বৰ্তমান সময়ত পুতলা নাচ লোপ পোৱাৰ পথত যদিও এটা কথা সত্য যে পুতলা নাচ অসমৰ এক পৰম্পৰাগত জনপ্ৰিয় পৰিৱেশ্য কলা। গতিকে থলুৱা কৃষ্টি সংস্কৃতিৰে ভৰপূৰ মাটিৰ গোন্ধ থকা 'পুতলা নাচ' এই অনুষ্ঠানটোৰ পুনৰুজ্জীৱিত কৰি বৰ্তমান নৱপ্ৰজন্মৰ আগত ন-ৰূপত দাঙি ধৰাটো প্ৰতিজন অসমীয়াৰে পবিত্ৰ কৰ্তব্য।○

(বিভিন্ন গ্ৰন্থৰ সহায় লৈ)

# স্বৰ্গত স্থান পালে ড° ভূপেন হাজৰিকা

শ্ৰীৰিতুপৰ্ণ ঠাকুৰীয়া
স্নাতক তৃতীয় বৰ্ষ

ৰিতু ঃ নমস্কাৰ শ্ৰদ্ধেয় ৰাইজ এইয়া মই স্বৰ্গধামৰ পৰাই ড° ভুপেন হাজৰিকা নাটকৰ নাট্যকাৰ ৰিতুই আপোনাসৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। নাটকৰ পাতনিতে আপোনাসৱলৈ নাটখনিৰ জন্ম বৃত্তান্তৰ বিষয়ে দু-আষাৰ কবলৈ মানস কৰিছো। ৰাইজ, সেয়া আছিল—.

ড° ভুপেন হাজৰিকা ঃ মৃত্যু বাৰ্ষিকীৰ সেইদিনা পুৱতি নিশা মই এটি সপোন দেখিছিলো। মানুহে কয় পুৱতি নিশাৰ সপোন হেনো ফলিয়াই। মোৰ মৃত্যুৰ পিছত মোৰ বিদেহী আত্মাই স্বৰ্গধামত স্থান পায়নে নাপায় মই নাজানো কিন্তু সেই ৫ নবেম্বৰৰ দিনা পুৱতি নিশা মোৰ আত্মাই স্বৰ্গধামলৈ গৈছিল। তাত মোৰ আত্মাই দুজন ব্যক্তিৰ সৈতে সাক্ষাৎ হৈছিল। ব্যক্তি দুজনৰ এজন প্ৰখ্যাত আৰু আনজন কুখ্যাত ব্যক্তি। এতিয়া আহক ৰাইজ মোৰ আত্মাই স্বৰ্গধামত দৰ্শন কৰি সাক্ষাৎ হোৱা ব্যক্তি কেইজনৰ সৈতে চিনাকি হওঁ।

ৰিতুই যাব ঃ (মঞ্চত ৰঙা পোহৰ থাকিব নৰকৰ ৰজাক দেখা যাব।) 'নৰককুণ্ড'।

নৰক ৰজা ঃ হাঃ হাঃ হাঃ মই নৰকৰ ৰজা। মই নৰকৰ ৰজা। মৰতৰ পৰা অহা পাপী আত্মাবোৰক মই এই দুখন হাতেৰে মোহাৰি পেলাও। এই নৰকত অহা লোকসকল মোৰ ভয়ত কম্পমান।

হাঃ হাঃ হাঃ (এনেতে ৰিতুৰ প্ৰবেশ। ৰঙা পোহৰ নাইকিয়া হৈ বগা পোহৰ পৰিব।)

ৰিতু ঃ মোৰ অভিবাদন সাদৰেৰে গ্ৰহণ কৰিব নৰক ৰজা।

নৰক ৰজা ঃ অ ৰিতু তই আহিছ, আহ। মই সকলোকে কোৱাৰ দৰে তোমাকো কৈছো— তই বাৰু মোৰ পৰা কি বিচাৰি আহিছ?

ৰিতু ঃ হে মহান, যদি আপুনি অনুমতি দিয়ে তেন্তে মই স্বৰ্গবাসী হ'ব বিচাৰিছো।

নৰকৰ ৰজা ঃ হাঃ হাঃ হাঃ স্বৰ্গবাসী (খঙেৰে) আজিলৈকে মোৰ ওচৰলৈ অহা কোনো পাপী আত্মাই মোৰ পৰা স্বৰ্গবাসী হ'ব বিচৰা নাই আৰু অনুমতি বিচৰা দূৰৰ কথা ইয়ালৈ আহিলে সিহঁতে কেৱল ভয়তে থৰলাগি ঠৰঠৰকৈ কঁপি কঁপি কাতৰে কয়। হে নৰকৰজা মোক শাস্তিৰ পৰা ৰেহাই দিয়ক। অহা জনমত মই পূণ্য অৰ্জন কৰিম। কিন্তু তই ইয়ালৈ আহি পবিত্ৰ স্বৰ্গধামৰ নাম উচ্চাৰণ কৰিছ। তোৰ ইমান সাহস।

ৰিতু ঃ (আঠুকাঢ়ি) মোক অলপ সময়ৰ কাৰণে যাবলৈ দিয়ক। মই বিচাৰি অহা ব্যক্তিসকলক সাক্ষাৎ কৰিয়েই উভতি আহিম।

নৰক ৰজা ঃ হু, তোৰ দেখিছো সাহস ফেৰা কম নহয়। তোৰ দৰে সাহসী আত্মাৰ বাসস্থান এই নৰককুণ্ড কেতিয়াও হ'ব নোৱাৰে। উঠ ৰিতু। যা তই স্বৰ্গবাসী হ'গৈ। তোক মই অনুমতি দিছো। (লগে লগে নৰকৰ পোহৰ বন্ধ হয়। স্বৰ্গৰ মায়াময় পোহৰ দেখা যাব ৰিতু আচৰিত ভাৱে ঘুৰি চাই থাকে। স্বৰ্গৰ ৰজাই ৰিতুক কৌতুহলেৰে মাত দিলে।)

স্বৰ্গৰ ৰজা ঃ হেৰা কোন তুমি?

ৰিতু ঃ মই ৰিতু, মহাৰাজ।

স্বৰ্গৰ ৰজা ঃ কৰ পৰা আহিছ?

ৰিতু ঃ মৰতৰ পৰা আহিছো।

স্বৰ্গৰ ৰজা ঃ কিন্তু স্বৰ্গলৈ আহিলা কেনেকৈ?

ৰিতু ঃ মোৰ মৃত্যুৰ পিছত মোৰ আত্মাই স্বৰ্গ আৰু নৰকৰ বিচাৰত উপস্থিত হৈছিল। তাত থকা নৰকৰ ৰজাৰ পৰা অনুমতি লৈ মই ইয়ালৈ আহিছো।

স্বৰ্গৰ ৰজা ঃ হয় নেকি?

ৰিতু ঃ বাৰু মহাশয়, আপুনি বাৰু কোন?

স্বৰ্গৰ ৰজা ঃ বহু শ শ বছৰ আগতেই মই ইয়ালৈ আহিছো মোৰ নাম বদন বৰফুকন।

ৰিতু ঃ বদন বৰফুকন। মানে সেই তাহানি আহোম বংশৰ বদন বৰফুকন।

বদন ঃ এৰা তুমি ঠিকেই ধৰিছা।

ৰিতু ঃ ছিঃ ছিঃ ছিঃ আপুনি মোক স্পৰ্শ কৰিলে কিয়, কাক লগ ধৰিব আহি কাক লগ পালোহি।

বদন ঃ এৰা তুমি এইবোৰ কি কৈছা?

ৰিতু ঃ কি কৈছো। মানে ঠিকেই কৈছো। আপোনাৰ দৰে মানুহ এজনে কেনেকৈ স্বৰ্গধামত স্থান পালে।

বদন ঃ ইয়াত মোৰ বিচাৰ হৈছিল বিচাৰত মই জয়ী হৈ স্থান দখল কৰিছো।

ৰিতু ঃ অ ইয়াতো সেই একেই (Coruption) মই ভাবিছিলো অকল আমাৰ মৰতততহে এইবিলাক চলে, এতিয়া বুজিলো যে স্বৰ্গতো ভেটি ভুটাৰ কাম চলে। বাৰু মহাশয়, মই আহিছো। (ৰিতুই যাব বিচাৰে। বদনে বাধা দিয়ে।)

বদন ঃ ৰবা, শুনি যোৱা।

ৰিতু ঃ সৰ্ব্বনাশ, এৰি দিয়ক।

বদন ঃ তুমি ইমান উখল-মাখল লগাইচা কিয় ?

ৰিতু ঃ উচ-পিচখন নলগাম ? আপুনি হ'বলা গম পোৱা নাই। মই কিমান সাবধানতা অৱলম্বন কৰি আহিছো।

বদন ঃ নাই পোৱা কি ?

ৰিতু ঃ আপোনাৰ লগত কোনোবাই কথা পতা হোৱা বা দেখা শুনা পালে মোক (Social Boycoat) কৰিব।

বদন ঃ (Social Boycoat) মানে কি ?

ৰিতু ঃ আপুনি এইবোৰ নাজানে দিয়ক। এইটো এটা মাৰাত্মক ইংৰাজী শব্দ।

বদন ঃ মাৰাত্মক ইংৰাজী শব্দ।

ৰিতু ঃ আপোনালোকৰ দিনত এইবিলাকৰ ব্যৱহাৰ হোৱা নাছিল। আজি কালি এইবিলাক শব্দ আমি ব্যৱহাৰ কৰো ইয়াৰ অৰ্থ হ'ল জুই, পানী, পৃথক।

বদন ঃ জুই, পানী, পৃথক...

ৰিতু ঃ অ' জুই পানী পৃথক। আপোনাৰ লেখীয়া দেশদ্ৰোহী জাতিদ্ৰোহী, ব্যক্তিৰ সৈতে কথা হোৱা গম পালেই মৰতত এৰি অহা বিধবা ঘৈণীজনীকে জুই, পানী, পৃথক কৰিব।

বদন ঃ মই জাতিদ্ৰোহী, মই দেশদ্ৰোহী।

ৰিতু ঃ অ' আপুনি অসমলৈ মান আনি অসমৰ জনসাধাৰণক অৱস্থা পানীত হাঁহ নচৰা অৱস্থা কৰিছিল। অসমৰ প্ৰতিখন সাহিত্য, বুৰঞ্জী, আলোচনী, গল্প, প্ৰবন্ধত সকলোতে আপোনাৰ কুখ্যাত কু-কৃতিত্বৰ স্বাক্ষৰ সোণালী আখৰেৰে লিপিবদ্ধ কৰা আছে। আনকি যোৱাকালি চানাচুৰ ভাজা খাওতে দেখা পালো যে আপোনাৰ কু-বৃত্তি বখানি লিখা কাকত এখিলা তাৰ পিছতো আপুনি মোক ইয়াত বৈ থাকিব কয়। মই আহিলো।

বদন ঃ ৰবা ৰিতু মোৰ অলপ কথা শুনি যোৱা ৰিতু তুমি আকৌ কেতিয়া মৰতলৈ যাবা ?

ৰিতু ঃ ৰবহে ইমান সোনকালে মোক যাব কয়নে। এতিয়ালৈকে বিয়াৰ বাকী (ধাৰ) বিলাকে সোধাব পৰা নাই।

বদন ঃ কিহৰ বাকী।

ৰিতু ঃ ৰাসগোল্লাৰ বাকী, মিহিদানাৰ বাকী, দৈ-চিৰাৰ বাকী, চাউল-দাইলৰ বাকী।

বদন ঃ অ' তেনেহ'লে দেখিছো তুমি বিয়াখন বাকীতে শেষ কৰি আহিলা।

ৰিতু ঃ উঃ মোক কিয় কয়হে, আমাৰ অসমত আজি সেইটোৱে চলিছে।

বদন ঃ বাৰু শুনা ৰিতু, তুমি যদি কেতিয়াবা মৰতলৈ যোৱা আৰু কাৰোবাক লগ পোৱা তেন্তে মোৰ এটা বাৰ্তা কবা তেওঁ যেন অসমৰ প্ৰতিজন বুৰঞ্জীবিদ, সাহিত্যিক, সাংবাদিকক প্ৰশ্ন কৰে মই বদনে অসমলৈ মান আনিছিলো সঁচা কিন্তু মই মান আনিছিলো এটি মুহূৰ্তৰ বাবে। অসমীয়া প্ৰজাৰ মাজত শান্তি স্থাপন হোৱাৰ পিছত মই পুনৰাই মানক ওভতাই পঠাইছিলো। মই মান আনিছিলো সমস্যা দূৰ কৰাৰ বাবেহে। সমস্যা সৃষ্টি কৰাৰ বাবে নহয়। কিন্তু ১৯৪৭ চনৰ পিছত তোমালোকৰ মাজত যি সকল বদনে গাডীৰ লোভত মান সদৃশ বিদেশীবোৰক অসমলৈ আনি ম্যাদি পট্টা কৰি দি ৰৰপিৰা পাৰি দিলে। সেইসকল বদনৰ জানো বিচাৰ কৰা হৈছে। অঁ তোমালোকে মোৰ মৃত্যুৰ পিছত শ শ বছৰ পিছতো মোক দেশদ্ৰোহী, জাতিদ্ৰোহী, কুখ্যাতি আদি দি আহিছে কিন্তু তোমালোকৰ মাজৰ তেওঁলোকে জানো প্ৰকৃত দেশদ্ৰোহী নহয়। আজি তোমালোকৰ বুৰঞ্জীবিদসকল, সাহিত্যিকসকল নিমাত কিয়। মই তোমালোকৰ মাজত নোহোৱা এক কলঙ্কিত অধ্যায়। মই তোমালোকৰ মানুহৰ আদালতৰ বিচাৰত এজন কুখ্যাত ব্যক্তি বদন বৰফুকন। কিন্তু কৰুণাৰ সাগৰ পৰম পিতা পৰমেশ্বৰৰ আদালতৰ স্বনমধন্যৰ বিচাৰত মই এজন নিৰপৰাধী।

ৰিতু ঃ অ' এতিয়াহে বুজিলো। আপুনি কিয় স্বৰ্গত মুক্ত বিহংগৰ দৰে ঘূৰি ফুৰিবলৈ সুবিধা পাইছে। আপোনাৰ প্ৰতি কৰা এনেকুৱা অবিচাৰৰ শোকাবহ বাৰ্তা মৰুবাসীলৈ শীঘ্ৰেই প্ৰেৰণ কৰাৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰিম। অনুগ্ৰহ কৰি ড° ভূপেন হাজৰিকা থকা ঠাই ডোখৰ দেখুৱাই দিবনে ?

বদন ঃ ভূপেন হাজৰিকা। কোন, ভূপেন হাজৰিকা।

ৰিতু ঃ অ। ড° ভূপেন হাজৰিকা।

বদন ঃ অ ড° ভূপেন হাজৰিকা। কিন্তু তুমি আজি হঠাৎ এনেকৈ এই মুহূৰ্তত তেখেতক কিয় বিচাৰি আহিলা। তোমালোকেতো জ্ঞানীৰ মোল নুবুজা। ৰাজনৈতিক মুনফা নহ'লে তোমালোকেতো

কাকো নিবিচাৰা নিশ্চয় অসমত ভয়াবহ দুৰৱস্থাই দেখা দিছে যাৰ বাবে তুমি প্ৰতিজন অসমীয়াৰ মুখপাত্ৰ হৈ ড° ভূপেন হাজৰিকা দেৱক বিচাৰি আহিছা।

ৰিতু ঃ ভূপেন হাজৰিকাক কিয় বিচাৰি আহিছো। সেই বিষয়ে আপোনাক চিঠিৰ দ্বাৰা অৱগত কৰিম। এতিয়া অনুগ্ৰহ কৰি...।

বদন ঃ যোৱা এই পথৰে গ'লে তুমি ভূপেন হাজৰিকা দেৱক লগ পাবা। তাতেই তেওঁ সংগীত চৰ্চা কৰি থাকে। যোৱা ৰিতু যোৱা।

(বদনৰ প্ৰস্থান পোহৰ লগে লগে কমি আহিব মঞ্চৰ পৰা আন ভাগত ড° ভূপেন হাজৰিকাই সুৰেৰে দেউলৰে গানৰ কলি আওঁৰাই থাকিব। ড° ভূপেন হাজৰিকাক নমস্কাৰ দিয়ে।)

ৰিতু ঃ নমস্কাৰ।

হাজৰিকা ঃ নমস্কাৰ।

ৰিতু ঃ আপুনি ড° ভূপেন হাজৰিকাক চিনি পায়নে।

হাজৰিকা ঃ মইয়ে সেই ড° ভূপেন হাজৰিকা।

ৰিতু ঃ গুৰুদেৱ 'আনন্দত হাজৰিকাৰ ভৰিত ধৰে' আপুনিয়েই গুৰুদেৱ। মই আপোনাক বিচাৰি আহিছো।

হাজৰিকা ঃ উঠা কোন তুমি?

ৰিতু ঃ মোৰ নাম ৰিতুপৰ্ণ। মই এজন হতভগীয়া শিল্পী গুৰুদেৱ।

ৰিতু ঃ গুৰুদেৱ।

হাজৰিকা ঃ বাৰু ৰিতুপৰ্ণ তুমি কৰ পৰা আহিছা।

ৰিতু ঃ মই অসমৰ পৰা আহিছো গুৰুদেৱ।

হাজৰিকা ঃ অসমৰ পৰা আহিছা। মোৰ সপোন কুৱৰী ছয় ঋতুৰ মাদকতাই সময়ে সময়ে নৱ নৱ ৰূপেৰে বিভূষিতা কৰা শস্য শ্যামলা ভাৰতীৰ নুমলী জীয়ৰী আই অসমীৰ সু-সন্তান শিল্পী ৰিতুপৰ্ণ। কোৱা অসমৰ খবৰ কোৱা। অসমৰ সকলোতিয়েই ভালে আছেনে? ঢোল, পেপাঁ, গগনাৰ সুৰে আজিও অসমৰ চৌদিশ মুখৰ হৈ আছেনে? আজিও সুৰুযে হিৰণ-কিৰণ ঢালি লুইতৰ জলধাৰত মাৰ যায়নে? সাতভনীৰ মৰমৰ এনাজৰীডাল আজিও নিচিগাকৈ আছেনে কোৱা 'সাতভনী অৰ্থাৎ সাত প্ৰদেশৰ পূৰ্বাঞ্চলৰ সততা, সাংস্কৃতিক সুৰ আহিৱ। দুয়ো জঠৰ। কোৱা ৰিতু।

ৰিতু ঃ কম গুৰুদেৱ। মই সকলো নতুন খবৰ কম কিন্তু তাৰ আগতে আপোনাক কথা এটা সোধো।

হাজৰিকা ঃ সোধা ৰিতু 'সোধা মুক্তকণ্ঠে সোধা।'

ৰিতু ঃ গুৰুদেৱ আপোনাৰ জন্ম ক'ত হৈছিল?

হাজৰিকা ঃ কিয় শদিয়াত।

ৰিতু ঃ 'ভয় ভাৱে' শদিয়াত।

হাজৰিকা ঃ উচপ খাই উঠিল যে

ৰিতু ঃ গুৰুদেৱ অসমত আজি কালি কোনোবাই শদিয়া উজনি অসমৰ ফালে চালি গৈছে।

হাজৰিকা ঃ গুৰুদেৱ আপোনাক বহিষ্কাৰ কৰিব আপুনি অসমৰ কাৰণে কিমান কি কৰিলে। আজি আপোনাৰ মৃত্যু বাৰ্ষিকী পালন কৰি গোটেই অসমত আজি বহু কোটি কোটি টকা খৰচ কৰিছে।

হাজৰিকা ঃ (আচৰিত হৈ) কোটি কোটি টকা?

হাজৰিকা ঃ ইমান টকা খৰচ কৰিছে। কিন্তু মোৰ জীৱিত কালত মোকতো ইমান টকা কোনেও দিয়া নাছিল। চিকিৎসাৰ অভাৱত মোৰ ভৰি দুখন চিৰদিনৰ কাৰণে হেৰুৱাইছিলো। জীৱনৰ অন্তিম কালত মই নিজেই ল'ৰা-ছোৱালীক পোহপাল দিবৰ বাবে হাহাকাৰ কৰি ঘূৰি ফুৰিব লগা হৈছিল। মোৰ জীৱিত কালত যদি কোনোবাই এটা বুজন পৰিমাণৰ ধনৰ টোপোলা আগবঢ়ালে হয় মই মৃত্যুৰ ক্ষণ গণি গণি থাকিব লগা নহ'লহেঁতেন।

এইয়ে মোৰ শেষ গান...

মোৰ জীৱন নাটৰ শেষ ৰাগিনী কল্যান খৰমান।

ৰিতু ঃ গুৰুদেৱ।

হাজৰিকা ঃ অ ৰিতু এইখিনিতে মোক জীৱন বন্তিৰ শলিতা ডাল নুমাই নগ'লহেঁতেন মই আকৌ ৫ বছৰ বেছিকৈ জীয়াই থকাৰ প্ৰেৰণা পালোহেঁতেন। আকৌ ৪-৫ টা গান লিখিব পাৰিলোহেঁতেন। অসমীয়া কলা সংস্কৃতিৰ বাবে কলা সংস্কৃতিৰ নতুন চিন্তা চৰ্চা কৰিব পাৰিলোহেঁতেন। মইতো আৰু বহুত কিবা কিবি কৰাৰ সপোন দেখিছিলো 'ভাগি পৰে'।

ৰিতু ঃ আৰু গুৰুদেৱ, কাপোৰৰ ডাঙৰ ডাঙৰ তোৰণ সজাইছে, আপোনাৰ প্ৰতিকৃতি উন্মোচন কৰিছে।

হাজৰিকা ঃ কাপোৰৰ ডাঙৰ তোৰণ সজাই মোৰ প্ৰতিকৃতি উন্মোচন কৰিছে।

ৰিতু ঃ আৰু গুৰুদেৱ সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ মাজত পায়স বিতৰণ কৰিছে।

হাজৰিকা ঃ 'পায়স'।

হাজৰিকা ঃ কিন্তু মোৰ জীৱিত কালত কোনেওতো মোক এইবোৰ যঁচা নাছিল। বাৰু দৰাচলতে এইবোৰ থাকক, ৰিতু। এইবিলাক কৰিলে মোৰ আত্মাই শান্তি নাপাই। মোৰ আত্মাই স্বৰ্গধামত তেতিয়া শান্তি পাব যেতিয়া তেওঁলোকে আই অসমীৰ উদাৰ বুকুত জন্ম দিব এজন নতুন ড° ভূপেন হাজৰিকা।

ৰিতু ঃ কিন্তু নতুন ড° ভূপেন হাজৰিকাৰ জন্ম জানো সম্ভৱ গুৰুদেৱ।

হাজৰিকা ঃ নিশ্চয় ৰিতু। কিয় নোৱাৰিব শঙ্কৰ, মাধৱ, লাচিত,

মূলা, কনকলতা, জয়াৰ জন্ম দাত্ৰী মোৰ আই অসমীয়ে। অসমীয়ে নতুন ভূপেন হাজৰিকাৰ জন্ম দিব পাৰিব।'

ৰিতু ঃ ই কেনেকৈ সম্ভৱ গুৰুদেৱ।

হাজৰিকা ঃ মই যেনেকৈ এখন হাতেৰে কলম বুলাইআনখন হাতেৰে দেশৰ প্ৰয়োজনত ষ্টেনগান তুলি লৈছিলো আৰু আজিৰ সময়ত সেইবোৰ এৰি গানৰ সুৰত।

ৰিতু ঃ কিন্তু গুৰুদেৱ।

হাজৰিকা ঃ অ ৰিতুপৰ্ণ, মোৰ মৃত্যুৰ পিছত মোৰ নামত অযথা লাখ লাখ টকা খৰচ কৰাৰ যুক্তি থাকিব পাৰে বুলি মই নাভাবো। মোৰ আত্মাই শান্তি পাব তেতিয়া যেতিয়া এহেজাৰ একুৰি সমস্যাৰে জৰ্জৰিত সুন্দৰৰ পূজাৰী শিল্পীবিলাকক অৰ্থ সাহাৰ্য্য আগবঢ়ায় জীয়াই থকাৰ প্ৰেৰণাকণ যোগাই। মই দেখি অহাৰ নিচিনাকৈ তেওঁলোকে ৰাতিৰ মঞ্চত ঔৰংগজেব নাইবা চাজাহান নাইবা আলেকজেণ্ডাৰৰ অভিনয় কৰি ৰাতিপুৱা খেৰৰ দমত পুজিত শুই শিল্পী জীৱনৰ চৰম তিক্ততা অনুভৱ কৰিলগীয়া নহয়। অ ৰিতুপৰ্ণ।

ৰিতু ঃ কিন্তু তেওঁলোকে আজি কি কৰিছে জানে। গুৰুদেৱ এখন হাতত মদৰ গিলাচ আৰু আনখন হাতত চিগাৰেটৰ টুকুৰা আৰু মুখত সুগন্ধি জৰ্দা পান ভৰাই হিন্দী ফিল্মিৰ গান আওৰাই ফুৰিছে। তেওঁলোকৰ জানো দেশৰ কাৰণে ভবিবলৈ অবকাশ পাইছে। তেওঁলোকে জানো দেশক ভাল পাব শিকিছে। সুৰাপান নকৰিলে যেন তেওঁলোকৰ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত সুৰুজে ভুমুকি নামাৰে। আপোনাৰ সপোন কুঁৱৰী আই অসমীক আজি বিভেদকামী শক্তি সমূহে গ্ৰাস কৰিবলৈ আগাবঢ়ি আহিছে। অসমৰ ভাষা সংস্কৃতিৰ কলা-সাহিত্যৰ জনক শঙ্কৰ মাধৱৰ কলা কৃষ্টিসমূহক আওকান কৰি তেওঁলোকে কিছুমান নগ্ন সংস্কৃতিক প্ৰশ্ৰয় দিছে। আপুনি গঢ়ি যোৱা সাতভনীৰ মৰমৰ এনাজৰীডাল বান্ধি মিলন সেতু গঢ়ি অসমীয়া সংস্কৃতিৰ সৌধ পুনৰ নিৰ্মাণ নকৰিলে কালৰ সোঁতত অসমীয়াৰ অস্তিত্ব হয়তো হেৰাই যাব।

হাজৰিকা ঃ ৰিতুপৰ্ণ। এই ৰিতুপৰ্ণ। মই বহু আশা কৰিছিলো। সপোন দেখিছিলো অসমীয়া কলা সংস্কৃতিৰ বিশ্ববাসীকে চা খুৱাই বিশ্বসভাত এখন উচ্চস্থান লাভ কৰাবলৈ। কিন্তু ৰিতু মোৰ সকলো আশা, সকলো সপোন ভাঙি-ছিঙি চুৰমাৰ হৈ গ (হুঁহি হুঁহি কান্দি বহি পৰে।)

ৰিতু ঃ গুৰুদেৱ আপুনি ভাঙি নপৰিব গুৰুদেৱ অস্থিৰ নহ'ব। অস ভাষা সংস্কৃতিৰ এই সংকট মুহূৰ্তত আই অসমীয়ে বহু আশাৰে চাই আছে আইয়ে আপোনাক আহ্বান কৰিছে। (এনেতে মঞ্চ পূৰ্ব্বঞ্চলৰ মেপৰ সৈতে অসমীক দেখা যাব 'অসমী নেপথ্য নাৰীৰ কণ্ঠস্বৰ শুনা যাব)। হাজৰিকা তই আকৌ আহ। হাজৰি মোৰ এই দুৰ্যোগৰ মুহূৰ্তত মোৰ সন্তানসকলক পোহৰৰ নতুন প দেখুওৱাবলৈ তই আহ হাজৰিকা। মিৰি, মিকিৰ, দেউৰী, বড়ো ৰাভা সকলোৰে যে মোৰেই সন্তান। সিহঁতক যে বিভেদকা শক্তিসমূহে মোৰ বুকুৰ পৰা আঁতৰাই নিব ওলাইছে। তাকে কৰা সিহঁতৰ মাজত শান্তিৰ মহামন্ত্ৰ চটিয়াবলৈ তই আহ হাজৰিকা। ম তোক কাতৰে মাতিছো। তই আহ হাজৰিকা।

হাজৰিকা ঃ (চিএৰি) মই যাম আই। তোমাৰ এই দুৰ্যোগ মুহূৰ্ত মই থিৰেৰে বৈ থাকিব নোৱাৰো। মই যাম আই। বলা ৰিতুপ আইয়ে মোক মাতিছে।

ৰিতু ঃ বলক গুৰুদেৱ।

হাজৰিকা ঃ আমি অসমৰ পাহাৰে ভৈয়ামে শান্তি সম্প্ৰীতিৰ সৌধ গঢ়িবলৈ আইৰ চেনেহৰ সন্তান সকলক জাগ্ৰত কৰি ঐক্য মালাধাৰি গুঠিবলৈ যাত্ৰা আৰম্ভ কৰোহক। দিক বিদিক কঁপাই আমি গায় যাম। (ভিতৰৰ পৰা) তই কৰিব লাগিব অগ্নিস্নান, সাজু হ সাজু হ, নব জোৱান। লাহে লাহে আঁৰ কাপোৰ নামি আহিব। জয় আই অসম।○

# বহাগ আৰু গামোচা

শ্ৰীজয়শ্ৰী ডেকা
স্নাতক তৃতীয় বৰ্ষ

গ্ৰীষ্মৰ আচলত ধৰি প্ৰকৃতিৰ বুকুলৈ নামি আহে বৃষ্টিমুখৰ সজল ধূসৰ নিবিড় বৰষা। বৰষা মানেই ওন্দোৰ্লা আকাশ, গোমা বতৰ, বৰষুণৰ গান। জীৱন মৰুত সপোনৰ প্লাৱন নমাই বৰষাই। গ্ৰীষ্মৰ দেই পুৰি নিয়া অসহ্য যন্ত্ৰণা আঁতৰাই বৰষাই প্ৰকৃতিৰ বুকুলৈ তথা মানুহৰ মনলৈ আনে ৰং আৰু সুবাসৰ শীতল মূৰ্চ্ছনা আৰু লগতে অসমীয়া মানুহৰ মাজলৈ কঢ়িয়াই আনে বুকুৰ আপোন বাপতিসাহোন বহাগ বিহুটি।

বহাগে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই আনে নৱ পৰিৱৰ্তন। কুঁহিপাতৰ সেউজীয়াই ছানি ধৰে গছ বন। চঞ্চল ঢৌ খেলা বসন্তবুলীয়া বতাহজাকৰ বা লাগি ফুলি উঠে কপৌ, কেতেকী, পলাশ, মদাৰ, সোণাৰু, এজাৰ আদি নানা বিধ ফুল। নানা ৰঙী ফুলৰ ৰঙা, হালধীয়া, বেগুনীয়া, গুলপীয়া আদি ৰঙেৰে ভৰি উঠে সেউজীয়া গছবোৰ আৰু ৰঙেৰে ভৰাই তোলে অসমীয়া মানুহৰ প্ৰাণবোৰ।

ৰমকে জমকে আনন্দত নাচি-বাগি আহে দুৱৈৰ বিহুৱা ককাইৰ ঢোলৰ গমগমীয়া মাতটি। পাছ চোতালত শুনিবলৈ পাই মাকোৰ খিতখিতনি। ৰংমনলৈ বুলি মৰমৰ আচু, চেনেহৰ দীঘেৰে বোৱা ফুলাম গামোচাখন প্ৰাণ পাই উঠে ৰাংঢালীৰ হাতত।

বিহুৰ দিনা আয়েও কাঁহৰ বঁটা এটাত গামোচা এখন থৈ পিতাদেউক সেৱা কৰি আশীৰ্বাদ ল'ব। আমাৰ কান্ধত গামোচা একোখনকৈ থৈ মূৰত হাত ফুৰাই আশীৰ্বাদ কৰিব। মূৰৰ চুলি ছিঙি কৰা আশীৰ্বাদ। আমাৰ সকলোৰে বাবে আইৰ হাতেৰে পোৱা সেই গামোচা কেইখন সেই মুহূৰ্তৰ পৰা বিহুৱান হ'ব। বিহু থকাৰ দিনকেইটালৈকে আৰু গা-মনো ৰঙীয়াল হৈ থকালৈকে বিহুৱানখন গাতে থাকিব। কেতিয়াবা কান্ধত কেতিয়াবা মূৰত। ঘৰুৱা সূতাৰ গোন্ধটো যেতিয়ালৈকে থাকে তেতিয়ালৈকে বিহুৱান হৈয়ে মনটো তিয়াই থাকিব।

লাহে লাহে এদিন মদৰুৱা আৰু মলিন হ'লে সেইখন এখন গা-মোচা হ'ব। ৰঙালী বিহুৰো ৰং-ধেমালী জয় পৰিলে পথৰুৱা খেতিয়ক মানুহে গামোচাখন মূৰত মাৰি নাঙলত ধৰিব। গাত বল পাবলৈ গামোচাখনেৰে কঁকালত টঙালি বান্ধি দিনৰ দিনটো পৰিশ্ৰম কৰিব। আৰু কেতিয়াবা শুদা পেটৰ ভোক পাহৰিবলৈ পেটত টানি গামোচা বান্ধিব। গামোচাখন আমি এৰো কেনেকৈ। এই গামোচা, আমাৰ বাপতি সাহোন। অসমীয়া জাতি যিমানদিনলৈ থাকিব সিমান দিনলৈ বিহু আৰু গামোচাও থাকিব। গামোচা কেৱল আমাৰ মান্য বস্ত্ৰই নহয়, ই আমাৰ জাতীয় সংস্কৃতি আৰু স্বাভিমানৰো প্ৰতীক। গামোচাই দেশে দেশে আমাৰ পৰিচয়ৰো ৰক্ষাকৱচ হৈ থাকিব। গামোচা হৈ থাকিব আমাৰ জাতীয় জীৱনৰ পতাকা।○

# মানৱ জীৱনত শিক্ষাৰ গুৰুত্ব

শ্ৰীস্বৰ্ণ মণ্ডল
স্নাতক তৃতীয় বৰ্ষ

শিক্ষা হ'ল মানৱ জাতিৰ বা মানৱ সভ্যতাৰ তথা এখন দেশৰ লগতে বিশ্ব প্ৰগতিৰ মেৰুদণ্ড স্বৰূপ। যাৰ অবিহনে মানৱ জাতি বা বিশ্ব প্ৰগতি কেতিয়াও সম্ভৱ নহয়। শিক্ষা মানৱ জাতিৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত মানুহে সত্য, জ্ঞান, ধ্যান, মান আৰু যশস্যা লাভ কৰে।

ড° সৰ্বপল্লী ৰাধা কৃষ্ণণনে শিক্ষাক এক পৰিৱৰ্তনৰ আহিলা হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ মতে শিক্ষা হ'ল সমাজ, জীৱন, অৰ্থনৈতিক দিশ আৰু সাংস্কৃতিক পৰিবৰ্তনৰ আহিলা। তেওঁ দেশৰ ঐক্য সংহতি, উৎপাদিকা শক্তি, আধ্যাত্মিক বিকাশ আদিৰ অৰ্থে শিক্ষা ব্যৱহাৰ হোৱা উচিত বুলি মন্তব্য দাঙি ধৰিছিল।

God helps those, who help themselves স্বাৱলম্বী মানুহক বোলে ঈশ্বৰেও সহায় কৰে। এতেকে স্বাৱলম্বনৰ একমাত্ৰ পথ হ'ল শিক্ষা। শিক্ষা অবিহনে এজন ব্যক্তি স্বাৱলম্বী হোৱাটো সহজ নহয়। শিক্ষাৰ জৰিয়তে এগৰাকী ব্যক্তি সুন্দৰ তথা আন্তৰিকতাৰে জীৱন যাপন কৰিব পাৰে। আৰু বিভিন্ন অভিজ্ঞতা আহৰণ কৰে যিয়ে তেওঁক বিভিন্ন সমস্যাৰ সন্মুখীন হৈ তাক সমাধান কৰে তথা নতুন পৰিবেশৰ লগত সমাযোজনত সহায় কৰে।

মহান শিক্ষাবিদ আৰ্ণল্ড ওৱেস্কাৰৰ মতে, 'শিক্ষা মানে কেৱল কিতাপ আৰু সংগীত নহয়, শিক্ষা হ'ল অনবৰত প্ৰশ্ন সুধি থকাৰ অভ্যাস। আমি এনেকুৱা লাখ লাখ মানুহ আছো— যি সকলে কেতিয়াও প্ৰশ্ন নোসোধে, আমি বিচাৰো আটাইতকৈ সহজ পথটো।" গতিকে আমি আমাৰ সমাজখনৰ প্ৰগতিৰ বাবে শিক্ষাৰ বিষয়ে অধ্যয়ন কৰাটো প্ৰত্যেকৰে কৰণীয় কাৰ্য্য।

এজন ব্যক্তিৰ মুক্ত কল্পনা, আগ্ৰহ, অভিৰুচি, অনুভূতি, চিন্তা শক্তিৰ সু-প্ৰয়োগৰ ফলত সাহিত্যৰ সৃষ্টি হয়। ঠিক তেনেদৰে এজন ব্যক্তিয়ে শিক্ষাৰ দ্বাৰা তেওঁ তেওঁৰ জীৱনটোক বিকশাই তুলিব পাৰে আৰু জীৱনৰ সাৰ্থকতা লাভ কৰে। শিক্ষাই ব্যক্তিৰ ব্যৱহাৰিক দিশৰ পোষকতা কৰি বাস্তৱ জীৱনৰ আদৰ্শ গঢ়ি তোলে আৰু সঠিক পৰিৱৰ্তনৰ পথত আগুৱাই লৈ যায়। অতীতৰ পৰা বৰ্তমানলৈ মহা-মহা পুৰুষসকলে শিক্ষাৰ বিষয়ে বিভিন্ন উক্তি দাঙি ধৰিছে। তেওঁলোকেও শিক্ষাৰ জৰিয়তে এজন জ্ঞানী আৰু মহান ব্যক্তি ৰূপত প্ৰতিফলিত হৈছে।

ভুল আঁতৰাই সত্যক প্ৰতিষ্ঠা কৰাটো শিক্ষাৰ লক্ষ্য। ব্যক্তিগত সামাজিক, বৃত্তিমুখী আৰু গণতান্ত্ৰিক দিশবোৰৰ উন্নতি সাধন কৰে একমাত্ৰ ভাল শিক্ষা ব্যৱস্থাই। ভাল শিক্ষাই ব্যক্তিৰ জীৱনৰ সৌন্দৰ্যতাও পৰিপূৰ্ণ কৰে। শিক্ষাৰ এনে এক মাধুৰ্যতা আছে যাৰ সোৱাদ জিভাৰে লোৱা নহয়। শিক্ষা এনে এক বিষয় যি অধ্যয়নৰ জৰিয়তে সজীৱ হৈ উঠে।

শিক্ষা অধ্যয়নে শিক্ষাৰ লগতে জীৱ বিজ্ঞান, সমাজ বিজ্ঞান, দৰ্শন, অৰ্থ বিজ্ঞান আৰু পৰিসংখ্যা বিজ্ঞানৰ সম্বন্ধৰ বিষয়েও জানিব পৰা যায়। শিক্ষাই মানুহৰ অন্তৰ্নিহিত শক্তিৰ স্বাভাৱিক সু-সামঞ্জস্য আৰু প্ৰগতিশীল বিকাশ সাধন কৰে। শিক্ষাই ব্যক্তিৰ সামূহিক বিকাশ, শাৰীৰিক, মানসিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক বিকাশতো অৰিহণা যোগায়। গতিকে ইয়াৰ পৰা বুজা যায় যে শিক্ষা অবিহনে সমাজ জীৱন অচল। শিক্ষা হৈছে জীৱন ব্যাপি চলা প্ৰক্ৰিয়া। ব্যক্তিৰ জীৱন ধাৰণৰ মানদণ্ড উন্নতিৰ মূলতে শিক্ষা।

'শিক্ষা অমূল্য ৰত্ন'— যি এজন ব্যক্তিয়ে লাভ কৰাৰ পিছত ইয়াৰ ভাগ বাটোৱাৰা নহয়। এজন ছাত্ৰ বা ছাত্ৰীয়ে অশেষ চেষ্টা আৰু কষ্টৰে শিক্ষা লাভ কৰি সমাজ এখনৰ বা দেশ এখনৰ উন্নতি কামনা কৰি দেশৰ বাবে অৱদান আগবঢ়াই সুন্দৰ শিক্ষিত সমাজ গঢ়ি তুলিব পাৰে। সেয়ে আমাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা সমাজৰ, দেশৰ আৰু বিশ্বৰ সকলোৰে শিক্ষাৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা আৰু অচলা ভক্তি থকা উচিত।○

# নিৰাশ্ৰয়ৰ জীৱনৰ বিয়লি বেলাৰ আলয় — বৃদ্ধাশ্ৰম

শ্ৰীহীৰক দাস
স্নাতক তৃতীয় বৰ্ষ

পৰিয়াল পাতি ঘৰ-সংসাৰ কৰি স্থায়ী ভাৱে থাকিবলৈ কৰা আৰম্ভণিয়েই হৈছে মানৱ সভ্যতাৰ মূল ভেঁটি। মানুহ বা জীৱ-জন্তুৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ প্ৰাথমিক লক্ষ্য হ'ল আহাৰ প্ৰতিৰক্ষা আৰু প্ৰজনন। কৃষিকৰ্ম আৰু পশু পালন কৰি প্ৰতিৰক্ষাৰ কাৰণে ঘৰ সাজি সমূহীয়াকৈ ওচৰা ওচৰিকৈ থাকিবলৈ লোৱাৰ পাছত আহাৰ আৰু নিজকে ৰক্ষা কৰিবৰ কাৰণে ঘূৰি ফুৰিব লগা নহ'ল। সময়ৰ লগত যৌথ পৰিয়ালৰ সৃষ্টি হৈ পৰম্পৰাগত ভাৱে হাজাৰ হাজাৰ বছৰ এনেকৈয়ে চলি আহিছিল। যৌথ পৰিয়াল পদ্ধতি সকলো পুৰণি সভ্যতাৰে (ইজিপ্ত, মেছ, পটেমিয়া, চীন, ভাৰত, গ্ৰীক আৰু ৰোমান আদি) আন্তঃ গাঁঠনি।

প্ৰকৃতিৰ নানা ধৰণৰ ৰেহ-ৰূপ নিৰীক্ষণ কৰি ঋতু পৰিৱৰ্তনৰ ধাৰণা আহিল। ইয়াৰ লগত খোজ মিলাই যাবলৈ শিকিলে। এই পৰিৱৰ্তনৰ নিয়ন্ত্ৰণত দেৱ-দেৱী আছে বুলি অনেক চিন্তাৰ মাজেৰেও সময় উলিয়াই নিজৰ মংগলৰ কাৰণে দেৱ-দেৱীক সন্তুষ্ট কৰি ৰাখিবৰ কাৰণে পূজা-অৰ্চনা আৰম্ভ কৰিলে। গতিশীল সময়ৰ লগত ক্ৰমাগত ভাৱে আমাৰ সৌৰজগতৰ বাহিৰেও যে হাজাৰ হাজাৰ কোটি নক্ষত্ৰৰে ভৰা এখন অন্তহীন বিশ্বব্ৰহ্মাণ্ডৰ স্থিতি মানুহৰ ধাৰণা হ'ল, তেতিয়া মানুহেই বিশ্বব্ৰহ্মাণ্ডৰ গৰাকী ঈশ্বৰ বা ভগৱানৰ জন্ম দিলে। ঈশ্বৰ উপাসনা আৰম্ভ হ'ল। ধৰ্ম বা এই মাংগলিক পূজা-পাৰ্বণ আদিয়েই কৃষি প্ৰধান সভ্যতাৰ যৌথ পৰিয়ালৰ ল'ৰা বুঢ়া সকলোৰে মনোৰঞ্জনৰ আনন্দ উৎসৱলৈ ৰূপান্তৰিত হৈ আহিল। যৌথ পৰিয়ালৰ মাধ্যমেৰে বংশ ৰক্ষা হৈ আহিছিল। মানুহে বোধহয় আগতে কেতিয়াও ভাবিবই পৰা নাছিল যে কেতিয়াবা এনে সময় আহিব নে যৌথ পৰিয়াল এদিন ভাগি-ছিগি থানবান হৈ যাব। যৌথ পৰিয়ালত বৃদ্ধ আৰু ল'ৰা-ছোৱালীহঁতৰ এওঁলোকে যত্ন লৈছিল পুত্ৰ বোৱাৰী, ডেকা-গাভৰুহঁতে। এওঁলোকে গাভৰুৰ নিজৰ পেছা বা চাকৰিৰ তাগিতাও পাব। পুৰণি ঘৰখনৰ পৰা যাবলৈ বাধ্যত পৰিল। লগত লৈ গ'ল নিজৰ সতি-সন্ততি। বৃদ্ধ-বৃদ্ধাসকল নিজৰ পুৰণি ঘৰখনকে সাৱতি থাকিব লগা হ'ল। লাহে লাহে এওঁলোক অকলশৰীয়া হৈ অচল অৱস্থা এটাৰ সন্মুখীন হ'ব লগা হ'ল। খোৱা-বোৱা, স্বাস্থ্যজনিত সমস্যাবোৰ যত্নৰ মাজেৰে বৃদ্ধসকলক বৃদ্ধগৃহত ৰখাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু তেওঁলোকে এতিয়া মানসিকভাৱে অকলশৰীয়া। আগতে পো-বোৱাৰী নাতি-পুতিৰ লগত ব্যস্ত থাকি সকলো দুখ কষ্ট পাহৰি নিজকে সুৰক্ষিত বুলি ভাবি আছিল। হঠাৎ সামাজিক নতুন পৰিৱৰ্তন। কুৰি শতিকাৰ প্ৰথম অৰ্ধশতিকালৈ এই পৰিৱৰ্তন অহা নাছিল আমাৰ ভাৰতবৰ্ষ তথা অসমত।

কুৰি শতিকাৰ শেষৰ ফালে আমাৰ দেশতো বিজ্ঞান প্ৰযুক্তি বিজ্ঞানৰ প্ৰসাৰ আৰু শিক্ষানুষ্ঠানৰ অগ্ৰগতিৰ ফলত এই সামাজিক পৰিৱৰ্তনৰ ধুমুহাই আমাৰ দেশৰ নাগৰিককো উৰুৱাবলৈ আৰম্ভ কৰিলে। নতুন প্ৰজন্মই কৃষিকৰ্ম আৰু ঘৰ এৰি দূৰলৈ আঁতৰি যাব লগাত পৰিল। নিজৰ ভৱিষ্যতৰ সন্ধানত ডেকা গাভৰুহঁতে বিশ্বায়নৰ প্ৰভাৱত তাৰ লগত মিলি গ'ল পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ যাবলৈ ল'লে ঘৰত থাকি গ'ল অলৰ-অচৰ মাক-বাপেক, আইতা-ককাহঁত। তেওঁলোকৰ ভৰণ-পোষণ, বেমাৰ-আজাৰত যত্ন ল'বলৈ কোনোবেই নোহোৱা হ'ল। সেই নতুন ঢৌ নগৰ-চহৰ অঞ্চলত আবদ্ধ নাথাকি লাহে লাহে গ্ৰাম্য অঞ্চললৈও বিয়পিল। গাঁৱৰ শিক্ষিতলোক গাঁৱৰ পৰা আঁতৰ হ'ল। হাজাৰ হাজাৰ বছৰে চলি অহা পৰম্পৰাগত সমাজ ব্যৱস্থাও আশু পৰিৱৰ্তন আহিল। ইয়াৰ ভুক্তভোগীসকল হ'ল বৃদ্ধ পিতৃ-মাতৃ বা ককা-আইতাহঁত। কিন্তু যথেষ্ট সংখ্যাক বৃদ্ধই পো-বোৱাৰীৰ হাতত ইচ্ছাকৃত ভাৱে অৱহেলিত হৈ আহিছে।

আমি সকলোৱে নতুন প্ৰজন্মৰ ওপৰত দোষবোৰ জাপি দি বহি থাকিলে নহয়। বৰ্তমান যুগৰ বিশ্বায়নৰ পৰিবেশ পৰিস্থিতিত নতুন প্ৰজন্মই নিজৰ ভৱিষ্যতৰ সুৰক্ষাৰ সন্ধানত দেশ বা দেশৰ বাহিৰলৈ যাবলৈ বাধ্য হৈ পৰিছে। ইচ্ছা থাকিলেও যথা সময়ত বৃদ্ধ পিতৃ-মাতৃক চোৱা-চিতা কৰিবলৈ অসুবিধা বা অসমৰ্থ হৈ আহিছে। এনে কাহিনী আমাৰ অসমতো সততে ঘটিবলৈ ধৰিছে। অনেক সময়ত একাংশ নৱ প্ৰজন্মই ক্ষন্তেকীয় পাৰ্থিৱ সুখ লালাসাৰ প্ৰতিযোগীতাত পিতৃ-মাতৃৰ প্ৰতি যত্ন নোলোৱা হ'ল। এনে ঘটনাও আমি দেখিবলৈ পাও।

এগৰাকী মাতৃয়ে নিজৰ গৰ্ভত ১০ মাহ ১০ দিন গৰ্ভধাৰণ কৰি এটা সন্তান জন্ম দি তাক সন্তৰে পৰা মৰম-চেনেহ আলফুলীয়া আদৰ যত্নৰে একো একোজন নাগৰিক কৰি তোলাৰ পিছত যদি সেই পিতৃ মাতৃকেই সন্তানে বৃদ্ধ বয়সত আলৈ আথানি কৰে, তেন্তে নিশ্চয় তেওঁলোকৰ বাবে বৃদ্ধা শ্ৰমবোৰ বৰ প্ৰয়োজনীয়। এহাল পিতৃ-মাতৃয়ে যদি দুটা তিনিটা বা ততোধিক সন্তানক সকলো প্ৰয়োজন পুৰণ কৰি ডাঙৰ কৰিব পাৰে তেনেহলে সন্তানসকলে এহাল পিতৃ-মাতৃৰ বৃদ্ধাৱস্থাত কিয় দায়িত্ব ল'ব নোৱাৰে।

বৃদ্ধসকলৰ শেষ ভৰসা তেনে বৃদ্ধাশ্ৰম? কিয় ইমান প্ৰয়োজনীয় এই বৃদ্ধাশ্ৰমবোৰ? আমাৰ সমাজৰ এটা এৰাব নোৱাৰা অংগ হৈ পৰিছে নেকি বাৰু এই বৃদ্ধাশ্ৰমবোৰ? এনে বহু প্ৰশ্নই জপতিয়াই ধৰে। এই বৃদ্ধাশ্ৰমবোৰ যেন এক প্ৰকাৰৰ সমাজৰ কৃত্ৰিম পৰিবৰ্তনেই সূচায়। মানৱীয়তাহীন এক পৰিৱৰ্তন য'ত নাথাকে কাৰোৰে কাৰোবাৰ প্ৰতি মৰম দায়বদ্ধতা, আন্তৰিকতা, সম্পৰ্কৰ সুস্থ্য এনাজৰিডাল যাৰ বাবেই হয়তো এখন ঘৰক গহীন সংস্কৃতি, পৰম্পৰাৰে চহকী কৰা তথা মৰম চেনেহৰ ডোলেৰে বান্ধি ৰখা। আইতা সকলৰ প্ৰায় ভাগৰে শেষ ভৰষা আৰু আশ্ৰয়স্থল হৈ পৰিছে বৃদ্ধাশ্ৰমবোৰ। কৃত্ৰিমতাৰে ভৰি পৰা এই সমাজত প্ৰায়ে শুনা যায় বহু হৃদয় বিদাৰক ঘটনা। আৰু হয়টো এনে ঘটনাৰ চিকাৰ হ'ব লগা হৈছে বহু বৃদ্ধ। নিজ সন্তানেই অৱহেলা কৰা দেখা যায় বৃদ্ধ পিতৃ-মাতৃক বাৰ্ধক্য জীৱনৰ বিয়লি বেলা। এই বিয়লি বেলাত প্ৰবেশ কৰিয়েই বহু মানৱ জীৱন হৈ পৰে এলাগী। হয়তো এইসকলক শেষ ভৰসাৰ স্থল স্বৰূপ হৈ পৰে বৃদ্ধাশ্ৰমবোৰ। আমিবোৰে এবাৰলৈ বাৰু ভাবি চাওনে যি গৰাকীয়ে বহু আশা, বহু সপোনেৰে পৰিয়াল তথা একোখন ঘৰ বান্ধে, সেই ঘৰৰ পৰাই এদিন গৃহহাৰা হয় কিয়? বৃদ্ধাবয়সত সন্তানৰ এবাৰি চেনেহৰ মাতে বৃদ্ধ পিতৃ-মাতৃক বহু সাহস আৰু বহু শান্তি দিয়ে। আইতাৰ লগত নাতি-নাতিনীৰ নিঃস্বাৰ্থ সম্পৰ্ক প্ৰতিক্ষণে অনুভৱ হয়। যিবোৰ বৰ্তমান কৃত্ৰিমতাৰ গৰাহত ডুবিব ধৰিছে। বৃদ্ধি পাব ধৰিছে বৃদ্ধাশ্ৰমবোৰৰ সংখ্যা। অসম দেশতে বহু চৰকাৰী বেচৰকাৰী আশ্ৰম আছে, য'ত ইয়াৰ বাসিন্দাসকলৰ মন আধ্যাত্মিকৰ পৰা মনোৰঞ্জন সকলোবোৰ দিশত গুৰুত্ব দিয়া হয়। কোনো বৃদ্ধাই হেনো নিজ ইচ্ছা মতেই আশ্ৰমত থাকিব কিন্তু বহুতে আকৌ অনিচ্ছাৰে ইয়াৰ বাসিন্দা হ'ব লগীয়া হয়। দায়িত্ববোধহীন সন্তানে নানান অজুহাত, বুদ্ধিৰে আনি বৃদ্ধাশ্ৰমত বৃদ্ধ মাক-দেউতাকক থৈ যায়। তেওঁলোকে মনতে আশা পুহি ৰাখে যে সন্তান আহিব, তেওঁলোকৰ খবৰ ল'ব, তেওঁলোকক লগত লৈ যাব। কিন্তু সৰল মনা ককা-আইতাই বুজিকে নাপায় যে তেওঁলোকৰ সন্তানবোৰ খুব ব্যস্ত, ধনেৰে চহকী, কিন্তু মনেৰে নহয়। অঘোষিত কিছুমান প্ৰতিযোগীতাত ব্যস্ত তেওঁলোকৰ সন্তান, যিয়ে হয়তো পাহৰি পেলাইছে যে তেওঁলোকৰো পিতৃ-মাতৃ আছে বুলি। বৃদ্ধাবয়সত কাম-বন কৰিব নোৱাৰাৰ ফলত বৃদ্ধবোৰ এলাগী হৈ পৰে নে অইন কিবা কাৰণ আছে? যিবোৰ সন্তানে অনিচ্ছাৰ স্বত্তেও বৃদ্ধাশ্ৰমত থৈ আছে তেওঁলোকবোৰে সদায় বাৰু ডেকা অৱস্থাতে থাকিব নে? নে সিহঁতে কোনোবা দেৱ-দেৱীৰ পৰা বৰ লৈ আহিছে কোনো দিনেই বৃদ্ধ নহওঁ বুলি?

ই অকল নগৰৰ সমস্যা নহয়, সমগ্ৰ দেশৰে সমস্যা। জনসংখ্যা অনুপাতে বৃদ্ধৰ সংখ্যাও ক্ৰমান্বয়ে বাঢ়ি গৈ আছে। এইসকলোবোৰ কথা চিন্তা কৰিলেই বৃদ্ধসকলৰ আৱাস স্থাপনৰ কাৰণে উপযুক্ত ভূমিৰ প্ৰয়োজন। যিটো চৰকাৰৰ সহযোগিতাতে এইবোৰ সম্ভৱ। এই বৃদ্ধাশ্ৰমবোৰত স্বাস্থ্যসন্মত ভাৱে সকলো সুবিধা সংযুক্ত হ'ব লাগিব। থকা কোঠা শৌচাগাৰ মুকলি ঠাই খেলা-ধূলা কৰিব পৰা ব্যৱস্থা মনোৰঞ্জনৰ আহিলা, উপযুক্ত আহাৰ প্ৰশিক্ষণ প্ৰাপ্ত পৰিচাৰিকা, চিকিৎসক আৰু ঔষধৰ ব্যৱস্থা ইত্যাদি। ইয়াৰ কাৰণে চৰকাৰে বা সমাজৰ ওপৰত নিৰ্ভৰ নকৰি বৃদ্ধাসকলেও যথেষ্ট অৰিহণা যোগাব পাৰিব।

অৰ্থনৈতিক ভাৱে সামৰ্থৱান সকলে মাহেকীয়া বা বছৰেকীয়া নিৰ্দিষ্ট বৰঙণি দিব পাৰে। বিশেষ সুবিধা বিচৰা সকলে তাৰ খৰচ বহন কৰিব লাগিব। এই সকলোবোৰৰ কাৰণে সুচিন্তিত পৰিকল্পনাৰ প্ৰয়োজন আৰু যিকোনো স্থায়ী অনুষ্ঠানৰ দৰে ইয়ো এক নতুন অনুষ্ঠান হ'ব লাগিব। তেনেহ'লেহে বৃদ্ধাশ্ৰম সুচাৰুৰূপে চলিব। আমি সকলোৱে লগ হৈ চিন্তা কৰো আহক। চৰকাৰেও এই বিষয়ে সুদৃঢ় পদক্ষেপ লোৱাৰ সময় আহি পৰিছে।

সদৌ শেষত মোৰ আশা থাকিল, কোনো সন্তানে নিজ পিতৃ-মাতৃক যাতে বৃদ্ধাৱস্থাত আলৈ আথানি নকৰে। কাৰণ এটা পানী কেঁচুৱাৰ পৰা সাবালক কৰোতে পিতৃ-মাতৃৰ যিখিনি কষ্ট হয় সেইখিনি কোনো সন্তানে ধাৰ প্ৰতিশোধ কৰিব নোৱাৰে।○

# মুদ্ৰাস্ফীতি

শ্ৰীখনিন্দ্ৰ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

সাধাৰণতে সকলোৱে অৰ্থনীতি সম্পৰ্কে জনা দৰকাৰ যিহেতু আমি ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে অৰ্থনীতিৰ লগত জড়িত হৈ থাকো। আমি দৈনন্দিন জীৱনৰ প্ৰতিটো বস্তু উপভোগ বা বিনিয়োগ কৰিবলৈ আমাক অৰ্থ বা মুদ্ৰাৰ প্ৰয়োজন হয়। আমাৰ দৈনন্দিন কাৰ্যসমূহ সুচাৰুৰূপে পালন কৰিবলৈ হ'লে অৰ্থনীতিৰ জ্ঞান থকাটো দৰকাৰ। অৰ্থনীতিৰ উদ্দেশ্য অতি বহল আৰু ই গোটেই বিশ্বৰ অৰ্থনীতিৰ লগত জড়িত।

আমি আলোচনা কৰিবলৈ লোৱা বিষয়টো হ'ল মুদ্ৰাস্ফীতি আৰু এই বিষয়টো জানিবলৈ হ'লে মুদ্ৰাস্ফীতিৰ বিষয়ে জ্ঞান থকাটো দৰকাৰ। সাধাৰণতে মুদ্ৰাস্ফীতি বুলিলে ইয়াকে বুজাই যে যেতিয়া বজাৰত মুদ্ৰাৰ মূল্য কমে আৰু বস্তুৰ মূল্য বাঢ়ে তাকে মুদ্ৰাস্ফীতি বোলে। আকৌ দেশত বিত্তীয় ব্যৱহাৰ পৰিৱৰ্তনে কেতিয়াবা বিত্তীয় ঘাটি, মুদ্ৰাৰ যোগানৰ পৰিমাণ বৃদ্ধি, কলা মুদ্ৰাৰ প্ৰচলন, বিনিয়োগ বৃদ্ধি, দাম বৃদ্ধি, আদিৰ পৰিৱৰ্তন কৰাৰ ফলত মুদ্ৰাস্ফীতি হয়।

সাধাৰণতে মুদ্ৰাস্ফীতিৰ মূল কাৰণ হ'ল উৎপাদনৰ পৰিমাণ কম; যেতিয়া বজাৰত কোনো বস্তুৰ পৰিমান কমে তেতিয়া বিক্ৰেতাই তাৰ সুযোগ লৈ বস্তুৰ দামবঢ়াই দিয়ে তেতিয়া ক্ৰেতাই বা কিনোতাই অধিক দাম দি হ'লেও বস্তুটো ক্ৰয় কৰিব বিচাৰে আৰু যেতিয়া সেই বস্তুটো বজাৰত অধিক দামত বিক্ৰী হোৱা মানে মুদ্ৰাৰ মূল্য বা টকাৰ মূল্য বাঢ়ি যায়। এই কাৰণে সেই দ্ৰব্য সামগ্ৰীটো নিম্ন শ্ৰেণীৰ মানুহে ক্ৰয় কৰিব নোৱাৰা হয় আৰু এই শ্ৰেণীৰ মানুহে সদায় তেনে দ্ৰব্য সামগ্ৰী উপভোগৰ পৰা বঞ্চিত হ'ব। এই সমস্যাটো বোধ কৰাৰ বাবে আমাৰ সকলোৰে দায়িত্ব আছে নহ'লে মুদ্ৰাস্ফীতিৰ ফলত নিম্নশ্ৰেণীৰ লোক সদায় নিম্ন হৈ যাব আৰু ধনী শ্ৰেণীৰ লোক ধনী হৈ ৰ'ব। যেতিয়া অৰ্থনীতিত কোনো এটা বস্তু বা সামগ্ৰীৰ দাম বৃদ্ধি পাই তেওঁলোকে বজাৰ সামগ্ৰী অধিক বৃদ্ধি কৰা দেখা যায়। আনহাতে মুদ্ৰাস্ফীতিৰ ফলত দিন হাজিৰা কৰি খোৱা মানুহৰ বাবেই প্ৰত্যাহ্বান স্বৰূপ হৈ পৰে। ফলত দিনটো কাম কৰি পোৱা মজুৰিৰে অভাৱ দূৰ কৰিব নোৱাৰি। ফলত দুখীয়া শ্ৰেণীৰ আৰ্থিক অৱস্থাৰ অৱনতি ঘটে। মুদ্ৰাস্ফীতি বোধ কৰিবলৈ হ'লে সকলো নাগৰিকৰে দায়বদ্ধতা আছে আৰু ইয়াৰ বিষয়ে সকলোৱে অৱগত হোৱাটো প্ৰয়োজন। সাধাৰণতে মুদ্ৰাস্ফীতিৰ দুটা দিশ পোৱা যায়। মুদ্ৰাস্ফীতিৰ ফলত নিম্ন শ্ৰেণীৰ লোক সকলে তেওঁলোকৰ কোনো ধৰণৰ কাৰ্যকৰী অমিল হয় আৰু তেওঁলোক অপকাৰ্যত লিপ্ত হৈ যি মুদ্ৰা আহৰণ কৰে তাকে কলাধন বোলে। এই মুদ্ৰাস্ফীতি অধন্নতি। মুদ্ৰাস্ফীতিৰ ফলত দেশখন উন্নত অৱস্থালৈ ৰূপান্তৰ হৈছে। এইটো এটা সম্পূৰ্ণ উন্নতি নহয়। চৰকাৰে দেশখন উন্নত অৱস্থালৈ ৰূপান্তৰ কৰিবলৈ মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰিলে দেশত বিভিন্ন ধৰণৰ কু-কাৰ্য গা কৰি উঠিব। মানুহে কেৱল মুদ্ৰাৰ বাবে এইবোৰ কাৰ্যত লিপ্ত হ'বলগীয়া হয়। মুদ্ৰাস্ফীতিৰ দ্বাৰা সাধাৰণতে অপকাৰ হয় যদিও উপকাৰো হয়। মুদ্ৰাস্ফীতিৰ ফলত সৃষ্টি হোৱা কলাধন সমূহ নাইকিয়া কৰিবলৈ মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব লাগিব। ইয়াৰ বাবে জনসাধাৰণে নিজে সজাগ হোৱাৰ দৰকাৰ। আৰ্থিক ভাৱে জুৰুলা হয় আৰু সমাগত আৰ্থিক বৈষ্যমতা বৃদ্ধি পায়।

মুদ্ৰাস্ফীতিৰ সৃষ্টি হোৱা মূল কাৰণ হ'ল বিত্তীয় ঘাটি। বিত্তীয় ঘাটি বুলি কওঁতে এইটোৱেই বুজো যে যেতিয়া চৰকাৰৰ আয়তকৈ ব্যয় পৰিমাণ বৃদ্ধি হয়। তেতিয়া চৰকাৰখনত ঘাটি বৃত্তই দেখা দিয়ে আৰু এই ঘাটি সমূহ পূৰাবলৈ চৰকাৰে উপভোগ কৰা সকলো দ্ৰব্য সামগ্ৰী দাম বৃদ্ধি কৰাৰ ফলত মুদ্ৰাস্ফীতি সৃষ্টি হয়। ইয়াৰ উপৰিও দেশত উৎপাদন হ্ৰাস পালেও মুদ্ৰাস্ফীতিয়ে দেখা দিয়ে।

আমি মুদ্ৰাস্ফীতি ৰোধ কৰিবলৈ হ'লে আমাৰ অৰ্থনীতিৰ জ্ঞান থকা দৰকাৰ। যদিহে ছাত্ৰ-ছাত্ৰীৰ মাজত অৰ্থনীতিৰ জ্ঞান নাথাকে তেতিয়া হ'লে এইকাৰ্য সম্পাদন কৰিবলৈ সমৰ্থ বা কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। তাৰ বাবে অৰ্থনীতিৰ জ্ঞান থকা দৰকাৰ।

শেষত এইটোৱে ক'ব পাৰি যে মুদ্ৰাস্ফীতিৰ ফলত উৎপাদনকাৰী, পুঁজিপতিসকল লাভৱান হয় আৰু সাধাৰণ জনসাধাৰণে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয় আৰু অৰ্থনীতিত এক অস্থিৰ পৰিবেশৰ সৃষ্টি হয়।○

# খটৰা সত্ৰৰ পাচেতি উৎসৱ

শ্ৰীনিত্যানন্দ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

অসমৰ অন্যতম তীৰ্থস্থান ৰূপে খ্যাত দৰং জিলাৰ 'খটৰা সত্ৰ' দৰঙৰ জনসমাজত এক বিখ্যাত গোঁসাই ঘৰ হিচাপে পৰিচিত। সত্ৰৰ কৰা পাটত দুয়োকাষে দুটা সিংহৰ মূৰ্ত্তি মূৰ্ত্তিমন্ত দৰঙৰ অনন্য সত্ৰানুষ্ঠান 'খটৰা সত্ৰই' আধাত্মিক উৎকৰ্ষ সাধন কৰি আছে দৰং তথা অসমৰ জনমানসত। লোক ভাষাত 'খটৰা গোঁসাই ঘৰ' হিচাপে অধিক পৰিচিত এই সত্ৰানুষ্ঠানখনি মূলত ঃ বৈষ্ণৱ শাক্ত শৈৱ আদি সকলো পন্থাৰ লোকৰ বাবে ভক্তি ধৰ্মৰ ক্ষেত্ৰত হিয়াৰ আমঠু স্বৰূপ। লোক সংস্কৃতিৰ বৈশিষ্টপূৰ্ণ 'পাচেতি উৎসৱ' দৰং জিলাৰ ঐতিহ্য আৰু সংহতিৰ এক অনন্য পৰম্পৰা। মূলত ঃ এটা ধৰ্মীয় অনুষ্ঠান হ'লেও 'খটৰা সত্ৰত' প্ৰতি বছৰৰ ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা পাচেতি উৎসৱ পৰিবৰ্তিত সময়ত পৰিণত হৈ পৰিছে দৰং বাসীৰ স্বাভিমানৰ এক প্ৰতীক হিচাপেও।

অসমৰ অনুপম মহাপুৰুষীয়া ঐতিহ্যমণ্ডিত খটৰা সত্ৰ প্ৰতিষ্ঠা হৈছিল ১৫৬৮ খৃঃত। মহাপুৰুষ মাধৱদেৱৰ আজ্ঞাপত্ৰ লেচাকণীয়া গোবিন্দ আতৈয়ে শাক্ত শৈৱৰ উপাসনাস্থলী বৰ দৰঙত অনেক প্ৰতিকূল পৰিস্থিতি অতিক্ৰমী বৈষ্ণৱ ধৰ্মৰ খুটি পুতিছিল। মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালত দৰং জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত খটৰা নামৰ গাঁওখনিত। মহাপুৰুষ মাধৱদেৱৰ শিষ্য লেচাকণীয়া গোবিন্দ আতৈয়ে তিনিজনা ভকতৰ সংগে দৰঙৰ নৌৈ নদীয়েদি উজাই আহি পোনতে ভূলংমুখ, পানীশৈলী আৰু নগৰাত সত্ৰ স্থাপন কৰি ২৪ গৰাকী ভকতক বৈষ্ণৱ ধৰ্মত শৰণ ভজন দিয়ে। 'খটৰা সত্ৰত' পূজিত শ্ৰীৰাম, সতী সীতা, লক্ষণ, হনুমান, লৱ আৰু কুশৰ কাঠেৰে নিৰ্মিত বিগ্ৰহ সমূহৰ অপূৰ্ব কাৰুকাৰ্যই দৰ্শনাৰ্থীসকলক বিমোহিত কৰি আহিছে যুগে যুগে।

খটৰা সত্ৰ অসমৰ মহাপুৰুষীয়া সত্ৰ সমূহৰ ভিতৰত অন্যতম সত্ৰানুষ্ঠান। খটৰা সত্ৰ প্ৰতিষ্ঠা কালৰে পৰা বিভিন্ন ধৰ্মীয় কৃত্য প্ৰচলন হৈ আহিছে। এনে ভালেমান ধৰ্মীয় কৃত্যৰ ভিতৰত অন্যতম ধৰ্মীয় কৃত্য হৈছে পাচেতি উৎসৱ। 'খটৰা সত্ৰৰ' পাচেতি উৎসৱ সৰ্বাধিক জনপ্ৰিয় ধৰ্মীয় অনুষ্ঠান। পাচেতি শব্দটো সংস্কৃত শব্দ 'পঞ্চ' শব্দৰ পৰা উদ্ভৱ হৈছে। 'পঞ্চ' শব্দৰ পৰা পাঁচ শব্দৰ বিকাশ হৈছে আৰু ইয়াৰ লগত 'তি' বা (এ) তি প্ৰত্যয় যোগ হৈ পাঁচ+(এ) তি = পাঁচেতি বা পাচেতি ৰূপ গঠন হৈছে।

'খটৰা সত্ৰৰ' পাচেতি উৎসৱ হৈছে এক ঋতুকালীন ধৰ্মীয় আৰু সু-প্ৰসিদ্ধ উৎসৱ। ধৰ্মীয় আৰু লোক পৰম্পৰাৰে পালন হোৱা পাচেতি উৎসৱ মূলতঃ আনন্দদায়ক অনুষ্ঠান। 'খটৰা সত্ৰত' পাচেতি উৎসৱত অন্যতম ধৰ্মীয় কৃত্য দধিমথন, নৃত্য আৰু ভাওনা। পাচেতি উৎসৱৰ গোন্ধৰ দিনা (অধিবাস) সন্ধিয়া দধিমথন ভাওনা, গীত নৃত্যৰ প্ৰদৰ্শন হয়। দধিমথন ভাওনাৰ আগেয়ে সন্ধিয়া সত্ৰত গায়ন বায়নৰ দ্বাৰা নাম প্ৰসংগ আৰম্ভ হয়।

পাচেতি উৎসৱ শ্ৰীকৃষ্ণৰ জন্ম কেন্দ্ৰীক অনুষ্ঠান। মূলতঃ ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত এই লোক উৎসৱৰ লগত সংগতি ৰাখি দধিমথন অনুষ্ঠান হয়। মোমায়েক কংসই গম নোপোৱাকৈ নন্দ ৰজাই কৃষ্ণ ওপজাৰ পাঁচ দিনৰ দিনা এই উৎসৱ পালন কৰিছিল। পিছলৈ এই উৎসৱ পাচেতি নামেৰে জনজাত হৈ পৰে। প্ৰসংগত উল্লেখ কৰাটো সমীচিন হ'ব যে কৃষ্ণৰ জন্ম হৈছিল ভাদ মাহৰ অষ্টমী তিথিত। সেই ফালৰ পৰা অষ্টমীৰ পাচ দিনা অৰ্থাৎ দ্বাদশী তিথিতহে এই উৎসৱ পালন কৰাৰ যুক্তি যুক্ততা আছে। এনে তিথিৰ ওপৰত ভিত্তি কৰি অসমৰ অন্য সত্ৰ বিশেষকৈ সুন্দৰী দিয়া সত্ৰত অদ্যপিও দ্বাদশী তিথিত পাচেতি উৎসৱ পালন কৰা দেখা যায়।

অসমৰ অন্যান্য স্থান সমূহত থকা সত্ৰ সমূহতকৈ ভালেখিনি পৃথক বৈশিষ্ট্যৰে উজলি উঠা 'খটৰা সত্ৰ' দৰঙীয়া লোক জীৱনৰ আধ্যাত্মিকতাবাদৰ এক প্ৰেৰণা সঞ্চাৰী অধ্যায়। বিশেষকৈ সত্ৰখনত পালিত হৈ অহা পাচেতি উৎসৱৰ পৰম্পৰাই দৰঙীয়া জনমানসত হৃদয়ে হৃদয়ে নিহিত হৈ উঠিছে ভক্তিৰস আৰু সম্প্ৰীতিৰ এক বান্ধোন হিচাপে। পাচেতি উৎসৱ দৰ্শন কৰিবলৈ দৰং জিলাৰ উপৰিও

কামৰূপ জিলাৰ বিভিন্ন ঠাইৰ পৰা অনেক যাত্ৰী আহে। পাচেতি উৎসৱত জনজাতি আৰু অজনজাতি উভয়ভক্তৰে ভিৰ দেখা যায়। জনজাতি আৰু অজনজাতিৰ গাভৰু আৰু তিৰোতা সকলে পইচা আৰু তামোল পাণ ৰাম বিগ্ৰহৰ ওচৰত অৰ্পণ কৰে। এই প্ৰসংগত গোটা তামোলৰ লগত দিয়া পাণ সদায় চিত কৰি দিয়ে। পাচেতিৰ দিনা ৰাম লক্ষ্মণৰ বিগ্ৰহ দৰ্শন আৰু সেৱা কৰিলে মনৰ আশা পুৰণ হয় আৰু দধিমথন অভিনয় দৰ্শন কৰিলে পূণ্য সিজে বুলি ভক্ত সকলে বিশ্বাস কৰে। প্ৰাকৃতিক পৰিবেশৰ মাজত অৱস্থিত সত্ৰখনৰ তোৰণৰ কাষতে পাহাৰ দাঙি থকা উৰণীয়া হনুমানৰ মূৰ্ত্তি দৰ্শনাৰ্থী সকলৰ বাবে অন্য এক আকৰ্ষণ। বিশেষকৈ শিশু, কিশোৰ কিশোৰী সকলে মূৰ্ত্তিটোক লৈ খুবেই উচ্ছ্বাস প্ৰকাশ কৰে।

পাচেতি উৎসৱৰ আন এটি আচৰণ হৈছে উৎসৱ উপলক্ষে অনুষ্ঠিত ডাঙৰ মেলা। মেলা আৰু উৎসৱত মুছলমান সকলেও ভাগ লয়। পাচেতি উপলক্ষে অনুষ্ঠিত বৃহৎ মেলা অসম বিখ্যাত। অসমৰ বিভিন্ন ঠাইৰ ব্যৱসায়ী খটৰাৰ পাচেতিলৈ আহে ব্যৱসায়ৰ বাবে। এই ব্যৱসায়ী সকলে বিভিন্ন সামগ্ৰী বিক্ৰীৰ অভিলেখ সৃষ্টি কৰাৰ লগতে পাচেতিৰ প্ৰচাৰ প্ৰসাৰতো তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই পাচেতিৰ পৰা এটা নাৰিকল পুলি আনি ৰোপণ কৰিব লাগে বুলি এটি লোক বিশ্বাস আছে। এই লোক বিশ্বাসৰ বাবে খটৰাৰ পাচেতিত অজস্ৰ নাৰিকলৰ পুলিয়ে পাচেতিক বৈচিত্ৰ্যপূৰ্ণ কৰি তোলে আৰু পৰৱৰ্তী কালৰ সেই নাৰিকল গছবোৰে খটৰাৰ মহিমা প্ৰকাশি থাকে।

খটৰাৰ পাচেতিত কোনো ধৰণৰ ধৰ্মীয় ব্যৱস্থাৰ সামাজিক সংহতিৰ দৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে খটৰাৰ পাচেতিৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এই উৎসৱত বৃহৎ সংখ্যাক বড়োলোকৰ অংশ গ্ৰহণ। দূৰ অতীতৰ পৰাই পাচেতি উৎসৱত বড়ো জনসাধাৰণে অংশ গ্ৰহণ কৰি আহিছে। খটৰাৰ পাচেতিত বড়ো লগতে ৰাভা জনসাধাৰণৰ স্বতঃস্ফূৰ্ত অংশ গ্ৰহণ অসমৰ সামাজিক সংহতিৰ এটি উজ্জ্বল দৃষ্টান্ত।

এনেদৰে খটৰাৰ পাচেতিয়ে সামাজিক সংহতি ৰক্ষা কৰাত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ বিভিন্ন উৎসৱ অনুষ্ঠানৰ ভিতৰত দৰঙৰ খটৰাৰ পাচেতি নিঃসন্দেহে অন্যতম। সেয়ে অসমৰ বিভিন্ন অঞ্চলৰ লোকক পাচেতিয়ে আকৰ্ষিত কৰি ৰাখিছে। সামাজিক সংহতিৰ উৎকৃষ্টতম নিদৰ্শন স্বৰূপে খটৰাৰ পাচেতি উজলি থাকিব চিৰদিন চিৰকাল।।○

# মহৎ লোকৰ বাণী

**সংগ্ৰাহক ঃ আৰ্জিনা বেগম**

শিক্ষাই একমাত্ৰ উপায়, যিয়ে মানুহৰ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে। — এৰিষ্টট'ল।
যি মানুহে এটা ভুল কৰি শুধৰণি নকৰে, তেওঁ বাৰে বাৰে ভুল কৰে। — কনফুচিয়াছ।
যি মানুহে জীৱনটোক লৈ খেলা কৰে তেওঁ কোনো মহৎ কাম কৰি নোৱাৰে। — গ্যেটে।
জীৱনৰ সময় বৰ কম। পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা। — কৃষ্ণকান্ত সন্দিকৈ।
অজ্ঞতা ভগৱানৰ অভিশাপ। জ্ঞানৰ ডেউকা লগাই আমি স্বৰ্গলৈ উৰা মাৰিব পাৰো। — তুলসী দাস।

# মদন-কামদেৱ দেৱালয়

শ্ৰীপূজা দে
স্নাতক দ্বিতীয় বৰ্ষ

অসম ৰাজ্যৰ কামৰূপ জিলাৰ সুশোভিত হৈ থকা তীৰ্থস্থান সমূহৰ ভিতৰত মদন কামদেৱ দেৱালয়ো এখন অন্যতম তীৰ্থস্থান। প্ৰাকৃতিক সম্পদেৰে চহকী অসম ৰাজ্যৰ অন্তৰ্গত অতিকৈ পুৰণি ঐতিহ্যমণ্ডিত মঠ-মন্দিৰ, দেৱালয় সমূহৰ এক প্ৰধান বৈশিষ্ট্য হ'ল নৈসৰ্গিকতাৰ মাজত সুশোভিত হৈ এক ধৰ্মীয় তথা পবিত্ৰ অনুভূতি প্ৰদান কৰি ধৰ্মীয় ব্যক্তিক তথা পৰ্যটকক আকৰ্ষণ কৰা। নৈসৰ্গিকতাৰ মাজত শোভা বৰ্দ্ধন কৰি থকা মদন কামদেৱ দেৱালয়খনিত এই ধৰণৰ বৈশিষ্ট্যৰ ব্যতিক্ৰম নহয়। মদন কামদেৱৰ দাঁতিয়েদি পূব দিশৰ পৰা বৈ অহা মদনকুৰি নৰা নৈখনে দেৱালয়খনৰ প্ৰাকৃতিক সৌন্দৰ্য দুগুনে বৃদ্ধি কৰিছে।

ব্ৰহ্মপুত্ৰ নদীৰ শৰাইঘাট দলঙৰ উত্তৰে ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ পূৰফালে বহুকেইখন সৰু ডাঙৰ পাহাৰ বিয়পি আছে। উক্ত ৰাষ্ট্ৰীয় ঘাইপথে পূব কামৰূপৰ কেন্দ্ৰস্থল বাইহাটা চাৰিআলি চুইছে গৈ। বাইহাটা চাৰিআলিৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দক্ষিণ পূবত এক নিৰিবিলি পৰিবেশৰ মাজত 'মদন কামদেৱ' দেৱালয় অৱস্থিত। এই দেৱালয় অৱস্থিত পৰ্বতখন 'দিৱানগিৰি পৰ্বত' নামেও জনাজাত।

কালিকা পুৰাণত উল্লেখ কৰা মতে, প্ৰাচীন কামৰূপত মৎস্যৰাজ পৰ্বতৰ পাদদেশেৰে বৈ যোৱা শাশ্বতী নদীত এজন ধীপ পুৰুষে স্নান কৰি, পানীত তিতা বস্ত্ৰ পৰিধান কৰি মদন সৰোবৰৰ পানী এচলু পান কৰি মৎস্য ধ্বজধাৰী বিষ্ণুৰ আৰাধনা কৰি মন্দিৰ দৰ্শন সফল হোৱাৰ কামনা কৰিছিল। 'প্ৰভু মোক কাম-মোহ-লোভ আদিৰ ৰিপুৰ পৰা মুক্ত কৰা। মোক জিতেন্দ্ৰীয় হ'বলৈ শক্তি দিয়া। যি সত্যৰ সন্ধানত যি যাত্ৰা আৰম্ভ কৰিছো সমস্ত মায়া-মোহ আদিৰ পৰা মুক্ত কৰা প্ৰভু।' উক্ত মৎস্যধ্বজ পৰ্বতকে কোনো কোনোৱে বৰ্তমানৰ 'মদন কামদেৱ পাহাৰ' বুলি ক'ব খোজে। 'যোগিনী তন্ত্ৰ'ৰ উত্তৰ খণ্ডত থকা মদন কামদেৱ পাহাৰক মদনাচল আৰু মদনকুৰি নৈখনক মদনকুণ্ড ৰূপে উল্লেখ কৰিছে। যোগিনীতন্ত্ৰত মদন ত্ৰয়োদশী উৎসৱৰ উল্লেখও পোৱা যায়।

কেপ্টেইন ডেল্টনৰ ১৮৮৫ চনত 'Journal of the Asiatic Society' প্ৰকাশ পোৱা 'Notes on Assam temple ruins' প্ৰবন্ধত উল্লেখ কৰা শিলসাঁকোৰ নিচেই ওচৰতে ওঠৰটামান মন্দিৰ ভগ্নাৱশেষৰ অৱস্থিতিৰ কথাই নিশ্চয় এই মদন কামদৱেৰ কথাকে বুজাইছে। পণ্ডিত স্বৰ্গীয় তৰণীকান্ত শৰ্মাই ১৯৪৩ আৰু ১৯৪৪ চনত প্ৰকাশিত 'Journal of the Assam Research Society' দুটি মূল্যৱান প্ৰবন্ধ প্ৰকাশ কৰি পোন প্ৰথমবাৰৰ বাবে মদন কামদেৱ দেৱালয়ৰ ঐতিহাসিক পটভূমিৰ কথা পোহৰলৈ আনিছে। মুছলমান ঐতিহাসিক মিনহাজে 'তবকত-ই-নাছিৰি'ত বৰ্ণনা কৰিছে যে ১২০৬ খ্ৰীষ্টাব্দত কামৰূপীয় সেনাৰ কবলৰ পৰা মুক্ত হ'বলৈ আক্ৰমণকাৰী বখতিয়াৰে সসৈন্যে এই দেৱ মন্দিৰৰ এলেকাত আশ্ৰয় লৈছিল। মন্দিৰৰ বেদীত এক মোন ওজনৰ সোণৰ বিগ্ৰহ থকাৰ কথাও এওঁ উল্লেখ কৰিছে। ১৯৮৬ চনত প্ৰকাশ পোৱা এই প্ৰবন্ধ লিখকৰ 'দিব্যানগিৰি' মদন কামদেৱৰ বিষয়ে লিখা পৰ্যালোচনা ভিত্তিক একমাত্ৰ পুথি। ড° পবিত্ৰ কুমাৰ শৰ্মা দেৱে পৰ্যটকৰ উপযোগী হোৱাকৈ মদন কামদেৱ দেৱালয়ৰ বিষয়ে ইংৰাজী ভাষাত এখনি 'গাইড বুক' প্ৰকাশ কৰিছে।

পূণ্য ভূমিৰ ভিতৰত ভাৰতৰ কামৰূপ আৰু কাশ্মীৰ হৈছে শ্ৰেষ্ঠ স্থান। কামৰূপ হৈছে ভাৰতৰ উত্তৰ পূব আৰু কাশ্মীৰ হৈছে ভাৰতৰ উত্তৰ পশ্চিম অংশত অৱস্থিত ঠাই। এই দুয়োখন ৰাজ্যৰ ভিতৰত আয়তন মাহাত্ম্য আৰু প্ৰাচীনতাত কামৰূপ কাশ্মীৰতকৈ শ্ৰেষ্ঠ। আৰু সেই কামৰূপ জিলাৰ অন্তৰ্গত মদন কামদেৱ দেৱালয়খন এসময়ত ধ্বংসস্তুপত পৰিণত হৈছিল। এসময়ত ধ্বংসপ্ৰাপ্ত হোৱা মদন কামদেৱ দেৱালয়খন ওঠৰ শতিকাৰ আহোম স্বৰ্গদেউ শিৱ সিংহই মেৰামতি কৰে আৰু বীৰভূমৰ পৰা গোবিন্দ মিশ্ৰ নামৰ ব্ৰাহ্মণ এজন আনি দেৱালয়ৰ বৰদেউৰীক দায়িত্ব দি মাটি বৃত্তি দি তামৰ ফলি দান কৰে। সেই মিশ্ৰক স্থাপন কৰা ঠাইখনেই মিশ্ৰৰটোল বৰ্তমান অপভ্ৰংশ হৈ মচুৰতোলা হৈছে।

মিশ্ৰ বংশৰ পৰৱৰ্তী বৰদেউৰী গণেশ শৰ্মাৰ দিনত

ৰজাদিনীয়া পাইকসকলে দেৱালয়ৰ জমিত উৎপন্ন হোৱা শস্য সামগ্ৰী বৰদেউৰীক দিবলৈ অসন্মতি প্ৰকাশ কৰিছিল আৰু বৰদেউৰীসকলক সমাজে বৰ্জন কৰিছিল। সেই সময়ত মৌজাদাৰেও ৱাৰিচহীন দেৱালয়ৰ সন্মুখত থকা মূল্যৱান গছ-গছনি কাটি নি প্ৰায় নিঃশেষ কৰে। বৰদেউৰীসকলে তামৰ ফলিকে আদি কৰি দেৱালয়ৰ যাৱতীয় কাকত-পত্ৰ গাঁৱৰ মাজত থকা ন-পুখুৰীত পেলাইদি দেৱালয়ৰ পৰিচালনাৰ পৰা হাত ধুই পেলায়। সেইসময়ত সেই অঞ্চলৰ ৰাইজৰ যত্নত টেঙাবাৰী গাঁৱৰ ব্যক্তি নিয়ামত আলী চৌধুৰীয়ে ১৯০২ চনৰ পৰা কেইবছৰ মান পৰিচালনা কৰি সু-সংগঠিত ৰূপত পুনৰ নতুন দলৈৰ হাতত দেৱালয়ৰ ভাৰ অৰ্পণ কৰে। নতুন দলৈৰ দিনতো দেৱালয়খনৰ উন্নতি হোৱা দেখা নগ'ল। তামৰ ফুল হেৰোৱাত ব্ৰিটিচ চৰকাৰে পেৰা কাকত কৰি মাটি ৰখোৱাৰ ব্যৱস্থা কৰিলে। দেৱালয়খনৰ নামত লাখেৰাজ জমি ১১৮ বিঘা যদিও বৰ্তমান মাত্ৰ ২০ বিঘা জমিহে দেৱালয়ৰ। অৱশেষত নানা বেমেজালিৰ মাজেৰে ১৯৭২ চনত চৰকাৰে এখন সমিতিৰ হাতত দেৱালখনৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰে।

১৯৭২ চনত দেৱালয়খন চৰকাৰে ল'লে যদিও প্ৰায় পাঁচ বছৰৰ পিছত ১৯৭৭ চনৰ প্ৰথম ভাগতে খনন কাৰ্য্য আৰম্ভ কৰিছিল যদিও তাৰ এমাহ পিছতে খনন কাৰ্য্যৰ কাম বন্ধ কৰি বহু বছৰ বিৰতিৰ পিছত ১৯৮২-১৯৮৩ চনত মদন কামদেৱ পাহাৰৰ আৰু কিছু অংশ খনন কাৰ্য্য চলায়। লগে লগে মদন কামদেৱেও অব্যক্ত ইতিহাসৰ পাত লুটিয়াবলৈ আৰম্ভ কৰে। এই অঞ্চলৰ যে এক গৌৰৱময় বিশাল ইতিহাস আছিল তাৰ স্বাক্ষৰ বহন কৰে। খনন কাৰ্য্যত উদ্ধাৰ হোৱা অসংখ্য শিলামূৰ্ত্তি, কাৰুকাৰ্য্য খোদিত শিলাখণ্ডৰ বাহিৰেও পোন্ধৰটা শিৱ মন্দিৰৰ ভগ্নাৱশেষ দেখা যায়। খনন কাৰ্য্যৰ পৰা এই মন্দিৰবোৰৰ পৰা ২০০ ৰো অধিক দেৱ-দেৱীৰ মূৰ্ত্তি পোৱা গৈছে। এইবোৰৰ ভিতৰত নটৰাজ, চতুৰ্ভুজ, শিৱ, গণেশ, বিষ্ণু, ভৈৰৱ, উমা, সূৰ্য্য আৰু অসংখ্য পৰিচিত দেৱদেৱীৰ মূৰ্ত্তি আছে। তাৰোপৰি সিংহ, হস্তী, গজসিংহ, শিয়াল, কুকুৰ আদিৰ চিত্ৰ খোদিত অসংখ্য শিলাখণ্ড উদ্ধাৰ কৰা হৈছে। আন বহুতো পৰিচিত আৰু অপৰিচিত দেৱ-দেৱীৰ মূৰ্ত্তিও উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা মূৰ্ত্তিসমূহৰ ভিতৰত আচৰিত মূৰ্ত্তি হ'ল শিয়াল আৰু শগুণে মৃত নৰদেহ এটি খাই আছে আৰু কাষত দণ্ডায়মান অৱস্থাত এগৰাকী অপৰিচিত দেৱতা। মদন কামদেৱ দেৱালয়ত উদ্ধাৰ কৰা শিলাখণ্ডবোৰ আৰু মৈথুন মূৰ্ত্তিসমূহৰ প্ৰাধান্য দেখি ইয়াত এসময়ত শিৱৰ উপাসনা চলিছিল বুলিও ক'ব পাৰি। কোন শিল্পীয়ে কাৰ পৃষ্ঠপোষকতাত কোন কালত এই পাণ্ডৱ বৰ্জিত অগম্য অৰণ্য ভূমিত আধুনিক সভ্যতাই গঢ় দিব নোৱাৰা এই মন্দিৰ নিৰ্মাণ কৰিছিল তাৰ বিষয়ে কোনো তথ্য পোৱা নাযায়।

কোনো ধৰণৰ তথ্য উদ্ধাৰ নোহোৱাত পুৰাতত্ব বিভাগে মদন কামদেৱৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰাজি নিৰীক্ষণ কৰি এইবোৰ একাদশ-দ্বাদশ শতিকাৰ পালবংশীয় ৰজাসকলৰ দিনৰ সৃষ্টি বুলি অনুমান কৰিছে। বৰ্তমান পুৰাতত্ব, পৰ্যটন, বিজ্ঞান আৰু প্ৰযুক্তি প্ৰভৃতি বিভাগে বিভিন্ন আঁচনিৰে মদন কামদেৱক নতুন ৰূপ দিবলৈ চেষ্টা কৰিছে। যেতিয়ালৈকে মদন কামদেৱৰ আত্ম স্বৰূপ ইতিহাস উদ্ধাৰ নহ'ব, তেতিয়ালৈকে মদন কামদেৱ প্ৰাণহীন হৈয়ে ৰ'ব।

মদন-কামদেৱ দেৱালয়ৰ কেইটামান বিশেষত্ব হ'ল—

ক) পৰম্পৰাগত ভাৱে পূজা-অৰ্চনা কৰি অহা মন্দিৰৰ ভিতৰত থকা যুগল মূৰ্ত্তি ৰতি আৰু কামদেৱ নহয়। সেয়া শিৱ আৰু পাৰ্বতীৰ উমালিঙ্গন মূৰ্ত্তিহে।

খ) মূল মন্দিৰৰ দক্ষিণ, পশ্চিম আৰু উত্তৰ দিশত থকা মূল প্ৰৱেশদ্বাৰত তিনিখন মুখচলৈকে প্ৰকাণ্ড প্ৰকাণ্ড শিলেৰে বন্ধ কৰি থোৱা আছে। মন্দিৰৰ মুখচলৈকে শিল-মাটিৰে গৰ্ভগৃহ পোত গৈ আছে। পুব দিশৰ পৰা শিল বগাই মুখচেৰে মন্দিৰত প্ৰৱেশ কৰি পশ্চিম মুৱাকৈ পূজা অৰ্চনা কৰিব লাগে যিটো নিয়ম হিন্দু সংস্কৃতিত বিৰুদ্ধ।

গ) দেৱালয়ত নিৰামিষ ভোগৰহে প্ৰচলন আছে।

ঘ) পৰম্পৰাগত ভাৱে চ'ত মাহত 'মদন ত্ৰয়োদশী উৎসৱ' উদ্‌যাপন কৰা হয়।

কামৰূপ জিলাত অৱস্থিত মদন-কামদেৱ পৰ্বতত এনে ঠাই নাই য'ত এটি মন্দিৰৰ ধ্বংসাৱশেষ নাই। দেৱালয়খনৰ চাৰিওফালে এনে এচপৰা শিল নাই য'ত শিল্পীৰ হাতৰ পৰশ পৰা নাই। বন বিভাগে ৰোপণ কৰা চেগুন, গমাৰী ইত্যাদি বৃক্ষই দেৱালয়খনৰ নৈসৰ্গিক শোভা বৃদ্ধি কৰিছে।○

# পিঙ্গলেশ্বৰ শ্ৰীশ্ৰী অৰ্দ্ধনাৰীশ্বৰ দেৱালয়

শ্ৰীমণিকা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

প্ৰাকৃতিক সম্পদেৰে চহকী অসম ৰাজ্যৰ কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাইহাটা চাৰিআলিৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ উত্তৰ পুব দিশত পিঙ্গলেশ্বৰত অৱস্থিত পিঙ্গলেশ্বৰ শ্ৰীশ্ৰী অৰ্দ্ধনাৰীশ্বৰ দেৱালয়। বৰ্তমান যি ঠাইত অৰ্দ্ধনাৰীশ্বৰ পিঙ্গলেশ্বৰ মন্দিৰ অৱস্থিত তাত হেনো এখন সৰু শিলাময় পাহাৰ আছিল। এই পাহাৰখনৰ নাম পিঙ্গল। ৰামায়ণৰ সময়ত যেতিয়া লক্ষ্মণ শক্তি শেলত পৰিছিল; তেতিয়া বৈদ্যৰ পৰামৰ্শক্ৰমে হনুমানে বিশল্য কৰণী বিচাৰি নাপাই গোটেই গন্ধমাদন পৰ্বতখন উঠাই লৈ পিঙ্গলেশ্বৰৰ বাটেৰে হেনো আহি আছিল। এনেদৰে গন্ধমাদন সহ পৱনপুত্ৰ আকাশ মাৰ্গেৰে গতি কৰা সময়ত পিঙ্গলেশ্বৰত শোকদগ্ধ মহাদেৱ ধ্যানস্থ হৈ থকা দেখি তেওঁৰ ওপৰেৰে গতি কৰাতো হনুমানে উচিত বিবেচনা নকৰি পিঙ্গলেশ্বৰত অৱতৰণ কৰি এহাতে গন্ধমাদন লৈয়ে আনখন হাতেৰে মহাদেৱক প্ৰণাম কৰিলে।

গন্ধমাদনসহ হনুমানৰ ভৰত এই পিঙ্গল পাহাৰ মাটিৰ তললৈ বহি যোৱা বুলি লোক প্ৰবাদ শুনা যায় যদিও ৰামায়ণত ক'তো এই কথা পোৱা নাযায়। কালক্ৰমত যেতিয়া পিঙ্গল পাহাৰৰ সেই শিৱলিঙ্গ থকা ঠাই টুকুৰা ঘাঁহ বনেৰে আবৃত্ত হৈ পৰিল, তেতিয়া হঠাতে গাঁওবাসীয়ে লক্ষ্য কৰিলে যে মানুহ এঘৰৰ কপিলী গাই এজনীয়ে সদায় এটা নিৰ্দিষ্ট সময়ত সেই নিৰ্দিষ্ট ঠাই টুকুৰালৈ আহি গাখীৰ স্ৰাৱ কৰি আকৌ উভতি যায়। এনেদৰে বহু দিন লক্ষ্য কৰাৰ পিছত গাঁওবাসীয়ে কৌতূহল বশতঃ সেই নিৰ্দিষ্ট ঠাই টুকুৰাত লগ হৈ ঠাইখিনি খান্দি চোৱাৰ সিদ্ধান্ত ল'লে। দিন বাৰ সকলো ঠিক কৰা হ'ল আৰু এটা নিৰ্দিষ্ট দিনত সেই ঠাই টুকুৰাত শৰাই আগবঢ়োৱালে। শেষত গাঁৱৰ মানুহে লগ লাগি ঠাই টুকুৰা খন্দাৰ পিচত প্ৰকাণ্ড শিলৰ বাকচৰ দৰে বস্তু এটা উদ্ধাৰ হ'ল। বাকচটো ভাঙি দিয়াৰ পিচত তাৰ ভিতৰত উদ্ধাৰ হ'ল শিলৰ এটা প্ৰকাণ্ড শিৱলিঙ্গ। বৰ্তমান শিৱলিঙ্গটো আৰু এটা শিলৰে যাড়গৰু (বৰ্তমান মণিকূটৰ সন্মুখত স্থাপিত) লগতে আৱিস্কাৰ হ'ল এখন পঢ়িব নোৱাৰা আখৰৰ কিতাপ। শেষত প্ৰমাণ হ'ল কিতাপখন ইছলাম ধৰ্মৰ পবিত্ৰ ধৰ্মগ্ৰন্থ কোৰাণ এইলৈ সেই সময়ত এই অঞ্চলৰ হিন্দু আৰু মুছলমান মানুহখিনিৰ মাজত এটা উত্তপ্ত পৰিৱেশৰো সৃষ্টি হৈছিল বুলি শুনা যায়। আনকি দুয়োটা ধৰ্মৰ মানুহে একে লগে একেঠাইতে দুয়োটা ধৰ্মৰে উপাসনা কৰিবলৈ লোৱাত বিভ্ৰান্তি সৃষ্টি হোৱাত অঞ্চলটোৰ সমূহ হিন্দু মুছলমান ৰাইজ একগোট হৈ এখন বিশাল সভাৰ আয়োজন কৰি বৰ্তমানৰ অৰ্দ্ধনাৰীশ্বৰ মন্দিৰৰ উত্তৰ পূব দিশত মুছলমানসকলৰ উপাসনাৰ বাবে এটা মছজিদ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰি দিয়া হ'ল আৰু তাতে সেই পবিত্ৰ কোৰাণখন ৰখা হ'ল। বৰ্তমান সময়তো সেই পৱিত্ৰ মছজিদটো আছে যদিও তাত কিন্তু সেই কোৰাণখন নাই। সেই সময়ৰ মুছলমান লোকসকলে কোনো লোকৰ প্ৰৰোচনাত ভোল গৈ চৰকাৰী সাহায্য পোৱাৰ আশাত কোনো অজ্ঞাত ব্যক্তিক সেই পবিত্ৰ কোৰাণখন হস্তান্তৰ কৰে। 'দুৰ্ভাগ্যজনকভাৱে কোৰাণখন কাক দিয়া হৈছিল সেই কথা আজিও ওলাই নপৰিল।

পিঙ্গলেশ্বৰ দেৱালয়খন নৱম শতিকাৰ বুলি ঠাৱৰ কৰা হৈছিল। তাত হেনো এজনী কপিলী গাই গৰুৱে সেই পাহাৰখনৰ ঠাই এটুকুৰাত নিৰ্দিষ্ট সময়ত আহি গাখীৰ স্ৰাৱ কৰি আকৌ উভতি যায়। এনেদৰে বহুদিন ধৰি লক্ষ্য কৰাৰ পিচত গাঁওবাসীয়ে সেই উক্ত স্থানত খনন কাৰ্য্য চলাই শিৱ পাৰ্বতীৰ যুগল মূৰ্ত্তি এটা উদ্ধাৰ কৰে আৰু বৰ্তমান য'ত মূল মন্দিৰ আছে। সেই ঠাইত সাধাৰণ চালিয়া দি উক্ত মূৰ্ত্তিটো স্থাপন কৰা হৈছে। গহ্বৰৰ ভিতৰত এতিয়াও এটা ডাঙৰ ফেঁটি সাপ আছে। সন্ধিয়া পৰত প্ৰায়ে ওলায় কিন্তু সৰ্পটোৱে আজিলৈকে কোনো মানুহৰ অন্যায় কৰা নাই। মূল গহ্বৰৰ উত্তৰ দিশত সুভাগা (সৰু খাল) আছে। গহ্বৰৰ অতিৰিক্ত পানী ভাগ সুভাগাত পৰে আৰু সুভাগাৰ পৰা তলৰ সুৰংগৰে পুখুৰীত পৰে। বৰ্তমান সুভাগাটো প্ৰায় পোত গৈছে, তথাপি বাৰিষা কালত গহ্বৰত পানী ভৰ্তি হয়। পানী নোহোৱা সময়খিনিত পূজাৰীৰ লগতে ভক্ত সকলে নামি গৈ মূল বিগ্ৰহত পূজা অৰ্চনা কৰে।

এই পিঙ্গল পৰ্বততে এই মূৰ্ত্তিটো পোৱা যায় বুলি জনা যায়। পিঙ্গলেশ্বৰ গাঁৱত অৱস্থিত হোৱা বাবে এই দেৱালয়খনৰ নাম পিঙ্গলেশ্বৰ অৰ্দ্ধনাৰীশ্বৰ দেৱালয় ৰূপে স্বীকৃত।○

# অন্ধবিশ্বাস মানৱ প্ৰগতিৰ অন্তৰায়

শ্ৰীপম্পী গোস্বামী
স্নাতক তৃতীয় বৰ্ষ

মানৱ সভ্যতাক কলুষিত কৰা আমাৰ দেশৰ মানৱ সমাজত প্ৰচলিত কিছুমান সামাজিক ব্যাধি বৰ্তমান আমাৰ সমাজখনৰ যি শিক্ষা ব্যৱস্থা, সেই শিক্ষা ব্যৱস্থাই মানৱ সমাজৰ পৰা ধৰ্মীয় গোড়ামী জাতিভেদ প্ৰথা, অস্পৃশ্যতা, অন্ধবিশ্বাস আদি দূৰ কৰিব পৰা নাই। আমি বহুত কথাই কওঁ— দেশৰ উন্নতি হ'ব লাগে, সমাজৰ সংস্কাৰ হ'ব লাগে। যাতে আমি সকলোৱে শান্তি-সম্প্ৰীতিৰে বসবাস কৰিব পাৰো। কিন্তু আজি বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো আমাৰ দেশৰ মানৱ সমাজত অতীজৰে পৰা পৰম্পৰাগত ভাৱে কিছুমান অন্ধবিশ্বাস আচাৰ আচৰণ চলি আহিছে। তাৰে ভিতৰত কিছুমান হৈছে পৰম্পৰাগত ভাৱে চলি অহা বিশ্বাস, কিছুমান হৈছে ধৰ্মীয় বিশ্বাস আৰু কিছুমান হৈছে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত প্ৰচলিত বিশ্বাস। এইবিলাক বিশ্বাসৰ অন্তৰালত কোনো বিজ্ঞানসন্মত যুক্তি বিচাৰি পোৱা নাযায়। অতীজৰ পৰা পৰম্পৰাগত ভাৱে এইবিলাক বিশ্বাস চলি অহা বাবে মানুহে সাধাৰণতে যুক্তিৰে কোনো বিচাৰ বিশ্লেষণ নকৰাকৈ অন্ধভাৱে মানি অহা দেখা যায়। বিজ্ঞান সন্মতভাৱে যুক্তিৰে কোনো বিচাৰ বিশ্লেষণ নকৰাকৈ পৰম্পৰাগত ভাৱে মানি অহা এইবিলাক বিশ্বাসকে অন্ধবিশ্বাস বোলা হয়। দেখা যায়া এই অন্ধবিশ্বাস বা কুসংস্কাৰবোৰ মানৱ প্ৰগতিৰ অন্তৰায়। এনেকুৱা বিচাৰহীন, যুক্তিহীন অন্ধ আনুগত্য মানৱ ধৰ্মৰ বিৰোধী। ভাৰতৰ অংগৰাজ্য আমাৰ অসমতো অতীজৰে পৰা কিছুমান অন্ধবিশ্বাস, আচাৰ আচৰণ চলি আহিছে। অসমত বসবাস কৰা কিছুমান জাতি-জনগোষ্ঠীৰ মাজত আজিও কিছুমান অন্ধবিশ্বাস আৰু আচৰণ প্ৰচলিত হৈ আছে। আমি মাজে সময়ে দুৰদৰ্শন, ৰেডিঅ' আৰু বিভিন্ন সংবাদ মাধ্যমৰ জৰিয়তে শুনিবলৈ পাওঁ— মানৱ সভ্যতাৰ ইতিহাস কলংকিত কৰা যুক্তিহীন বিচাৰহীন, অমানৱীয় ডাইনী হত্যাৰ ঘটনা। বিশেষকৈ অসমত বসবাস কৰা কিছুমান জনজাতীয় লোকৰ মাজত অমানৱীয় ডাইনী হত্যা প্ৰথা আজিও প্ৰচলিত হৈ আছে। আমাৰ অসমৰ কিছুমান জনজাতীয় সমাজত যদি মানুহৰ মাজত কোনো অপায় অমংগল বা বেমাৰ আজাৰ হৈ থাকে তেতিয়া গাঁওখনৰ কাৰোবাক বেমাৰ বিয়পোৱা অমংগলীয় ব্যক্তি বুলি সন্দেহ কৰি ডাইনী সজাই সেই সমাজখনৰ মানুহে লগ হৈ নানা ধৰণৰ শাৰীৰিক আৰু মানসিকভাৱে শাস্তি প্ৰদান কৰে। শাৰীৰিক আৰু মানসিক ভাৱে শাস্তি প্ৰদানৰ উপৰিও কেতিয়াবা জীৱন্তে অগ্নিদগ্ধ কৰা হয়। এই অমানৱীয় ডাইনী হত্যা প্ৰথাৰ অন্তৰালত কোনো বিজ্ঞান সন্মত সত্যতা নাই। সম্পূৰ্ণ অন্ধবিশ্বাসৰে পৰিপূৰ্ণ এই ডাইনী হত্যা প্ৰথাৰ বাবে বহুতো লোক অকালতে মৃত্যুক সাৱতি ল'ব লগা হৈছে। গতিকে চৰকাৰে এনেকুৱা অমানবীয় ডাইনী হত্যা প্ৰথা আইনগত ব্যৱস্থাৰে কঠোৰ শাস্তি প্ৰদান কৰি সমাজৰ পৰা সম্পূৰ্ণ ভাৱে নিৰ্মূল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

আমাৰ হিন্দু সমাজত বহুতো লোকেই বিশ্বাস কৰে বিভিন্ন দেৱ-দেৱীৰ ওচৰত হাঁহ, পাৰ, ছাগলী, মহ আদি বলি দিলে নিজৰ মনৰ কামনা পূৰ্ণ হয়। সেয়েহে বহু লোকে নিজৰ মনকামনা পূৰ্ণ কৰাৰ বাবে বিভিন্ন দেৱ-দেৱীলৈ বলি বিধান আগবঢ়ায়। ইয়াৰ দ্বাৰা আচলতে কেতিয়াও সুফল বা মনকামনা পূৰ্ণ হ'ব নোৱাৰে। দেৱ-দেৱীসকলক জগতৰ সকলো জীৱৰে পিতৃ-মাতৃ বুলি জ্ঞান কৰা হয় আৰু যিহেতু কোনো পিতৃ-মাতৃয়ে সন্তানৰ তেজ-মঙহ ভক্ষণ নকৰে। পুত্ৰতুল্য জীৱক পিতৃ-মাতৃ স্বৰূপে দেৱ-দেৱীৰ আগত বলি দিয়াৰ নিচিনা নিষ্ঠুৰ কাৰ্য কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে। এইটো এটা সম্পূৰ্ণ ধৰ্মীয় অন্ধবিশ্বাস। গতিকে দেৱ-দেৱীৰ ওচৰত কোনো বলি-বিধান নকৰি সুস্বাদু ফলমূল, মিঠাই, বুট-মুগ, ধূপ-ধুনা আদিৰে নৈবেদ্য আগবঢ়াব পাৰি। এইবিলাকৰ দ্বাৰা পূজা-পাতল কৰিলেও দেৱ-দেৱী সন্তুষ্ট হ'ব। অকল পূজা-অৰ্চনাৰ দ্বাৰাই দেৱ-দেৱীৰ আশীৰ্বাদ লাভ কৰিব নোৱাৰি, তাৰ বাবে লাগে মাথো একান্ত ভক্তি।

আমাৰ অসমৰ নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত শিক্ষিত লোকৰ হাৰ তুলনামূলক ভাৱে কম। সেয়েহে অসমৰ গাঁও অঞ্চলত বসবাস কৰা নিৰক্ষৰ লোকৰ মাজত আজিও বহুতো অন্ধবিশ্বাস

প্রচলিত হৈ আছে। পৰিয়ালৰ কাৰোবাৰ বেমাৰ আজাৰ হ'লে ৰোগীক প্রথমে কোনো চিকিৎসকৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা নকৰি বৈদ্য মাতি আনি চিকিৎসাৰ ব্যৱস্থা কৰা হয়। বেজে বিভিন্ন মন্ত্র মাতি জৰা ফুকা কৰি, পানী জৰা, তেল জৰা, জাপ-জৰি, দি ৰোগীক চিকিৎসা কৰে। সাধাৰণতে অতিপাত জ্বৰ, মানসিক ৰোগ আদি কিছুমান বেমাৰত ৰোগীয়ে ভ্ৰম বকে। ৰোগীক দেও-ভূতে ধৰা বুলি বিশ্বাস কৰি বৈদ্য মাতি আনি ভূত খেদাৰ ব্যৱস্থা কৰে। এনেদৰে উপযুক্ত চিকিৎসা বা ভুল চিকিৎসাৰ বাবে বহুতো ৰোগী মৃত্যু মুখত পৰা দেখা যায়। বৰ্তমান চিকিৎসা বিজ্ঞানে যথেষ্ট উন্নতি লাভ কৰিছে। এনেকুৱা চিকিৎসা বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো বেজৰ মন্ত্ৰৰে ৰোগীক চিকিৎসা কৰাতো মানৱ সমাজৰ অধোন্নতিৰ বাহিৰে আন একো নহয়। সিবোৰ কাৰ্য মানুহৰ জটিল মনৰ বিকাৰ বুলিহে মনোবিশ্লেষক সকলে বক্তব্য দাঙি ধৰে।

আমাৰ আচাৰ আচৰণ আৰু প্ৰাকৃতিক পৰিঘটনাৰ লগতো ভালেমান অন্ধবিশ্বাস জড়িত। যাত্ৰা কালত কোনোবাই পিছফালৰ পৰা মাতিলে বা কোনোবাই হাহিলে যাত্ৰা ভঙ্গ হোৱা বুলি ভবা, কোনো বাৰে কোনো কোনো দিশে যাত্ৰাকৰা অশুভ বুলি ভবা আৰু প্ৰাকমুহূৰ্তত এজনী বিধবা নাৰীক দেখিলে যাত্ৰা ভ বুলি কৰা অন্ধবিশ্বাস আমাৰ হিন্দু ধৰ্মাৱলম্বী লোকৰ মাজত দেখা যায়। আলু বা কণীৰ আকৃতি শূন্যৰ দৰে, কাজেই আ কণী খাই গৈ পৰীক্ষাত বহিলে শূন্য পায় বুলি বহুতো ছাত্ৰ-ছা মাক-দেউতাকে বিশ্বাস কৰে। এইটো এটা দেখ দেখকৈ অন্ধবি প্ৰশ্নোত্তৰ শুদ্ধ বা অশুদ্ধ হোৱাৰ লগতহে নম্বৰ পোৱা নোপোৱা নিৰ্ভৰ কৰে আলু বা কণী খোৱাৰ লগত ইয়াৰ কোনো সম্বন্ধ

গতিকে দেখা যায় অতীজৰে পৰা এনেকুৱা ৰ অন্ধবিশ্বাস আচাৰ আচৰণ আমাৰ সমাজত আজিও প্ৰচলিত আছে। এইবিলাক অন্ধবিশ্বাস, আচাৰ আচৰণৰ অন্তৰালত কো বিজ্ঞানসন্মত যুক্তি আছেনে নাই আমি বিচাৰ বিশ্লেষণ কৰি চো উচিত। বিচাৰ বিশ্লেষণৰ অভাৱত কুসংস্কাৰ বা অন্ধবিশ্বাসৰ হয়। অন্ধবিশ্বাস যিহেতু মানৱ সমাজৰ প্ৰগতিৰ অন্তৰায়। ই পৰা সমাজ মুক্ত কৰাতো নিত্যান্ত প্ৰয়োজন। মানৱ সমাজৰ অন্ধবিশ্বাস দূৰ কৰাৰ ক্ষেত্ৰত বিশেষকৈ শিক্ষিত লোকসকলে আগভাগ ল'ব লাগিব। আশা কৰো বৰ্তমান বিজ্ঞান শিক্ষা ব্যৱস্থা নিশ্চয় এইক্ষেত্ৰত বিশেষ ভাৱে সহায় আগবঢ়াব।○

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ ভাগ্যতি দেৱী

যিয়ে আনক জানে তেওঁ বিদ্বান, যিয়ে নিজক জানে তেওঁ জ্ঞানী। — লাওচি।
প্ৰত্যেকজন শিশুৱেই একোজন বিজ্ঞানী — কালাম।
পৰম আপোন কৰিবলৈ প্ৰতিভাৰ দৰকাৰ — ৰবীন্দ্ৰনাথ ঠাকুৰ।
প্ৰেমবিহীন জীৱন শলিতা নোহোৱা চাকিৰ দৰে — মহাত্মা গান্ধী।
আমি দুখীয়া হ'ব পাৰো, কিন্তু যাতে অসৎ নহওঁ তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে — মাও জে দং।
চৰিত্ৰ হেৰালে জীৱনত সকলোখিনি হেৰায় — চক্ৰেটিছ।
প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী — ৰবীন্দ্ৰনাথ ঠাকুৰ।
তোমাৰ যদি আত্মবিশ্বাস আছে তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা, তোমাৰ জয় অনিবাৰ্য — মহাত্মা গান্ধী।
আজিৰ কাম কালিলৈ কৰিম বুলি পেলাই নথবা কাৰণ কালি তোমাৰ কি হ'ব তুমি নাজানা — হজৰত মহম্মদ।
এগৰাকী মাতৃ দহগৰাকী পিতৃৰ সমান — মহাত্মা গান্ধী।

# ঐতিহাসিক গোপেশ্বৰ দেৱালয়

শ্ৰীভাগ্যতি দেৱী
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰাকৃতিক সম্পদেৰে চহকী অসম ৰাজ্যৰ অতিকৈ পুৰণি ঐতিহ্যমণ্ডিত মঠ-মন্দিৰ, দেৱালয় সমূহৰ ভিতৰত নৈসৰ্গিকতাৰ মাজত শোভাবৰ্দ্ধন কৰি থকা শ্ৰীশ্ৰী গোপেশ্বৰ দেৱালয়ও এখন। এই মঠ মন্দিৰ সমূহে নৈসৰ্গিকতাৰ মাজত সুশোভিত হৈ এক ধৰ্মীয় তথা পবিত্ৰ অনুভূতি জাগ্ৰত কৰি ধৰ্মপ্ৰাণ ৰাইজ তথা পৰ্যটকক এক অনন্য অনুভূতি প্ৰদান কৰে।

এক নিৰিবিলি প্ৰাকৃতিক পৰিবেশৰ মাজত গোপেশ্বৰ দেৱালয়খনি অৱস্থিত। এই ধৰ্মীয় পীঠস্থান খনিৰ উৎপত্তি সম্পৰ্কে জনা যায় যে, এই দেৱালয়খন বৰ্তমান যি ঠাইত অৱস্থিত সেই ঠাই অতীতত জাৰণি তথা গছ-লতাৰে পৰিবেষ্টিত এখনি অটব্য হাবি আছিল। এই হাবিৰ আশে-পাশে গৰখীয়াসকলে গৰু চৰাই ফুৰা চৰণীয়া পথাৰো আছিল। গৰখীয়াসকলে লক্ষ্য কৰিছিল যে, এজনী কপিলী গাই সদায় একে সময়তে পালৰ মাজৰ পৰা নোহোৱা হয় আৰু এক নিৰ্দিষ্ট সময়ত জাৰণিৰ মাজৰ পৰা ওলাই আহি পালত যোগ দিয়ে। গৰখীয়া সকলে সন্দেহ দূৰ কৰিবলৈ কপিলী গাইজনীক অনুসৰণ কৰিলে। গৰখীয়াসকলে হাবি-জংঘল তথা জাৰণি কাটি সোমাই গৈ অটব্য হাবিৰ মাজত দেখে যে গাইজনীয়ে এডোখৰ ওখ ঠাইত নিজৰ ওহাৰৰ পৰা আপোনা আপুনি গাখীৰ দি আছে। গৰখীয়া সকলে সেই ঠাইখিনি খান্দি এটি শিৱৰ বিগ্ৰহ আৱিষ্কাৰ কৰে। বিগ্ৰহটো মাটিৰ তলত গোপনে আশ্ৰয় লৈ আছিল বাবে গৰখীয়াসকলে কোনো পাত্ৰৰে ঢাকি সেই বিগ্ৰহত পূজা অৰ্চনা আৰম্ভ কৰিছিল। সেয়ে গোপেশ্বৰ দেৱালয়ৰ উৎপত্তিৰ মূল কথা।

এই দেৱালয়খনিৰ উৎপত্তিৰ সময়ত 'গুপ্তেশ্বৰ' হিচাপে ৰাইজৰ মাজত জনপ্ৰিয় আছিল। অৰ্থাৎ গুপ্ত+ঈশ্বৰ=গুপ্তেশ্বৰ। বিগ্ৰহটো গোপন ভাৱে ৰখা ব্যৱস্থাৰ কাৰণে এই স্থানক গুপ্তেশ্বৰ বুলি জনবিশ্বাস আছে। আকৌ, গোপেশ্বৰ দেৱালয়ৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰোতে গোপেশ্বৰ পাহাৰতে সংলগ্ন পাৰ্বতী কোঠা, আৰু গোপালথানৰ বিষয়ে উল্লেখ নকৰিলে লিখা আধৰুৱা হৈ ৰ'ব। দেৱালয়ৰ দক্ষিণ পূব দিশত পাহাৰৰ ওপৰত অৱস্থিত পাৰ্বতী কোঠা নামৰ গুহাটো গোপেশ্বৰ দেৱালয়ৰে পাহাৰৰ মাজেৰে এটি সুৰংগ পথেৰে সংলগ্ন আছিল। জনশ্ৰুতি অনুসৰি লোকবিশ্বাস আছে যে, কাৰোবাৰ যদি কোনো সতি-সন্ততি নহয়; তেতিয়াহ'লে সেই পাৰ্বতী কোঠালৈ গৈ নাম প্ৰসংগ আৰু নৈবেদ্য আগবঢ়ালে মনোকামনা পূৰ্ণ হয়। পাৰ্বতী কোঠাটোৰ উৎপত্তি সম্পৰ্কে জনা যায় যে, শিৱ পাৰ্বতীৰ মাজত হেনো বাদানুবাদ আছিল। হৰে ভাং খাই পাৰ্বতীক আমনি কৰাত হেনো সেই কোঠালৈ আঁতৰি আহি জিৰণি লৈছিল। সেয়ে সেই স্থানৰ নাম পাৰ্বতী কোঠা।

বুৰঞ্জীবিদ প্ৰয়াত কনকলাল বৰুৱাই দেৱালয়খনক লৈ এনেদৰে বৰ্ণনা কৰিছে যে, ১২০৬ খ্ৰীষ্টাব্দত বখতিয়াৰ খিলাজীয়ে তিব্বত দখল কৰিবলৈ আহি অসমত ভূটীয়া সৈন্য, জনজাতীয় কাড়ী সৈন্য তথা পৃথুৰাজ ৰজাৰ সৈন্যৰ লগত তিষ্ঠিব নোৱাৰি পিছ হুহকি পলাবলৈ চেষ্টা কৰিছিল আৰু এই গোপেশ্বৰ মন্দিৰত আত্মগোপন কৰিছিল।

সাহিত্যিক ড° মহেশ্বৰ নেওগদেৱে, তেওঁৰ 'পবিত্ৰ অসমত' উল্লেখ কৰিছে যে, গেজেটিয়াৰ মতে শিৱসিংহ ৰজাৰ দিনত ১৭২৫ চনত গোপেশ্বৰ দেৱালয় স্থাপিত হৈছিল। আনুমানিক ১০০০ খ্ৰীষ্টাব্দ মানতে জাৰণি কাটি জাৰকতাৰ পৰিয়ালৰ গৰখীয়া সকলে এই গুপ্তেশ্বৰত শিৱলিংগ আৱিষ্কাৰ কৰিছিল। অৱশ্যে ১৭২৫ চনৰ পিছত দেৱালয়ৰ উন্নয়নৰ দিশত আহোম ৰজা শিৱসিংহৰ বৰঙণি থকা বুলি অনুমান কৰিব পাৰি।

গোপেশ্বৰ দেৱালয়খনি খাইহাটা চাৰিআলিৰ পৰা দক্ষিণ দিশত প্ৰায় আঢ়ৈ কিলোমিটাৰ নিলগত অৱস্থিত। এই দেৱালয়খনি জাকত জিলিকা, মনোমোহা; প্ৰাকৃতিক দৃশ্যৰে সমৃদ্ধিশালী। ইয়াৰে পূব দিশত ঐতিহাসিক বুৰঞ্জীপ্ৰসিদ্ধ মন্দিৰ মদন কামদেৱ অৱস্থিত, দক্ষিণ দিশত আছে দেৱী পাৰ্বতীৰ শিলাবৃত্ত গুহাপীঠ। আকৌ পশ্চিম দিশত অতি ব্যস্ততাপূৰ্ণ আৰু যাতায়ত ব্যৱস্থাৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱস্থিত। মন্দিৰৰ সন্মুখ ভাগত অৰ্থাৎ পশ্চিমাংশত এটি গণেশ মন্দিৰ নিৰ্মাণ কৰা হৈছে আৰু মন্দিৰৰ চৌহদৰ

উত্তৰাংশত এটি দুৰ্গা মন্দিৰ অৱস্থিত।

দেৱালয়খনৰ মাটি সম্পত্তি বুলিলে দেৱালয়ৰ প্ৰাঙ্গণত ডাঙৰ পুখুৰীটো সামৰি মুঠ দুই বিঘা, দুই কঠা সাত লেচা মাটি আছে। অসম গ্ৰন্থত উল্লেখ থকা মতে, ৰজা শিৱসিংহই ১৭৩৯ চনত লাখেৰাজ ৭০ বিঘা আৰু নিস্পিখেৰাজ ৫৩২ বিঘা দেবোত্তৰ নিবন্ধ কৰি কিছু মাটি দেৱালয়ক দান কৰিছিল। তেওঁৰ তাম্ৰপত্ৰিকাত ১ বিঘা বুলি উল্লেখ আছে যদিও আন তাম্ৰফলি অনুসৰি ভোগ জমি ১৪ বিঘা প্ৰদান কৰিছিল। গোপেশ্বৰৰ দলৈৰ হিচাবত মূল জমি ১৮ পুৰা আছিল। য'ত দুই পুৰা দেৱালয়ৰ সন্মুখৰ ৰেল আলিত গৈছে। আন এক তথ্য মতে, শিৱ সিংহই দান কৰা ১৪ বিঘা জমি কামৰূপ জিলাৰ পানীটেমাত থকা বাবে সেই ভূমি মন্দিৰৰ উত্তৰ ফালৰ ১৪ বিঘা ভূমিৰ লগত সাল সলনি কৰা হৈছিল।

দেৱালয়খনৰ তাৎপৰ্যপূৰ্ণ কথা যে, দেৱালয়খনৰ ভোগৰ বাবে স্বৰ্গদেউ শিৱসিংহ ৰজাই দেৱালয়ৰ দক্ষিণ ফালে নাতিদূৰত থকা পাঁচ বিঘা মাটিত সঞ্জুল নামেৰে পুখুৰী খন্দাই মাছ পোহাৰ ব্যৱস্থা কৰি দিছিল তথা সন্মুখত এটি পুখুৰী নিত্য ব্যৱহাৰ্য্য পূজাৰ পানীৰ বাবে খন্দাইছিল।

দেৱালয়খনৰ সমস্যা কিছুমানো আমি দেখিবলৈ পাওঁ। চৰকাৰে দেৱালয়ৰ ভূমি জধে-মধে ব্যক্তিগত কিছুলোকৰ নামত পট্টন দি দেৱালয়ৰ উন্নয়ন এক স্তৰতে সীমাবদ্ধ ৰাখিবলৈ বাধ্য কৰিলে। দ্বিতীয়তে, অতীতৰ পৰা বা নিজৰ অধীনলৈ নিয়াৰ সময়ৰ পৰাও চৰকাৰে দেৱালয়খনৰ ঐতিহাসিক সা-সম্পত্তি সুৰক্ষিত কৰাৰ দিশটোত ব্যৱস্থা নল'লে। তৃতীয়তে, দেৱালয়ৰ ঐতিহ্য ৰক্ষাৰ অৰ্থে ইয়াৰ সা-সম্পত্তি সুৰক্ষিত কৰিবলৈ এটি সংগ্ৰহালয়ৰ ব্যৱস্থা কৰাটো প্ৰয়োজন স্বত্বেও আজি পৰ্যন্ত চৰকাৰে তাৰ কাৰ্য ব্যৱস্থা গ্ৰহণ নকৰিলে; যাৰ ফলত বিভিন্ন তাম্ৰফলি তথা বিভিন্ন মূল্যৱান সা-সম্পত্তি লুপ্ত হ'বলৈ ধৰাত এই দেৱালয়ৰ ইতিহাস বা ঐতিহ্য গৱেষণাৰ ক্ষেত্ৰটো প্ৰতিবন্ধকতাৰ সৃষ্টি হ'বলৈ লৈছে। চতুৰ্থতে এই দেৱালয়ৰ মূল সমস্যা হ'ল গোপেশ্বৰ পাহাৰত চলা অবৈধ ধ্বংস কাৰ্য। বন বিভাগৰ সন্মুখতে গোপেশ্বৰ পাহাৰত বন ধ্বংস, পাহাৰীয়া ৰঙা মাটিত খনন কাৰ্য তথা বিস্ফোৰণ ঘটাই শিল ভঙা কাৰ্য। মন্দিৰৰ গাতে লাগি থকা অবৈধ শিলৰ কুঁৱেৰী সমূহ সম্প্ৰতি বন্ধ হৈছে যদিও গোপেশ্বৰ পাহাৰৰ উত্তৰ দিশত অসংখ্য শিলৰ অবৈধ কুঁৱেৰী তথা দক্ষিণ পূব দিশত ফৰলেন ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী কোম্পানী সমূহে আবণ্টন দিয়া কুঁৱেৰী সমূহত শক্তিশালী বিস্ফোৰণ ঘটাই থকা কাৰ্যই দেৱালয়খনিলৈ অশনি সংকেত কঢ়িয়াই আনিছে। বিশেষকৈ পথ নিৰ্মাণকাৰী কোম্পানী সমূহে পাহাৰখনৰ এটি অংশক ধ্বংসস্তুপলৈ পৰ্যবসিত কৰি আছে। ইয়ৰ ফলত পাহাৰ খনিৰ ভেঁটিৰ গাঁঠনিহীন দেৰি হ'লে গোপেশ্বৰ দেৱালয় গাঁঠনিৰ পৰা বিচ্ছিন্ন শিলে হেঁচি ধৰি এদিন যে ধ্বংস নমাই নানিব তাক নুই কৰিব নোৱাৰি।○

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ অংকুৰ ৰাজবংশী

সৌন্দৰ্য্য এক শক্তি, হাঁহি হ'ল তাৰে তৰোৱাল — চাৰ্লছ ৰিড।
ধন উপাৰ্জনতকৈ জ্ঞান উপাৰ্জনেই শ্ৰেষ্ঠ — বুদ্ধদেৱ।
বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি — মাদাৰ টেৰেছা।
যিজনে নিজকে জ্ঞানী বুলি ভাৱে তেওঁতকৈ মুৰ্খ দ্বিতীয়জন আৰু নাই — ভল্টেয়াৰ।
অহিংসা পৰম ধৰ্ম — মহাত্মা গান্ধী।

# বহাগ আমাৰ সৃষ্টিৰ প্ৰাণময় অমল বাসনা

বৰ্ণালী দাস
স্নাতক তৃতীয় বৰ্ষ

লুইতৰ বালিতে কহুঁৱা ফুলিছে
ফুলিছে শিমলু ফুল
বহাগী আয়ে সকলোকে আদৰে
নাই কোনো জাতি কুল।

বিহু হৈছে বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষিজীৱি লোকৰ অতি আদৰৰ অতি হেঁপাহৰ প্ৰাণৰ উৎসৱ। ই বৰ্ণময় সৃষ্টিৰ প্ৰতীক। বহাগৰ আগমনত অসমীয়া জাতি জনজাতিৰ বুকুলৈ নতুনত্ব আহে। স্পন্দনহীন মৰহা মনো জীৱন্ত সেউজীয়া হৈ উঠে। বুকুভৰা আশাৰে ন-কুঁহিপাত ওলায়। বহাগে জাতি বৰ্ণ ধৰ্মৰ সীমিত সীমনা অতিক্ৰমী মৰম ভালপোৱা, মিলন বুজাপৰাৰ এনাজৰীৰে বান্ধি সকলোকে নচুৱাব পাৰে। এই বহাগ বিহুতেই আছে মাদকতা, আনন্দ আৰু ঐতিহ্য। এই বিহুৰ বুকুত সোমাই থাকে আৰু অসমৰ জনগোষ্ঠীৰ বাবেৰহনীয়া সংস্কৃতিৰ উপাদান।

বিহু বুলিলে কোনো জাতি জনগোষ্ঠীৰ মানুহে ৰৈ থাকিব নোৱাৰে। সকলোৰে গা মন নাচি উঠে। জীয়াৰী বোৱাৰীসকলে ব্যস্ত হৈ পৰে তাঁতত আৰু আখলত। ডেকাহঁতৰ ঢোলে গমগমায়, পেঁপাই 'টিহিটি টিহিটি' মাতে। পথৰুৱা গাভৰুহঁতৰ মন উৰে কমোৱা তুলা হৈ। হিয়াখন যেন দুফাল কৰি কাৰোবাক দেখুৱাব ভিতৰত কিমান চেনেহ থুপ খাই আছে। গামোচাৰ আচুফুলৰ পাহে পাহে যেন গাঁঠি দি পঠাব বুকুৰ বাতৰিবোৰ।

বসন্ত কালত অনুষ্ঠিত কৰা বহাগ বিহু খেতিৰ আৰম্ভণি উৎসৱ। এই উৎসৱৰ মূল উৎস হৈছে আনন্দ। এই আনন্দই প্ৰকৃতিৰো প্ৰাণ চঞ্চল কৰে। মানুহে আৰু অন্যান্য জীৱ জন্তুও কুলি, কেতেকী, মইনা, দহিকতৰা গছৰ ডালে ডালে মধুৰ কাকলি আৰু নৃত্যৰ মূৰ্চ্ছনাত মতলীয়া হৈ পৰে। ৰং আৰু আনন্দৰ বিহু কাৰণে ইয়াক ৰঙালী বিহু বোলে। প্ৰকৃতিৰ আহ্বানত মানুহে জীৱনক উপভোগ কৰিবলৈ আগবাঢ়ি যায়। ডেকা গাভৰুৱে ৰাতি বিহু পাতে। গোটেই চ'ত মাহ পূৰ্ণিমাৰ সময়ত জোন আৰু জোনাকৰ সাক্ষী হৈ হাঁহে, নাচে গীত গায় বাদ্য বজায়। কাৰোবাৰ জীৱনৰ স্বপ্ন দেখে তেনেহ'লে বহাগৰ ন পানীৰে গা ধুই সংসাৰত পাতনি মেলে।

চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। গৰু বিহুৰ দিনাৰ পৰা সাত দিন জুৰি সাত বিহু। এই সাত বিহু হ'ল— গৰু বিহু, মানুহ বিহু, ফাট বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু আৰু ছেৰা বিহু। গৰু বিহুৰ দিনা ৰাতি পুৱাতে গৰুক নৈ পুখুৰী আদিলৈ গৈ তেল, মাহ, হালধীৰে গা ধুৱাই ঘৰলৈ আনি নতুন পঘা পিন্ধাই। লাও বেঙেনা আদি খুৱাই দীঘলতি, মাখিয়তী আদিৰ পাতেৰে পিঠিত কোবাই গাই—

'লাউ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা
মায়েৰ সৰু বাপেৰে সৰু তই হবি বৰ গৰু।'

দ্বিতীয় দিনা হৈছে মানুহ বিহু। সেইদিনা পৰিয়ালৰ আয়তীয়ে মাহ হালধী আদিৰে গা ধুই ডাঙৰক সকৰে, জীয়ৰী-বোৱাৰীয়ে সম্মানীয় ব্যক্তিক আৰু মৰমৰ ব্যক্তিক গামোছা আৰু অন্যান্য কাপোৰ-কানি উপহাৰ দি সেৱা কৰে। আশীৰ্বাদ লয় যাতে আগন্তুক বছৰটো কুশলে পাৰ হয়। লুইতপৰীয়া সংস্কৃতিৰ প্ৰতীক স্বৰূপ এই বহাগ বিহুটি প্ৰত্যেক অসমীয়াৰ ব্যাপটি সাহোন। এই বসন্তোৎসৱৰ কাৰণে প্ৰতিজন অসমীয়াই হিয়া উপচাই ৰং ধেমালি কৰে—

'অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।'

আগৰ দিনত এই বসন্তোৎসৱৰ সময়ত ডেকা গাভৰুৱে পথাৰত মিলি বিহুগীতৰ ছেৱে ছেৱে নৃত্য কৰিছিল। অৱশ্যে সম্প্ৰতি এই বিহু নৃত্য পথাৰৰ পৰা এতিয়া মঞ্চলৈ আহিল। মঞ্চত ইয়াৰ স্বাভাৱিকতা কিছু পৰিমাণে হ্ৰাস পালেও বিহুৰ জনপ্ৰিয়তা বৃদ্ধিত মঞ্চৰ ভূমিকা কিন্তু উলাই কৰিব পৰা বিধৰ নহয়।

বিহুৰ বতৰত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ ডেকা গাভৰুৰ মন উখল-মাখল কৰে আৰু গছকত যঁতৰ ভাঙি যোৱাৰ উপক্ৰম হয়। বিহুৰ সৈতে কৃষিৰ খেতিপথাৰ, গৰুৰ, কৃষক আৰু বোৱনী-দাৱনীৰ যি সম্পৰ্ক সেয়া বিহুগীত আৰু নৃত্যৰ যোগেদি মুখৰিত হৈ কৃষিমুখী ভাৰতীয় সংস্কৃতিৰ প্ৰাণত সঞ্জীৱনী সুধাৰ সৃষ্টি কৰিছে। প্ৰকৃতি আৰু ঋতুৰ পৰিবৰ্তনে কৃষিজীৱি জনগণৰ মনলৈ কঢ়িয়াই অনা এনে বিচিত্ৰ ভাব, কল্পনা আৰু প্ৰতীক উপমাৰ সমাহাৰে বিহুক কৰি তুলিছে চিৰন্তন আৰু সাৰ্বজনীন।

বিহুৰ ঢোল পেঁপাৰ শব্দই প্ৰকৃতি জগত উন্মনা কৰি তোলে। বিহুৰ আনন্দ মন প্ৰাণ জুৰি বৈ যায়। যুগ্ম জীৱনৰ প্ৰতিচ্ছবিয়েই লুকা-ভাকু খেলে। বতাহৰ বোকোচাত উঠি আহে চেনাইৰ সুকীয়া বিহুৰ গীত-মাত সুৰৰ ঝংকাৰ। বিহুৰ অমিয়া সুৰ শুনি কোনো মানুহে ৰ'ব নোৱাৰে। বাদ্যযন্ত্ৰৰ সপ্ত সুৰে হিয়া-মন উথলাই উঠাই। ভাব ভাঁহি আহে এনেদৰে—

'কিনো তোৰে অমাতৰ মাত  
সেইনো মাতে শুনি ৰ'বকে নোৱাৰো  
এৰি যাওঁ পেটৰে ভাত।'

অসমৰ বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ দেশ। সেয়েহে সংস্কৃতিও বৈচিত্ৰ্যৰে ভৰা। দৈনন্দিন জীৱনৰ খাদ্যাভ্যাস, সাজ পাৰৰ পৰা উৎসৱ-পাৰ্বণলৈকে অসমৰ সংস্কৃতিৰ পথাৰখন কিন্তু বিতোপণ আৰু ৰঙীন সমুজ্বলৰ পয়োভৰ। এই পয়োভৰ মূলতে কৃষিক কেন্দ্ৰ কৰি। প্ৰতিটো জাতি জনগোষ্ঠীৰ মাজত বৰ্ণিল কৰা উদ্ভাসিত হৈ থকা, প্ৰাচুৰ্য্যৰে ভৰা বৰণীয়া লোক-সংস্কৃতিৰ ভিতৰত বিহুৱে সকলোকে একতাৰ ডোলেকে বান্ধি ৰাখিছে।○

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ স্বৰ্ণ মণ্ডল

সকলোতকৈ প্ৰধান ধৰ্ম কি? — দয়া ধৰ্ম।  
কি ত্যাগ কৰিলে লোকৰ প্ৰিয় হোৱা যায়? — গৰ্ব।  
স্বৰ্গৰ একমাত্ৰ উপায় কি? — সত্য।  
পৃথিৱীতকৈয়ো ডাঙৰ কোন? — জননী।  
সুখৰ একমাত্ৰ উপায় কি? — সৎচৰিত্ৰ।  
কোন একাকী বিচৰণ কৰে? — সূৰ্য।  
মুৰ্খ মানুহেও বুদ্ধিমান হয় কেনেদৰে? — সকলো সময়ত বৃদ্ধ লোকৰ উপদেশ মতে চলিলে।  
কোন গুণৰ বাবে লোকৰ স্বৰূপ প্ৰকাশ নহয়? — তমোগুণৰ বাবে।  
ধন্য লোকৰ শ্ৰেষ্ঠ গুণ কি? — কৰ্মদাতা।  
বায়ুতকৈয়ো দ্ৰুতগামী কোন? — মন।

# বন্ধুত্ব এক আত্মিক সম্পৰ্ক

শ্ৰীনিকুমণি ঠাকুৰীয়া
স্নাতক তৃতীয় বৰ্ষ

'বন্ধুত্ব, যাৰ এক গভীৰ বিশাল অৰ্থ আছে...। বন্ধু শব্দটোৰ মাদকতা অসীম। সেয়েহে বন্ধুহীন, জীৱন প্ৰাচুৰ্য্যহীন।' বুলি কোৱা যায়। সঁচাই এই পৃথিৱীৰ সম্পৰ্কবোৰৰ ভিতৰত সকলোতকৈ উচ্চ স্থান লাভ কৰিছে এই বন্ধুত্ব নামৰ শব্দটোৱে। বন্ধুত্বৰ এই যাত্ৰা আৰম্ভ হয় শৈশৱকালৰ পৰাই। সেয়েহে সৰুৰ পৰাই পিতৃ-মাতৃয়ে আমাক কৈছিল, 'ভাল ল'ৰা-ছোৱালীৰ লগত বন্ধুত্ব কৰিবি আৰু নিজৰ জীৱনটো বন্ধুত্বৰে সমৃদ্ধ কৰিবি।' এইদৰে বহুতো বন্ধুৱে সমৃদ্ধ জীৱন অতি ৰসাল আৰু মনোৰম। এনেবোৰ কাৰণতে সকলোৱে আজীৱন বন্ধুত্বৰ গভীৰ এনাজৰীৰে বান্ধ খাই থাকে। এই বন্ধুত্বৰ নাই কোনো ৰং-ৰূপ, জাত, ধৰ্ম, ভাষা, উচ্চ-নীচ, ধনী-দুখীয়া, সৰু-বৰ, যিকোনো বয়সৰ একে মতাদৰ্শৰে চলা দুজন লোকৰ মাজতো হঠাৎ বন্ধুত্বই গঢ় লয়। বন্ধুত্বৰ মাজতে আছে অপত্য মৰম-স্নেহ, বিশ্বাস, প্ৰেৰণা, হাঁহি-ধেমালি ইত্যাদি। এজন ভাল বন্ধুৰ প্ৰেৰণা, সদ উপদেশ, বিশ্বাস, সহায়-সহযোগিতা আৰু দিগদৰ্শনৰ আন্তৰিকতাৰ বিকল্প আমি কেতিয়াও বিচাৰি নাপাওঁ। যি আমাৰ চিৰজীৱনত উপকাৰ সাধন কৰে, যি বিপদে আপদে সুখ-দুখত এষাৰি মাত লগাব এয়াই বন্ধুত্ব...। বন্ধুত্বৰ এনেবোৰ মহত্বৰ বাবে ই আমাৰ পিতৃ-মাতৃ, ভাই-ভনী, আত্মীয়-স্বজনতকৈও বন্ধুজন আটাইতকৈ বিশ্বাসৰ আৰু নিৰাপদ বুলি ভাবিয়েই মনৰ সকলো গোপন কথা, যিকোনো সমস্যা যিবোৰ আমি আনক নক'লেও প্ৰকাশ কৰো বন্ধুমহলৰ আগত নিৰ্বিঘ্নে। অৱশ্যে এই বন্ধুত্ব যে অকল কোনোবা ভাল লগা, মনে মিলা কোনোবা এজন ব্যক্তিৰ লগতহে গঢ়, লয় তেনে নহয়— এই বন্ধু ভিন্ন ৰুচিৰ ভিন্ন বস্তু, যেনে— জড় পদাৰ্থ, জীৱ-জন্তু, প্ৰকৃতি, আনকি ভাল লগা এখন গ্ৰন্থও কাৰোবাৰ বাবে বন্ধু হ'ব পাৰে। এনে ধৰণৰ বন্ধুও কাৰোবাৰ জীৱনৰ বাবে সৰ্ব্বোচ্চ প্ৰাপ্তি। আমি বহুতেই শৈশৱৰ বহু স্মৃতি সোঁৱৰণ কৰি নষ্টাল'জিয়া কেন্দ্ৰিক হৈ পৰো। ইয়াৰো সৰহভাগেই হ'ল বন্ধুত্বকেন্দ্ৰিক। জীৱনত ঘটা সকলো ঘটনাৰ ভাব বিনিময় কৰা সেইজন বন্ধু বা বান্ধৱীক আমি জানো সহজতে পাহৰি যাব পাৰিম? আজিৰ এই নানা সমস্যাৰে ভাৰাক্ৰান্ত পৃথিৱীত আজিও অতি আলফুলে মূৰ দাঙি সগৌৰৱে থিয় দি আছে বন্ধুত্ব নামৰ মহান সম্পৰ্কটোৱে। একবিংশ শতিকাৰ বিশ্বায়নৰ প্ৰভাৱত ইন্টাৰনেট, ম'বাইলৰ যুগত ক'তো কাহানিও দেখি নোপোৱা দেশ-বিদেশৰ বিভিন্নজনৰ লগতো নিৰ্বিঘ্নে গঢ় লৈছে বন্ধুত্বই...।

বন্ধুত্ব যে এক বয়সৰ, একে লিংগৰ বা একেটা অঞ্চলৰেই হ'ব লাগিব তেনে নহয়। শিশু অৱস্থাত মাতৃ বা পিতৃয়েই বন্ধু নহয়জানো? সাম্প্ৰতিক সময়ত বন্ধুত্বৰ সীমা সাতসাগৰ তেৰ নদীলৈ বিয়পি পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিয়ে গোটেই পৃথিৱীখনকেই নিজৰ হাতৰ মুঠিলৈ আনিবলৈ সুবিধা কৰি দিছে। নেটৱৰ্কিং ব্যৱস্থাই বন্ধুত্বৰ সাঁকো সুদৃঢ় কৰিছে। ফেচবুক, ই-মেইল আদি সেৱাই ইজনে সিজনৰ কাষ চাপি যোৱাত সহায় কৰিছে।○

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

আছমিনা বে
স্নাতক তৃতীয় ব

গণতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষ আৰু নাৰী উভয়েই শিক্ষিত হোৱাটো বাঞ্চনীয়। কিন্তু নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা জনসাধাৰণৰ মনত স্বীকৃত হ'লেও ভাৰতবৰ্ষত বিশেষকৈ গাঁও অঞ্চলত নাৰীৰ স্বাক্ষৰতাৰ হাৰ পুৰুষতকৈ বহুত কম। সেয়ে ক'ব পাৰি নাৰী শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় সমাজত এতিয়াও এক প্ৰকাৰৰ অৱহেলাৰ ভাব বিৰাজমান। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত যুগে যুগে বিভিন্ন দেশ, বিভিন্ন জাতিৰ মাজত নাৰী অৱহেলিত হৈ আহিছে। সঁচা অৰ্থত নাৰীয়ে সম অধিকাৰ ভোগ কৰা যেন নালাগে।

আমি যদি আদিম যুগৰ পাতনি মেলিবলৈ যাওঁ অৰ্থাৎ বৈদিক যুগৰ শেষৰফালে নাৰীক অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত ভাগ ল'বলৈ দিয়া নাছিল। বৈদিক যুগৰফালে যেতিয়া ধৰ্মৰ চাবি-কাঠি ব্ৰাহ্মণবাদীসকলৰ হাতলৈ যায়, তেতিয়া নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাপে গণ্য কৰিছিল।

এখন দেশ বা সমাজৰ উন্নতি অথবা অৱনতি বহুল ভাৱে নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ প্ৰগতিৰ ওপৰত। গতিকে আমি ক'ব পাৰো যে নাৰী শিক্ষাৰ অবিহনে একোখন দেশ বা সমাজৰ প্ৰগতি অসম্ভৱ। নাৰীক শিক্ষিত কৰি তুলিব পাৰিলেহে সমাজত প্ৰচলিত বাল্য বিবাহ, ধৰ্ষণ আদিকে ধৰি বিভিন্ন ধৰণৰ কু-সংস্কাৰসমূহ লোপ পাব। উপযুক্ত বয়সত বিয়া দিয়া শিক্ষিতা ছোৱালীয়ে সহজে পৰিয়াল পৰিকল্পনাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰে আৰু তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও সক্ষম। শিশুক স্বাস্থ্য সম্পৰ্কে শিক্ষা দিয়াৰ ক্ষেত্ৰতো এগৰাকী শিক্ষিতা মাতৃহে নিৰ্ভৰযোগ্য শিক্ষক। সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে ঘৰুৱা পৰিবেশত আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছে আধুনিক শিক্ষাবিদসকলে। পৰীক্ষাত সুফল পাবলৈ হ'লে ঘৰত শৈক্ষিক পৰিৱেশ থকাটো আৱশ্যক। সময়মতে আৰু নিয়াৰিকৈ শিশুক স্কুললৈ পঠোৱা, উপযুক্ত আৰু পুষ্টিকৰ আহাৰৰ যোগান ধৰা, ঘৰত অনুশীলনৰ বাবে প্ৰয়োজনীয় সা-সুবিধা দিয়া এ সকলোবোৰ কাম এগৰাকী শিক্ষিতা মাতৃৰ দ্বাৰাহে নিয়াৰিকৈ কৰাটো সম্ভৱ হৈ উঠে।

আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। বৰ্তমান সংকটময় জীৱন যাত্ৰাত নাৰী শিক্ষা আৰু ইয়াৰ সৎ ব্যৱহাৰৰ ওপৰতেই পৰিয়ালৰ সুখ-শান্তি আৰু ৰাষ্ট্ৰৰ প্ৰগতি নিৰ্ভৰ কৰে। পণ্ডিত জৱাহৰলাল নেহেৰুৱে এইক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কৈছিল— 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।'

বিংশ শতাব্দীৰ আৰম্ভণিৰ লগে লগে নাৰী শিক্ষাৰ ক্ষেত্ৰত দেশত নৱ জাগৰণ পৰিলক্ষিত হৈছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত ১৯৫০ চনৰ ২৬ জানুৱাৰীত গৃহীত হোৱা ভাৰতীয় সংবিধানে নাৰীক সম অধিকাৰ প্ৰদান কৰিছিল। ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাতো নাৰী পুৰুষৰ সম মৰ্যদাৰ কথা কোৱা হৈছে। সংবিধানৰ ১৪-১৬ নম্বৰ অনুচ্ছেদত নাৰী পুৰুষৰ সম অধিকাৰৰ দিহা দিয়া হৈছে। তদুপৰি ১৯৫২-৫৩ চনত মুডালিয়াৰ আয়োগ আৰু ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগৰ বিভিন্ন পৰামৰ্শাৱলীৰ ভিত্তিত মহিলাৰ কাৰণে নানা সুবিধা আৰু নতুন পৰিকল্পনা কৰা হৈছে। তথাপিও বিভিন্ন ক্ষেত্ৰত হোৱাৰ দৰে নাৰী শিক্ষাৰ ক্ষেত্ৰতো বিশেষ উন্নতি হোৱা বুলি ক'ব নোৱাৰি। নাৰী-পুৰুষৰ শিক্ষিতৰ হাৰত থকা বিৰাট ব্যৱধানৰ এতিয়াও অন্ত পৰা নাই।

এই ব্যৱধানৰ অন্যতম প্ৰধান কাৰণ হ'ল সামাজিক, ৰাজনৈতিক আৰু পুৰুষ প্ৰধান সমাজৰ মনোভাব। পুৰুষ আৰু নাৰীৰ মাজত থকা এই ব্যৱধান আঁতৰোৱাৰ একমাত্ৰ আৰু উৎকৃষ্ট উপায় হ'ল সমাজৰ সকলো নাৰীকে প্ৰকৃতাৰ্থত শিক্ষিত কৰি তোলা।

নাৰী শিক্ষাৰ অনগ্ৰসৰতাৰ আন বহুতো কাৰণ আছে।

যিবোৰ বৰ্তমান সমাজখনত প্ৰচলিত হৈ আছে। ইয়াৰ ঘাই কাৰণ সমূহ হ'ল— পৰিয়ালৰ কন্যা সন্তানৰ ওপৰত ঘৰুৱা কাম-বনৰ ক্ৰমবৰ্ধমান বোজা, সা-সুবিধা বিতৰণৰ ক্ষেত্ৰত কন্যা আৰু পুত্ৰ সন্তানৰ ক্ষেত্ৰত অসমতা, কম বয়সতে কন্যা সন্তানক বিয়া দিয়াৰ নিয়ম, নানা ধৰণৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি, সংকীৰ্ণতা, যৌতুক প্ৰথা, মহিলা শিক্ষাৰ ক্ষেত্ৰত উদাসীনতা। আজিৰ সমাজতো ডাইনী (হিংসুক যাৰ অনিষ্ট কৰাই ধৰ্ম) অপশক্তিৰ কালিমা সানি নাৰীক হত্যা, নিৰ্যাতন আদি চলাই থকা হৈছে। এই সকলোবোৰৰ মূলতে হ'ল নাৰীৰ নিৰক্ষৰতা।

গতিকে নিজৰ সামাজিক অধিকাৰ পাবলৈ আৰু সুস্থ, ন্যায়সংগত, ৰাজনৈতিক পৰিবেশ গঢ়ি তুলিবলৈ মহিলাসকল শিক্ষিত হোৱাটো বাঞ্চনীয়। দুৰ্নীতিগ্ৰস্থ অন্যায়পৰায়ণ, শোষণমুখী, ৰাজনৈতিক বাতাবৰণৰ বিৰুদ্ধে থিয় দিবলৈ ৰাজনীতিত দক্ষ তথা সুশিক্ষিতা মহিলাৰ নিত্যান্ত প্ৰয়োজন। সেয়েহে নাৰী শিক্ষাৰ সম্ভাব্য প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমি সকলোৱে নাৰী শিক্ষাৰ প্ৰচাৰ তথা প্ৰসাৰৰ বাবে এক আন্দোলনমুখী কাৰ্যসূচী গ্ৰহণ কৰা উচিত।

মেক্সিম' গৰ্কীয়ে লিখিছিল— 'যদি নাৰীক বিকাশৰ পথত বিপথে পৰিচালিত কৰা নহ'লহেঁতেন, নাৰীৰ কৰ্তব্য যদি কেৱল ৰক্ষিতা, মাতৃ ঘৰ ৰখোতা হিচাপে সীমিত কৰা নহ'লহেঁতেন, যদি নাৰীক বিশাল জনসাধাৰণৰ সাংস্কৃতিক আৰু ৰাজনৈতিক কামৰ পৰা আঁতৰাই সংকীৰ্ণ পৰিসৰত ৰখা নহ'লহেঁতেন, সংস্কৃতি দুগুণে অগ্ৰসৰ হ'লহেঁতেন।' ভাৰতৰ দৰে গণতান্ত্ৰিক দেশ এখনৰ উত্তৰ পুৰুষচামক ভৱিষ্যতৰ বাবে সুস্থ-সবল সু-নাগৰিক কৰি গঢ়ি দেশ আৰু জাতিৰ সমৃদ্ধি আৰু বিকাশত আগবঢ়াই নিবলৈ হ'লে নাৰীয়ে উপযুক্ত শিক্ষা পাবই লাগিব।○

# কৌতুক

সংগ্ৰাহক ঃ স্বৰ্ণ মণ্ডল

শিক্ষক ঃ ঘটিৰাম তোৰ যদি এখন কাণ কাটি পেলোৱা হয়, তেন্তে তোৰ কি দশা হ'ব?
ঘটিৰাম ঃ কাণেৰে কমকৈ শুনিম ছাৰ।
শিক্ষক ঃ যদি দুয়োখন কাটি দিয়া হয়?
ঘটিৰাম ঃ চকুৰে নেদেখা হ'ম ছাৰ।
শিক্ষক ঃ গাধ, কাণ কাটিলে চকুৰে নেদেখা হয় বুলি ক'ত লিখা আছে?
ঘটিৰাম ঃ ছাৰ, কাণ নাথাকিলে চচ্মা পিন্ধিম কেনেকৈ?

************************

ডাক্তৰ ঃ তোমাৰ লগত বেমাৰ হোৱা সকলোৱে চকু ভাল হ'ল। কিন্তু তোমাৰ ভাল হোৱা নাই কিয়? তুমি কিবা গৰম বস্তু খাইছা নেকি?
ৰোগী ঃ নাই ছাৰ, মাছ, মাংস, কণী আদি সকলো ফ্ৰিজত ঠাণ্ডা কৰিহে খাইছো ছাৰ।

# প্ৰেম আৰু যুৱ প্ৰজন্ম

শ্ৰীকিশোৰ তালু

**চেনিখোৱা ঃ** প্ৰিয় পাঠক আপুনি যদি মন কৰে আজিকালি ৰাস্তা-ঘাট, চিটি বাছত, ৰেষ্টোৰাত, এক কথাত প্ৰায় সকলোতে কেইটামান শব্দ শুনা যায়। যেনে— লাইন মৰা, চেনি খোৱা আদি। এইশব্দ সমূহ যুৱ প্ৰজন্মৰ বাবে বেচ চিনাকি। ওপৰোক্ত শব্দ কেইটাৰ অৰ্থ কোনো অভিধানত পাবলৈ নাই, তদুপৰি এই শব্দ সমূহৰ কোনো আক্ষৰিক অৰ্থও নাই। কিন্তু এই অৰ্থহীন শব্দকেইটা যুৱ চামৰ মাজত গভীৰ অৰ্থ বহন কৰে আৰু এইসকলক বেচ তৃপ্তি দিয়ে। আজিৰ প্ৰজন্ম প্ৰেমত নপৰে, কিন্তু চেনি খায়, লাইন মাৰে। হিন্দী চিনেমাৰ আৰ্হিত সাজ পাৰ পিন্ধি গাতে গা লগাই বাইকত ঘুৰা, ৰেষ্টোৰা বা পাৰ্কত বহি ঘণ্টাৰ পিছত ঘণ্টা ধৰি মেল মৰাই হৈছে চেনিখোৱা প্ৰথা। যাক এক প্ৰকাৰৰ সস্তীয়া প্ৰেম বুলিব পাৰি। সস্তীয়া প্ৰেম বুলি এইবাবেই কৈছো এই সকলৰ অধিকাংশৰ মাজত পাৰস্পৰিক মৰম, শ্ৰদ্ধা, বিশ্বাস, ভালপোৱা আদি নাই, আছে মাথো যৌবনে দেহ মনলৈ আনি দিয়া সম্ভাবক আৱেগেৰে উদ্‌যাপন কৰাৰ এক হেঁপাহ। এই ব্যাধি সদৃশ মানসিকতাই আমাৰ যুৱ সমাজক ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ সম্ভাৱনা বেছি। আমাৰ যুৱ প্ৰজন্মই এই মাৰাত্মক ব্যাধিৰ পৰা মুক্ত হওঁক আৰু প্ৰেমৰ প্ৰকৃত অৰ্থ হৃদয়ংগম কৰিবলৈ চেষ্টা কৰক।

**প্ৰতিশোধৰ অগনি ঃ** সকোলৰে জীৱনত ভৱিষ্যতে এগৰাকী ভাল মানুহ হোৱাৰ সপোন পুহি ৰাখে। নিজৰ লক্ষ্যত আগবাঢ়ি যাবলৈ সকলোৰে অধ্যয়নকেই অগ্ৰাধিকাৰ দিয়ে। সেয়ে কিছুমান ছোৱালীয়ে সবিনয়ে প্ৰত্যাখ্যান কৰে প্ৰেমৰ প্ৰস্তাৱ আৰু তাৰ বিনিময়ত তেওঁলোকে পায় এচিড পানী, অপহৰণ, ধৰ্ষণ, হত্যা আদি।

প্ৰেম হেনো সৰগীয়। কঠুৱা শিলকো গলাব পাৰে প্ৰেমে। হাজাৰজনে সুন্দৰ সুন্দৰ শব্দৰে বৰমাল্য পিন্ধাই গৈছে এই প্ৰে তেন্তে এই প্ৰেমত নাৰী সমাজে কিয় সন্মুখীন হ'ব লগা হয় বাৰে এচিড্ টেষ্ট, অপহৰণ, ধৰ্ষণ, হত্যা আদি। ৰামায়ণী যুগত সীতাই নিজৰ সতীত্ব প্ৰমাণ কৰিবলগীয়া হৈছিল একুৰা জুইত প্ৰৱেশ কৰিহে; কিন্তু আজিৰ যান্ত্ৰিক যুগত প্ৰেমে স সলাবলৈ বাধ্য হৈছে। পৰিবৰ্তিত পাৰিপাৰ্শ্বিকতা প্ৰতিযোগিতাৰ তাড়ণাত নিচাত বন্দী প্ৰেম। ৰুগ্ন মানসি প্ৰত্যাখিত প্ৰেমীকে ঘৃণাৰ মুকলি প্ৰদৰ্শন কৰে এচিড দ প্ৰেমিকাৰ মুখলৈ, অপহৰণ কৰি, ধৰ্ষণ, হত্যা আদি কৰি।

যৌতুকৰ দাবীত বা বিভিন্ন কাৰণত কেৰাচিন, পেট্ৰ জ্বলাই দিয়াৰ ঘটনা আমাৰ অসমত নিত্য নৈমিত্তিক ঘটনা। ঘটনা পৃথিৱীৰ চুকে-কোণে নিতৌ ঘটে। এইবোৰৰ বাবে কিছু চিৰদিনৰ বাবে বিকৃত আৰু গলিত ৰূপ লৈ অতিবাহিত কৰি বাধ্য হৈছে দুৰ্বিসহ জীৱন, বহুগৰাকীয়ে হেৰুৱাইছে শ্ৰৱণ দৃষ্টিশক্তি, সুন্দৰ মুখ আৰু কেতিয়াবা নিজৰ অমূল্য জীৱন।

নিজৰ ভালপোৱা জনীক আপুনি এচিড দলিয়াব পাৰি অপহৰণ কৰি নি ধৰ্ষণ হত্যা আদি কৰিব পাৰিবনে যদি তাই প্ৰত্যা কৰে আপোনাৰ প্ৰস্তাৱ? হয়তো নোৱাৰে আপুনি। যি কোনোবা মুহূৰ্তত আপুনি তাইকেই ভাল পাইছিল। তাইৰ বা আপোনাৰ জীৱন হঠাতে জোনাকময় হৈছিল।

প্ৰতিশোধ জানো ল'ব পাৰিব তাইৰ ওপৰত। আ আকোৱালি লৈ তাই যদি সুখী, আপুনিও নিশ্চয় সুখী, যি আপুনি তাইক ভাল পাইছিল। প্ৰেমৰ অন্য নাম হেনো ত্যা আপুনি হওঁক তাইৰ জীৱন যাত্ৰাৰ অফুৰন্ত প্ৰেৰণাৰ উৎস ত্যাগৰ জৰিয়তে প্ৰকাশ কৰক আপোনাৰ মহত্ব।○

# বৰ্তমান সময়ত আধ্যাত্মিকতা আৰু ইলাৰাম দাস

শ্ৰীবাতুল ৰাজবংশী
প্ৰাক্তন ছাত্ৰ

বৰ্তমান সময়ত দেশখন যিমানেই আধুনিক হ'ব ধৰিছে পাপৰ বোজা সিমানেই গধুৰ হ'ব ধৰিছে। ভৌতিকতা আৰু যান্ত্ৰিকতা যিমানে বাঢ়িছে সমানুপাতিকভাৱে পাপো বাঢ়িছে। লগতে পাশ্চাত্য প্ৰভাৱেৰে ভাৰতীয় নাৰীয়েও আধুনিকতাৰ পথ লৈছে। সেয়ে আধ্যাত্মিক জ্ঞান চৰ্চ্চাৰ ক্ষেত্ৰত পিচপৰি আছে। মানুহে আগতে জীৱ-জন্তুক বা ভূত-প্ৰেতক ভয় কৰিছিল। বৰ্তমান সময়ত মানুহে জীৱ-জন্তুক বা ভূত-প্ৰেতক ভয় কৰাৰ বাদে মানুহক ভয় কৰে, মানুহে মানুহক শোষণ কৰিছে। নাৰীয়েও নিজৰ সাজ-পোছাক এৰি পাশ্চাত্যৰ প্ৰভাৱেৰে বলিয়ান হৈ পৰিছে। তেওঁলোকে নিজৰ বিপদ নিজে মাতি আনি বাটে-পথে ওলাব নোৱাৰা হৈছে। এজাক নৰ পিশাচৰ কাৰণে। কাৰণ সকলোকে কলি কালৰ মায়াই জৰ্জৰিত কৰিছে। মায়াৰ মধুময় জালত বন্দী হৈ কালৰ প্ৰভাৱত জীৱসমূহে মানৱসত্বা হেৰুৱাই ঈশ্বৰ বিমুখী হৈ আহাৰ নিদ্ৰা, মৈথুনকে সাৰ কৰি জীৱন কটাইছে।

আজিৰ পৰা প্ৰায় ৫৪৮ বছৰ আগতেই জীৱন জগতক উদ্ধাৰ কৰিবৰ কাৰণে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। তেওঁৰ উদ্দেশ্য লক্ষ্য আছিল যে মানুহবিলাকে ঈশ্বৰ উপাসনা নকৰি, ধনংদেহি, সুখংদেহি, মনোৰমা, ভাৰ্য্যাংদেহি, স্বৰ্গংদেহী হৈ বলি-বিধান কৰি নানান পাপ কাৰ্যত লিপ্ত হৈ পাপ সাগৰত ডুবি গৈছিল। এই জীৱ সমূহক উদ্ধাৰ কৰিবৰ কাৰণে ভগবান কৃষ্ণ নিজে শংকৰ নাম লৈ অৱতাৰ লৈছিল। এই কথা সুন্দৰকৈ ৰামচৰণ ঠাকুৰ আতাই গুৰুচৰিতত উল্লেখ কৰিছে এনেদৰে—

'পূৰ্ব্বকালে ইটো ৰাজ্যে নাছিল ভকতি।
নানা দেৱ পূজে মাত্ৰ আচাৰে সম্প্ৰতি।।
নানা দেৱ পূজয়কবয় বলিদান।
হংস ছাগ মহিষ কাটে অসংখ্য প্ৰমাণ।।
লোকতল গৈল কলি পাপ সাগৰত।
কৃপাময় কৃষ্ণে চিন্তে কৰি বৈকুণ্ঠত।।
ইটো লোক সমস্তকে কৰিতে উদ্ধাৰ।
শংকৰ স্বৰূপে হৰি ভৈলা অৱতাৰ।।

বিশ্বৰেণ্য শ্ৰীমন্তাগৱত গীতাক সৰ্ব্বশ্ৰেষ্ঠ গ্ৰন্থ ৰূপে আমি স্বীকৃতি দিছো আৰু মানি আহিছো। গুৰু জনাই এই মহা সৰ্ব্বশ্ৰেষ্ঠ গ্ৰন্থখনৰ পৰাই একশৰণ হৰি নাম ধৰ্ম প্ৰৱৰ্তন কৰি হৰি নাম কীৰ্ত্তনেৰে জীৱ জগতৰ উদ্ধাৰ কৰি ভক্তিৰ সোণালী পথ ৰচনা কৰিছিল। মহাপুৰুষজনাৰ প্ৰিয় শিষ্য মাধৱদেৱেও 'গুৰুভটিমাত' লিখিছে—

'মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ
সৱনৰ পাৰ পয়োধি সজাল
সহে কয়লি উদ্ধাৰ।।

এই মহান গুৰুজনাই বৰ্তমান সময়ৰ কাৰণেই আমাক হৰিনাম ধৰ্মৰ পথ সুন্দৰকৈ দেখুৱাই গৈছে। কিন্তু আমি মহামূঢ়। সকলোৱে ভগৱানকেই পূজা সেৱা কৰি আহিছে, সকলোৱে গীতা ভাগৱতকে সাৰোগত কৰিছে। কিন্তু গীতা, ভাগৱতৰ সাৰমৰ্মই কি কৈছে কেনেকৈ পূজা সেৱা কৰাৰ কথা কৈছে তাৰ ভ্ৰূক্ষেপ নাই। মাধৱদেৱে ঘোষাত লিখিছে এনেদৰে—

বিষ্ণুৰ সহস্ৰ নাম সদা আছন্তো জিহ্বায়ে তাক এৰি
সদায় বিৰোধ বচন মাত্ৰ ৰটয়।
বুদ্ধি বিষ্ণু তত্ব পৰিহৰি অসন্ত বস্তুত ৰতি কৰি
যেন বেশ্যা পাৰ পতিত মাত্ৰ ৰময়।।

সকলো পিতৃ-মাতৃয়ে পুত্ৰ-পুত্ৰী সকলক ভাল মানুহ হ'বৰ কাৰণে শিক্ষা-দীক্ষাৰে আগবঢ়াই নিছে। কিন্তু আধ্যাত্মিক ভক্তি জ্ঞান দিবলৈ তেওঁলোকৰ সঁহাৰি নাই। ভক্তি ধৰ্ম শিকিলে মোৰ ল'ৰা বা ছোৱালীয়ে কিহত স্থান পাব? কোনে ডাঙৰ মানুহ বুলিব? এই উদ্দেশ্য আগত ৰাখি সকলো নীতি সংসাৰ পৰিহাৰ কৰি ঈশ্বৰ

সাধনাৰ ক্ষেত্ৰত তেওঁলোকক পিছ পেলাই নিছে। যাৰ ফলত এতিয়া মাক-দেউতাকৰ আলাই আথানি হৈ বৃদ্ধ আশ্ৰমত দিন কটাবলৈ ধৰিছে। আনকি, কিছুমান পিতৃ-মাতৃয়ে নিজৰ পুত্ৰৰ বোৱাৰীৰ মাত খাব লগীয়াও হৈছে। দুখৰ কথা আমি সকলোৱে মুখে মুখে গাঁৱ— 'শংকৰ গুৰু আমাৰে, মাধৱ গুৰু আমাৰে লুকাই আছা দেখা নেদা মণিকূটৰ ভিতৰে।' কিন্তু শংকৰ মাধৱে লিখা কীৰ্ত্তন নামঘোষা আজি আমাৰ ঘৰত নাই, হয়তো বহুত মানুহে এই গ্ৰন্থ দুখন দেখা পোৱা নাই।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নিশ্চিত ভাৱেই এগৰাকী মহান কলাকাৰ আছিল। মহাপুৰুষ গুৰুজনাৰ সকলো কলাকাৰ্য-চৰ্চাৰ একমাত্ৰ উদ্দেশ্য আৰু লক্ষ্য আছিল প্ৰতিজন মানুহৰ হৃদয়ত সুপ্ত হৈ থকা আধ্যাত্মিক চেতনা জাগ্ৰত কৰি মানুহৰ প্ৰকৃতিত থকা সকলো দুৰ্বাসনা দূৰ কৰি আনুষ্ঠানিক সুখৰ পৰমাস্বাদ প্ৰদান কৰা। প্ৰত্যেকজন ব্যক্তিয়ে মহাপুৰুষীয়া আদৰ্শৰে যদি আগবাঢ়ে তেনেহ'লে এদিন সুন্দৰ সোণৰ অসম গঢ়ি উঠিব। মানুহে মানুহৰ বাবে ভাবিব। মানুহে মানুহক চিনি পাব। সকলো পিতৃ-মাতৃয়ে যদি অন্য শিক্ষাৰ দৰে আধ্যাত্ম শিক্ষাৰ জ্ঞান দিয়ে তেতিয়া পিতৃ-মাতৃয়েও এদিন এজন সু-সন্তান লাভ কৰিবলৈ সক্ষম হ'ব। মায়া বিদ্যা আৰু চৈতন্য বিদ্যা এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটা হ'লে আনটো আধৰুৱা হ'ব। দুয়োটা শিক্ষা যদি পূৰ্ণভাৱে গ্ৰহণ কৰে তেতিয়া পূৰ্ণাঙ্গ পণ্ডিত গঢ়ি উঠিব। নহ'লে অৰ্দ্ধ পণ্ডিত। আজিৰ সমাজত অৰ্দ্ধ পণ্ডিতৰ সংখ্যা বহুত বেছি। সেয়ে উঠি অহা যুৱক-যুৱতীসকলক এই দুয়োটা বিদ্যাৰ শিক্ষা দিয়ে তেনেহ'লে এদিন সমাজত এজন পূৰ্ণাঙ্গ পণ্ডিত ৰূপে চিনাকি দিবলৈ সক্ষম হ'ব।

অসমীয়া ভাষা সাহিত্যৰ সমস্যা, সংস্কৃতি আজি যি ৰূপত আত্মপ্ৰকাশ কৰিছে, সেয়া সম্পূৰ্ণৰূপে শংকৰদেৱৰ অৱদান। মহাপুৰুষ জনাই যি সময়ত গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, নগাৰ নৰোত্তম, কছাৰীৰ ৰমাই, কৈৱৰ্তৰ পূৰ্ণানন্দ, বণিয়াৰ হৰিদত্তম, ভোটৰ দামোদৰ, মুছলমানৰ চান্দ সাই, ব্ৰাহ্মণৰ ৰাম ৰায়, সকলো জনগোষ্ঠীৰ ব্যক্তিয়ে সামৰি এখন বহল সমাজ গঢ়ি তুলিছিল। এই ব্যৱস্থাই আছিল অসমীয়া জাতিৰ অংকুৰণ। সকলোৱে ইজনে সিজনক ঈশ্বৰ বুলি সেৱা জনাইছিল। কিন্তু পৰিতাপৰ কথা এই মহান গুৰুজনাৰ বাণী পাহৰি আমি গোষ্ঠী সংঘৰ্ষত লিপ্ত হৈছো। ইজনে সিজনক চিনি নোপোৱা হৈছো। ভোগমত্তত বলিয়া হৈ নিজৰ পিতৃ মাতৃকো পাহৰি গৈছো। নিজৰ ধৰ্মক বিসৰ্জন দিছো। শংকৰ গুৰুক পাহৰি বহিৰাগত বংশিক গুৰু মানিব আৰম্ভ কৰিছো। সেয়ে মহাপুৰুষ শংকৰদেৱে ভক্তি প্ৰদীপত লিখিছে—

'মই হেন পিতৃক কৰিলি অপমান।
ব্ৰহ্মাণ্ডত পাপী নাহি তাহাৰ সমান।।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোধানৰ পাছত অ... গুৰুজনাই দি যোৱা আদৰ্শৰ ম্লান হোৱাৰ যি উপক্ৰম আৰম্ভ হৈ... সেই আদৰ্শক পুনৰ প্ৰকৃত পথলৈ ঘুৰাই আনিবৰ বাবে এজন ব্যক্তি... অহৰহ চেষ্টা কৰিছিল। তেওঁ আছিল কৈৱৰ্ত্ত কুলৰ। সেইজনৰ... আচৰ্য ইলাৰাম দাস। তেৰাই মহাপুৰুষৰ ধৰ্ম ডাৱি, কমা, ন... নোহোৱাকৈ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰচাৰ কৰি অসমবা... প্ৰদান কৰি কৈৱৰ্ত্তকূলৰ প্ৰধান ৰূপে স্বীকৃতি দিবলৈ সক্ষম হৈছি... মহাপুৰুষ শংকৰদেৱে 'ভাগৱত'ত এনেদৰে লিখিছে—

'ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য ইটো তিনি জাতি।
লুতনিৱ হৰি ভকতিক কাণ পাতি।
শূদ্ৰ সব অনেক কৈৱৰ্ত আদি কৰি,
অন্ত্যতে পৰ্যন্তে ভজিৱেকো মহাহৰি।
অপ্ৰয়াসে লভিব ঈশ্বৰৰ মহা জ্ঞান,
প্ৰতেকে কলিত শূদ্ৰ কৈৱৰ্ত প্ৰধান।'

এইজন গুৰুৰ জীৱন বৃত্তান্তৰ পৰিসীমা বহুত বেছি। সে... তেওঁৰ কেইটিমান অমৰত্ব বাণী তলত উল্লেখ কৰি দিয়া হ'ল।

১। এই ঘোৰ কলিযুগত নাম সাধন সুলভ। অকণমান ম... মোহ, মদ্‌গৰ্ব্ব ত্যাগ কৰি ল'লেই হ'ল। কিন্তু তালৈকো এনা... সেয়ে গুৰুজনাই ভাগৱতত লিখিছে— 'একান্ত আতুৰ ভো... ঘোৰ পৰলোকে গৈলে, তাকে লাগি মৰিবাহা কান্দি।' মায়াৰ ব... যিসকল পুত্ৰ-পুত্ৰী সংগত আমি জৰ্জৰিত, সেইসকলৰ অৰ্থ জী... পাত কৰি ঈশ্বৰ সাধনাৰ প্ৰতি আমাৰ বহুতৰেই আহৰি নাই। সে... সকলোৱে সমস্ত সম্পৰ্ক ছেদ হৈ আপুনি আমি এদিন একা... অকলশৰীয়া আতুৰ হৈ পৰিম। সেইদিনা আমাৰ একমাত্ৰ বান্ধ... কেৱল জীৱনত কৰা নাম সাধনাকণহে।।'

২। 'জীৱনৰ সমস্ত পৰিশ্ৰমৰ অন্তত পুঞ্জীভূত হোৱা ধনে... যেনেকৈ ধুনীয়া পকী ঘৰ এটা সাজিবলৈ মনুষ্যই বাধ্য কৰে... তেনেকৈ পৰৱৰ্তী জন্মত বুদ্ধিদীপ্ত এটি শ্ৰেষ্ঠ জন্ম গ্ৰহণ কৰিবলৈকে... আপুনি ধন সংগ্ৰহ কৰিবই লাগিব, সেই ধন নাম-ধন বা নাম-ব...

৩। 'ভালকামটো কৰিলে মই কৰিলো। বেয়াটো হ'লে ঈশ্বৰে... কৰালে। এইদৰে ভৱাজন ঈশ্বৰৰ অপৰাধী। আচলতে ভাল কামটো... হ'লে— ঈশ্বৰে কৰালে বুলি পৰমেশ্বৰক সভক্তিৰে অৰ্পণ কৰি... লাগে আৰু বেয়া কাম মই কৰিলো বুলি অনুতপ্ত হৈ ঈশ্বৰক ক্ষমা... খুজিব লাগে। তেতিয়াহে পৰমেশ্বৰে আমাৰ দ্বাৰা ভালকাম অৰ্থাৎ... জগতৰ কল্যাণমূলক কাম যুগে যুগে কৰাই যাব। ভাল কামটো মই...

কৰিলো বুলি আৰু বেয়া কামটো ঈশ্বৰে কৰালে বুলি ভাবোতাজনেই মন্দমতি আৰু সেৱাচোৰ। তেনেদৰে যুগে যুগে ঈশ্বৰত শুভকৰ্ম সম্পাদন কৰি সৰ্বযজ্ঞ ফলভোক্তা পৰমেশ্বৰক অৰ্পণ কৰোতা সকল ঈশ্বৰৰ পৰম বিশ্বাসী একান্ত ভক্তৰূপে, জগতত খ্যাতি সম্পন্ন হয় আৰু জগতৰ কল্যাণমূলক কাম, সমুহ কৰিবলৈ পৰমেশ্বৰৰ কৃপা লাভ কৰে। সেয়ে সমস্ত শুভকাৰ্য সৃষ্টিত পৰমেশ্বৰৰ কৃপাতহে সম্পাদন হয়।

৪। 'প্ৰতিদিনেই নিশা শোৱাৰ সময়ত দিনটোত কৰা সমুদায় কৰ্মৰ পুনৰ চিন্তা কৰিব লাগে আৰু জীৱন যুদ্ধৰ অন্তিম মুহূৰ্তৰ মৃত্যু শৰ্য্যাখন কল্পনা কৰিব লাগে, সেইয়া মোৰ মৃত্যু হোৱাৰ চোতালৰ আগত, মোৰ শৰটো বগা কাপোৰ দি ঢাকি থৈছে, মোৰ পুত্ৰ, বোৱাৰী, পত্নীয়ে, সম্পৰ্কীয় সকলোৱে ৰাউচি জুৰি কান্দিছে, বৃদ্ধ অভিজ্ঞ দুজনমানে তেওঁলোকক সান্ত্বনা বাণী শুনাইছে। কাষতে জনাদিয়েকে বাঁহৰ কামিৰে মোক শ্মশানলৈ নিবৰ বাবে চাঙি সাজিছে। শুবৰ আগমুহূৰ্তত এই দৃশ্যটো সদায় কল্পনা কৰিবলৈ অভ্যাস কৰি গ'লে মন পাৰ্থিৱ অনিত্যব বস্তুৰ প্ৰতি অনাসক্ত হৈ ভক্তি সাধনাৰ প্ৰতি আকৃষ্ট হ'ব। ভক্তি সাধন নিত্য আৰু অপ্ৰায় পৰম সম্পদ।

৫। 'গুৰুজনাৰ আদৰ্শেৰে নিজৰ জীৱনক অনুপ্ৰাণিত কৰাটো দুৰে যাওঁক অসমীয়া জাতি গঠনত আৰু ভাৰতবৰ্ষৰ সংবিধানে স্বীকৃতি দিয়া চৈধ্যটা মুখ্য ভাষাৰ ভিতৰত অসমীয়া ভাষাই স্থান লোৱাৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ শ্ৰীমাধৱদেৱে দুজনা গুৰুৰ ধ্ৰুপদী গ্ৰন্থৰাজিয়েই মূল ধৰণী বা ভেঁটি স্বৰূপ। তাকেই সুঁৱৰি দুজনা গুৰুৰ প্ৰতি হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিবলৈকো আমাৰ সাহিত্যিকসকলৰ আহৰি নাই। জাতিৰ জনক অসমীয়া ভাষাৰ সুদূৰ প্ৰসাৰী প্ৰাণ প্ৰতিষ্ঠাপক মহাপুৰুষ জনাৰ বিৰচিত বৰগীত এটিৰে এতিয়াও সাহিত্য সভাৰ অধিবেশনৰ মুকলি সভা আৰম্ভণি কৰা হোৱাগৈ নাই।

৬। 'এটা জাতিৰ ঐতিহ্যমণ্ডিত ধৰ্ম-সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে, সেই জাতিৰ ধৰ্ম, সংস্কৃতিৰ প্ৰৱৰ্তক গুৰুজনাৰ আৰ্হি আদৰ্শ, মতবাদ আৰু সাধন সম্পদৰাজিৰ যুগজয়ী ৰক্ষণাবেক্ষণ দিয়াৰ অৰ্থে উঠি অহা যুৱক-যুৱতীসকলক অনুপ্ৰাণিত কৰিব লাগিব আৰু চামে চামে সাধক সৃষ্টি হ'বৰ বাবে প্ৰেৰণা যোগাব লাগিব। সেয়ে নহ'লে কালক্ৰমত জাতিটোৰ আত্মবিস্মৃতি ঘটি, আধ্যাত্মিক আৰু বৌদ্ধিক শক্তি দুৰ্বল হৈ ছিন্ন ভিন্ন হৈ পৰাৰ আশংকা থাকে। বৰ্তমান অসমীয়া সমাজ তেনে এক দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত আহি উপস্থিত হৈছেহি।'

৭। 'এই পৃথিৱীত যিদিনা এজনো একান্ত কৃষ্ণ ভক্ত নোহোৱা হ'ব সেই দিনাই ভাৰতীয় ধৰ্ম-সংস্কৃতিৰ বট-বৃক্ষজোপা কালৰ ধুমুহাত বাগৰি পৰিব। পৃথিৱীখনো ধ্বংস হ'ব।'

৮। 'যিজনে নিজকে অসাধু দেখি জগতক সাধু দেখে, জগতেও তেওঁৰ সমস্ত অসাধুতা অসদগুণ হৰণ কৰি, তেওঁক পবিত্ৰ সাধু সাজে। মহাপুৰুষ শ্ৰীমাধৱদেৱ পুৰুষে নিজকে অপৰাধী, মহাপাপী, দুৰাচাৰ বুলি স্বীকাৰ কৰি পৰমেশ্বৰক প্ৰাৰ্থনা নিবেদন কৰি, আমি জীৱসমূহক তাৰ হৈ শিক্ষা দিছে। নিজক পবিত্ৰ কৰাৰ এয়ে শ্ৰেষ্ঠতম উপায়।'

আচাৰ্য ইলাৰাম দাস এজন শাস্ত্ৰজ্ঞ পণ্ডিত আৰু ধৰ্ম সংস্কাৰতে আবদ্ধ নাথাকি সমাজৰ হেতুকে সামাজিক বণানীকৰণ, কৃষি, জাতীয় ঐক্য, সাম্প্ৰদায়িক সম্প্ৰতি, সৰ্বধৰ্মৰ প্ৰতি সমদৃষ্টি, স্ত্ৰীশিক্ষা, অসবৰ্ণ বিবাহ, অস্পৃশ্যতা বৰ্জন আৰু বিশেষকৈ উঠি অহা যুৱক-যুৱতী সকলৰ উত্তৰণৰ কাৰণে মাদক দ্ৰব্য নিবাৰণৰ হকে জীৱনৰ শেষ পৰ্যন্ত কাম কৰি গৈছিল। আচাৰ্য ইলাৰাম দাসে শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ পৰা লাভ কৰা ধনখিনিও নিজে খৰচ নকৰি সমাজৰ সামাজিক উন্নয়নৰ ক্ষেত্ৰত খৰচ কৰিব দিছিল।

এনে ধৰ্ম গুৰুসকলৰ আদৰ্শ আগত ৰাখি আমি যদি সকলোৱে আগবাঢ়ো। তেতিয়া সমাজত সুনাগৰিক হিচাপে আৰু ভগৱানৰ দৰবাৰত স্থান পাবলৈ সক্ষম হ'ম। বিশেষকৈ আমি সকলোৱে উঠি অহা যুৱক-যুৱতী সকলৰ প্ৰতি গুৰুত্ব দিব লাগে। বৰ্তমান সময়ত বিশেষকৈ মদ, ড্ৰাগচ, গুটখা, ভাং, জুৱা-পাশা আদিৰ উৎপাত বাঢ়িছে। যাৰ ফলত উদণ্ডহে গুৰু-গোসাঁই নমনা হৈছে। সকলো পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক যেন আধ্যাত্ম্য শিক্ষাৰে আগুৱাই নি মানুহ হিচাপে গঢ় দিয়ে।○

# পাতিদৰং মৌজা এক চমু অৱলোকন

শ্ৰীৰীমা ড
স্নাতক তৃতীয়

পাতিদৰং মৌজাখন কামৰূপৰ উত্তৰ পূব সীমান্ত বৰনদীৰ পশ্চিম পাৰত অৱস্থিত। মোগলৰ শাসনৰ সময়ত প্ৰজাগণৰ সুবিধাৰ্থে সমগ্ৰ নামনি অসমখনক মুঠ ২৪ টা পৰগণাত বিভক্ত কৰা হৈছিল। এই সমূহৰ ভিতৰত দৰং আৰু পূব সীমান্তৱৰ্তী এলেকাক লৈ পাতিদৰং মৌজা গঠিত হৈছে। বুৰঞ্জীৰ তথ্য অনুসাৰে কামৰূপ আৰু দৰঙক ভৌগোলিক তথা প্ৰশাসনিক ভাৱে বিভক্ত কৰা বৰনদীৰ দুয়োপাৰৰ গাঁও মিলাই পাতিদৰং গঠিত হৈছে। পাতিদৰং মৌজাখনে আজিও এই নামৰ ঐতিহ্য বহন কৰি আছে।

পাতিদৰং মৌজাৰ চাৰিসীমা বুলি ক'বলৈ গ'লে তেনে কোনো প্ৰতিষ্ঠিত চাৰিসীমা পাবগৈ নাই তথাপিতো সাধাৰণ ভাৱে ক'বলৈ গ'লে ইয়াৰ উত্তৰে পূব মহাজনপাৰা পূবে বৰনদী আৰু দৰং জিলাস্থিত সোণাৰীশাল, বালিকুছি আৰু শ'লমাৰী গাঁও, দক্ষিণে কেন্দুৱা, শিঙাৰপাৰা আৰু খৰিকটা, পশ্চিমে তিতকুৰি, মধুকুছি আৰু বৰদল গাঁও।

পাতিদৰং নামটো কৰ পৰা উৎপত্তি হ'ল কেনেকৈ হ'ল এই সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। কিছুমানৰ মতে পাতি আৰু দৰং এই ভিন্ন শব্দ দুটাৰ সংযোগত পাতিদৰং নামটো উৎপত্তি হৈছে। অসমীয়াত পাতিদৰং শব্দটোৰ বুৎপত্তিগত অৰ্থ হৈছে ক্ষুদ্ৰ, মিহি ইত্যাদি আনহাতে দৰং শব্দটো মালয় ভাষাৰ 'দোৰ' (দলং)ৰ পৰা আহিব পাৰে বুলি অনুমান কৰা হৈছে। আকৌ অসম বুৰঞ্জীৰ মতে গোৰেশ্বৰৰ পৰা কুৰুৱালৈকে এই বিস্তৃত অঞ্চলটোক পাতিদৰং বুলি কোৱা হয় আৰু ইয়াত থকা অনুসৰি অসমীয়া ভাষাত 'পাতি শব্দৰ অৰ্থ সৰু যেনে— পাতি কাউৰী (সৰু জাতৰ কাউৰী) পাতি হাঁহ (সৰু জাতৰ হাঁহ) ইত্যাদি।

আনহাতে দৰং শব্দটো ড° বাণীকান্ত কাকতিয়ে মালয় ভাষাৰ 'দৌৰ (দলং)ৰ পৰা অহা বুলি অনুমান কৰিছে। কমৰূপৰ বুৰঞ্জী মতে পাতিদৰং ৰাজ্যত ৰং কৰোতে হোৱা খৰচৰ লগত দৰং শব্দৰ সংযোগ থকা বুলি কোৱা হয়। মুঠতে ক'ব পাৰি যে নামাকৰণৰ কাৰণ যিয়ে নহওঁক 'দৰং' শব্দৰ আগত পাতি যোগ কৰি ক্ষুদ্ৰ দৰং অথবা দৰঙৰ নিকটৱৰ্তী নতুন দৰঙৰ সংস্কাৰ এনে অৰ্থসূচক হিচাপেই যে পাতিদৰং নামকৰণ কৰা তাত সন্দেহৰ অৱকাশ নাই।

বৰ্তমান পাতিদৰং মৌজাখনৰ পৰিসৰ আনুমানিক ৩৫/ বৰ্গ কিলোমিটাৰ মান হ'ব। পূৰ্বতে এই মৌজাখনৰ চাৰিও হাবি-বননিৰে ভৰা বৃহৎ বৃহৎ গছ-গছনি কাঁইটীয়া বাঁহ-বেত, খেৰ আদিয়ে পৰিপূৰ্ণ হৈ আছিল। এই মৌজাখনৰ উত্তৰ সকলোৱে গাছবাৰী বুলি জানে। ইয়াৰোপৰি দক্ষিণে যথা মুক্তাপুৰ, লোচ, জটিয়াভাংগাৰা, নসত্ৰ, বঙালগাঁও আদি কৰি বৃহৎ ঠাইখনক মুক্তাপুৰ বুলি জনা যায়। মৌজাখনৰ মুঠ গাঁও খন মান। তাৰ ভিতৰত— মুকুণ্ডপুৰ, মুক্তাপুৰ, জটিয়াভাংগা গণকঝাৰ, সোণাৰীশাল, জয়কুছি, বড়িগাঁও, নসত্ৰ, সুতাৰ বৰগাঁও, বালিকুছি, ধূলাৰা, বঙালগাঁও, বেলকোণা, লোক্ৰাবৰ নগৰ, খেপকুছি আদি উল্লেখযোগ্য।

পাতিদৰং মৌজাখন প্ৰধানকৈ হিন্দু আৰু মুছলম লোকৰ বসতি প্ৰধান যদিও ইয়াত বড়ো জনগোষ্ঠী কেইবাখনো গাঁও আছে। তাহানি কুৰি শতিকাৰ পূৰ্বৰ বিভিন্ন সম্প্ৰদায়ৰ লোকে ইয়াত বসবাস কৰি আহিছে আজিও ই অব্যাহত আছে।

পাতিদৰং মৌজাৰ সৰহ সংখ্যাক লোক কৃষিজীৱী। কৃষি ওপৰত নিৰ্ভৰ কৰি ঘাইকৈ জীৱন নিৰ্বাহ কৰা দেখা যায়। চৰকা চাকৰীয়ালৰ সংখ্যা বেছি নহয় শতকৰা ৪০-৫০ ৰ ওপৰত নাই। চৰকাৰী উচ্চ বিষয়াৰ সংখ্যা নিচেই তাকৰ। মৌজাখন কৃষি উদ্যোগ, শিক্ষা, আৰ্থিক উন্নয়ন আদি বিভিন্ন দিশত অন্যান্য মৌজা তুলনাত যথেষ্ট পিছপৰি আছে। মৌজাখনৰ বেছি ভাগ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ হোৱা হেতুকে শিক্ষাৰ ক্ষেত্ৰত পিছপৰা যায়। ইচ্ছা থাকিলেও এই অঞ্চলৰ ল'ৰা-ছোৱালী অৰ্থৰ অভাৱ





উচ্চ শিক্ষাৰ পৰা বঞ্চিত হোৱা দেখা যায়। বৰ্তমান সময়ত পৰিবৰ্তন হৈছে যদিও স্বাধীনোত্তৰ কালত এই মৌজাৰ গাঁওবাসী সকল শিক্ষাৰ দিশত যথেষ্ট পিছপৰা আছিল। কিয়নো সেই সময়ত আজিৰ দৰে শিক্ষানুষ্ঠান গঢ়ি উঠা নাছিল। ফলত বেছিখিনি মানুহেই শিক্ষা লাভৰ পৰা বঞ্চিত হৈছিল। কিয়নো তেওঁলোকৰ দূৰ-দূৰণিলৈ শিক্ষা লাভৰ বাবে যাব পৰা অৱস্থা নাছিল। অৱশ্যে পূৰ্বৰ তুলনাত এতিয়া বহুতো পৰিৱৰ্তন দেখা দিলে।

স্বাধীনোত্তৰ কালৰ আৰু তাৰ পাছৰ দুই চাৰিজন বিদ্যুৎসাহী চিন্তাবিদ, দূৰদৰ্শী কেইজনমান লোকে ল'ৰা-ছোৱালীৰ সুবিধাৰ্থে এখন দুখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰে পৰা আৰম্ভ কৰি এতিয়ালৈকে পাতিদৰং মৌজাত বহুকেইখন বিদ্যালয় মহাবিদ্যালয় স্থাপন হ'ল ফলত ল'ৰা-ছোৱালী অনুপ্ৰাণিত আৰু পাৰস্পৰিক প্ৰতিযোগিতাৰ ফলত পঢ়াৰ ক্ষেত্ৰত কিছু আগ্ৰহী হ'বলৈ ধৰে। পাতিদৰং মৌজাৰ মানুহখিনি পূৰ্বৰ তুলনাত বৰ্তমান অৱস্থাত বিশেষকৈ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবঢ়া দেখা যায়।

এইবিলাক যিয়ে নহওঁক কিয় পাতিদৰং মৌজাখন সমাজ সংস্কৃতিৰ দিশৰ পৰা অতিকৈ চহকী। মৌজাখনত বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন ধৰ্মালম্বী মানুহে অতিজৰে পৰা এতিয়ালৈকে অতি সমিলমিল আৰু পাৰস্পৰিক আদন-প্ৰদানেৰে বসবাস কৰি আহিছে। মৌজাখনৰ মানুখিনিৰ মাজত উৎসৱ-পাৰ্বন, বিয়া-সবাহ আদি সকলো অতি উলাহ-মালহেৰে পালন কৰা দেখা যায়। ইয়াৰ চহা সহজ-সৰল মানুহখিনিৰ মাজত এটা সুন্দৰ সাংস্কৃতিক পৰিবেশ দেখা যায়। এইবিলাকে মৌজাখনৰ মানুহখিনিৰ লগতে মৌজাখনবো এক সুন্দৰ ঐতিহ্য বহন কৰি আহিছে।○

# দুৰ্গা পূজাৰ উপাখ্যান

শ্ৰীমৃদুলা
স্নাতক তৃতীয়

শাৰদীয় দুৰ্গাদেৱীৰ উপাসনা প্ৰকৃতিৰ প্ৰাণদায়িনী আৰু ৰক্ষাকাৰিণী ৰূপত হয়। শৰৎ কালৰ ফটফটীয়া স্নিগ্ধ ঋতুতে কল্যাণময়ী জননী দুৰ্গাৰ আগমণ। সেয়েহে দুৰ্গা পূজাৰ বোধন বিল্ববৃক্ষৰ শাখাত হয়। নৱপত্ৰিকাত প্ৰতিষ্ঠিত পূজা হয়, নবিধ শস্যৰ সংযোগ হ'ল নৱপত্ৰিকা। শস্যদাত্ৰী পৃথিৱীৰ পূজাৰ লগত প্ৰাণদায়িনী দুৰ্গা পূজাৰ ওতঃপ্ৰেত সম্বন্ধ।

দুৰ্গাৰ আন এটা নাম উমা। উমা প্ৰতি বছৰে মাতৃ গৃহলৈ আহে, যেতিয়া পৃথিৱীৰ বুকুত শস্যৰ গজালি মেলা উপক্ৰম হয়। তেতিয়াই শস্যৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাও মাতৃ মেনকাৰ গৃহলৈ আহে।

হিমালয় কন্যা পাৰ্বতী কুমাৰী অৱস্থাৰ (পাঁচ বছৰ বয়সৰ) পৰাই শিৱ পূজাত মগ্ন হৈ যৌৱন কালত শিৱকে পতি ৰূপে পাবলৈ দেহ-মন উচৰ্গা কৰি দিছিল। মেনকাই দীন-দৰিদ্ৰ বুলি শিৱক ককৰ্থনা কৰি বিয়া দিবলৈ অমান্তি হৈছিল। আলসুৱা জী উমাই কেনেকৈ বৃষভত উঠি বৈৰাগী হৈ ঘুৰি ফুৰা শিৱৰ সৈতে পত্নী ৰূপত থাকিব পাৰিব বুলি শোকত ভাগি পৰিছিল। হেমৱন্ত ৰজাই মেনকাক বহুত বুজাই কোৱা সত্বেও কোনোমতে মেনকাক সন্মত কৰাব নোৱাৰিলে। দেৱৰ লিখন হৰ-পাৰ্বতীৰ মিলন হ'বই লাগিব, উমা মহেশ্বৰৰ বিবাহ সম্পন্ন হৈ গ'ল। শিৱই উমাক কৈলাশলৈ লৈ গ'ল।

এবাৰ ৰজা হেমৱন্তই আলাসৰ জী উমাক নিবলৈ আহিল। উমাই পিতৃৰ লগত আহিবলৈ শিৱৰ পৰা অনুমতি বিচাৰোতে তিনিদিনৰ বাবে উমাক পঠিয়াই দিলে। শিৱ-পাৰ্বতীৰ সংসাৰ ইমানেই সুখৰ আৰু মধুৰ আছিল যে শিৱই তিনিদিনৰ বাবেও অক থকিব আপত্তি কৰিছিল।

শৰৎ কালৰ শুক্লা ষষ্ঠী তিথিত মাতৃ গৃহলৈ উমা আহি লগত লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশো আহিল। মাতৃ গৃ বহুত দিনৰ মূৰত আহি নানা সুমিষ্ট ভোজন কৰাৰ হেঁপাহত উ উত্ৰাৱল হৈ পৰিল। কিন্তু দেৱীৰ সন্মুখত বিৰাট বিপৰ্যয় আ পৰিল। দেৱতাসকলে অসুৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ভয় চণ্ডীকাৰ স্তুতি আৰধনা কৰিবলৈ ধৰিলে, 'হে দেৱী বিশ্বমা বিশ্বেশ্বৰী আমাক সংকটৰ পৰা উদ্ধাৰ কৰা।'

দেৱতাসকলৰ স্তুতিত প্ৰসন্ন হৈ উমাই মহিষাসুৰ বধ কৰিব সংহাৰ মূৰ্ত্তি ধাৰণ কৰিলে। অসুৰৰ লগত খণ্ডযুদ্ধ কৰি কিনা কৰোতেই সপ্তমী, অষ্টমী তিথি পাৰ হৈ গ'ল। মাতৃ গৃহত মা নৱমীৰ দিনটোহে থাকিবলৈ পাব, দশমীত কৈলাশলৈ উভতি যা লাগিব। সিফালে শিৱয়ো কেতিয়া দশমী মিলিব ভাবি অস্থিৰপ্ৰা হ'ল। ইফালে মাতৃ মেনকাই উমাক পঠাব নোখোজে, কান্দি-কা অস্থিৰ হোৱা দেখি উমায়ো অতি মৰমেৰে মাকক বুজাই পতিগৃহলৈ যাবলৈ অনুমতি বিচাৰি কাকুতি কৰিব ধৰিলে।

দশমীৰ দিনা পুৱাতে নানা ব্যঞ্জনেৰে ৰান্ধি-বাঢ়ি খুৱা মৰমৰ আলসুৱা জী উমাক কৈলাশলৈ পঠিয়ালে। তেতিয়া পৰাই শৰৎ কালৰ শুক্লা ষষ্ঠী দিনটোৰ পৰা দুৰ্গা পূজা পাল কৰা হয়।○

# নাৰী আৰু আমাৰ সমাজ ব্যৱস্থা

শ্ৰীঅনামিকা কুমাৰ
প্ৰাক্তন ছাত্ৰী

'Woman are not inherently
Passive or peaceful, we are
inherently not anything but human.'

মানুহৰ সমাজখন যুগ যুগ ধৰি পুৰুষৰ মূল্যবোধৰ দ্বাৰা পৰিচালিত হৈ আহিছে। বৰ্তমান যুগত নাৰী সমাজ বিভিন্ন কৰ্মক্ষেত্ৰত দোপতদোপে আগুৱাই গৈছে যদিও পৰোক্ষভাৱে হ'লেও পুৰুষ শাসিত মূল্যবোধৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। নাৰী অবলা, কৰ্মবুদ্ধিসম্পন্ন, শিশুপালন আৰু গৃহকৰ্মই নাৰীৰ বাবে প্ৰধান কৰ্তব্য, তেওঁ শৈশৱকালত পিতৃৰ, যৌৱনকালত স্বামীৰ আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ অধীন ইত্যাদি এনেবোৰ পুৰণিকলীয়া উক্তিৰ দ্বাৰা নাৰী এগৰাকী আজিও আমাৰ সমাজ ব্যৱস্থাত জন্মৰ পৰাও প্ৰভাৱিত হৈ অহা দেখা গৈছে। অৰ্থনীতিৰ পৰা সমাজনীতিলৈ নাৰী সমাজৰ অংশ গ্ৰহণে সমাজৰ এনে স্তৰৰ উন্নতিৰ এক উল্লেখনীয় দিশ হিচাপে পৰিগণিত হৈছে কিন্তু তাৰ অৰ্থ এইটো নহয় যে এই উন্নতিৰ ফলত নাৰীৰ আৰ্থিক অৱস্থানৰ উন্নতি হৈছে। নাৰীৰ যি আত্মচেতনা, সেয়া বাস্তৱায়িত কৰাৰ বাবে বিভিন্ন নাৰী সংগঠন, নাৰী শিক্ষাৰ পৰা স্বাধীনতা সম্পৰ্কীয় বিষয় সমূহ আলোচিত হৈছে। সেয়ে প্ৰতি বছৰৰ ৮ মাৰ্চ তাৰিখে নাৰী দিৱস পালন কৰা হয়।

সম্প্ৰতি নাৰী সম্পৰ্কীয় মতাদৰ্শ, নাৰীবাদ, আমাৰ দেশতো গা কৰি উঠিছে। কুৰি শতিকাৰ মাজ ভাগত এগৰাকী উল্লেখযোগ্য নাৰীবাদী সমাজ দাৰ্শনিক চাইমন ডি বুভোৱাঁ (Simone de Beavoir)ৰ 'The Second Sex' শীৰ্ষক গ্ৰন্থখনে পাশ্চাত্যত নাৰীবাদী আন্দোলনৰ ঢৌ প্ৰবল কৰি তোলে। তাৰোপৰি Oxford Refference Dictionaryত নাৰীবাদৰ সম্পৰ্কে উল্লেখ কৰিছে যে— "Feminism is a movement or theory supporting womens right on the grounds of equality and sexes" ১৯৯৫ চনত বেইজিঙত অনুষ্ঠিত চতুৰ্থ বিশ্ব মহিলা সন্মিলনত নাৰী পুৰুষৰ এক সৰ্বজনগ্ৰাহ্য সংজ্ঞা নিৰূপণ কৰা হয়।

পুৰুষ প্ৰধান সমাজে যুগ যুগান্তৰ ধৰি নাৰীক অৱজ্ঞা আৰু অৱহেলাৰ চকুৰে চাই আহিছে। বেদ-বেদান্তকে ধৰি বাইবেললৈকে ধৰ্মগ্ৰন্থ সমূহত নাৰীক অংকন কৰা হৈছে জ্ঞানশূন্যহীন মনোভাৱেৰে আৰু যৌনতাৰ প্ৰতীক হিচাপেহে। বাইবেলৰ আদম ইভৰ কাহিনীত পুৰুষৰ নৈতিক স্খলনৰ বাবে নাৰীক দায়ী কৰা হৈছে। তাৰোপৰি অসমৰ নব-বৈষ্ণৱ সাহিত্যত অনন্ত কন্দলীয়ে লিখিছে—

'দুৰ্গতিৰ মন্দিৰ জানিবা নাৰী সঙ্গ।
হেন জানি তেজিয়া ইহাৰ যত ৰঙ্গ।।'

প্ৰাচীন কালত ভাৰতবৰ্ষৰ হিন্দু ধৰ্মৰ কথা বা আখ্যান অনুসৰি নাৰীৰ স্থান অতি উন্নত আছিল। আদিম সমাজত নাৰী অধিকাৰৰ বিষয়ে বহুতো মতানৈক্য থাকিলেওঁ নৃতত্ত্ববিদসকলৰ মতে, মানৱ গোষ্ঠীৰ পৰিয়াল প্ৰথা আৰম্ভণিৰ প্ৰাক কালত নাৰী আছিল সম্পূৰ্ণ মুক্ত আৰু স্বাধীন। কোনো সমাজেই স্থবিৰ নহয়। কালক্ৰমত সামাজিক উৎপাদন প্ৰক্ৰিয়াৰো যথেষ্ট পৰিৱৰ্তনমুখী হৈ পৰিল। তথাপি সামন্ত যুগৰ নাৰীৰ দাসত্বৰ যি ধাৰণা, সেই ধাৰণা আমাৰ সমাজৰ পৰা আজি পৰ্যন্ত অৱলুপ্তি ঘটা নাই। আমাৰ সংবিধানে নাৰী পুৰুষক সম-মৰ্যাদাৰ অধিকাৰ প্ৰদান কৰিছে যদিও পৰিয়াল, সমাজ, কৰ্মক্ষেত্ৰ সকলোতে আজি পৰ্যন্ত নাৰীয়ে সমমৰ্যাদাৰ হকে আৰম্ভ কৰা সংঘৰ্ষৰো সমাপ্তি ঘটা নাই।

যেতিয়ালৈকে নাৰী পুৰুষৰ সমানে সংখ্যা গৰিষ্ঠভাৱে দেশৰ ৰাজনীতি, সমাজনীতি, শিক্ষা, অৰ্থনীতি, স্বাস্থ্যসেৱা আদি বিভিন্ন উন্নয়নমূলক আৰু দায়িত্বশীল কামৰ লগত জড়িত হ'ব নোৱাৰে, তেতিয়ালৈকে নাৰীৰ সামাজিক প্ৰগতি হোৱাটো সম্ভৱ নহয়। যিহেতু সমাজত নাৰীৰ প্ৰাধান্য বা অপ্ৰাধান্য নিৰ্ভৰ কৰে সমাজখনৰ উৎপাদন ব্যৱস্থাৰ লগত, নাৰীপুৰুষৰ মাজত কৰ্ম বিভাজনৰ লগত। সেয়েহে নাৰীয়ে আত্মচেতনাৰে, আত্ম শুদ্ধিৰে নিজ স্থানৰ উন্নতিৰ বাবে পুৰুষৰ হাতত হাত ধৰি, বুজাবুজিৰে আগুৱাই গৈ মত প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব। অন্যথাই সমঅধিকাৰ, নাৰীবাদ আদিৰ ধাৰণাবোৰ বৃথা আস্ফালনত পৰিণত হ'ব। 'নাৰীবাদ পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধে এক প্ৰতিবাদ। ই হ'ল পুৰুষতন্ত্ৰৰ বিৰুদ্ধে সমাজ সৃষ্ট কিছুমান বিধি নিষেধৰ বিৰুদ্ধে, নাৰীৰ অধিকাৰ সংকোচনৰ বিৰুদ্ধে বিদ্ৰোহ।'

লিখনিৰ শেষত পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু সকলক সশ্ৰদ্ধ প্ৰণাম জনাইছো। যিসকলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে মহান অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ মোক উপযুক্ত কৰালে। জয়তু পাতিদৰং মহাবিদ্যালয়।○

# আধুনিক অসমীয়া কবিতা

শ্ৰীহিমাক্ষী দা
স্নাতক তৃতীয় বাৰ্ষি

আধুনিক অসমীয়া কবিতা সম্বন্ধে আজি কিছুদিনৰ পৰা বিভিন্ন জনে বিভিন্ন ধৰণে আলোচনা কৰি আহিছে। এইটো আমাৰ সাহিত্যৰ বাবে শুভ লক্ষণ। অৱশ্যে আজিকালি বহুত নৱ প্ৰজন্মৰ কবিৰ কবিতাই কাব্যমোদী সকলৰ মনত নানা খেলি-মেলি লগাইছে। যিসকলে বিশেষকৈ কাব্যত ছন্দ, অলংকাৰ, লয় আৰু সঙ্গীতধৰ্মী শব্দ যোজনাৰ ভিতৰেদি সুন্দৰৰ অনুভূতিৰ প্ৰকাশ বিচাৰে তেওঁলোকে এইবোৰ কবিতা দেখি ক্ৰোধান্বিত হৈছে। আনফালে কিছুমানে এইবোৰ কবিতাত 'বাস্তৱতা' বৃদ্ধিৰ চাক-চিক্য, ৰীতি হীনতা ছন্দ, লয় আদিৰ বৰ্জিত ৰূপ দেখি মতলীয়া হৈছে।

আধুনিক কবিতা বুলিলে আজি কালিৰ নৱপ্ৰজন্মৰ প্ৰায়বোৰ কবিতা ৰোমাণ্টিক ভাবধাৰাৰ। বিষয়বস্তুৰ নিৰ্বাচন, শব্দ-চয়ন, বাক্য-বিন্যাস, ৰচনা-শৈলী, মানচিত্ৰৰ গঠন আৰু ছন্দৰ ৰূপসজ্জা সকলোতে নতুন হাতৰ পৰশ লাগিছে। ৰোমাণ্টিক যুগৰ কাব্যৰ ইতিহাস সৌন্দৰ্য্য সন্ধানৰ ইতিহাস। জীৱনৰ প্ৰাত্যহিক তুচ্চতাৰ কথা ৰোমাণ্টিক কবিতাত নাই। কবিগুৰু ৰবীন্দ্ৰনাথে লিখিছে— 'জীৱনৰ প্ৰাত্যহিক তুচ্চতাৰ এটা স্বচ্ছতা আছে। সেই স্বচ্ছতাৰ মাজেদি ধৰা দিয়ে জীৱনৰ অতুচ্চ সত্যই।' সেই সত্যৰ নিৰ্লিপ্ত বিশ্লেষণ নতুন কবিতাৰ ইতিহাস। সেইবাবে নতুন কবিতাৰ মানচিত্ৰ বহল।

আধুনিক কবিসকলৰ দুটা ভাগত ভাগ কৰিব পাৰি। এটা দল হৈছে জনতাৰ কবি আনটো হৈছে নিৰ্জনতাৰ কবি। এই দুই ভিন্নমুখী কাব্যসোঁতৰ সমান্তৰাল গতি নতুন অসমীয়া কবিতাৰ তাৎপৰ্য্যপূৰ্ণ ঘটনা।

জনতাৰ কবিসকলৰ ভিতৰত পৰে হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ, ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক আৰু ৰাম গগৈ। হেম বৰুৱাৰ মানসিকতা বহল। তেখেতৰ কবিতাত বিস্তীৰ্ণ প্ৰখৰ বুৰঞ্জীবোধৰ বৰ্ণাঢ্য প্ৰকাশ পোৱা যায়। হেম বৰুৱাৰ কবিতা পূবৰ মনৰ সৈতে পশ্চিমৰ মনৰ সংঘাতৰ অপূৰ্ব প্ৰতিলিপি। তেখেতৰ কবিতা পঙ্গু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওপৰত যেন খহি পৰা এটা বিৰাট অভিশাপ। বৰ্তমানৰ সমাধিৰ ওপৰত তেখেতে নতুন দিনৰ সু সমাজ গঢ়ি তোলাৰ সপোন দেখে। কুমাৰী পৃথিৱী, বৰুৱাৰ চকুত নতুন সম্ভাৱনাৰে অন্তঃসত্বা। কদৰ্য পৃথিৱীৰ অশ্লীল উষ্মা আৰু দিনৰ সলনিৰ সপোন বৰুৱাৰ কবিতাত সদায় ওচৰা-ওচৰিকৈ আউজি থাকে। এই উষ্মা আৰু এই সপোন তেখেতৰ ব্যক্তিমানস প্ৰতিফলিত হোৱা জনজীৱনৰ বেদনা বিস্তৃত প্ৰকাশ।

জন-জীৱনৰ একেই কোলাহলেৰে মুখৰিত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু চৈয়দ আব্দুল মালিকৰ কবিতা। ভট্টাচাৰ্যৰ কবিতা স্বৰসংগতি আৰু স্বৰ-সংঘাতৰ পৰম্পৰাৰে সৃষ্টি কৰা ছন্দৰ অনুৰণনে সহজে পাঠক-পাঠিকাৰ মৰম পশিব পাৰে। আনহাতে মালিকৰ কবিতাৰ উজ্বল মানস-চিত্ৰৰ বিচিত্ৰ বৰ্ণালীয়ে পাঠক-পাঠিকাৰ সহজে বিমুগ্ধ কৰি তোলে। কথাৰ যাদুকৰ এই শিল্পীৰ কাব্য মা অৱসৰৰ চিত্ৰ বিনোদনৰ মাধ্যম। তথাপি সেই কাব্যত নিম্ন মধ্যবিত্ত প্ৰাণৰ স্বাক্ষৰ আছে। সাৰ্থক সৃষ্টিৰ পৰিমাণ বৰ কম। তাৰে তেখেত কাব্যৰ মূল্যাংকন কৰা ভুল হ'ব। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰো সাৰ্থক সৃষ্টিৰ পৰিমাণ কম। তথাপি তেখেতৰ কাব্যৰ সহজ আন্তৰিকতাৰ সুৰটো তৎক্ষণাত চকুত পৰে। সেই সংবেদনাশীল মনৰ গম্ভীৰ অনুৰণন শুনা যায়।

ৰাম গগৈৰ কবিতাৰ এই শুভ বুদ্ধিৰ প্ৰকাশ অধিক স্পষ্ট। সেইবাবে এই দলটোৰ আটাইকেইজন কবিৰ ভিতৰতে তেখেতৰ কাব্যৰ কণ্ঠস্বৰ বলিষ্ঠতম। সৰ্বহাৰাৰ জীৱনৰ বেদনাৰ দলিল তেখেতৰ কবিতা। তেখেতৰ কাব্যত জন-জীৱনৰ বেদনাৰ লগে লগে শক্তিমন্ত ভ্ৰূণ শিশুৰ কণ্ঠস্বৰ শুনা যায়।

নিৰ্জনতাৰ কবি সকলৰ ভিতৰত পৰে, বাকী আটাইকেইজন কবি। অৱশ্যে তেখেতসকলৰ ভিতৰতো সূক্ষ্মতৰ পাৰ্থক্য আছে। সেইপিনৰ পৰা চালে দেখা যায়, হোমেন বৰগোঁহাঞি, পৱিত্ৰ বৰা দিনেশ গোস্বামী আৰু নীলমণি ফুকনৰ অৱস্থিতি বৃত্তৰ উপকণ্ঠতহে তেখেতসকলৰ নিৰ্জনতাৰ কবি বুলিলে ভুল হ'ব। তেখেতসকল নিৰ্জনতীতৰ কবি। নিজৰ অন্তৰৰ গোপন গুহাৰ ভিতৰলৈ

তেখেতসকলৰ অন্তমুখী সন্ধানী দৃষ্টি। সেই জগত নিৰ্জনতাৰ জগত নহয়, সেই জগতৰ বিস্তৃতি জুখিব পাৰি ছাঁয়াৰ মিছিল গণি। প্ৰস্তুেনবাদী কবিসকলৰ দৰে তেখেতসকলৰ কাব্যতো দেখা যায়, মানুহৰ মনৰ গভীৰ কামনা মাতৃ-গৰ্ভৰ অন্ধকাৰলৈ ঘুৰি যাবৰ এক প্ৰবল আকাংক্ষা।

নৱকান্ত বৰুৱাৰ দৰে হৰি বৰকাকতিৰ কবিতাতো জনতাৰ কলকণ্ঠ সম্পূৰ্ণ নীৰৱ। নিৰ্জনতাৰ প্ৰতি থকা নিবিড় ভালপোৱা তেখেতৰ প্ৰত্যেক কবিতাত সহজে চকু পৰে। অৱচেতন মনৰ গতিয়েই তেখেতৰ ছন্দৰো সাৱলীল গতি। সেইবাবে তেখেতৰ কবিতাত আছে এক ঐন্দ্ৰজালিক আৱেগ।

অজিত বৰুৱাও এই দলৰে কবি। প্ৰতীকবাদী কবিসকলৰ দৰে তেখেতৰ কবিতাৰ শব্দাৱলীতো অভিধানগত ইংগিতময়তাৰ প্ৰাধান্য বেছি। তেখেতৰ কাব্যত অতি কথন আভাস নাই। অনুনাসিক কণ্ঠ স্বৰৰ কথাৰ টুকুৰাৰে শ্ৰোতাৰ চিত্ত চাঞ্চল্য আনি দিব পৰা যদুকৰী স্পৰ্শ অনুভৱ কৰা যায় তেখেতৰ কবিতাত।

এই দলটোৰ আন দুজন কবি আছে, বীৰেশ্বৰ বৰুৱা আৰু প্ৰফুল্ল ভূঞা। এজনৰ কবিতাত আছে, জাপানী কবিতাৰ স্বপ্নালু চিত্ৰ। আনজনৰ কবিতাত আছে জীৱনানন্দৰ বৰ্ণবহুল বৰ্ণনা, বৰ্ণনাবহুল চিত্ৰ আৰু চিত্ৰবহুল কবিতা। দুয়োজনাৰে কবিতাত গভীৰ সম্ভাৱনাৰ প্ৰতিশ্ৰুতি আছে। মহিম বৰাৰ কবিতাতো আছে, মোহময় আৱেশ। কিন্তু কাব্য তেখেতৰ জিৱণিৰ মাজুলী মাথোন।

নিৰ্জনতাৰ ওচৰত আত্মনিবেদনৰ আকুতি নাই, অথচ জনতাৰ সমুদ্ৰৰ মাজত হেৰাই যোৱা নাই, সেই কবি দলৰ সংখ্যা অতি কম। সেইসকলৰ ভিতৰত হোমেন বৰগোঁহাঞি অন্যতম। বৰগোহাঞিয়ে প্ৰতীকবাদী কবিসকলৰ দৰে বৰ্ণবহুল শব্দ ব্যঞ্জনাৰে সৃষ্টি কৰে এক ৰহস্যময় জগত। আত্মাৰ গভীৰ কন্দৰত সেইজগত। হোমেন বৰগোহাঞিৰ কবিতাৰ প্ৰভাৱ পবিন্দ্ৰ বৰাৰ ওপৰত গভীৰভাৱে পৰিছে। এই নিৰুদিষ্ট তৰুণ কবিৰ মাত্ৰ এমুঠি কবিতাত মৃত্যু কামনাৰ আভাস সুন্দৰকৈ পোৱা যায়।

প্ৰত্যেকজন কবিৰ মানস-চিত্ৰ অংকনত নিজস্ব বৈশিষ্ট্য আছে। নৱকান্ত বৰুৱাৰ মানস-চিত্ৰসমূহ যদি মুকুতাৰ দৰে স্বচ্ছ আৰু উজ্বল, হৰি বৰকাকতিৰ তেনেহ'লে পখিলা-পাখিৰ দৰে গভীৰ আৰু ৰঙীন। ঠিক সেইদৰে, হেম বৰুৱাৰ মানস-চিত্ৰবোৰৰ সৌন্দৰ্য সপোনৰ দৰে কোমল, ছঁয়াময় আৰু আলফুলীয়া। বাকীকেইজন কবিৰো মানস-চিত্ৰসমূহৰ বৈশিষ্ট্য আছে। গোটেই কেইটা কবিৰ কবিতা একেলগে পঢ়ি চালে তেওঁলোকৰ ব্যক্তিগত বৈচিত্ৰ্য ওলাই পৰে। উদাহৰণ স্বৰূপে—

১। প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে থৰে থৰে পৃথিৱী কঁপিছে (হেম বৰুৱা)।

২। লাইলাক আৰু জিনিয়াৰ পাহিবোৰ এচকিমো ছোৱালীৰ কোমল বুকুৰ নোমাল কাঁচলিৰ দৰে (নৱকান্ত বৰুৱা)।

৩। আকাশৰ ছাই-দানীত দিনান্তৰ ভগ্নাৱশেষ (হোমেন বৰগোঁহাঞি)।

নতুন কবিতাসমূহৰ আন এটা বৈশিষ্ট্য দেখা যায় শব্দ চয়নত। এই বৈশিষ্ট্য প্ৰত্যেকজন নতুন কবিৰ কবিতাত মাজে মাজে ইন্দ্ৰিয়ানুভূতিৰ আউল লাগে। নতুন বা আধুনিক কবিতাৰ এনে 'ভুল'ৰ প্ৰয়োগ বৰ বেছি দেখা যায়। 'আবেলি আবেলি গোন্ধ' নাইবা 'গুণ-গুণকৈ ধোঁৱা উৰিছিল— এই মানস চিত্ৰ দুটালৈ মন কৰিলেই অনুমান কৰিব পৰা যায়। আপোনজনৰ খোপাৰ এটা গোন্ধ আছে। সেই গোন্ধৰ মাজেৰে কঢ়িয়াই আনে আন এটা অনুভূতিৰ মাধ্যম। যাৰ সূক্ষ্মনুভূতি গঁড়ৰ ছালৰ দৰে সেইসকলৰ কাৰণে এইবোৰ প্ৰকাশ অৰ্থবিহীন, অবাঞ্চনীয় 'ভুল'।

আধুনিক কবিতাৰ আটাইতকৈ আকৰ্ষনীয় দিশ হ'ল এক নব্য মানৱীয় দৃষ্টিভংগীৰ আৰম্ভণি। আধুনিক কবিসকলে মানুহক তাৰ মানুহ ৰূপত চিনি পাবলৈ চেষ্টা কৰিছিল। সেই মানুহৰে সুখ-দুখ, হাঁহি-কান্দোনৰ ভাগ ল'বৰ আৰু সিবোৰক নিজ অন্তৰৰ সংবেদন দি কবিতাত চিত্ৰিত কৰিবৰ প্ৰয়াস পাইছিল। জাতি-ধৰ্ম, ভাষা, সম্প্ৰদায় আজিৰ বান্ধোনৰ পৰা মুক্ত যি মানুহ সেই মানুহে আধুনিক কবিৰ কাম্য। নব্য-মানৱীয় সংবেদনাক আধুনিক কবিসকলক সমগ্ৰ মানৱ জাতিকে একে চকুৰে চাবলৈ অনুপ্ৰাণিত কৰিছিল। আধুনিক অসমীয়া কবিতাৰ বৰ্তাবাহক অমূল্য বৰুৱাই নিষ্পেষিত মানৱ সমাজক বৰ স্নেহৰ চকুৰে চাবলৈ শিকালে। অৱশ্যে বৰুৱাক পৰৱৰ্তী কবি ৰাম গগৈ, কেশৱ মহন্ত, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদিৰ কবিতাত এই মানুহক মানুহ ৰূপত আবিষ্কাৰ কৰাৰ চেতনা অধিক বলিষ্ঠভাৱে প্ৰকাশ পাইছে। কেৱল এই দেশৰে নহয় বিশ্বৰ বিভিন্ন দেশৰ লাখ লাখ নিষ্পেষিত, নিপীড়িত, লাঞ্চিত আৰু সৰ্বহাৰা মানুহৰ ছবি নতুন কবিসকলে আকিছে। অমূল্য বৰুৱাদেৱৰ 'বেশ্যা' কবিতাত সমৰৰ আসাত বিলাসী শ্ৰেণীৰ অধঃপতিত নৈতিক জীৱনৰ কদৰ্য ৰূপ ফুটি উঠিছিল। তেওঁৰ আন এটা কবিতাত মুক্তিকামী সৃষ্টিধৰ্মী প্ৰাণৰ করুণ ছবি ফুটি উঠিছিল। কবিতাটোৰ দুটামান শাৰী তুলি দিয়া হ'ল—

'মই যাওঁ পৃথিৱীৰ মাটিৰ মানুহ
মাটিয়েদি খোজ কাঢ়ি কাঢ়ি
বাস্তৱৰ বিকৃত বিপদে ঢকা মোৰ প্ৰতিকৃতি

সেই অন্ধকাৰ বাটটোত অকলে অকলে
শান্তিহীন, ক্লান্তিহীন
মহাসমৰৰ দাবানলে পোৰা
পৃথিৱীৰ শ্মশানত
ভয়লগা স্পিৰিটৰ দৰে;

'জয়ন্তী'যুগৰ আৰু এজন লেখত ল'বলগীয়া কবি হৈছে নৱকান্ত বৰুৱা। জয়ন্তীত প্ৰকাশিত প্ৰথম কবিতাতেই তেওঁ জীৱনৰ ৰোমাণ্টিক কল্পনাৰ বিমুখীতাৰ ছবি আঁকিছে—

'আমিতো নেপালো হায় পৃথিৱীৰ প্ৰথম যৌৱন
অৰণ্যৰ সেউজী সুৰভি।"

কিন্তু ইয়াতেই তেওঁৰ কবিতাত ফুটি উঠিছে তেওঁৰ গভীৰ প্ৰাণৰ ৰোমাণ্টিক সুৰ। সেই সুৰেই তেওঁৰ জীৱনৰ উপলব্ধিৰ ক্ষেত্ৰত এটা বিষাদৰ সুৰ সানি দিছে। কিন্তু তেওঁৰ জীৱনৰ দৃষ্টি গভীৰ, জীৱনৰ প্ৰতি মমতা আৰু জগতৰ প্ৰতি আত্মীয়তা নিবিড়। অৱশ্যে সমাজৰ সংগ্ৰামী সাধনাৰ লগত প্ৰাণৰ যোগ নথকাৰ কাৰণে জীৱনৰ চাৰিওফালে হতাশাৰ ছবি দেখিছে আৰু বৃদ্ধ আৰু উপনিষদৰ বাণীৰ ভিতৰেদি প্ৰাণৰ শান্তি বিচাৰি গৈছে।

ৰোমাণ্টিক যুগৰ কবিতা গীতিধৰ্মী। একোটা স্বতন্ত্ৰ ভাব, অনুভূতি আদিক কেন্দ্ৰ কৰি ই গঢ়ি উঠে। পুৰণি অসমীয়া বনগীত, বিহুগীত আদিৰ প্ৰভাৱ অসমীয়া ৰোমাণ্টিক কবিতাৰ ওপৰত পৰিছিল। এয়া হ'ল ঐতিহ্যৰ কথা। অসমীয়া ৰোমাণ্টিক কবিসকলে হেৰোৱা অতীতলৈ ঘুৰি চাই পাহৰি যোৱা বনগীতৰ কথা নতুন ভাবত নতুন ৰূপত ৰূপায়িত কৰিলে।

ৰোমাণ্টিক কবিসকলে প্ৰেমৰ মহানতাক বৰ শলাগিছিল। 'প্ৰেমত ঘুৰিছে ভুমণ্ডল প্ৰেমত ফুলিছে শতদল।' বুলি কৈ তেওঁলোকে প্ৰেমক অপাৰ মৰ্যাদা প্ৰদান কৰিছিল। কিন্তু প্ৰেমৰ মহানতা আৰু পেনপেননি দুয়োটাকে উপক্ষো কৰি বাস্তাৱানুগ দৃষ্টিত প্ৰেমক বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে আধুনিক কালৰ কবিসকলে। বাৰেবৰণীয়া বা ৰঙচঙীয়া কল্পনাক বাদ দি বাস্তৱতাক সাৱটি লৈ আধুনিক কবিসকলে তেওঁলোকে প্ৰেমৰ ক্ষেত্ৰত নতুন সংজ্ঞা আৰু সংবেদনা সৃষ্টি কৰিলে। তেওঁলোকে দেখা পালে যে ৰোমাণ্টিক কবিসকলে কল্পনাৰ স্বৰ্ণ সৌধত উঠি যি প্ৰেমৰ জয়গান গাইছিল তাৰ অন্তৰালত আছিল তেওঁলোকৰ লিবিডোৰ ক্ৰিয়া আৰু লেণ্ডৰ স্ফুৰণ। ৰোমাণ্টিক প্ৰেমৰ দপ্ত স্ফুৰণৰ বিপক্ষে সচেতনভাৱে থিয় দি বাস্তৱ দৃষ্টি-ভংগীৰে প্ৰেমক বিচাৰ কৰাৰ প্ৰথম চেষ্টা চলালে— চৈয়দ আব্দুল মালিকে তেওঁৰ 'ফুলৰ শৰ্যাৰ ৰাতি' নামৰ কবিতাত। ফুল শয্যাত পোন প্ৰথমবাৰৰ বাবে লগ পায় প্ৰেমিক কেৰেণীয়ে আপোন প্ৰেয়সীক কৈছে—

সাদিন পাচত শেষ হ'ব ছুটি
আঁতৰা আঁতৰি হ'ম আমি দুটি;
তোমাৰ হাতত ৰ'ব চৰু ছাঁই
মোৰ হাত ক'লা কলম তিয়াই;

আমাৰ কবিসকলে কেৱল ইংৰাজ কবিৰ দৃষ্টিৰে জীৱনক নিবিড়ভাৱে উপলব্ধি কৰাৰ আন্তৰিকতা লৈ আমাৰ সমাজৰ আৰু ব্যক্তি জীৱনৰ গভীৰতম অভিজ্ঞতাক চিনিবলৈ, তাৰ বেদনা আৰু সম্ভাৱনা উপলব্ধি কৰিবলৈ সাধনা কৰিব লাগিব। পাঠকৰ ওপৰত আস্থা ৰাখি, নিজৰ উপলব্ধ সত্যক সৰলভাৱে বলিষ্ঠভাৱে পাঠকৰ আগত দাঙি ধৰি পাঠকৰ অন্তৰতো নৱ-উপলব্ধিৰ শিহৰণ জগাব লাগিব। তেতিয়া সি হ'ব প্ৰকৃত বাস্তৱ কবিতা, প্ৰকৃতি জীৱনৰ কবিতা, অসমীয়া জাতিৰ প্ৰাণৰ কবিতা।○

সহায়ক পুথি ঃ
আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়,
সম্পাদনা (লীলা গগৈ)।
'অসমীয়া কবিতা' (কৰবী ডেকা হাজৰিকা)।

# শৰণীয় কছাৰীসকলৰ চমু পৰিচয় আৰু কৃষিকেন্দ্ৰীক লোকাচাৰ

শ্ৰীদিপিকা বড়ো
স্নাতক তৃতীয় বাৰ্ষিক

শৰণীয়া কছাৰী বা 'শণ্যা কছাৰী' বহুগোষ্ঠীয় আৰু বহু ভাষিক অসম মুলুকৰ এটা পৰিচিত কছাৰীমূলীয় জনগোষ্ঠী। 'অসম বা অসমীয়া 'শব্দটোৱে সাৰ্বজনীন পৰিচিতি বা স্বীকৃতি লাভ কৰাৰ বহু যুগৰ আগৰে পৰা শৰণীয়া কছাৰী সকলে অসমৰ সমাজ জীৱনত সুকীয়া পৰিচয় লাভ কৰি আহিছে। প্ৰাচীন কামৰূপৰ কছাৰী সমাজৰ অঙ্গ হ'ল অসমৰ শৰণীয়া কছাৰীসকল। 'প্ৰাচীন সাহিত্যত কিৰাতসকলৰ বাসস্থান ভাৰতৰ পূব দিশত বুলি জনা হৈছে।

কিৰাত বা কছাৰীমুলৰ পৰা সৃষ্টি হোৱা জনগোষ্ঠীসমূহ হ'ল— বড়ো, ৰাভা, ডিমাচা, শৰণীয়া, সোণোৱাল, ঠেঙাল, হাজং, মেচ, কোচৰাজবংশী, লালুং, মটক আদি। সম্পূৰ্ণ জনজাতীয় বৈশিষ্ট্য শৰণীয়া কছাৰীসকল মংগোলীয় গোষ্ঠীৰ লোক। খ্ৰীষ্টব্দপূৰ্ব চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম শতিকামানত উপৰি উক্ত কছাৰীমূলৰ যিসকললোকে বিভিন্ন কাৰণত তেওঁলোকৰ স্বকীয় আধ্যাত্মিক পৰম্পৰা এৰি হিন্দুধৰ্মীয় আচাৰ-পৰম্পৰা গ্ৰহণ কৰি ধৰ্মান্তৰ হৈছিল আৰু তেওঁলোকেই পিছত শৰণীয়া বুলি পৰিচিত হ'ল। হিন্দু ধৰ্মৰ নামত গঢ় লৈ উঠা ব্যাভিচাৰ বোধ কৰি শংকৰদেৱে এক সাত্বিক ধৰ্মীয় ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পিছতো কছাৰীসকলৰ এক ব্যাপক অংশই একশৰণ ধৰ্মত শৰণ লৈ নিজকে শৰণীয়া বুলি পৰিচয় দি অধিক সমৃদ্ধ কৰে।

শৰণীয়া কছাৰীসকল যিকেইটা কাৰণত স্বকীয় ধৰ্মীয় পৰম্পৰা ত্যাগ কৰি হিন্দুৰূপে পৰিচিতি লাভ কৰিছিল তাৰ আন কাৰণ হ'ল— জনজাতীয় সমাজত চলা বহুধাবিভক্ত আচাৰ অনুষ্ঠানৰ বাহুল্যতা এৰি আৰ্যমূলীয় বামুণীয় পন্থাৰে ধৰ্মীয় কাম-কাজ পৰিচালনা কৰা। তাকে কৰিবলৈ যাওঁতে কছাৰীসকলে শৰণীয়া নাম পাইছিল আৰু তেনেকৈয়ে তেওঁলোকে শৰণীয়া কছাৰী বুলি পৰিচয় লাভ কৰিছিল। এই শৰণীয়াসকলে ইতিহাসৰ পাতত কছাৰী বুলি সামগ্ৰিক পৰিচিতি লাভ কৰিলেও 'শৰণীয়া কছাৰী' বুলি বিশেষ পৰিচিতি লাভ কৰা নাছিল। এই জনগোষ্ঠীটোৱে সুকীয়া পৰিচয় লাভ কৰে ১৮৮১ চনৰ লোক পিয়লৰ পাতত ধৰ্মান্তৰকৰণৰ মাজেৰে হিন্দুধৰ্মৰ অন্তৰ্ভূক্ত হোৱা ৰাভা, মদাহী, টোটলা, চুতীয়া, কোচৰাজবংসী আদি জনগোষ্ঠীৰ নামৰ সৈতে ১৮৮১ চনৰ লোকপিয়লৰ সন্নিবিষ্ট হৈছিল 'শৰণীয়া' নামটি। সেই সময়ত এই জনগোটটিৰ মুঠ জনসংখ্যা আছিল ৪,৭১৮ জন। তদুপৰি ১৮৯১ চনৰ লোকপিয়লতো এই জনগোটটিৰ সংখ্যা ২৬,২৪৮ জন বুলি দেখুওৱা হৈছিল মাত্ৰ দহোটা বছৰৰ ব্যৱধানত এই জনগোষ্ঠীটোৰ জনসংখ্যা ২১,৫৩০ জন বৃদ্ধি হোৱাৰ মূল কাৰণ আছিল ১৮৮১ চনৰ লোকপিয়লক 'মহলীয়া' জনগোষ্ঠী বুলি পৃথকে উল্লেখ কৰা ৬১৯৮ জন লোকক 'শৰণীয়া'ত চামিল কৰে। তদুপৰি ৰাভা, মগাহী, কোচ ৰাজবংশী, মেচ, লালুং জনগোটৰ মাজত সোমাই থকা শৰণীয়াসকলে ১৮৯১ চনৰ লোকপিয়লত নিজকে 'শৰণীয়া বুলি পৰিচয় দিয়াৰ বাবেই হয়তো 'শৰণীয়া কছাৰী' নামেৰে এটি শক্তিশালী জনজাতীয় গোটে চৰকাৰী তথ্যত আত্মপ্ৰকাশ কৰিবলৈ সফল হয়।

উল্লেখযোগ্য যে শৰণীয়াসকলে নিজকে ম্লেচ্ছাধিৰাজ সকলৰ বংশধৰ বুলি পৰিচয় দি ভাল পায়। অৰ্থাৎ পৌৰাণিক গ্ৰন্থসমূহত বৰ্ণিত কিৰাতসকলৰ এটা থালে শৰণীয়া কছাৰী বুলি দাবী কৰি আহিছে। আমি এই লেখাত 'শৰণীয়া কছাৰী' জনগোষ্ঠী সন্দৰ্ভত বিশিষ্ট গৱেষক লেখকসকলৰ বিশ্লেষণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। গৱেষক পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাই শৰণীয়া পদ সন্দভত লিখিছে 'শৰণীয়া পদটো বিশেষণ...। ইয়াৰ বাহিৰে সংস্কৃতিয়াকৰণকো শৰণীয়া বুলিব পাৰি। ভাৰতৰ অনেক জনজাতি যুগ যুগ ধৰি হিন্দু সমাজ আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ অহাৰ ফলস্বৰূপে তেওঁলোক বৰ্তমান হিন্দু বৰ্ণ প্ৰথাৰ পৰিসীমাত সোমাই

পৰিছে। সাহিত্যাচাৰ্য ড° ৰমেশ পাঠকে শৰণীয়া শব্দটো অসমীয়া শব্দতকৈ প্ৰাচীন বুলি অভিহিত কৰিছে। 'কাছাড়েৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত উপেন্দ্ৰ চন্দ্ৰ গুহই 'কছাৰী শব্দৰ উৎপত্তি লিখিছে— 'বহু বছৰ ধৰি যিথিনি মংগোলীয় গোষ্ঠীৰ লোক কোচসকলৰ লগত শত্ৰু ভাবাপন্ন হৈ যুদ্ধ কৰিছিল, তেওঁলোককে ব্ৰহ্মপুত্ৰ উপত্যাকাৰ আন আন অধিবাসীসকলে 'কোচ+অৰি' (কোচৰ শত্ৰু)= 'কছাৰী' বুলি বিভূষিত কৰিছিল।

প্ৰখ্যাত সাহিত্যিক মেদিনী চৌধুৰীৰ মতে, 'কছাৰী' শব্দটো ভোট বৰ্মী ভাষাৰ 'ক্ৰহাৰি' বা 'কছাৰী' মানে হ'ল প্ৰধান ফৈদ। আনহাতে লিম্বু উপাখ্যান মতে মানৱ জাতিৰ দুজন আদিম পুৰুষ আছিল। তাৰে এজনে ব্ৰহ্মপুত্ৰ আৰু কোশী নদীৰ মাজত থকা পৰ্বতৰ নামনি অঞ্চলত অৱস্থিত 'খচাৰ' দেশত বাস কৰিছিল। 'খচাৰ'ৰ দেশত আদিপুৰুষজনৰ পৰাই 'খচাৰী' বা কালক্ৰমত 'কছাৰী' জাতিৰ উৎপত্তি হয়। এই কছাৰীসকলৰে এটা থাল হ'ল শৰণীয়া কছাৰীসকল। একাংশ পণ্ডিতৰ মতে, হিমালয় পৰ্বতৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰাৰ কাৰণে সংস্কৃত 'কক্ষৱাত' বা 'কচ্ছাত' শব্দৰ পৰা কিৰাত আৰু পৰৱৰ্তী সময়ত 'কছাৰী' শব্দৰ উৎপত্তি হয়।

পণ্ডিতসকলে অনুমান কৰিছে যে নৰকাসুৰ ভগদত্ত আদি ৰজা মহাৰজাসকলৰ ৰাজত্ব তাতোকৈ পূৰ্বৰ পৰা প্ৰাগজ্যোতিষপুৰ কামৰূপ অসমত ঔদ্ধিকৰণ বা সংস্কৃতিয়াকৰণ বা বৈদিকীকৰণ বা শৰণীয়াকৰণ প্ৰক্ৰিয়া চলি আহিছে। সেই মতে প্ৰাচীন অসমৰ কিৰাত কছাৰীসকলৰ একাশংই শৰণীয়াকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা শৰণীয়া হৈ শৰণীয়া কছাৰীত ৰূপান্তৰিক হ'ল। তেওঁলোকেই আজিৰ শৰণীয়া কছাৰী। বৰ্তমান শৰণীয়া কছাৰীসকল অসমৰ বাগসা, ওদালগুৰি, নলবাৰী, কামৰূপ (গ্ৰাম্য), কামৰূপ (মহানগৰ) দৰং, বৰপেটা, ধেমাজি, বঙাইগাঁও জিলাত বসবাস কৰাৰ তথ্য পোৱা যায়। ৰাজ্যখনৰ ৩৩২ খন গাঁৱত প্ৰায় পাঁচ লাখ শৰণীয়া কছাৰী থকাৰ কথা জনা যায়।

তলত শৰণীয়া কছাৰীসকলে পালন কৰা কৃষি কেন্দ্ৰিক লোকচাৰ সম্পৰ্কে আলোচনা কৰা হ'ল—

**মুঠি মেলা ঃ** শালি খেতিৰ শইচ ছটিওৱাৰ প্ৰথমদিনটোক 'মুঠি মেলা' দিন বুলি কয়। শৰণীয়া কছাৰীসকলে 'মুঠি মেলা' কাৰ্য কৰাৰ দিনা কৃষক পৰিয়ালে ঘৰ-কাঠি মচি শুচি হৈ লয়। সেইদিনা পথাৰত নাইবা থাপনাত নৈবেদ্য পাতে। সেইদিনা কৃষকসকলে শালি ধানৰ কঠিয়াৰ বাবে মাটি চহাই প্ৰস্তুত কৰি তোলে। সেইদিনা শালিধানৰ কঠীয়াৰ বাবে প্ৰস্তুত কৰা ডবলৰ চাৰিওটা কোণত চাৰিডাল বিৰিণা শুচি পুতি থয়। মুঠি মুঠিকৈ শস্যৰ গুটি সিঁচি যায় কৃষকে। ইয়াকে 'মুঠিমেলা' বোলে। শালি ধানৰ গছা নোলোৱা পৰ্যন্ত কৃষকজনে ডাড়ি-চুলি নকটায়। 'মুঠিমেলা' অনুষ্ঠানৰ দিনা শৰণীয়া কৃষকৰ পৰিয়ালে মাংস আৰু কচুৰ আঞ্জাৰে এসাঁজ খায়।

**আগ-অনা প্ৰথা ঃ** আঘোণ মাহত শালি ধানৰ 'আগ-অনা' কাৰ্য কৰে। এই কাৰ্য কৃষি চপোৱাৰ সময়ত কৰা হয়। আগ অনাৰ দিনা ঘৰ-কাঠি লিপা-মচা কৰি শুচি হৈ লয়। শনিবাৰ বা মংগলবাৰ লৈ আগ অনাৰ দিন বাছি লোৱা হয়। আগ অনাৰ দিনা আগ আনিবলৈ যোৱা লোকজনে গা ধুই উঠি তিতা কাপোৰেৰে হাতত কাঁচি, আগলতি কলপাত, তামোলপাণ, শলা-বন্তি আদি লৈ ধাননি পথাৰলৈ যায়। ধাননিৰ মাজত আগলতি কলপাতখন পাৰি শলা বন্তি জ্বলাই লক্ষ্মী দেৱীক স্মৰণ কৰি সেৱা কৰে। দেৱীক আৰাধনা কৰি ধানৰ চোপৰ পৰা 'আগ কাটি' আনি ভঁড়াল ঘৰত থয়। আগ আনিবলৈ যোৱা লোকজনে আহোতে যাওঁতে কাকো মাত লগাব নাপায় আৰু আগ অনাৰ পিছত তেওঁলোকে শালি ধান চপোৱা আৰম্ভ কৰে। 'আগ অনা' ধানৰ কেইটামান ন-খোৱাৰ দিনা নৈবদ্যত ব্যৱহাৰ কৰে।

**ন-খোৱা উৎসৱ ঃ** শৰণীয়া কছাৰীসকলৰ শালিধান চপোৱাৰ শেষত পৰিয়ালক কেন্দ্ৰ কৰি ন-খোৱা উৎসৱ পালন কৰা হয়। এইন খোৱা উৎসৱ কৃষি ভিত্তিক লোকপৰম্পৰা। আঘোণ মাহত শালি ধান কাটি প্ৰথম নতুন চাউলৰ ভাত খোৱা হয়। এই ন-খোৱা উৎসৱত ন-চাউলেৰে ভাত এসাঁজ আঘোণ মাহৰ ন তাৰিখে পৰম্পৰাগত ভাৱে চলি অহা নীতি-নিয়মৰ মাজেৰে আয়োজন কৰা হয়। আঘোমৰ ন-তাৰিখে ন-ভাত খালে অধিক সম্পত্তিৰ গৰাকী হয় বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰে। এই ন-খোৱাত তেওঁলোকে ন-ভাতৰ বাবে বৰা আৰু জহা চাউল আৰু লগতে বুঢ়া কোমোৰা, হাঁহৰ মাংস, কাঠ আলু আদিৰে তৈয়াৰ কৰা ব্যঞ্জনক অগ্ৰাধিকাৰ দিয়ে। ভাগী-বংশ তথা আত্মীয় কুটুম্বসকলে লগলাগি ইষ্টদেৱতাক আগ কৰি ন-খোৱা পালন কৰা হয়।

**গছা লোৱা ঃ** বছৰটোৰ বহাগ মাহত প্ৰকৃতি সজীৱ হৈ উঠে। বৰষুণ হয়। বৰষুণৰ লগে লগে কৃষকসকলে কৃষিৰ বাবে সাজু হয়। পথাৰত কঠিয়াৰ বাবে বীজ সিঁচে। কঠিয়া পুৰঠ হৈ উঠাৰ লগে লগে ভুঁই ৰোৱাৰ বাবে মাটি চহায় আৰু মাটি ডোখৰৰ চাৰিও দিশে বৰ্গ আকৃতিৰ আলি বান্ধি 'ডবল' তৈয়াৰ কৰে। ডবলটোৰ কোণত আগলতি কলপাত পাৰি তুলসী কচুগছ, তামোল-পাণ, গাখীৰ

আদিৰে নৈবদ্য পাতি লক্ষ্মী দেৱী আৰু বসুমতীক প্ৰাৰ্থনা কৰে। ডবলটোৰ চুকত পাঁচ বা সাত মুঠি কঠিয়া ৰুই দিয়ে। 'গছা লোৱা' বুলি কয়। গৃহস্থই 'গছা লোৱা'ৰ পিছতহে কঠিয়া ৰোৱা হয়। গছা লোৱাৰ দিনা কৃষকৰ ঘৰত উছৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। সেইদিনা তেওঁলোকে ভালকৈ এসাঁজ খোৱাটো নিয়ম। সেইদিনা গৃহস্থৰ লগতে আত্মীয়-কুটুম্ব আটাইয়ে মিলি গছা লোৱা আনন্দত ভাতসাঁজৰ লগতে কচুৰ আঞ্জা খায়। সেইদিনা শৰণীয়া কছাৰী কৃষকসকলে গৰু হালৰ শিঙত মিঠা তেল ঘাঁহ দি সেৱা কৰে।

ভাখৰী বন্ধা ঃ শৰণীয়াসকলে যিদৰে কৃষি পথাৰত শইচ ৰোপণ কৰাৰ দিনটোত যিদৰে গছালোৱা নিয়ম পালন কৰে, ঠিক একেদৰে কঠিয়া ৰোৱা শেষৰ দিনা 'ভাখৰী বন্ধা' নিয়ম পালন কৰা দেখা যায়। কঠিয়া ৰোৱা আৰু হাল বোৱা শেষৰ দিনটোক শৰণীয়াসকলে 'হাল উঠা' বুলি কয়। 'হাল উঠা'ৰ দিনা পথাৰৰ এটা ডবলৰ এটা চুকুত বোকাৰে আলি বান্ধি দিয়ে। সেইখিনি ঠাইত ৰোৱনীয়ে কঠিয়াৰ এটা ডাঙৰ মুঠি ৰুই দি তাৰ মাজত বোকাৰে দুভাগ কৰি সাত, পাঁচ মুঠি কঠিয়া ঘনকৈ ৰুই দিয়ে। ইয়াকে 'ভাখৰী বন্ধী' বুলি কয়। কঠিয়া ৰোৱাৰ দিনা ৰোৱনীসকলে সেৱা লৈ দেৱীক স্মৰণ কৰি, শইচৰ শ্ৰীবৃদ্ধি কামনা কৰে। হাল উঠাৰ দিনাও তেওঁলোকৰ পৰিয়ালত এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সেই দিনাও ৰোৱনী আৰু হালুৱৈসকলে মিলি এসাঁজ আনন্দৰে খায়। এনেদৰে শৰণীয়া কছাৰীসকলে বিভিন্ন নীতি-নিয়মৰ মাজেৰে কৃষিকেন্দ্ৰিক লোকাচাৰ সমূহ পালন কৰে।○

পৰিছে। সাহিত্যাচাৰ্য ড° ৰমেশ পাঠকে শৰণীয়া শব্দটো অসমীয়া শব্দতকৈ প্ৰাচীন বুলি অভিহিত কৰিছে। 'কাছাড়েৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত উপেন্দ্ৰ চন্দ্ৰ গুহই 'কছাৰী শব্দৰ উৎপত্তি লিখিছে— 'বহু বছৰ ধৰি যিখিনি মংগোলীয় গোষ্ঠীৰ লোক কোচসকলৰ লগত শত্ৰু ভাবাপন্ন হৈ যুদ্ধ কৰিছিল, তেওঁলোককে ব্ৰহ্মপুত্ৰ উপত্যাকাৰ আন আন অধিবাসীসকলে 'কোচ+অৰি' (কোচৰ শত্ৰু)= 'কছাৰী' বুলি বিভূষিত কৰিছিল।

প্ৰখ্যাত সাহিত্যিক মেদিনী চৌধুৰীৰ মতে, 'কছাৰী' শব্দটো ভোট বৰ্মী ভাষাৰ 'ক্ৰহাৰি' বা 'কছাৰী' মানে হ'ল প্ৰধান ফৈদ। আনহাতে লিম্বু উপাখ্যান মতে মানৱ জাতিৰ দুজন আদিম পুৰুষ আছিল। তাৰে এজনে ব্ৰহ্মপুত্ৰ আৰু কোশী নদীৰ মাজত থকা পৰ্বতৰ নামনি অঞ্চলত অৱস্থিত 'খচাৰ' দেশত বাস কৰিছিল। 'খচাৰ'ৰ দেশত আদিপুৰুষজনৰ পৰাই 'খচাৰী' বা কালক্ৰমত 'কছাৰী' জাতিৰ উৎপত্তি হয়। এই কছাৰীসকলৰে এটা থাল হ'ল শৰণীয়া কছাৰীসকল। একাংশ পণ্ডিতৰ মতে, হিমালয় পৰ্বতৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰাৰ কাৰণে সংস্কৃত 'কক্ষৱাত' বা 'কচছাত' শব্দৰ পৰা কিৰাত আৰু পৰৱৰ্তী সময়ত 'কছাৰী' শব্দৰ উৎপত্তি হয়।

পণ্ডিতসকলে অনুমান কৰিছে যে নৰকাসুৰ ভগদত্ত আদি ৰজা মহাৰজাসকলৰ ৰাজত্ব তাতোকৈ পূৰ্বৰ পৰা প্ৰাগজ্যোতিষপুৰ কামৰূপ অসমত ঔদ্ধিকৰণ বা সংস্কৃতিয়াকৰণ বা বৈদিকীকৰণ বা শৰণীয়াকৰণ প্ৰক্ৰিয়া চলি আহিছে। সেই মতে প্ৰাচীন অসমৰ কিৰাত কছাৰীসকলৰ একাশংই শৰণীয়াকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা শৰণীয়া হৈ শৰণীয়া কছাৰীত ৰূপান্তৰিক হ'ল। তেওঁলোকেই আজিৰ শৰণীয়া কছাৰী। বৰ্তমান শৰণীয়া কছাৰীসকল অসমৰ বাগসা, ওদালগুৰি, নলবাৰী, কামৰূপ (গ্ৰাম্য), কামৰূপ (মহানগৰ) দৰং, বৰপেটা, ধেমাজি, বঙাইগাঁও জিলাত বসবাস কৰাৰ তথ্য পোৱা যায়। ৰাজ্যখনৰ ৩৩২ খন গাঁৱত প্ৰায় পাঁচ লাখ শৰণীয়া কছাৰী থকাৰ কথা জনা যায়।

তলত শৰণীয়া কছাৰীসকলে পালন কৰা কৃষি কেন্দ্ৰিক লোকচাৰ সম্পৰ্কে আলোচনা কৰা হ'ল—

**মুঠি মেলা ঃ** শালি খেতিৰ শইচ ছুটিওৱাৰ প্ৰথমদিনটোক 'মুঠি মেলা' দিন বুলি কয়। শৰণীয়া কছাৰীসকলে 'মুঠি মেলা' কাৰ্য কৰাৰ দিনা কৃষক পৰিয়ালে ঘৰ-কাঠি মচি শুচি হৈ লয়। সেইদিনা পথাৰত নাইবা থাপনাত নৈবেদ্য পাতে। সেইদিনা কৃষকসকলে শালি ধানৰ কঠিয়াৰ বাবে মাটি চহাই প্ৰস্তুত কুৰি তোলে। সেইদিনা শালিধানৰ কঠীয়াৰ বাবে প্ৰস্তুত কৰা ডবলৰ চাৰিওটা কোণত চাৰিডাল বিৰিণা গুচি পুতি থয়। মুঠি মুঠিকৈ শষ্যৰ গুটি সিঁচি যায় কৃষকে। ইয়াকে 'মুঠিমেলা' বোলে। শালি ধানৰ গছা নোলোৱা পৰ্যন্ত কৃষকজনে ডাড়ি-চুলি নকটায়। 'মুঠিমেলা' অনুষ্ঠানৰ দিনা শৰণীয়া কৃষকৰ পৰিয়ালে মাংস আৰু কচুৰ আঞ্জাৰে এসাঁজ খায়।

**আগ-অনা প্ৰথা ঃ** আঘোণ মাহত শালি ধানৰ 'আগ-অনা' কাৰ্য কৰে। এই কাৰ্য কৃষি চপোৱাৰ সময়ত কৰা হয়। আগ অনাৰ দিনা ঘৰ-কাঠি লিপা-মচা কৰি শুচি হৈ লয়। শনিবাৰ বা মংগলবাৰ লৈ আগ অনাৰ দিন বাছি লোৱা হয়। আগ অনাৰ দিনা আগ আনিবলৈ যোৱা লোকজনে গা ধুই উঠি তিতা কাপোৰেৰে হাতত কাঁচি, আগলতি কলপাত, তামোলপাণ, শলা-বত্তি আদি লৈ ধাননি পথাৰলৈ যায়। ধাননিৰ মাজত আগলতি কলপাতখন পাৰি শলা বত্তি জ্বলাই লক্ষ্মী দেৱীক স্মৰণ কৰি সেৱা কৰে। দেৱীক আৰাধনা কৰি ধানৰ চোপৰ পৰা 'আগ কাটি' আনি ভঁড়াল ঘৰত থয়। আগ আনিবলৈ যোৱা লোকজনে আহোতে যাওঁতে কাকো মাত লগাব নাপায় আৰু আগ অনাৰ পিছত তেওঁলোকে শালি ধান চপোৱা আৰম্ভ কৰে। 'আগ অনা' ধানৰ কেইটামান ন-খোৱাৰ দিনা নৈবেদ্যত ব্যৱহাৰ কৰে।

**ন-খোৱা উৎসৱ ঃ** শৰণীয়া কছাৰীসকলৰ শালিধান চপোৱাৰ শেষত পৰিয়ালক কেন্দ্ৰ কৰি ন-খোৱা উৎসৱ পালন কৰা হয়। এইন খোৱা উৎসৱ কৃষি ভিত্তিক লোকপৰম্পৰা। আঘোণ মাহত শালি ধান কাটি প্ৰথম নতুন চাউলৰ ভাত খোৱা হয়। এই ন-খোৱা উৎসৱত ন-চাউলেৰে ভাত এসাঁজ আঘোণ মাহৰ ন তাৰিখে পৰম্পৰাগত ভাৱে চলি অহা নীতি-নিয়মৰ মাজেৰে আয়োজন কৰা হয়। আঘোমৰ ন-তাৰিখে ন-ভাত খালে অধিক সম্পত্তিৰ গৰাকী হয় বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰে। এই ন-খোৱাত তেওঁলোকে ন-ভাতৰ বাবে বৰা আৰু জহা চাউল আৰু লগতে বুঢ়া কোমোৰা, হাঁহৰ মাংস, কাঠ আলু আদিৰে তৈয়াৰ কৰা ব্যঞ্জনক অগ্ৰাধিকাৰ দিয়ে। ভাগী-বংশ তথা আত্মীয় কুটুম্বসকলে লগলাগি ইষ্টদেৱতাক আগ কৰি ন-খোৱা পালন কৰা হয়।

**গছা লোৱা ঃ** বছৰটোৰ বহাগ মাহত প্ৰকৃতি সজীৱ হৈ উঠে। বৰষুণ হয়। বৰষুণৰ লগে লগে কৃষকসকলে কৃষিৰ বাবে সাজু হয়। পথাৰত কঠিয়াৰ বাবে বীজ সিঁচে। কঠিয়া পূৰঠ হৈ উঠাৰ লগে লগে ভুঁই ৰোৱাৰ বাবে মাটি চহায় আৰু মাটি ডোখৰৰ চাৰিও দিশে বৰ্গ আকৃতিৰ আলি বান্ধি 'ডবল' তৈয়াৰ কৰে। ডবলটোৰ কোণত আগলতি কলপাত পাৰি তুলসী কচুগছ, তামোল-পাণ, গাখীৰ

আদিৰে নৈবদ্য পাতি লক্ষ্মী দেৱী আৰু বসুমতীক প্ৰাৰ্থনা কৰে। ডবলটোৰ চুকত পাঁচ বা সাত মুঠি কঠিয়া ৰুই দিয়ে। 'গছা লোৱা' বুলি কয়। গৃহস্থই 'গছা লোৱা'ৰ পিছতহে কঠিয়া ৰোৱা হয়। গছা লোৱাৰ দিনা কৃষকৰ ঘৰত উছৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। সেইদিনা তেওঁলোকে ভালকৈ এসাঁজ খোৱাটো নিয়ম। সেইদিনা গৃহস্থৰ লগতে আত্মীয়-কুটুম্ব আটাইয়ে মিলি গছা লোৱা আনন্দত ভাতসাঁজৰ লগতে কচুৰ আঞ্জা খায়। সেইদিনা শৰণীয়া কছাৰী কৃষকসকলে গৰু হালৰ শিঙত মিঠা তেল ঘঁাহ দি সেৱা কৰে।

ভাখৰী বন্ধা ঃ শৰণীয়াসকলে যিদৰে কৃষি পথাৰত শইচ ৰোপণ কৰাৰ দিনটোত যিদৰে গছালোৱা নিয়ম পালন কৰে, ঠিক একেদৰে কঠিয়া ৰোৱা শেষৰ দিনা 'ভাখৰী বন্ধা' নিয়ম পালন কৰা দেখা যায়। কঠিয়া ৰোৱা আৰু হাল বোৱা শেষৰ দিনটোক শৰণীয়াসকলে 'হাল উঠা' বুলি কয়। 'হাল উঠা'ৰ দিনা পথাৰৰ এটা ডবলৰ এটা চুকুত বোকাৰে আলি বান্ধি দিয়ে। সেইখিনি ঠাইত ৰোৱনীয়ে কঠিয়াৰ এটা ডাঙৰ মুঠি ৰুই দি তাৰ মাজত বোকাৰে দুভাগ কৰি সাত, পাঁচ মুঠি কঠিয়া ঘনকৈ ৰুই দিয়ে। ইয়াকে 'ভাখৰী বন্ধী' বুলি কয়। কঠিয়া ৰোৱাৰ দিনা ৰোৱনীসকলে সেৱা লৈ দেৱীক স্মৰণ কৰি, শইচৰ শ্ৰীবৃদ্ধি কামনা কৰে। হাল উঠাৰ দিনাও তেওঁলোকৰ পৰিয়ালত এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সেই দিনাও ৰোৱনী আৰু হালুৱৈসকলে মিলি এসাঁজ আনন্দৰে খায়। এনেদৰে শৰণীয়া কছাৰীসকলে বিভিন্ন নীতি-নিয়মৰ মাজেৰে কৃষিকেন্দ্ৰিক লোকাচাৰ সমূহ পালন কৰে।○

# অসমাপ্ত পাণ্ডুলিপি

জাহ্নৱী ৰাজবংশী
স্নাতক তৃতীয় বাৰ্ষিক

'মনোজ' নামটো শুনিলেই মোৰ হিয়া জুৰ পৰি যায়। মই যিখন কলেজত পঢ়ি আছো সেইখন কলেজৰ প্ৰাক্তন ছাত্ৰ মনোজ। প্ৰথম তেওঁক মই এদিন facebookত দেখিছিলো। তেওঁৰ কলেজৰ নাম Patidarrang আছিল। তেওঁ facebookতে ফোন নং বিচাৰিলে মই নম্বৰটো দিলো, কথা পাতিলো; এদিন কথা পাতিয়ে এনেকুৱা লাগিছে যেন বহুদিনৰ চিনাকি, কথা পাতি মোৰ ইমানেই ভাল লাগে মই ক'ত থাকো গমকে নাপাওঁ। সি মোক কৈছিল, জাহ্নৱী তোমাৰ লগত ফোনত কথা পাতি থকা মুহূৰ্তত মই মোৰ সকলো দুখ পাহৰি যাওঁ। মনোজে লাহে লাহে মোৰ বহুত প্ৰশংসা কৰিবলৈ লৈছিল। মই যিখিনি কথাপাতি বুজি পাইছো তেওঁ কাৰো প্ৰেমত পৰি পোৱা নাই। এদিন মোক সুধিছিল। 'জাহ্নৱী তোমাৰ কলেজত তোমাৰ ভাল লগা বন্ধু নাই নেকি? মই কৈছিলো, কিয় সুধিলা, এনেয়ে বহুত বন্ধু-বান্ধৱী আছে কিন্তু বিশেষ ভাবে এজন আছিল, বৰ্তমান নাই। মনোজে হাঁহি ক'লে, 'তোমাৰ দৰে এজনীৰ তেনেকুৱা নাথাকিবনে, ঠিক আছে মই মানি লইছো মই তোমাৰ লগত থাকিলে, সকলো গমপাই থাকিম।' আৰক্ষী বিভাগত চাকৰি কৰা মনোজৰ ঘৰ আমাৰ ঘৰৰ পৰা বেছি দূৰৈত নাছিল।

মনোজৰ সকলো কথাই মোৰ ভাল লগা হ'ল মই ভাবিছিলো আজিৰ দিনতো এনেকুৱা বন্ধু থাকিব পাৰে; মই ভাবি আচৰিত হওঁ। মোক ইমান মৰম কৰে মোৰ বহুত খেয়াল ৰাখে। মই মুঠতে বহুত সুখী তেওঁৰ নিচিনা বন্ধু পাই। মনোজে এবাৰ ছুটিলৈ ঘৰত আহিছিল তেওঁ মোক আগতেই কৈছিল, 'তোমাক এদিন চাব যাম।' আহিবৰ দিনা মোক ফোন কৰিছিল মোৰ ফোনটো ঘৰত থৈ মই পদুলিত ৰই আছিলো। তেওঁ আহি হাজিৰ, মই তেওঁক ফটোতহে দেখিছিলো সন্মুখত দেখা নাছিলো, প্ৰথম দেখোতেই চিনি পোৱা নাই; তেওঁ মোক চিনি পাইছে। মই লাজত ৰঙা-চিঙা পৰি গৈছিলো। মই বাইদেৰ লগত বহি আছিলো; মনোজে বাইদেউৰ লগত একেলগে, পঢ়া, বাইদেউয়ে তাক ভিতৰলৈ মাতি নিলে।

আমাৰ বন্ধুত্বৰ গভীৰতা আৰু বাঢ়িল। এনেকুৱা হ'ল যে ইজনে সিজনৰ লগত কথা নাপাতিলে বহুত কিবা হেৰুৱা যেন লগা হ'ল। কিবা কাজিয়া লাগিলেও মইয়ে সৰু হৈছিলো। অৱশে মোৰে ভুল হৈছিল। মোৰ মাজে মাজে এনেকুৱা হৈছিল যে, মনোজে মোক ভাল পায় কিন্তু কিবা কাৰণ আছে যাৰ বাবে ভালপাওঁ বুলিও ক'ব নোৱাৰে। কেতিয়াবা তাক সোধো 'তোমাৰ কোনোবা ভাল লগা মানুহ আছে যদি কোবা' সি তেতিয়া হাঁহি উৰুৱাই কৈছিল, 'মোৰ নিচিনা এজনক কোনে ভাল পাব?' মই ভাবি উলিয়াব নোৱাৰিলো কিয় কি কাৰণত তেনেকৈ কয়। মোৰ মনটোক মই ৰখাব নোৱাৰিলো আৰু এদিন নিজেই কৈ দিলো 'মই তোমাক ভাল পাওঁ।' তাৰ পিছত মই বহুত লাজ পালো ভাবিছো সি বা কি ভাবিলে ফোনটো বন্ধ কৰি থ'লো। ৰাতিপুৱা শুই উঠি তাৰ ফোন পালো সি হাঁহি এটা মাৰি কৈছে, 'তুমি কিয় লাজ কৰিছা। তুমিতো একো ভুল কৰা নাই, তোমাৰ মনৰ কথা কৈছা মনৰ কথা কোৱাত কোনো দিনবাধা নাই। 'মই উত্তৰটো দিম দিয়া' তাৰ দুদিন পিছতে সি মোক ক'লে, 'মই তোমাক ভাল পাওঁ।' মোৰ তেতিয়া অনুভৱ হৈছিল এই পৃথিৱীত মোতকৈ সুখী কোনো নাই। মনোজে আৰু কৈছিল, ময়ো তোমাক বহুতে ভাল পাওঁ। কিন্তু ভাল পোৱাৰ মাজত সোমাব মন নাছিল। তুমি বিচাৰিচা যেতিয়া ঠিক আছে, মই মানি লৈছো।' মই ভিতৰি ভিতৰি বহুত লাজ পাইছিলো, মই জন্ম হোৱাৰ পৰা কোনো দিন কাকো এনেকৈ ভাল পাই পোৱা নাছিলো। মনোজক মোৰ বহুতেই ভাল লাগে। এনেকৈয়ে দিনবোৰ বহুত হাঁহি-ধেমালিৰে গৈ আছিল। এনেতে আহিল এটা বিশেষ দিন। সিদিনা মোক এজন ল'ৰাই ঘৰৰ কথামতে চাব আহিল। ল'ৰাজনৰ মোক পছন্দ হ'ল লগতে আমাৰ দেউতাও ল'ৰাজনৰ ঘৰ চাব যোৱা সম্পৰ্কত আলোচনা হ'ল। মই সকলো কথা মনোজক ক'লো, মনোজে কথাষাৰ বহুত সহজতে কৈছে, 'অ ভালহে, ভাল ল'ৰা এজনে চাব আহিছে তোমাক বহুত মৰম কৰিব তুমি বিয়া হোৱা, কাৰণ তুমি জানাই জাহ্নৱী মোৰ ওপৰত এজন দাদা আছে দাদাই বিয়া পতাই নাই। মোৰ কথা কেনেকৈ ভাবো।' মোৰ মুখৰ মাত

নোহোৱা হৈ গৈছিল। মই দুখত ভাগি পৰিলো। সি মোক ভালদৰে ফোন নকৰা হ'ল মোৰ তেতিয়া আৰু বেয়া লগা হ'ল। দিনত দুবাৰ তিনিবাৰ খবৰ লোৱা মানুহ জনে বহুত কমকৈ খবৰ লোৱা হ'ল। এদিন মোক মনোজে ক'লে, 'চোৱা জাহ্নৱী নিজক নিয়ন্ত্ৰণ কৰা, সকলো জানা তুমি মোৰ, আমি আগত যেনেকৈ আছিলো, তেনেকৈ থাকো।' মই আকৌ ভাঙি পৰিলো। মই আমাৰ মা-দেউতাই ঠিক কৰা বিয়াখনো কিবা প্ৰকাৰে ভাঙিলো। মনোজৰ লগত এই বিষয়ে একো কথা নাপাতিলো। আমি দুয়ো আকৌ ভাল বন্ধু-বান্ধৱী হ'লো। তেনেকৈ আগৰ নিচিনাকৈ থাকিলো। মই মাজে মাজে ভাবো মনোজে মোক ভাল পাই, কিন্তু তাৰ ভাব প্ৰকাশ কৰিব নোৱাৰে আৰু মোৰ লগত কথা নাপাতিলেও থাকিব নোৱাৰে। ইয়াৰ মাজত নিশ্চয় কিবা আছে। এদিন মই ভালকৈ সুধিলো, 'তোমাৰ কিবা আছে, তুমি কাকো ক'ব নোৱাৰা, মনৰ ভিতৰতে ভাবি থাকা প্লিজ মোক কোৱা নাই বহুত অধৈৰ্য্য হৈ যাওঁ।' 'তোমাক সকলো কম' জাহ্নৱী বুলি কৈ ক'বলৈ ধৰিলে।

'মই চাৰি বছৰ আগতে এজনী ছোৱালীক ভাল পাইছিলো, তাইৰ সৈতে মোৰ এতিয়ালৈকে দুৱাৰ মানহে দেখা দেখি হৈছে। মই তাইক পাহৰি যাবও পৰা নাই আৰু তাইৰ লগত সম্পৰ্ক ৰাখিও শান্তি পোৱা নাই। তাইক মই পাহৰি যাবও নোৱাৰো, কি কৰিম মোৰ নিজৰ কথা ভাবি নাপাও জাহ্নৱী, তুমিয়েই কোৱা। মোক মনোজে ওলোটাই প্ৰশ্নহে কৰিলে, মই এতিয়া কি কওঁ মনোজক?

এনেকৈয়ে মোৰ আৰু মনোজৰ বন্ধুত্ব জীয়াই থাকিল, সি মাজে-মাজে ঘৰলৈ আহিলে সোধে 'জাহ্নৱী ফুৰিব যাবা নেকি? মই তাৰ একো কথাই না কৰিব নোৱাৰো, কৈছিলো, 'যাম দিয়া', পিছদিনা মোক লগ কৰিম বুলি আহিল, মোক লগ পালে আৰু ক'লে, যাবা নেকি বেংকলৈ। মোৰ অলপ কাম আছে। মোৰ কথাখিনি শুনি হাঁহি উঠিছিল, ল'ৰা-ছোৱালীয়ে লগ কৰিবলৈ পাৰ্ক, ৰেষ্টুৰাত ডেটিং মাৰিবলৈ যায়, সি আকৌ মোক বেংকলৈ নিয়ে, তথাপিও মই সুখী। কেইদিনমান পিছত আকৌ কাঠৰ দোকানত ফুৰাবলৈ নিছিল। এইবিলাকে মোৰ বুকুখনক খুন্দা মাৰি দিয়ে, সি ইমান বেলেগ। এনেকৈয়ে আমাৰ বন্ধুত্ব জীয়াই আছে। হয়তো আগলৈয়ো...।○

ইতিহাসৰ অশুদ্ধ ধাৰণাই মানুহৰ বৌদ্ধিক চিন্তাৰ অৱনতি ঘটায়।

— সৰ্বপল্লী ৰাধাকৃষ্ণন

মানুহে যেতিয়া দুখ এৰি সুখকহে বিচাৰে তেতিয়াহে মানুহ তললৈ নামে।

— ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন

আমি যে এখন পৃথিৱীৰ বাসিন্দা এই কথা নিৰ্ঘাত সত্য। কাৰো ভালপোৱা, বেয়া পোৱাৰ ওপৰত এই সত্য নিৰ্ভৰ নকৰে।

— ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন

এজন শিক্ষক হ'ব লাগিব মানুহৰ ভৱিষ্যৎ, মানৱতাৰ ভৱিষ্যৎ, দেশ তথা বিশ্বৰ ভৱিষ্যতৰ প্ৰতি দায়বদ্ধ ব্যক্তি।

— ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ হ'লে লাগে অফুৰন্ত কৰ্মশক্তি, সংযত বিবেক, একতা আৰু সেৱাৰ মনোভাৱ।

— ৰাজা ৰামমোহন ৰায়

# অতৃপ্ত আত্মাৰ বিননি

শ্ৰীপ্ৰাণজিৎ ৰাজবংশী
স্নাতক তৃতীয় বাৰ্ষিক

মই পাতিদৰং মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ এজন ছাত্ৰ। দুচকুত বহুত সপোন আছিল ভালদৰে পঢ়া-শুনা কৰি এজন ভাল মানুহ হোৱাৰ আৰু এখন সুস্থ সমাজ গঢ়াৰ। ছাৰ-বাইদেউসকলে মোক বহুত Inspire কৰিছিল ভাল Result কৰিব পাৰিম বুলি আৰু মই ছাৰ-বাইদেউসকলক নিৰাশ কৰা নাছিলো। ঘৰত মা-দেউতাৰ মুখত হাঁহি, বাইদেউতৰ মৰম লগা বন্ধুৰ সহযোগিতা হাঁহি ফূৰ্তিৰে জীৱনটো অতিবাহিত কৰি আছিলো। এনেকৈয়ে কেইটামান দিন পাৰ হৈ গ'ল। বেমাৰ সকলোৰে কম বেছি পৰিমাণৰ হৈ থাকে তাক চিকিৎসা কৰিলে ভাল হৈ যায়। এদিন মোৰো বেমাৰ হ'ল ওচৰৰ চৰকাৰী হস্পিতালত দেখুৱালো ডক্টৰে চাই-চিতি ক'লে মোৰ হেনো পেটত পাথৰ হৈছে। গতিকে এটা operation কৰিব লাগিব। ইফালে দেউতাৰ হাতত বেচি পইচা-পাতি নাছিল যদিও কোনো অসুবিধা নাই কাৰণ চৰকাৰী হস্পিতালবোৰত অতি কম খৰচত জটিল অস্ত্ৰোপচাৰ কৰি টান বেমাৰবোৰ ভাল কৰি দিয়ে। গতিকে মোৰো সৰু বেমাৰহে হৈছে ভাল হৈ যাব। মা-দেউতা আৰু ওচৰ চুবুৰীয়াৰ সাহস পাই মই হস্পিতালত ভৰ্তি হ'লো। ভয় লাগিছিল যদিও দেউতাই মোক সাহস দিছিল সৰু operation হে কোনো চিন্তা নাই যথা সময়ত Anestnesionত প্ৰস্তুতি আৰম্ভ কৰিলে। মোক বিছনাত শুৱাই মোৰ নাকত কিবা এটা লগাই দিলে যাক operation বুলি কয় তাৰ পিছত মই আৰু একো ক'ব নোৱাৰো। পিছত সাৰপাই দেখিলো মোক এটা কোঠালিত সোমাই থোৱা হৈছে মোৰ নাকেদি কেইটিমান পাইপ সোমাই থোৱা আছে, কাষত Monitor এটাত কিবা কিবি লিখা উঠি আছে। কিছু সময়ৰ পিছে পিছে ডক্টৰ এজন আৰু নাৰ্চ এগৰাকী আহে আৰু মোক কিবা কিবি চাই যায়। মই তেওঁলোকক সুধিবৰ কাৰণে বহুত চেষ্টা কৰিলো। মোৰ কি হৈছে বুলি, কিন্তু তেওঁলোকে একো নুশুনে। মাজে মাজে দেউতা আৰু মোৰ বন্ধুবোৰ কোঠালিটোৰ ভিতৰত সোমাই মোক চাব আহে। দেউতা যিকেইবাৰেই মোৰ ওচৰত আহে, প্ৰতিবাৰেই তেওঁৰ চকু চলচলীয়া কৰি যায়। লাহে লাহে মোৰ ভয় লাগিব ধৰিলে কাৰণ মই দেউতাক মাতিলে বন্ধুবোৰক মাত লগালে কোনেও একো নকয়, বিৰক্তিও পাইছিলো। এনেদৰে থাকোতে থাকোতে হঠাৎ ডক্টৰে আহি মোৰ শৰীৰত লগাই থোৱা বৈদ্যুতিক সামগ্ৰীখিনি খুলি দিলে ভাল লাগিল। এতিয়া মই ঘৰত যাব পাৰিম মাই মোৰ কাৰণে বাট চাই আছে। সমনীয়াই বৈ আছে। ঘৰত গৈ আকৌ আগৰ দৰে ব্যস্ত হৈ পৰিম। গুৱাহাটীৰ পৰা ঘৰলৈ আহোঁতে গাড়ীৰ খিৰিকীৰে গোটেই বাটটো চাই চাই আহিছিলো। শান্ত পৰিবেশ মাজে মাজে বৰষুণ বৰ ভাল লাগিছিল। কিছু সময়ৰ পিছত মই মোৰ ঘৰ আহি পালো আৰু দেখিলো যে বহুত মানুহ বৈ আছে মোক চাবলৈ কিন্তু হঠাৎ চাৰিওফালে কান্দোনৰ ৰোল মোৰ ভয় লাগি গৈছিল। মা-দেউতা, বাইদেউ সকলোৱে কান্দি আছিল আৰু আন বহুতেও কান্দি আছিল। মাই একো নকয়। মই সিদিনা একো এটা ধৰিব পৰা নাছিলো। এনেদৰে ৰাতিটো পাৰ হৈ গ'ল। কিছুসময়ৰ পিছত পুষ্পাসজ্জিত বাহন এখনত তুলি মোক মই অধ্যয়ন কৰি থকা মহাবিদ্যালয়খনলৈ লৈ যোৱা হ'ল। আগে-আগে মই উঠা বাহনখন আৰু মোৰ পিছে পিছে অজস্ৰ জনতা। গৈ গৈ শেষত নদীৰ পাৰ পালেহি মোক দাণ্ডি নি কাঠ খৰিৰে সজা এটি চিতাৰ ওপৰত শুৱাই দিয়া হ'ল, ইছ...এতিয়াহে মোৰ মূৰত ধৰিছে। মই আৰু নাই অন্ত পৰিল মোৰ ২১ বছৰীয়া এটি অধ্যায়। পিছে মা-দেউতা, বাইদেউ মোৰ তোমালোকক এৰি যাবৰ মন নাই। আইতাৰ কোলাত আকৌ এবাৰ শুৱলৈ মন গৈছে। মাক সাৱটি ধৰি বাইদেউক খং তুলিব মন গৈছে। মাই হেনো তাইতকৈ মোকহে বেছি মৰম কৰে মোৰ বন্ধু-বান্ধৱী, তোমালোকৰ লগত আকৌ সেই Joke বোৰত জোৰে জোৰে হাঁহিবলৈ মন গৈছে। হে ভগৱান আৰু কিছু সময় দিয়া মোক মোৰ মা-দেউতা পাগল হৈ যাব এতিয়া। পৃথিৱীখন ভালদৰে চোৱাই নহ'ল। বাইদেউৱে বহুত কথা কম কম বুলি মনতে সাঁচি থৈ দিছে মোক ক'বলৈ। বাইদেউৰ কথাবোৰ শুনিবলৈ কিছু সময় দিয়া মোক। মোৰো বাইদেউক বহুত কথা ক'বলৈ বৈয়ে গৈছে। অলপ সময় দিয়া মোক ভগৱান প্লিজ... চিতাৰ জুই দপদপকৈ জ্বলি উঠিল মোৰ প্ৰবল অশ্ৰুধাৰাও বিফল হ'ল তাক আৰু নুমাবৰ উপায় নাই। ক্ষমা কৰিবা পৃথিৱী, মই যাওঁ। পাৰিলে মোক সকলোৱে ক্ষমা কৰি দিবা মা-দেউতা আৰু বাইদেউ মই আহিলোঁ। কিন্তু যোৱাৰ আগতে মই সকলোলৈ এটি প্ৰশ্ন থৈ গ'লো, মই মৰিলো... নে মোৰ মৃত সজোৱা হ'ল? পাৰিলে তাৰ উত্তৰটো বিচাৰি ল'বা আৰু নিজকে এবাৰ চম্ভালিবা। আকৌ এবাৰ সবকে লগ পোৱাৰ আশাৰে, পৃথিৱী বিদায় ল'লো মই।।○

# এখন আকাশ আৰু এমুঠি জোনাক

ভাষ্যাতি দেৱী
স্নাতক দ্বিতীয় বাৰ্ষিক

ততাতৈয়াকৈ যেনিবা ৰূপমৰ লগত ভায়েক ৰাহুল আৰু মাক-দেউতাকে ৰিংকীক বিয়া দিলে কিছু দিন যোৱাৰ পিছত ৰিংকী আৰু ৰূপমৰ মৰমৰ প্ৰতীক স্বৰূপে এজন পুত্ৰ সন্তান আহিল। তেওঁলোকে ল'ৰাজনৰ নাম ৰাখিলে বিকি। এনেকৈয়ে সুখ-দুখ আৰু হাঁহি-ধেমালিৰে তেওঁলোকে দিনবোৰ পাৰ কৰি গৈ থাকিল। বিকি তেতিয়া তৃতীয় মান শ্ৰেণীৰ ছাত্ৰ। নিষ্ঠুৰ নিয়তিয়ে তেওঁলোকৰ হাঁহি-ধেমালিবোৰ সহ্য কৰিব নোৱাৰিলে। এদিন কৰ্মবালৈ যাওঁতে Accedent হৈ ৰূপমৰ মৃত্যু হ'ল আৰু তাতেই আউল লাগিল ৰিংকীৰ জীৱনৰ।

ৰূপমৰ মৃত্যুৰ পিছত ৰূপমৰ ঘৰখনে তাইক যেন ভাল নোপোৱা হৈ আহিল, তাইক দিনে দিনে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। তথাপিও তাই সহ্য কৰিছিল যদিও দিনক দিনে অত্যাচাৰ বাঢ়ি যোৱাত তাইৰ সহ্য কৰিব পৰা শক্তি নোহোৱা হৈ গ'ল। আনকি বিবেকহীন বৰুৱা পৰিয়ালে বিকিৰ প্ৰতিখন বিস্কুটৰ হিচাপ ৰাখিবলৈ ধৰিলে। ৰিংকিৰ যেন দিন নাযায়, ৰাতি নুপুৱায়। সিহঁতৰ যেন ৰিংকীক ঘৰৰ পৰা খেদি পঠিওৱাৰ ইচ্ছা। সেই বৰুৱা পৰিয়ালে এবাৰলৈ চিন্তা নকৰিলে এতিয়া তাই ক'লৈ যাব, ক'ত থাকিব? উপায়বিহীন হৈ তাই থিৰাং কৰিলে যে তাই ঘৰ এৰি চহৰলৈ যাব আৰু তাতেই তাই কিবা এটা কৰিব। আৰ্থিক অৱস্থা বেয়া হেতুকে তাই নিজৰ ঘৰলৈও যাব নোৱাৰে।

এদিন ৰিংকীয়ে বিকিক লৈ চহৰলৈ গ'ল আৰু প্ৰথমে তাই এজনী বান্ধৱীৰ ঘৰত থাকিবলৈ ল'লে। কেইদিন মান বান্ধৱীজনীৰ ঘৰত থাকিল আৰু তাৰ পিছত তাই এটা ঘৰ ভাড়ালৈ ল'লে। তাই ভাবিলে মই চলিবলৈ হ'লে কিবা নহয় কিবা কৰিবই লাগিব' আৰু ওচৰৰে এটা কোম্পীনীত তাই কাম কৰিবলৈ ধৰিলে। কিছুদিন এনেকৈয়ে গ'লত ৰিংকিক যেন ৰূপমৰ কিছুমান কথাই আমনি কৰিব ধৰিলে। সেইবোৰৰ পৰা আঁতৰি থাকিব খুজিলেও তাইক যেন সেইবোৰে হেঁচা মাৰি ধৰে। ৰূপমৰ ইচ্ছা আছিল তেওঁৰ পুত্ৰক ডাক্তৰ কৰা। তাই ভাবিলে, মই জানো ইমান সাহস কৰিব পাৰিম। বিকিক পঢ়াব-শুনাব পাৰিম? বিকিৰ বাহিৰে তাইৰ জীৱনত আৰু কোনো নাই, তাই থিৰাং কৰিলে যে তাই যিমান পাৰে কষ্ট কৰি বিকিক পঢ়ুৱাব।

কোম্পানীত কাম কৰিবলৈ লোৱাত তাইৰ বহুত কষ্ট হৈছিল। এইফালে কোম্পানীত কিছুমান অসৎ প্ৰবৃত্তিৰ নৰখাদক মানুহে তাইৰ দুৰ্বলতাৰ সুযোগ লৈ কিছুমান নকৰিবলগীয়া ব্যৱহাৰ কৰে। তথাপিও তাই পুত্ৰৰ মুখখন চাই সেইবোৰ সহ্য কৰি যায়। তাইৰ লক্ষ্যই আছিল বিকিক মানুহ কৰা।

এনেকৈ দিন গৈ আছে, এদিন হঠাতে ৰিংকীয়ে লগ পালে প্ৰীতমক। প্ৰীতম হৈছে এজন আৰ্ট শিক্ষক। কথা-বতৰা হোৱাৰ পিছত ৰিংকীয়ে প্ৰীতমক বিকিক আৰ্ট শিকাবলৈ মাতিলে। বিকিৰ আৰ্ট শিকাৰ খুব আগ্ৰহ আছিল। এনেকৈ আহ-যাহ হোৱাৰ ফলত ৰিংকী আৰু প্ৰীতমৰ ঘনিষ্ঠতা বাঢ়িল। সি ৰিংকীৰ প্ৰতিটো সুখ-দুখ বিপদ-আপদত অংশ গ্ৰহণ কৰিবলৈ ধৰিলে। আকৌ, বিকিকো প্ৰীতমে নিজৰ দেউতাকৰ নিচিনা মৰম কৰিবলৈ ধৰিলে। ইমান কম বয়সতে এজনী ছোৱালীৰ এনেকুৱা অৱস্থা দেখি প্ৰীতমৰ বহুত দুখ লাগিছিল। আৰু সি এদিন হঠাতে ৰিংকীক প্ৰস্তাৱ দিছিল যে, প্ৰীতমে ৰিংকীৰ শিৰত তাৰ নামৰ সেন্দুৰ পিন্ধাই বিকিক অভাৱনীয় পিতৃৰ মৰম দিব বিচাৰে। ৰিংকীয়ে কিন্তু সেই প্ৰস্তাৱ মানি লোৱা নাছিল। তাই কৈছিল, মই অসমীয়া বোৱাৰী, প্ৰীতম, দ্বিতীয় বিবাহ মোৰ কাৰণে পাপ কাম হ'ব। ৰিংকীয়ে তাৰ প্ৰস্তাৱ মানি নল'লে।

বিকি এতিয়া উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। সি মাকৰ সকলো দুখ যান্ত্ৰণাৰ কথা বুজি পোৱা হৈছে। মাকে যে তাৰ অনুপস্থিতিত ৰূপমৰ ফটোখন চাই কান্দি থাকে সেয়া সি নিজে

চকুৰে দেখিছে। দেউতাকৰ অনুপস্থিতিত অকলশৰীয়া অনুভৱ কৰে। সি প্ৰায়ে অনুভৱ কৰি আহিছে। সি ভাবিলে, ময়ে কিবা এটা কৰিব লাগিব। তেনে ক্ষেত্ৰত প্ৰীতম ছাৰে দিয়া প্ৰস্তাৱটো মায়ে মানি ল'ব লাগিছিল। সি ভাবিলে সি মাকক বুজাব।

এনেকৈ কেইদিনমান যোৱাৰ পিছত এদিন বিকিয়ে সুযোগ বুজি মাকক ক'লে মা তুমি প্ৰীতম ছাৰে দিয়া প্ৰস্তাৱটো কিয় মানি নল'লা? তুমি দেখোন দেউতাৰ অবিহনে সকলো সময়তে অকলশৰীয়া অনুভৱ কৰা। মা বিধবা বিবাহ কোনো পাপ কাম নহয়। মা দেউতাৰ ইচ্ছা আছিল মোক ডাক্তৰ কৰা, এই অৱস্থাত মই ডাক্তৰ হ'বলৈ হ'লে তোমাক সাহস দিবলৈ, তোমাক প্ৰেৰণা দিবলৈ তোমাৰ জানো এজন মানুহৰ প্ৰয়োজন নাই? তাতে প্ৰীতম ছাৰে নিজেই শিৰত সেন্দুৰ পিন্ধাব বিচাৰিছে তাত তুমি কিয় আপত্তি কৰিব লাগে মা? মই ডাক্তৰ নহ'লে জানো দেউতাৰ আত্মাটোৱে শান্তি পাব? আৰু তোমাৰ এই উকা কঁপালখন দেখিও দেউতাৰ আত্মাটোৱে শান্তি নাপাব মা। গতিকে তুমি ছাৰৰ প্ৰস্তাৱটো মানি লোৱা।' বিকিৰ মুখত এনে কথা শুনি ৰিংকীয়ে হুকহুকাই কান্দি দিলে। তাৰ পিছত ৰিংকীয়ে কোঠাৰ খিৰীকিখন খুলি দিলে। বাহিৰৰ পৰা অহা বতাহ জাকে সকলোৰে দেহমন শান্ত কৰি তুলিলে।○

ধ্বংস যিহেতু সুনিশ্চিত সেই বাবে সজ কথাত জীৱন উছৰ্গা কৰিবা।

— স্বামী বিবেকানন্দ

প্ৰেমেই অসম্ভৱকো সম্ভৱ কৰে, সকলো দুৰ্গম ঠাইৰ দ্বাৰ খুলি দিয়ে, জগতৰ সকলো ৰহস্যৰ দ্বাৰ উন্মোচন কৰি দিয়ে।

— স্বামী বিবেকানন্দ

আমাক লাগে শক্তি সেয়েহে নিজৰ ওপৰত বিশ্বাস ৰাখক আমাক লাগে লৌহ সম মাংস পেশী আৰু তীখা সম স্নায়ু।

— স্বামী বিবেকানন্দ

সংসাৰ ল'ৰা ধেমালি নহয়, যি নিজৰ বুকুৰ তেজ দি পথ তৈয়াৰ কৰি যায়, তেওঁলোকেই মহৎলোক।

— স্বামী বিবেকানন্দ

আমি নিজেই অধঃপাতে গৈছো; কিন্তু মনতে ভাবো যে সংসাৰখন অধঃপাতে গ'ল।

— স্বামী বিবেকানন্দ

আন মানুহৰ সুখ-দুখ আৰু লাভ-লোকচানক যিয়ে নিজৰ বুলি চিন্তা কৰিব পাৰে তেওঁকেই মানুহ বোলা উচিত।

— স্বামী বিবেকানন্দ

# মথনী উৎসৱ

জুৰিমা কলিতা

অসমৰ বিভিন্ন উৎসৱ-পাৰ্বনৰ অন্তৰ্গত "মথেনী" উল্লেখযোগ্য উৎসৱ। "মথেনী" বা "মথনী" সংস্কৃতৰ মন্থৰ শব্দৰ পৰা উৎপত্তি হৈছে। সংস্কৃতত মন্থন+ইকা=মথনী, মথন+ঈ=মথেনী।

প্ৰতিবছৰে দৰং জিলাৰ ইতিহাস প্ৰসিদ্ধ দেৱানন্দ সত্ৰত আহিন কাতি মাহৰ দোমাহীৰ দিনা অৰ্থাৎ কাতি বিহুৰ দিনা এই উৎসৱ উদ্‌যাপন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত দামোদৰ দেৱৰ নিৰ্দেশানুক্ৰমে দেৱানন্দ সত্ৰ প্ৰতিষ্ঠিত হৈছিল। এই সত্ৰৰ মণিকূটৰ শ্ৰীশ্ৰীঅনন্ত শয্যাশায়ী বাসুদেৱ নাৰায়নৰ বিগ্ৰহ প্ৰতিষ্ঠিত দেৱানন্দ সত্ৰৰ সত্ৰাধিকাৰী সকল অসমীয়া কলা-কৃষ্টিপ্ৰেমীক। "মথেনী" উৎসৱৰ সময়ত মানুহেৰে সেই ঠাই ভৰি থাকে।

"মথেনী উৎসৱত দেৱতা-দানৱৰ সাগৰ মন্থন বিষয়ক মিথ বা পুৰাণ কথা, গীত-নৃত্য বাদ্য আদিৰ সহায়ত প্ৰদৰ্শন কৰা হয়। দেৱতা-দানৱৰ সাগৰ মন্থন কাহিনী ভাগ এনেধৰণৰ — দুৰ্বাসাৰ অভিশাপত স্বৰ্গৰাজ্যৰ পৰা লক্ষ্মী ভ্ৰষ্ট হোৱা হেতু দেৱতাসকল নানা বিপদৰ সন্মুখীন হ'বলগীয়া হ'ল। অনাহাৰ, অনিদ্ৰাত তেওঁলোকৰ দিন যাবলৈ ধৰিলে। ইফালে অসুৰবোৰৰ হাতত দেৱতাসকল বাৰে বাৰে পৰাজিত হ'ল। ইয়াৰ প্ৰতিকাৰ বিচাৰি দেৱতাসকলে ব্ৰহ্মাৰ ওচৰত শৰণ ল'লে। ব্ৰহ্মাই প্ৰতিকাৰৰ কোনো উপায় দিব নোৱাৰিলে। ব্ৰহ্মাদি দেৱতাসকল বিষ্ণুলোকলৈ গৈ বিষ্ণুৰ চৰণ ল'লে। দেৱতা আৰু দানৱ উভয়ে মিলি ক্ষীৰ সাগৰ মন্থন কৰিবলৈ দেৱতাসকলক বিষ্ণুৱে নিৰ্দেশ দিলে। মন্দৰ পৰ্বত হ'ল মথনী দণ্ড, বাসুকি নাগ হ'ল সমনী দণ্ডৰ ৰছী। বিষ্ণুৱে কুৰ্ম অৱতাৰ গ্ৰহণ কৰি মন্দৰ পৰ্বত বহন কৰিলে। দেৱতাসকলে বাসুকিৰ নেগুৰৰ ফালে আৰু দানৱসকলে বাসুকিৰ মুখৰ ফালে ধৰি সাগৰ মন্থনত প্ৰবৃত্ত হ'ল। এইদৰে সাগৰ মন্থন কৰোতে কৰোতে কালকূট হলাহল বিষ, কামধেনু উচ্চৈঃ শ্ৰৱা ঘোঁৰা, ঐৰাৱত, পাৰিজাত পুষ্প কৌস্তুভ মণি অপেস্বৰাসকল, লক্ষ্মী দেৱী আৰু সৰ্বশেষত দুই হাতত অমৃত পূৰ্ণ দুটা ঘটলৈ বৈদ্য ধন্বন্তৰি সাদৰৰ মাজৰ পৰা উঠি আহিল। দানৱসকলে ধন্বন্তৰিৰ হাতৰ পৰা অমৃতপূৰ্ণ ঘট দুটা কাঢ়ি নিলে। তেতিয়া "ভকত ভয়হাৰী" বিষ্ণুৱে মোহিনী নাৰী মুৰ্ত্তি পৰিগ্ৰহ কৰি দানৱসকলক মোহাবিষ্ট কৰি সেই অমৃতৰ পৰা সিহঁতক বঞ্চিত কৰি দেৱতাবৃন্দক ভক্ষণ কৰালে। ইয়াৰ পিছত দেৱতা আৰু দানৱৰ ভিতৰত ভীষণ সংগ্ৰাম হ'ল। সেই সংগ্ৰামত দানৱসকলে পৰাজয় বৰণ কৰে। এই কাহিনীটোকেই "মথেনী উৎসৱ"ত কায়িক অভিনয়ৰ সংযোগত প্ৰদৰ্শন কৰা হয়। দেৱানন্দৰ সত্ৰাধিকাৰী সকলে পাল পাতি প্ৰতি বছৰে এই উৎসৱ পালন কৰে। আহিন-কাতিৰ দোমাহিৰ কেইবাদিনমান আগৰে পৰা তেওঁলোক মথেনী উৎসৱৰ বাবে কৰ্ম ব্যস্ত হৈ পৰে। এই উদ্দেশ্যৰে সত্ৰৰ সমীপস্থ প্ৰাঙ্গনত এখন প্ৰকাণ্ড ৰভা দিয়ে। মথেনী উৎসৱৰ দিনাখনে ৰাতিপুৱাৰে পৰা সত্ৰখনত বিষ্ণু পূজা, হোম পাঠ আৰু নাম কীৰ্ত্তন অনুষ্ঠিত হয়। ৰাতিপুৱা ৬ মান বজাৰপৰা সত্ৰৰ সমীপৰ মুকলি পথাৰত ডাঙৰ মেলা বহে। এই মেলাত দহ-বাৰ হাজাৰ মানুহৰ সমাগম হয়। মেলাত বিভিন্ন ধৰণৰ বয়-বস্তু কিনা-বিকা কৰে। সত্ৰৰ ওচৰতে থকা মুকলি প্ৰাঙ্গণত য'ত ৰভা দিয়া হয়, তাৰ পুবফালে ৰভাৰ ভিতৰতে সাগৰ-মন্থনৰ অভিনয় অনুষ্ঠিত হয়। প্ৰায় ৩০ বৰ্গ গজমান ঠাই আগুৰি কলচতিয়া চকুত লগাকৈ পাৰি দিয়ে। ইয়াৰ সোঁমাজতে ডাঙৰ আৰু দ' গাত এটা প্ৰস্তুত কৰি তাত কলহ এটা পুতি তাৰ মাজত চক্ৰ এটা স্থাপন কৰি তাত মথনীৰ দণ্ড প্ৰতিষ্ঠা কৰে। মথনী দণ্ড প্ৰায় ১০/১২ হাত দীঘল। তাৰ ওপৰত নানা ৰঙচঙীয়া চাৰিখন ধনু আঁৰি দিয়ে। মথনী দণ্ডৰ প্ৰায় ৬ হাতমান আতৰে আতৰে চাৰিটা ডাঙৰ ডাঙৰ খুটা পোতে আৰু এই খুটাকেইটা কলচতিয়াৰে মেৰাই দিয়ে। মথনীৰ দণ্ডত কিটিপ কৰি ৫০/৬০ হাত দীঘল আৰু শকত জৰী এডাল এনেদৰে লগাই দিয়া

হয় যাতে জৰীডালৰ এটা মূৰত ধৰি টানিলে মথনী দণ্ডডাল তীব্ৰভাৱে ঘূৰে। মথনী দণ্ডৰ সোঁমাজতে ওপৰৰ ৰভাত এখন চামৰযুক্ত বগা চন্দ্ৰতাপ আৰি দিয়া হয়। এটা মাটিৰ পাত্ৰত দধি, দুগ্ধ, ঘৃত, মধু আৰু শৰ্কৰা অৰ্থাৎ পঞ্চামৃত মিশ্ৰিত জহা চাউলৰ পিঠাগুৰি মথনীৰ দণ্ডৰ ওপৰতে আৰি থয় অমৃত ৰূপ। ওপৰত উল্লেখ কৰা দ' গাতটো ক্ষীৰদধি সাগৰ, চক্ৰটো কূৰ্মৰূপলী বিষ্ণু, দণ্ডডাল মন্দৰ পৰ্বত আৰু জৰী ডাল বাসুকি নাগৰ প্ৰতীক।

কাতি বিহুৰ আগদিনা গধূলি সেইবাৰ মথেনীৰ পাল পৰা গোসাঁই পৰিয়ালৰ বৰঘৈণী আৰু কেইগৰাকীমান মহিলাই কাষত ঘট লৈ উৰুলি জোকাৰ দি আৰু পানী তোলা পদ গাই গাই নদী নাইবা পুখুৰীৰ দৃশ্যৰ লগত ইয়াৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। এইদৰে পানী তুলি আনি মথনীৰ দণ্ডৰ বা শালৰ তলত পোতা কলহটোত আনুষ্ঠানিকভাবে বাকী দিয়ে। লগতে "যৎ সামান্য কনক" আৰু এযোৰ তামোল পান দি আগঘট লোৱা মহিলাগৰাকীয়ে অৰ্থাৎ বৰঘৈণীয়ে প্ৰণাম কৰি মথনীৰ দণ্ডত ইতিমধ্যে সংযোগ কৰি থোৱা জৰীত ধৰি তিনিবাৰ দধি মথনৰ অভিনয় কৰি মহিলাসকলৰ লগত ঘৰলৈ যায়। ইয়াৰ পাছত প্ৰায় সমবয়সীয়া ল'ৰা চাৰিজন সাজি কাছি আহে আৰু তেওঁলোকৰ লগে লগে নাম গোৱা দলটোও আহে। নাম-গোৱা দলটোও আহে। নাম গোৱা দলটোৱে তাল আদি বাদ্য বজাই ল'ৰা কেইজনৰ জৰিয়তে মথনী চক্ৰৰ চাৰিওফালে ঘূৰি ঘূৰি তিনিবাৰ প্ৰদক্ষিণ কৰে। নাম লগোৱা দলটোৱে দধি মথনৰ পদ, তাল আৰু চাপৰিৰ সহায়ত গাবলৈ আৰম্ভ কৰাৰ লগে লগে ল'ৰা চাৰিজনে, মথনী দণ্ডত লগাই থোৱা জৰীত ধৰি তাল-চাপৰি আৰু পদৰ ছেৱে ছেৱে নাচি নাচি দধি মথাৰ অভিনয় প্ৰদৰ্শন কৰে। এইদৰে দধি মথন আৰু সাগৰ মথন উৎসৱৰ আৰম্ভণি সূচীত হয়। পিছদিনা অৰ্থাৎ কাতি দোমাহীৰ দিনা আবেলি পূৰ্বৰ ল'ৰা চাৰিজনে স্ত্ৰীবেশ গ্ৰহণ কৰি নাম গোৱা দলটো আৰু অন্যান্য মানুহৰ সৈতে মথনী দণ্ডৰ ওচৰলৈ আহি সৰ্বপ্ৰথমে দণ্ডক তিনিবাৰ প্ৰদক্ষিত কৰি জৰীত ধৰি দধি মথনৰ অভিনয় কৰে। নাম গোৱা দলটোৱে তাল আৰু চাপৰি বজাই দধি মথনৰ পদ গায়।

সাগৰ মন্থনৰ অভিনয় ঃ সেইদিনা ৰাতি ৮ মান বজাত মূল কৃত্য সাগৰ মন্থনৰ অভিনয় আৰম্ভ হয়। আৰম্ভণিতে নাম ধৰা দলে আগৰ দৰে পদ গায়। পদ গোৱাৰ পিছতে সত্ৰৰ বয়োবৃদ্ধ আৰু জ্ঞান প্ৰবীণ লোকসকলে পবিত্ৰ ধুতি বস্ত্ৰ পিন্ধি তালসহ প্ৰৱেশ কৰে। এওঁলোকৰ মাজেৰে এগৰাকী সত্ৰীয়াই ধুতি-চাদৰ পিন্ধি হাতত চোৰব লৈ দলটোৰ আগত স্থান লয়। এওঁক বোলে সূত্ৰধাৰ। সূত্ৰধাৰে কথা আৰু গীতৰ সহায়ত বিষ্ণুৰ বন্দনা, সাগৰ-মন্থনৰ কাৰণ, সাগৰ-মন্থন আদি বৰ্ণনা কৰে। যেনে—

সূত্ৰ ঃ প্ৰথমে দ্বিতীয় সূত্ৰ সম্বাদ, তৃতীয় সৰ্গ, চতুৰ্থত বিসৰ্গ, পঞ্চমে স্থান, অষ্টমে পোষণ, তিনি অধ্যায়ে গজেন্দ্ৰ উপাখ্যান কহি। যিয়ো অৱতাৰ হুয়া ক্ষীৰ সাগৰ মথাইল তাক মোক বৃত্তান্ত কৰি কহা। শুকে কহন্তঃ ৰম্ভা বিদ্যাধৰীক ইন্দ্ৰে আপোনাৰ পিন্ধা মালা দিলা। দুৰ্বাসা পথত যাহন্তে ৰম্ভাত খুজি সোহি মালা লৈলা। দুৰ্বাসাই সেহি মালা দি ইন্দ্ৰক আশীৰ্বাদ কৰিলা। ইন্দ্ৰ আপোনাৰ মালা জানি ঐৰাৱতৰ স্কন্ধে থৈলা হস্তীয়ো সেহি মালা গৰ্কিবাক লৈলা। তাক দেখি দুৰ্বাসাই শ্ৰীহত হৌক বুলি অভিশাপ দিলা। অভিশাপ পায়া পাছে দেৱগণ ব্ৰহ্মাৰ স্থানক গৈলা। ব্ৰহ্মা দেৱগণ সমে বিষ্ণুৰ স্থানক গৈলা। কৃষ্ণক স্তুতি আৰম্ভিলা। তাক জানি সৰ্বজনে হৰি বোল হৰি।

দিহা ঃ আহে মাধৱ স্বামী কৰিয়োক দায়া।
তোমাক প্ৰণাম কৰো দূৰ কৰা মায়া।।
পদ ঃ তুমিসে সৰ্বজ্ঞ সৰ্ব জগত কাৰণ।
আমি দেৱগণে লৈলো তোমাৰ শৰণ।।
তোমাক পূজিবে তপ-জপ-যজ্ঞ কৰি।
কহে সতানন্দ দ্বিজে চৰণত ধৰি।।

কথা ঃ এহি বুলি বলি মনথিৰ কৰি সাজু ভৈলা যুজিবাক কৃষ্ণৰ চৰণে পশিলো শৰণ। সতানন্দে এহি গায়। ভকতি বিনাই কাৰো গতি নাই। হৰি হৰি বোলা ভাই। সাগৰ মন্থনৰ উপৰোল্লিখিত নাট্যগুণ বিশিষ্ট বৰ্ণনাংশৰ বিষয়বস্তুক দৃশ্য ৰূপ দিয়া নহয়, কেৱল সাগৰ মন্থনাংশৰহে দৃশ্যৰূপ প্ৰদৰ্শন কৰা দেখা যায়। ইয়াৰ বাকী অংশ মাত্ৰ শ্ৰব্য ৰূপতহে সূত্ৰধাৰ আৰু তেওঁৰ সংগীসকলে তাল আৰু চাপৰি বজাই অংগী-ভংগী আৰু নৃত্য ভংগীমাৰ সৈতে আবৃত্তি কৰে।

আবৃত্তিৰ অন্তত সত্ৰীয়া গোস্বামীসকলৰ পুত্ৰ পৌত্ৰাদিয়ে গা-মূৰ বগা কাপোৰ পিন্ধি মথনী দণ্ডৰ দক্ষিণফালে থিয় হৈ মথনীদণ্ডত সংযোজিত জৰীৰ এটা মূৰত ধৰে। তেওঁলোক হ'ল দেৱতা। এইদৰে এই সত্ৰৰে শিষ্য-প্ৰশিষ্যসকলে ক'লা পোছাক পিন্ধি মূৰত নানা ধৰণৰ টুপি পিন্ধি মথনী দণ্ডৰ উত্তৰ ফালে আহি দণ্ডত লগাই থোৱা জৰীডালৰ আনটো মূৰত ধৰে। তেওঁলোক হ'ল অসুৰ। অসুৰবিলাকে চিঞৰ-বাখৰ আৰু হুলস্থুল কৰি সাগৰ মন্থন কৰিবলৈ আৰম্ভ কৰে। আনহাতে দেৱতাসকলে ধীৰ-স্থিৰভাৱে মন্থন কাৰ্য্যত প্ৰবৃত্ত হয়। দৈত্যসকলে কেতিয়াবা নিয়ন্ত্ৰণৰ বাহিৰ হৈ যাবলৈ উপক্ৰম কৰে। দেৱতা আৰু অসুৰ দুয়োপক্ষই জৰীত ধৰি বলপূৰ্বক মথনীৰ দণ্ড চক্ৰকাৰে ঘূৰুৱা হেতু মাজে মাজে জৰী চিঙি যায়। তেনে অৱস্থাত দৈত্যসকলে 'হুক', 'হুম', 'হুম' কৰি

মণ্ডপৰ চাৰিওফালে ঘূৰি ঘূৰি পুনঃ মথনীজৰীত ধৰেহি। দৈত্যসকলে সাগৰ মথনক স্থানীয়ভাৱে বোলে 'দৈত্য উঠা আৰু জৰী চিঙি মণ্ডপৰ চাৰিওফালে হুক, হুক বা হুম হুম কৰি দৌৰি ফুৰা অৱস্থাক বোলে 'দৈত্যই হুহি দিয়া'। ইয়াৰ লগে লগে 'দধি মথন' আৰু 'সাগৰ মথন' কৃত্যৰ সামৰণি পৰে। দধি মথন আৰু সাগৰ মথন অভিনয়ৰ সামৰণি পৰাৰ লগে লগে খুলীয়া ভাওৰীয়া উঠে। গোটেই নিশাটো খুলীয়া ভাওৰীয়া অনুষ্ঠান অনুষ্ঠিত হয়। মথেনীৰ সমস্ত খৰচ বহন কৰে সত্ৰীয়া গোস্বামীসকলে পাল পাতি। মথেনী উৎসৱ পালন আৰু দৰ্শন কৰিলে পুণ্য সিজে। সেয়েহে দহো বন কাটি কৰি থৈ সমগ্ৰ দৰঙৰ লোকে খোজ কাঢ়ি আহিও মথেনী উৎসৱত যোগ দিয়ে। মথেনী উৎসৱৰ লোকপ্ৰিয়তা কেৱল দৰঙতে সীমিত নহয়, পূৱ কামৰূপ, নগাঁও, শোণিতপুৰ আদি জিলা পৰ্য্যন্ত ইয়াৰ সমাদৰ বিস্তৃত। লোক সমাজৰ দৃষ্টিত সাগৰ মন্থনৰ জৰিয়তে ধন দৌলত ঐশ্বৰ্য্য-বিভূতিৰ দেৱী লক্ষ্মী আৰু দুখ-শোক, বেমাৰ-ব্যাধি, মাৰি-মৰক আদিৰ নিৰাময়ক অমৃত উত্থিত হোৱাৰ দৃশ্যাভিনয় দৰ্শন আৰু শ্ৰৱণ কৰিলে দুখ-যন্ত্ৰনা, অভাৱ-অনাটন, মাৰি-মৰক বিদূৰিত হয়। মুঠতে কল্যাণ কামিতা মথেনী উৎসৱৰ মূল লক্ষ্য। মথনী দণ্ডৰ জৰীৰ খণ্ড এটি ঘৰলৈ আনিব পৰাটো সৌভাগ্যজনক বুলি বিশ্বাস কৰে। কাতি বিহুৰ পিছতেই আঘোণ মাহ, লখিমী আদৰাৰ বতৰ। লখিমী আদৰাৰ পূৰ্বেই লখিমী আবিৰ্ভূতা হোৱা কাহিনীৰ দৃশ্যাভিনয় পথাৰৰ লখিমীক সন্তুষ্ট কৰি পাৰে— এনে এটা বিশ্বাস যে মথনী উৎসৱত অন্তৰ্নিহিত হৈ থকা নাই তেনেও নহয়। মুঠতে প্ৰজনন কৃত্যৰ লগতে মথনী উৎসৱৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি।○

---

একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনা সদায় সফল হয়।

— মহাত্মা গান্ধী

প্ৰেমে প্ৰতিদান দাবী নকৰে, ই সদাই দানহে কৰে।

— মহাত্মা গান্ধী

যি আনৰ সৰ্বনাশৰ চেষ্টা কৰে, সি নিজৰ সৰ্বনাশ মাতি আনে।

— মহাত্মা গান্ধী

মোৰ জীৱনে মোৰ দৰ্শন।

— মহাত্মা গান্ধী

আনৰ দোষ বিচৰাতকৈ নিজৰ ভুল সংশোধন কৰা।

— মহাত্মা গান্ধী

ভোগতকৈ ত্যাগ ভাল, খোৱাৰ কাৰণে জীৱন নহয়, জীৱন ৰক্ষাৰ কাৰণেহে খাব লাগে।

— মহাত্মা গান্ধী

# অভিমান

নিশা কলিতা

নীল, তুমি মোক সঁচাকৈ ভাল পোৱানে?

নীলৰ ওচৰত বহি লৈ হাত এখনত ধৰি ৰিমে সুধিলে।

"কিয়? এতিয়াও বিশ্বাস হোৱা নাই তোমাৰ?" নীলে ৰিমৰ মূৰত হাতখন দি ক'লে। "বাৰু মই যদি মৰি যাওঁ তুমি কি কৰিবা?"

"ৰিম, তুমি মোক কিয় সদায় এইবোৰ কথা কৈ থাকা? তুমি নাথাকিলে মই জীয়াই থাকিব পাৰিম বুলি ভাবিছা নেকি?"

"কিন্তু চাবা, তুমি যদি মোৰ জীৱনৰ পৰা গুচি যোৱা মই এই পৃথিৱীৰ পৰাই গুচি যাম। তোমাক এৰি মই এক মুহূৰ্ত্তও জীয়াই থাকিব নোৱাৰো।"

"ধেৎ পাগলী। মই বাৰু তোমাক এৰি কিয় গুচি যাম? এতিয়া এই যিকোনো কথাবোৰ ভবাটো বাদ দিয়া। গধূলি হ'লেই।" ৰিমৰ কপালত মৰমেৰে চুমা এটা দি হাতত ধৰি উঠাই দিলে।

গধূলিৰ পাতল আন্ধাৰৰ মাজেৰে নীল আৰু ৰিম হাতত ধৰা-ধৰিকৈ চহৰৰ পাৰ্কখনৰ পৰা গুচি আহিল। নীলোৎপল দত্ত চহৰৰ এটা ডাঙৰ জনাজাত পৰিয়ালৰ ল'ৰা। ঘৰত সকলোৱে মৰমত নীল বুলি মাতে। ঘৰত মাক-দেউতাক, দাদাক আৰু নীল। দাদাক দিল্লীৰ ডাঙৰ মেডিকেল এখনত চাকৰি কৰে আৰু পৰিয়াল লৈ তাতেই থাকে। ঘৰৰ সৰু ল'ৰা বাবে সৰুৰে পৰা বহুত মৰম-চেনেহ পাই নীল বহুত জেদী, খঙাল আৰু অভিমানী হ'ল। ইয়াৰ মাজতে নীলৰ জীৱনলৈ ৰিমৰ আগমন ঘটিল।

ৰিম হাজৰিকা উচ্চপদস্থ চৰকাৰী চাকৰিয়াল দিলীপ হাজৰিকাৰ ডাঙৰ ছোৱালী। ৰিমৰ ঘৰত মাক-দেউতাক, ভনীয়েক ৰিয়া আৰু ৰিচিতা বুলি মাতে। চাৰি বছৰ আগতে ৰিমহঁত আহি এই চহৰখন পাইছিল। বৈচিত্ৰ্যহীন আছিল ৰিমহঁতৰ জীৱন। আজি দুবছৰ আগতে নীল আহি ৰিমৰ জীৱন ভৰাই পেলালে। দুবছৰ আগতে ব'হাগ বিহুৰ সময়ত এখন সাংস্কৃতিক অনুষ্ঠানত ৰিম আৰু নীলৰ চিনাকী হৈছিল। ৰিমাৰ বন্ধু দিপৰ বন্ধু আছিল নীল। অনুষ্ঠানত ৰিমক দেখি দিপেই নীলৰ লগত চিনাকি কৰাই দিছিল। নীলৰ কথা বতৰা আৰু বিশেষকৈ চকুৰ চাৱনীটোৱে প্ৰথম চিনাকিৰ সময়তে ৰিমক আকৰ্ষণ কৰিছিল। তাৰোপৰি নীলৰ হুলস্থুলীয়া সৰু ল'ৰাৰ দৰে ব্যৱহাৰেও ৰিমক ক'ব নোৱাৰাকৈ আকৰ্ষণ কৰিছিল। নীলেও ৰিমৰ ধুনীয়া চকুযুৰিৰ মাজত যেন হেৰাই যাব বিচাৰিলে।

লাহে লাহে দুয়োৰো মাজত বন্ধুত্বই গঢ় লৈ উঠিল। ৰিমে মনে মনে নীলৰ প্ৰেমত পৰিব ধৰিলে; কিন্তু তাইৰ দৰে গহীন আৰু লাজকুৰীয়া ছোৱালী এজনীয়ে জানো মুখ খুলি ক'ব পাৰে। এদিন নীলেই ক'লে— "ৰিম মই যদি তোমাক ভাল পাওঁ বুলি কওঁ তুমি কি ক'বা?"

লাজত ৰঙা পৰি তাই মাথো ক'লে, "তুমি যদি সঁচাকৈ কৈছা তেনেহ'লে মোৰ ফালৰ পৰা ইয়েচ বুলি ভাবিবা।"

তাৰ পাছৰ পৰাই দুয়ো দুয়োৰে মাজত সোমাই পৰিল। সিহঁত দুটাৰ কথা ঘৰৰ বাহিৰেও চহৰৰ সকলোৱে গম পালে। দুয়োখন ঘৰেই কথা দিলে নীলৰ চাকৰি এটা হ'লেই দুয়োৰো বিয়া পাতি দিব। এনেকৈয়ে আৰু এবছৰ গ'ল।

"ৰিম, নীল ক'ত গ'ল অ'? বহুদিন দেখা নাইচোন। তুমিও মন মাৰি আছা।" ৰিমৰ বান্ধৱী তৰালীয়ে সুধিলে।

"নাজানো ক'ত গ'ল। মই কোন হওঁ ক'ৰবালৈ গ'লে যে মোক কৈ যাব? বহুদিন হ'ল ময়ো লগ পোৱা নাই।" ময়ো লগ পোৱা নাই অভিমানত সেমেকা চকুযুৰিৰে ৰিমে উত্তৰ দিলে।

"ৰিম, তোমালোকৰ কিবা লাগিছে নেকি?" তৰালীয়ে সন্দেহত ক'লে।

"জানা তৰালীবা, দুদিনমান লগ নাপাওতেই বাইদেৱে আজি সংগীবিহীন, উদাসীন ক্লান্ত পথিক গানটো শুনা আৰম্ভ কৰিছে। পাছত যে আৰু কি নুশুনিব। বায়েকৰ লগত বজাৰ কৰিব অহা ৰিয়াই তৰালীৰ আগত ক'লে।

"ৰিয়া, তুমি কিন্তু মাৰ খাবা দেই। মইনো কি দুখত আছো। গানটো

ভাল লাগে কাৰণেহে শুনো। ৰিমে লাজত ৰিয়াক গালি পাৰিলে।

"বাৰু হ'ব দিয়া, এতিয়া বজাৰৰ মাজত দুয়োটাই কাজিয়া কৰিব নালাগে আৰু চিন্তা নকৰিবা। নীল কিবা কামত গৈছে চাগৈ, আহিব নহয়। বাৰু মই যাওঁ তোমালোক যাবা। তৰালী গ'ল আৰু ৰিমহঁত দোকানত সোমাল।

নীলৰ ব্যৱহাৰ দেখি ৰিম আচৰিত হৈ গৈছে। নীলৰ বাৰু কি হৈছে? আগতে সি কেতিয়াও এনেকুৱা নাছিল। যিজন নীলে এদিনত এবাৰ ৰিমক নেদেখিলে খং অভিমানত ক'ব নোৱাৰা হৈ যায়, সেইজন নীলে আচলতে আজিকালি কৰে কি, ক'লৈ যায় তাইক ক'বলৈ প্ৰয়োজনবোধ নকৰা হ'ল। ৰিমে তাক কিবা সুধিবলৈয়ো লগ নাপায়। কিন্তু লগ পালেও সলনি হোৱাৰ কথা সুধিবৰ উপায় নাই কাৰণ আগৰ দৰেই হুলস্থুল কৰে। গতিকে তাই কি সুধিব?

"ৰিম, অকলে অকলে কি ভাবি আছা।" মাকৰ মাত শুনি ৰিম উচপ খাই উঠিল।

"নাই মা, এনেয়ে আছো।"— তাই ক'লে। "ৰিম, নীলক বহুত দিন যে দেখা পোৱা নাই? তই লগ পাইছনে?"

"মা, কোনোবা থাকক বা নাথাকক, মই কেনেকৈ লগ পাম? মোক আৰু এইবোৰ কথা সুধি নাথাকিবা।" কথাষাৰ কৈয়ে ৰিমে মুখখন ঘূৰাই দিলে। মাকে গম পালে যে হয়তো এতিয়া তাইৰ চকুপানী ওলাব।

"ৰিম, তহঁতৰ কিবা লাগিছে নেকি? মোক অন্ততঃ ক, তই দেখোন আজিকালি খোৱা-লোৱাও নকৰা হ'লি আৰু ইমান ক্ষীণাই গৈছ যে?"

"মোক অকলে থাকিব দিয়া মা, প্লিজ মোৰতো একো হোৱা নাই আৰু কালি হয়তো আমাৰ ৰিজাল্ট দিব আৰু মই ইউনিভাৰচিটিলৈ যাব বিচাৰো।"

"কিয় তইতো ইয়াতে থাকি পঢ়াৰ কথা আছিল আৰু নীলৰ চাকৰি হ'লে এই বছৰতে তহঁতৰ বিয়া..........?

"প্লিজ মা, এইবোৰ কথা আৰু কৈ নাথাকিবা।

মাকে কথাবোৰ একো ধৰিব নোৱাৰি গুচি গ'লগৈ। মাক গুচি যোৱাৰ পিছত ৰিম বুকুভঙা কান্দোনত ভাঙি পৰিল। তাই গম পাই নীলৰ অবিহনে তাই এক মিনিটো জীয়াই থাকিব নোৱাৰে। কিন্তু এতিয়া হয়তো তাই সেইটোৱে কৰিব লাগিব। সেয়ে তাই এই চিনাকি চহৰখনৰ চিনাকি মানুহবিলাকৰ পৰা দূৰলৈ গুচি যাবগৈ।

ৰিম, ইউনিভাৰচিটিলৈ আহিব পাঁচ মাহ হৈ গ'ল। কিন্তু এতিয়ালৈকে নীলে এবাৰো তাইৰ খবৰ নল'লে। তাই বুজি পালে যে নীলৰ জীৱনত আৰু তাইৰ প্ৰয়োজন শেষ হৈ গৈছে। আজিকালি তাই ক্লাছৰ সময়ৰ বাদে বাকী সময় নীৰৱে অকলশৰে কটায়। অকলে থকা সময়ত তাইৰ সংগী হৈ থাকে তাইৰ সৰু টেপৰেকৰ্ডাৰটো। তাত তাইৰ প্ৰিয় গীত দুটি বাজি থাকে — 'মই আজি সংগীবিহীন' আৰু 'মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম'।

আজি কেইদিনমানৰ পৰা ৰিমৰ প্ৰায়েই মূৰ ঘূৰাই থাকে আৰু মাজে মাজে অজ্ঞান হৈ পৰে। তৰালীয়ে কেইবাদিনো ডাক্তৰৰ ওচৰলৈ নিব খুজি হাৰি গ'ল।

ৰিমৰ ভনীয়েক ৰিয়া এইবাৰ মেডিকেল কলেজত ভৰ্ত্তি হৈছে। ৰিমৰ ৰুমমেট মিনাক্ষীয়ে ৰিয়াক খবৰ দিলে। কিন্তু ৰিয়া আহি তাইক মেডিকেললৈ নিব নোৱাৰিলে।

'ৰিম বা, তুমি নিজৰ অৱস্থা কি কৰিছা? কাৰোবাৰ কাৰণে কোনেও নিজৰ অৱস্থা এনেকুৱা নকৰে আৰু মই জানো নিল দাই তোমাক এতিয়াও বহুত ভাল পায় আৰু এদিন তোমাৰ ওচৰলৈ আকৌ আহিব। তুমি এই অৱস্থাৰে নীল দাৰ সন্মুখত ওলাবানে? ৰিয়াই ৰিমক বুজালে।

ৰিয়া, তুমি মোক একো বুজাব নালাগে। মোৰ জীৱনত কাৰো প্ৰয়োজন নাই। মই নিজৰ জীৱনৰ কাৰণে অকলেই জীয়াই থাকিম আৰু নোৱাৰিলে মৰি যাম। ৰিয়া, তুমি ভালদৰে পাছ কৰি উঠি মাহঁতক চাবা।"

"তুমি কি যে কথা কোৱা ৰিম বা"— ৰিয়াই কান্দোনমুৱা হৈ ক'লে।

"ৰিয়া প্লিজ, মোক আৰু এতিয়া অকলে থাকিব দিয়া।"

তাৰ পিছত ৰিয়া গুচি গ'ল। ৰিম চকুলোৰ সাগৰত ডুব গ'ল। তাইৰ জীৱনত হয়তো অকল চকুলোৱেই আছিল।

ৰিমৰ গুৱাহাটীৰ বান্ধৱী স্মিতাই ফোন কৰাৰ বাবে মাক-দেউতাক আৰু ৰিচিতা ৰাতিপুৱাই গুৱাহাটীলৈ আহিল। স্মিতাই ফোন কৰিছে ৰিম হেনো মাজৰাতিৰ পৰাই অজ্ঞান হৈ আছে। এতিয়া স্মিতাহঁতে নাচিং হোমত ভৰ্ত্তি কৰাইছে। খবৰ পায়ে সকলো আহিল।

"ডাঃ শৰ্মা, মোৰ ৰিম এতিয়া ভাল পাইছেনে?" নাচিং হোম পাইয়ে ৰিমৰ দেউতাকে চিনাকি ডাঃ শৰ্মাক দেখি সুধিলে।

"চাওঁক, ৰিমৰ অৱস্থা সিমান ভাল নহয়। বাৰু আপুনি মোৰ লগত আহকচোন, ডাঃ শৰ্মাই গহীনভাৱে কৈ আগবাঢ়ি গ'ল। ৰিমৰ দেউতাকো পাছে পাছে গ'ল। আপোনালোকে আগতে তাইক চিকিৎসা কৰা নাছিলে নেকি?"

"কিহৰ চিকিৎসা কৰিব লাগে? তাইৰতো আগতে একো

হোৱা নাছিল। অ! কিছুদিন আগতে মাজে মাজে মূৰ ঘূৰোৱা বুলি কৈছিল। কিন্তু চিকিৎসকৰ ওচৰলৈ নগ'ল।" হাজৰিকাই চিন্তিত ভাবেই ক'লে।

"হাজৰিকা মই খুব দুঃখিত যে এতিয়া একো কৰিব নোৱাৰো। তাইক আপোনালোকে ঘৰলৈ লৈ যোৱাই ভাল?"

"কিন্তু তাইৰ হৈছে কি?" কঁপা কঁপা মাতেৰে হাজৰিকাই সুধিলে। ৰিমৰ ব্ৰেইন টিউমাৰ হৈছে। ডাক্তৰৰ কথা কেইষাৰে হাজৰিকাক বোবা কৰি পেলালে। সেইদিনা আবেলি ৰিমক ঘৰলৈ লৈ আহিল। মাক আৰু ভনীয়েক দুজনীয়ে কান্দি কান্দি ভাগৰি পৰিছে। দেউতাকে সকলোৱে আগত ধৈৰ্য্য ধৰি থাকিল। দুদিনৰ পাছত ৰিমে হঠাতে এবাৰ জ্ঞান ঘূৰাই পালে। তাইৰ ওচৰত বহুত মানুহ দেখি আচৰিত হৈ গ'ল।

"ৰিয়া, সেই গানটো লগাই দিয়াচোন। বহুদিন হ'ল শুনা নাই।"—দুৰ্বল মাতেৰে ৰিমে ক'লে। ৰিয়াই কিবাকৈ গানটো লগাই কান্দোন ৰখাবৰ বাবে বাহিৰলৈ দৌৰি ওলাই আহিল। তেতিয়া গোটেই ৰুমত গানৰ সুৰ ভৰি উঠিছিল। "মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম, আশা কৰো মোৰ চিতাৰ কাষত তোমাৰ সঁহাৰি পাম।" অলপ পিছত মাকে ৰিমৰ বাবে ফলৰ ৰস লৈ আহি গম পালে ৰিমে কেতিয়াবাই তেওঁলোকক এৰি অজান পৃথিৱীলৈ গুচি গ'ল। কম সময়ৰ ভিতৰতে ঘৰখন কান্দোনেৰে ভৰি পৰিল।

কলিং বেলৰ শব্দ শুনি দুৱাৰ খুলিয়েই ৰিয়া থৰ লাগিল। কিবা কিবি বহুত বস্তুৰ সৈতে হাঁহি হাঁহি নীল ৰৈ আছে। "অই পাগলী, থৰ হৈয়ে ৰ'লি যে? ৰিমক মাতি দিয়া। চাবা আজি ৰিমক কি চাৰপ্ৰাইজ দিম, কি হ'ল? নামাত কিয়? তোমাক মনে মনে কওঁ বাৰু তুমি ৰিমক নক'বা দেই। মই বহুত ডাঙৰ চাকৰি পালো। সেইকাৰণে ইমান দিন মনে মনে লাগি আছিলো। এতিয়া যোৱা আকৌ।

কিন্তু ৰিয়া ভিতৰলৈ নাযায় কান্দিব ধৰা দেখি নীল আচৰিত হ'ল। সি একো বুজিব নোৱাৰি ভিতৰলৈ সোমায়ে থৰ হৈ গ'ল। ভিতৰত ৰিমৰ ডাঙৰ ফটো এখনত মালা দি ধূপ জ্বলাই থৈ দিয়া আছে। তাৰ হাতৰ পৰা পলিথিন দুটা পৰি গ'ল। নীলৰ কান্দোনত ঘৰৰ সকলো ওলাই আহিল।

"খুৰীদেউ এইবোৰ.........এইবোৰ কি হৈ গ'ল। মইটো ৰিমক চাৰপ্ৰাইজ দিব বিচাৰিছিলো। কিন্তু.....।" ৰিমে মোৰ ওপৰত অভিমান কৰিয়ে গুচি গ'ল হয়তো। কিন্তু মইতো সপোনতো ভবা নাছিলো সেই ধেমালিৰ ফল এয়া হ'ব বুলি।" দুখত নিল ভাঙি পৰিল।

নীলৰ মনত বাৰে বাৰে আহিব ধৰিলে ৰিমে কোৱা কথাবো......... "তুমি যদি কেতিয়াবা মোৰ জীৱনৰ পৰা গুচি যোৱা মই এই পৃথিৱীৰ পৰা গুচি যাম।"

"ৰিম তুমি একো নভবাকৈ নিষ্ঠুৰভাৱে তোমাৰ কথা ৰাখি গুচি গ'লা। কিন্তু এতিয়া মই......... মই কাক লৈ জীয়াই থাকিম কোৱা। কিয় তুমি মোৰ ওপৰত এনেকৈ অভিমান কৰিলা, যিটো মই কেতিয়াও ভাবিব নোৱাৰো। কোৱা, কোৱা ৰিম কোৱা।"

নীলে বৈ অহা চকুপানীখিনিক বাধা দিব চেষ্টা কৰিও নোৱাৰিলে আৰু লাহে লাহে ৰিমৰ ফটোখনৰ আগত আঁঠু কাঢ়ি বহি লৈ ফটোখন জোৰেৰে সাৱটি ধৰি কান্দোনত ভাঙি পৰিল। ৰুমটোৰ ভিতৰখন সন্ধিয়াৰ আন্ধাৰ আৰু সীমাহীন নিঃশব্দতাই ভৰাই পেলালে। এয়াই যেন নিলৰ বুকুৰ ভিতৰৰ নিঃশব্দতা।□

# জীৱন আৰু বিষাদ

মিনাক্ষী দেৱী

অৱশেষত সি যাবলৈ ওলাল। সুখ্যাতিৰে শিক্ষা বিভাগত মেজৰ লৈ বি.এ. পাছ কৰাৰ পিছত এম.এ. কৰিবলৈ চন্দন বৰুৱাই গুৱাহাটীলৈ যাবলৈ সাজু হ'ল।

আজি গুৱাহাটী অভিমুখী ৰেলত যাব ৰঙিয়াৰ পৰা। নতুন চহৰলৈ যোৱাৰ কথা ভাবি তাৰ মনটো আনন্দৰে ভৰি পৰিছে। আনফালে নিজৰ জন্ম হোৱা ঠাইখিনি এৰি যাবলগীয়া হোৱাত মনটো বিষাদে আগুৰি ধৰিছে। তথাপিও নিৰ্দিষ্ট সময়ত গুৱাহাটীলৈ যোৱা ৰেলত ৰাওনা হ'ল।

জন্মৰে পৰা গাঁৱতে থকা চন্দনৰ প্ৰথম অৱস্থাত অশান্তি লাগিছিল। সময়ত লাহে লাহে সকলো সহজ হৈ পৰিল। কেইদিনমান পিছত চিনাকিও বাঢ়িল। কলেজত বহু বন্ধু-বান্ধৱীও পালে।

সেইদিনা কলেজৰ লাইব্ৰেৰীত বহুত ভিৰ হৈছিল। লাইব্ৰেৰীৰ পৰা অনা কিতাপবোৰ জমা দিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বহুত ভিৰ কৰিছিল। প্ৰায় ডেৰ ঘন্টা সময় হ'ল চন্দনে হাতত কিতাপ দুখন লৈ প্ৰচণ্ড ভিৰৰ মাজত থিয় দি আছে। আকৌ কিছুমান ল'ৰা গালি শুনি পিছলৈ আহে। হঠাৎ তাৰ চকুৰ আগত ছোৱালী এজনীয়ে লাইব্ৰেৰীয়ানজনৰ ফালে আগবাঢ়িছে। ছোৱালীজনী দেখিবলৈ চিনাকি যেন লাগিছিল। কিন্তু ক'ত কেনেকৈ চিনাকি হৈছিল তাৰ মনত নাই। লগ পালে পিছত সুধিম বুলি ভাবি লাইব্ৰেৰীৰ কাম শেষ কৰি হোষ্টেললৈ গুচি আহিল। এনেতে লাইব্ৰেৰীত লগ পোৱা ছোৱালীজনী আকৌ লগ পালে। হাঁহি-ধেমালিৰ মাজেৰে তাই আন এজনী ছোৱালীৰ লগত কলেজলৈ যাবলৈ আহিছে। কলেজত সোমোৱা প্ৰথম গেটটোত চন্দন ছোৱালীজনীৰ মুখামুখি হ'ল। চকুত চকু পৰাত তাৰ অলপ লাজ লাগিল তথাপিও সিয়ে প্ৰথমে ছোৱালীজনীক মাত লগালে। কিন্তু তাই প্ৰথমে গুৰুত্ব নিদিলে যদিও লগৰজনীয়ে কোৱাত তাই চন্দনৰ সম্বোধনক সঁহাৰি দিব লগা হ'ল।

সেয়া চিনাকি বঙাইগাঁৱৰ নিশা কলিতাৰ লগত। তেওঁলোকৰ মাজত প্ৰথমতে বন্ধুত্ব হ'ল। পিছত লাহে লাহে গভীৰ প্ৰেমলৈ ৰূপান্তৰ হ'ল। সিহঁতে ইজনে সিজনক বাদ দি এখোজো আগবাঢ়িব নোৱাৰে। সিহঁতৰ দেহ মাত্ৰ দুটা, মনটো এটা। নিশাৰ প্ৰতি থকা চন্দনৰ অশেষ ভালপোৱাৰ মূল্য নিদি এদিন নিশা তাৰ জীৱনৰ পৰা গুচি গ'ল। চন্দনে বুকুত গভীৰ বেদনা লৈ অকলশৰে জীৱন কটাব ধৰিলে। এইফালে নিশাই মৃদুল নামৰ ধনীঘৰৰ ল'ৰা এজনৰ প্ৰেমত পৰি সম্পূৰ্ণ উদগু জীৱন কটাবলৈ ধৰিলে। সিহঁতৰ মাজৰ সম্পৰ্ক এতিয়া সাগৰৰ দৰে গভীৰ, আকাশৰ দৰে বহল। কিন্তু মৃদুল আছিল বেয়া চৰিত্ৰৰ ল'ৰা। চন্দনে সকলো কথা গম পাই মনে মনে ভাবে মৃদুলৰ দৰে বেয়া স্বভাৱৰ ল'ৰা এজনৰ হাতৰ পৰা নিশাৰ শৰীৰটোৱে ৰক্ষা পাবনে? মৃদুলৰ চৰিত্ৰটোৱে চন্দনক বাৰে বাৰে চিন্তাত পেলাইছে। কাৰণ নিশাই তাক ভাল নাপালেও সি বহুত ভাল পায়।

দুদিনমানৰ পৰা চন্দনহঁতৰ হোষ্টেলখনত এটা উখল-মাখল পৰিবেশৰ সৃষ্টি হৈছে। গোটেই ............ মনত উখল-মাখল আৰম্ভ হৈছে। আগত মাত্ৰ এসপ্তাহ বাকী। প্ৰতিজন অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ বাপতি সাহোন ৰঙালী বিহু আৰম্ভ হ'বলৈ। আৰু মাত্ৰ দুই ঘন্টা পিছতে কাঞ্চনজংঘা এক্সপ্ৰেছত চন্দন ঘৰলৈ যাব। নিশাও যাব সেইদিনা ৰাজধানী এক্সপ্ৰেছত। ষ্টেচনটোত যাত্ৰীৰ ভিৰ বহুত আছিল। দূৰৈৰ পৰা বিণিকি বিণিকি ৰাজধানী এক্সপ্ৰেছৰ উকি শুনি যাত্ৰীসকল আগবাঢ়ি আহিব ধৰিলে। চন্দনে দেখা পাইছে নিশাও ট্ৰেইন অভিমুখে খোজ দিছে। ঠিক ট্ৰেইন যাবৰ সময় হৈছে। বিষাদ মনেৰে তাই লাহে লাহে আগবাঢ়িছে যেন তাইৰ যাবলৈ আগ্ৰহ নাই।

হঠাৎ প্ৰচণ্ড ভিৰৰ মাজতে কাৰোবাৰ চিএৰ শুনিবলৈ পোৱা গ'ল। কিছুমানে গুৰুত্ব নিদিয়াকৈ ট্ৰেইনত উঠিলগৈ আৰু আন কিছুমানে দৌৰা-দৌৰি কৰিবলৈ ধৰিলে। ক'ত কি হৈছে চন্দনে একো গম পোৱা নাই। কিছুমান মানুহে কৈছে— ছিঃ ছিঃ

বেচেৰীজনী। লাহে লাহে মানুহ কমিল। চন্দনে গৈ এইবাৰ আচল ঠাই পালে। ঘটনাটো দেখিয়েই তাৰ মূৰটো ঘূৰাইছে। ভৰিৰ পৰা মূৰলৈ তাৰ গোটেই গাটো কঁপিছে। সি নিজৰ চকুযুৰিকে বিশ্বাস কৰিব পৰা নাই। এয়া কি দেখিছে সি। ...... তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে নিশাৰ দেহটো। লাহে লাহে যাব ধৰা ট্ৰেইনখনত এখন ভৰি দিছিলহে মাত্ৰ, হঠাৎ আনখন ভৰি পিছলি গৈ নিশা প্ৰায় তিনিফুটমান আঁতৰত ছিটিকি পৰিল। তাৰ পিছত তাইৰ অৱস্থা এয়া হ'ল। চন্দন লাহে লাহে নিশাৰ ওচৰ চাপি গৈ বহি পৰিল আৰু অসহ্য যন্ত্ৰনাত ছটফটাই থকা নিশাৰ মূৰটো কোলাত তুলি ল'লে। 'ড......................ড......................ডায়েৰী" বুলি ক'বলৈ চেষ্টা কৰিছিলে কিন্তু মুখেৰে একো ক'বলৈ নোৱাৰিলে আৰু তাৰ কোলাতে মূৰ থৈয়েই নিশাই শেষ নিশ্বাস ত্যাগ কৰিলে।

নিশাৰ মৃতদেহটো কোলাত লৈয়ে সি কি কৰিব একোকে ভাবি পোৱা নাই। বুজি পাইছে হয়তো জীৱনৰ শেষ মুহূৰ্তত নিশাই তাৰ কোলাত মূৰটো থৈ কিবা এটা ক'বলৈ খুজিছিল। কিন্তু 'ডায়েৰী' বুলি কৈয়ে তাই এই পৃথিৱী এৰি গুচি গ'ল। সি বহুত সময় ধৰি কান্দিছে আৰু চিএঞৰি চিএঞৰি কান্দিছে।

হঠাতে তাৰ নিশাৰ বেগটোলৈ চকু গ'ল। সি বেগটো খুলি চোৱাত এখন ডায়েৰী পালে। সি এফালৰ পৰা চাই গ'ল। প্ৰতিটো পৃষ্ঠা আধালিখা হৈ থকা ডায়েৰীটোৰ শেষ পৃষ্ঠা ১৭৫। তাৰ মাজতে চিঠি এখন আছে। সি চিঠিখন পঢ়িলে আৰু তাত লিখা আছে অন্তৰৰ গভীৰ ভালপোৱা স্বত্বেও মই বহুত ডাঙৰ ভুল কৰিলো মৃদুলক ভাল পায়। মই গম পোৱা নাছিলো তাৰ প্ৰেমৰ নাটকৰ অভিনয়। মই আজি মোৰ অন্তৰৰ গভীৰৰ পৰা বুজিছো যে নিজৰ ভৰিৰ তলৰ মাটি টুকুৰাৰ অস্তিত্ব পাহৰি আধুনিকতাৰ বতাহত উটি আহি ফুৰা প্ৰতিজন মানুহৰ পৰিণাম মোৰ নিচিনাই হ'ব।○

> জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়।
>
> — মহাবীৰ
>
> মানুহে লাভ কৰিব পৰা আটাইতকৈ ডাঙৰ বৰটো হ'ল ভয়ৰ পৰা মুক্তি।
>
> — মহাবীৰ
>
> লোভ আৰু বাসনাই জগতৰ সকলো দুখ কষ্টৰ কাৰণ।
>
> — মহাবীৰ
>
> পৰস্পৰে পৰস্পৰক সহায় কৰিব পাৰিলে মনত অপাৰ আনন্দ পোৱা যায়।
>
> — মহাবীৰ
>
> পৰোপকাৰেই পুণ্য আৰু পৰৰ ওপৰত অত্যাচাৰেই পাপ।
>
> — বেদব্যাস

# তুমি

সাৱিত্ৰী শৰণীয়া
প্ৰথম ষান্মাষিক

মাথো দেখিছোঁ
তোমাৰ স্বপ্ন
দুটি নয়নেৰে।

ভাবিছো বহুতো কথা
হৃদয়েৰে,
উজ্বলি উঠা
বুকুৰ মাজত।

মাথো আকিছোঁ
তোমাৰেই ছবি,
শুনিছো বহুতো গান;

দেখা নাই আজিলৈকে
মন যায়,
হৃদয়ৰ দুৱাৰ দলিত
চিৰদিন পাবলৈ।

বুজিছোঁ
তোমাৰ হৃদয়
কিমান বিশাল,
যেন মৌন এই পৃথিৱী।

দেখা নাই চকুৰে
লিখিছো আখৰেৰে,
ৰচিছো বহুতো কথা
হৃদয়ত গোপনে।।○

# বন্ধুত্ব

মিছ্ চাজিমা বেগম
স্নাতক প্ৰথম বৰ্ষ

ধুমুহাৰ দৰে আহিলা মোৰ জীৱনলৈ
কিয় আহিছিলা
কিয় ভাঙিলা মোৰ কোমল হৃদয়।
পাৰিম জানো তোমাৰ অবিহনে
তোমাৰ স্মৃতিবোৰক লৈ জীয়াই থাকিব।
তুমিয়ে 'শিকালা প্ৰেম, ভালপোৱা,
তুমিয়ে শিকালা বন্ধুত্বৰ মৰম।
আজি কিয় গুচি গলা কোমল হৃদয় ভাঙি
পাৰিম জানো তোমাৰ মৰমক লৈ
অতীতৰ স্মৃতিক লৈ জীয়াই থাকিব??○

# তোমাৰ ইচ্ছাৰ বিৰুদ্ধে

শ্ৰীতুলিকা দাস
স্নাতক দ্বিতীয় বৰ্ষ

তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
খিড়িকীখন বন্ধ কৰি দিয়া হ'ল
অনিৰ্দিষ্ট কাললৈ
পেট্ৰল-ডিজেলৰ দাম বাঢ়িল
সংগঠনবোৰৰ হৰতাল চলিল
মূল্য কিন্তু একেই থাকিল।
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
হত্যা কৰা হ'ল
দুখন হৃদয়ক।
চোতালত সৰিয়হ বিচাৰি ফুৰা
শালিকাযুৰিও উৰা মাৰিলে
অজান দেশলৈ।
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
কাঢ়ি লোৱা হ'ল
তোমাৰ চকুযুৰি
পদূলিৰ শেৱালি জোপাইয়ো
উচুপি উঠে
দুখৰ চকুলো দেখি
সেওঁতাৰ ৰঙাখিনিও
সিহঁতৰ বাবে অসহ্যকৰ
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে কাঢ়ি লোৱা
হ'ল তোমাৰ সমস্ত।○

# প্ৰণাম

শ্ৰীসৰোজনী কলিতা
প্ৰথম যান্মাষিক

যাওঁ বুলিলে তোমাক
বাখিব নোৱাৰো আমাৰ মাজত।
নিয়তিৰ হাতৰ পুতলা আমি
নাচি আছো আঙুলিৰ জোৰত।
যিদিনা ছিঙি দিব
সুতাডাল আঙুলিৰ পৰা
সৰি পৰিম মৃত্যুৰ শীতলী কোলাত।
লৈ যাব দূৰ দূৰলৈ বহু দূৰলৈ
আপোন জনে ঢুকি নোপোৱা স্থানলৈ
বিদায়, চিৰ বিদায় তোমাক
হেজাৰ জনৰ মৰম চেনেহ
মনত বান্ধি লৈ,
ভাৰত জননীৰ বুকু শুদা কৰি
চিৰদিনলৈ গুচি গ'লা
তুমি অজান দেশলৈ।○

# লবানে তুমি

শ্ৰীপ্ৰাণজিৎ কুমাৰ
স্নাতক তৃতীয় বৰ্ষ

তুমি মোৰ লগত থাকা,
মই তোমাক দিম
একাঁজলি আশীৰ্বাদ,
হৰ্ষ-বিষাদেৰে পৰিপূৰ্ণ
মোৰ জীৱন নাটৰ ৰস
আৰু দিম যন্ত্ৰণাৰে কড়াল বন্ধা
মোৰ হৃদয়,
লবানে আকোঁৱালি?
লবানে তুমি এই
বিষাদেৰে ভৰা মন?○

# ভালপোৱাৰ ঠিকনা

ভাল লাগিলেইতো আনি দিব নোৱাৰি
আকাশৰ পৰা তৰা জোন,
মন গলেইতো বোৱাই দিব নোৱাৰি,
বুকুত প্ৰেমৰ নৈ,
মন গলেইতো সুখি আনিব নোৱাৰি
আনৰ মৰমবোৰ,
ভালপালেই কাৰোবাক বিচাৰিব নোৱাৰি,
জীৱনৰ সকলোবোৰ,
জীৱনৰ তাঁতশালত, প্ৰেমৰ ফুলাম
গামোছা,
মৰমৰ আঁচলত তোমালৈ পঠাইছো
ভাল পোৱাৰ ঠিকনা।○

# তোমাৰ প্ৰেমত

শ্ৰীধৰ্মেন্দ্ৰ কলিতা
স্নাতক প্ৰথম বৰ্ষ

তোমাক চাই থাকো দূৰৈৰ পৰা
নিঃশব্দ প্ৰহৰত যিদৰে ৰ' লাগি চাওঁ
দূৰ নীলিমাৰ নীলাভ সপোন
তোমাৰ দুচকুত দুচকু থৈ
অজানিতে গতি কৰো গভীৰ সাগৰলৈ
তোমাক চাই থাকো দূৰৈৰ পৰা
নদীখনে গীত গালে তৰাবোৰে হাঁহিলে,
তুমি থাকা মোৰ স'তে জিৰি জিৰি নিজৰাটি হৈ
তুমি গুপতে হৈ এমুঠি জোনাক
মোক প্ৰেৰণা দিয়া হৃদয়ত
পাৰ কৰো তোমাৰ সৈতে শব্দহীন দিন শব্দহীন ৰাতি।○

## মোৰ ফেচবুকত

হৃদীপ দাস
স্নাতক প্ৰথমবৰ্ষ

কোন তুমি মোৰ ফেচবুকত
অপৰূপা তোমাৰ ছবি
কতনো বাৰু তোমাৰ ছবি
ধুনীয়া তোমাৰ ছবি।
মোৰ ফেচবুকত তোমাৰ ছবি
মহাশূন্য স্থান ভেদি
তাকে আছো ভাবি
আঁকি তোমাৰ ছবি।
মনে মনে হাঁহি
ৰূপৰ তুলিকা ধৰি
তাকে চাই ভাবো মাথো তোমাৰ ছবি
মোৰ ফেচবুকত ফুঠি উঠে
তোমাৰ মায়াময় ছবি
সুন্দৰ মুখমণ্ডলৰ ৰূপটি
ধুনীয়া তোমাৰ ছবি।○

## অভিমানী মন

শ্ৰীনয়ন মণি তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ

নৈ হৈ বৈ যাম যেন
তোমাৰ হিয়াৰ গভীৰ অৰণ্য চুই
তোমাৰ মেঘে ঢকা মন পদূলিত
অপেক্ষাৰত...
আশাৰ সেউজীয়া দলিচা পাৰি
নিয়ৰ সৰা গধুলি
মৌ মাখিৰ গুণগুণনিত
অভিমানী মনে
হাহাকাৰ কৰে
উন্মুক্ত খিৰিকীৰে সোমাই অহা
বতাহ জাকত
আউলী-বাউলী হোৱা চুলিটাৰীৰ দৰে
অচিনাকী পথ চিনাকী কৰাৰ পৰত।○

## তোমাৰ প্ৰতীক্ষাত

শ্ৰীমিনাক্ষী ডেকা
স্নাতক প্ৰথম বৰ্ষ

এবুকু শীতল জোনাক লৈ
ৰৈ আছো তোমাৰ বাবেই
সময় বালিচৰত পোত গ'ল
কেইবাটাও নিয়ৰ সনা কোমল পুৱা।
মাথো তোমাৰ প্ৰতীক্ষাতে
পাৰ কৰিলো ক'ত বিফল সন্ধিয়া
তোমাৰ নীলিম চকুৰ গভীৰতাত,
মই দেখা পাওঁ সেউজীয়া প্ৰেমৰ সোঁত
তোমাৰ বুকুত বিচাৰি পাওঁ
প্ৰভাতী সুৰুযৰ ৰক্তিম আলোক;
এবাৰ তোমাক লগ পোৱাৰ আশা
চকুৰ ভাষাৰে এবুকু মনৰ কথা কোৱা।○

# জীৱ শ্ৰেষ্ঠ মানৱ

বৰ্ণালী দাস
চতুৰ্থ যাণ্মাষিক

মানুহবোৰ অমানুহ হ'ল
হত্যা লুণ্ঠন আৰু ধৰ্ষণেৰে
চাৰিওফালে যেন মানুহৰ
কৰুণ আৰ্তনাদ
সঁচাকৈয়ে,
আমিয়েই শ্ৰেষ্ঠ জীৱন মানৱ।
সকলো আজি ভদ্ৰতাৰ মুখা পিন্ধা।
মানুহেই মানুহক হত্যা কৰে
মানুহেই মানুহক লুণ্ঠন কৰে;
কামনা বাসনাৰ তাড়নাত
নিজৰ তেজৰ সম্বন্ধকো
পাহৰি পেলাই...।
মানৱেইতো আছিল...
যাৰ ভিতৰত আছিল
দয়া মমতাৰে
একোখন অন্তৰ।
কিন্তু আজি?
কেতিয়া বাৰু পৰিবৰ্তন হ'ব
মানৱৰ এই নিকৃষ্ট মনবোৰ...।।।○

# সপোন

মিছ চাৱৰিণ চুলতান

হে সপোন তুমি
জীৱনৰ অনাবিল আনন্দ...
হেজাৰ সপোন বুকুত বান্ধি
জীৱনটোক সমুখত লৈ
আন্ধাৰ আঁতৰাই
আগবাঢ়ি যাওঁ।
পাৰাপাৰহীন সাগৰত
নাও মেলি মেলি
সপোনবোৰ দিঠক হ'ব
উৰি ফুৰা পখিলাৰ দৰে
সীমাহীন আনন্দৰ সঁফুৰা হ'ব।○

# পাতিদৰং মহাবিদ্যালয়

শ্ৰীজুৰিমা কলিতা
পঞ্চম যাণ্মাষিক

হে পাতিদৰং মহাবিদ্যালয়
প্ৰথমে তোমাক যাচিছোঁ প্ৰণাম।
পুৰণি 'ভোটে এৰা বড়ী' ইতিহাস এৰি
আজি নাম পালা পাতিদৰং মহাবিদ্যালয়।
উজ্বলি উঠিল জ্ঞানৰ আলোকেৰে
আন্ধাৰৰ পথ পোহৰ কৰি তুলিলা
আজি তোমাৰ নামেৰে
প্ৰকাশিত হ'ল 'আলোচনী'
জ্ঞান কাননত যেন পুলকিত
তোমাৰ বিদ্যাৰ জেউতি।
নানা জ্ঞান-অভিজ্ঞতাৰে
জগাই তুলিম মানৱতা।
সকলো পাহৰি দুখ-শোক
লম ইয়াতেই জ্ঞান।
জিলিকি থাকক তোমাৰ
নাম ইতিহাসত।
তোমাক কৰো শত প্ৰণাম।
জয় পাতিদৰং মহাবিদ্যালয়।○

# শৰৎ আহিলেই

শ্ৰীনিকুমণি ঠাকুৰীয়া
পঞ্চম ষাম্মাষিক

শীতল বতাহ জাকে
লুকা ভাকু খেলে,
অৱগাহন কৰে
ওৰেই নিশা একান্তত।
নিয়ৰৰ টোপটোপ
শব্দৰ মাজত
আকুলতাৰে ভৰি থাকে
শাৰদীয় জোন,
বিলৰ পানীত ফুলি থাকে
পদুম ফুলবোৰ,
দেখি বা নেদেখি
সোণত সুৱাগ চৰে
পদুমৰ পাপৰিত লাগি ধৰা
নিয়ৰৰ টোপালবোৰ।○

# আলোচনী

নজমুল হক
প্ৰাক্তন সাধাৰণ সম্পাদক

মই এখন আলোচনী
মোৰ হৃদয়ত প্ৰকাশ হয় বহুতো লিখনি
কোনোৱে হাঁহিৰে
কোনোৱে খঙেৰে
কোনোৱে প্ৰেমেৰে
তথাপিও যে নাই মোৰ আমনি
যিহেতু মই এখন আলোচনী
কাৰোবাৰ আঙুলিৰ পৰশত হওঁ সজীৱ
কাৰোবাৰ হাতত আকৌ হওঁ নিৰ্জীৱ
মোৰ অন্তৰত লিখে শোক
সাগৰ, দাপোণ, দুখ, সুখ, নিঃশব্দ আদি
তথাপিও নহওঁ মই অভিমানী
কাৰণ মই হ'লো এখন আলোচনী।○

# তোমাৰ বাবে...

নমিতা ৰাজবংশী

তোমাক জানা বহুত ভাল পাওঁ
সঁচাকৈ তুমি ভাবানে নাই মই নাজানো
তোমাৰ নামত মই এখন পৃথিৱী ৰচিছো
তুমি অনুমান কৰিব নোৱাৰাকৈ
তোমাক ইমান ভাল পাওঁ জানা
যদি তুমি মোক শেষতো বুজি নোপোৱা
মই জীয়াই কেনেকৈ থাকিম অ'
তোমাক নোপোৱাৰ বেদনাত
মই বাৰুকৈ চটফটাই থাকো
তুমি চাগে এইবোৰ গমে নোপোৱা
তুমি যদি মোৰ হবয়ে নোৱাৰা
ইমান মৰম দিয়া কিয়.......○

# The Importance of Philosophy in human life

*Sayeda Jowena Dewan*
*Asstt. Professor, Deptt. of Philosophy*

The literal meaning of the term philosophy is love of wisdom. Philosophia is a greek word from which the word philosophy is dereived. Wisdom is the active use of intelligence. The Indian word 'darsana' means 'to see'. But in this sense of philosophy it means to see from our inner sight.

The term philosophy can not be defined precisely because it is very complex and controvercial. Different philosophers have given different definition from the outcome of the ........... as they have different views, methods and area about the nature of this all embracing subject.

The first western philosophers, during the early 500's B.C, the Greek thinkers, were busy in discovering nature of the world and reality. Philosophy has travelled and passed a long history also in non western culture, especially in China and India. Western philosophy and Eastern philosophy developed independently with many separate and independent views, though, ideas.

Philosophy is the art of thinking. It derives meaning and pleasure from the experiences of the world. It is inhenent in man's nature to philosophize to wonder, to be curious, to ask 'why'. Philosophy tries to seek answers to the 'why's ! Most often these are unanswerable. Science finds a way of figuring out some of these. What is inside the moon. Even then, science is able to answer the 'what' and the 'how'. But not the 'why'.

It is often asked what is the need of philosophy some people, because philosophy runs after getting those answers of the unanswerable questions. Philosophy is the best adventure human mind is capable of.

First, we have to know how to learn. The reasoning processes are the basic topics of philosophy. There are innumerable things about which we have to gather knowledge for our progress for....... our curiocity.

Philosophy is the study which seeks to comprehend the mysteries of existence and reality. It tries to discover the nature of truth and knowledge and also to find out the value and importance of life. It also investigates how humanity and nature and individual and society are related. Thus philosophy is the peristant and logical enquiry– a process of analysis, criticism, interpretation and speculation of life and the universe as a whole. The term philosophy denotes all ambracing nature and connotes us. The active use of intelligence, intuition and perseverence.

Many questions like 'what does life mean', 'Did I have any existance before I was born?', "Is there any life after death?" etc puzzle human mind time to time. Even a man who claims that discussion of philosophical question is a waste of time, is expressing what is important or valuable. A rejection of all philosophy is in itself is philosophy.

By studying philosophy, people can clarify what they believe and consider to be truw about the ultimate reality. A thinker can study the philosophers of the past and focus on the jams of their ideas and find the value of that thinking. He can them add or critically judge on that and can throw light on his own. Many people enjoy reading the deep and subtle ideas of the great philosophers and try to enhance their own thinking way or capacity enlightened by those. Specially

the great writers are of the nature of being fond of reading philosophers.

Philosophy has enormous influence on our everyday lives. The everyday language that we speak, uses classifications derived from philosophy, eg. the classification noun and verb involve the philosophical idea that there is a difference between things and action.

Every institution of society is based on philosophical ideas, whether this is about law government, religion, marriage, industry, business or education. Many changes in all these can be brought or established if people held that certain beliefs, are insignificant and not justifiable.

All people live in accordance with the philosophy of life that they have formed for themselves, consciously or unconsciously. Even an uneducated and uncultured man has a rough and ready philosophy of their own. Life without a philosophy is unimaginable. Again even those who hold the view that there is no need of any philosophy have a secret philosophy of their own. They have a theory of the world though it may be either from their materialistic or from superstitious views. We have ethical, epistemological and even logical nations of our own, though it may be purely personal or limited to a certain group of persons. Under such circumstances, it is certainly necessary to frame a systematic and intelligent philosophy of life for ourselves, by critically examining and understanding the nature of the world and our experiences in it. If we consistently carry our sincere efforts, we will find that philosophies are not pet theories, but from a science and an art of human life taken into completeness.

Philosophy is a complete world view, a general attitude of intellect, will and feeling to life. It gives an explanation of the universe at large, by appeal to what is discoverable as the deepest of known facts. It is not a mere description of philosophical observation. Philosophical explanation is broad enough to harmoniously related to the other views of life and fulfills the needs of all the faculties of man to the highest degree of satisfaction. Philosophy makes us from our 'doquatic slumber' and makes us critical in our outlook.○

# Anti-colonial Tribal Movements in India

*Dhiraj Talukdar*
*Asstt. Professor, Deptt. of History*

**Introduction :**

The tribals of India, like other social groups, participated in the anti-colonial movement. The Tribal anti-colonial movements were of two types, first, the movements against their oppressors i.e. landlords, moneylenders, traders, thekedars (contractors), government officials and Christian missionaries and second, the movements which were linked to an merged with the Indian, National movement.

The first type of movements can be termed as anti-colonial because these movements were directed against those classes which were the creation of British colonialism and who collaborated with the tribals. These classes were considered outsiders by the tribals. According to an estimate there were more than 70 tribal revolts over a period of 70 years (1778 to 1948). These revolts were anti-colonial in varying degrees.

The main anti-colonial tribal movements and revolts were. The tribal revolts in Chotanagpur region-Tamar revolt (1789-1832), Kherwar movement of Santhals (1833), Santhal revolt of 1855, Bokta risings, Sardari Larai or Mukti Larai movement of 1858-95, Birsa Munda's movement (1895-1901), Devi movement in Gujarat (1922-23), Tribal movement in Midnapur (1918-1924), Jitu Santhal's movement in Malda (1924-32), Tribals and National Movement in Orissa (1921-36) and Tribal movements in Assam in the late nineteenth century.

**Socio-economic profile of the Tribals During the Colonial period**

Rural India has been inhabited by the tribal population from the beginning. The tribal communities lived in relative seclusion and isolation for centuries and in varying states of economy. In spite of their contacts with the non-tribals, they maintained their separate identity. Each tribal community maintained its own socio-religious and cultural life and its political and economic organisations. Until the arrival of the British in the tribal areas, the main means of production and subsistence or of tribals were land and forests. The forests were of great significance for the tribals all over India. They had customary rights to use the minor forest products. Firewood, flowers, fruits, leaves, honey, housing material, edible nuts, medical herbs etc. formed the essential items of the daily requirements of tribals. They used forest products for food, constructing houses and shifting cultivation. They grazed their cattle in the forests. The forests provided them with security. About the significance of the forests for the tribals Kr. Suresh Singh says : "They (tribal communities) can, therefore, subsist on conditions in which members of these more civilized race could not exist. When the crop fails, jungle fruits and vegetables of all kinds ) are valuable reserve. With the help of these they succeed in teething over the period ofstress which could play havoc.

In addition, the tribals practised weaving,

basket making, fishing, hunting and food gathering. Their instruments of labour and livelihood were not very developed. Bows and arrows were the main instruments of self-defence and hunting.

The tribal communities had their resp-ective chief and clan councilers (panchayat) to look after them and manage their social, religious, economic and political affairs. Each tribal paid some amount of land produce to his respective chief. But it was not a legal right; it was a moral requirement. The chiefs were given voluntary contribution in kind and a few days of free labour every year by the people.

**The Impact of the British Policies on the Tribals**

The British policies disturbed the traditional tribal systems. The tribal land system was marked by its corporatorial ownership of land and absence of the landlords. But the British changed the land system of the tribals. They created the hitherto unknown class of zamindars (landlords) in the tribal areas. Rajputs were bought in the tribal areas of Chotanagpur to perform military and religious services. For their roles, they were assigned the zamindari rights in the land. The zamindars were considered outsiders by the tribals. The tribals were reduced to the position of tenants. The clan councils of the tribals were replaced by the councils of rajas consisting of their followers, traditional land system of the British was turned into tenancy systems.

The British also introduced contractors (Thekedars) in the tribal areas. The zamindars and thekedars introduced the land rent in the tribal areas. Following the introduction of market economy, a class of traders also developed in the tribal areas. The tribal tenants had to pay the rent in cash. As they did not have cash with them, they had to borrow from the moneylenders. Hence, a class of moneylenders also came into being in the tribal areas. The isolated tribal communities were connected with the outside world following the introduction of means of communication and transportation. The self-sufficient tribal economy was converted into market economy.

The customary system of justice was replaced by the new legal system. The new legal system was not suitable to the tribals. The tribals could not afford to utilise the new legal system, as they were not educated and they did not have money for the fees of the lawyers. The British brought a host of petty government official and clerks in the tribal areas.

All these classes-zamindars, thekedars, traders, moneylenders, government officials were not natives of the tribal areas. Nor did they belong to the trial communities. They were brought into the tribal areas by the British. They could be Hindus, Muslim, Christians, Sikhs or Europeans. Hence, they were considered outsiders-dikus-by the tribals. These classes collaborated with the British administration in the process of exploitation and oppression of the tribals. The landlords extracted exorbitant amount of Lent from the tribals, evicted them from their land and extracted begar (forcible labour) from the tribals. In case of defiance, the tribals were physically assualted by the zamindars. They were deprived of their belongings. The moneylenders exploited the tribals by charging exorbitant amount of interest from them. Many a time the tribals were forced to sell out their belongings and children and wives to meet the requirements of the landlords and moneylenders. The government officials took advantage of their innocence. They were the ally of landlords, moneylenders, contractors and traders on the exploitation of the tribals.

**Forest Policy :**

Till the middle of the nineteenth century, the tribals had customary rights in the forest. Their right to use the forest products was recognized. But the forest policy (1884) of the British curtailed the tribal rights to use the forest produce. Moreover, the development of the communication system i.e. telegraphic, roadways and railways and railway services and the introduction of the com-

mon administrative system ruined the natural economy of the forests. These developments affected the tribals all over the country. The dikus were benefited from the British forest policies. The British policies were detrimetltal to the tribal forests.

The government sometimes paid compensation to the tribals for the loss caused by the enroachment of the forests. But the compensation could not trickle down to them. It was usurped by the clerks, the pleaders and the munshis in between.

In addition to the devastation caused to the tribal communities, the faminars in the later half of the 19th century worsened the conditions of the tribals. The continuous increase in the prices of the essential commodities made their conditions unbearable. The land formed for the tribals, not only a source of livelihood, but a spiritual source as well given to them by their ancestors. They were being alienated from their land due to distress. The rights of the outsiders-money-lenders and landlords-were ecognized ones their land. The attact on the tribal system was a threat to their existence.

**Salient Features of the Tribal Movements**

The tribals responded to their exploitation and oppression in the form of revolution and movements. The die notified their enemies in the outsiders (dikus)-landlords, moneylenders, thekedars and missionaries and European government officials. They launched movements against their oppressors in their respective regions. Their agitations against the outsiders could be called anti-colonial. They revolted aginst them because of their exploitation in the form of enroachment on their land, eviction from their land, annualment of the traditional legal and social rights and customs, against enhancement of rent, 2 for transfer of land to the tiller, abolition of feudal and semi-feudal form of law ownership. On the whole, these movements had social and religious overtone. But they were directed against the issues related to their existence. These movements were launched under the leadership of their respective chiefs, Although the movements initially began on social and religious issues and against the oppression of outsiders, in course of time, they merged with the National movement and with the no-tax campaign. The tribals fought against their enemies with their enemies with their traditional weapons i.e. bows, arrows, lathis and axe ! Their movemen often took a violent turn resulting in the murder of oppress and the burning of their houses. Most of the movements were ruthlessly suppressed by the government. The tribals had to comply with British police : which were detrimental to their interests. The government introduced protective administration in tribal areas. The government thought that the normal laws could not be applied in the tribal areas. The government passed I Scheduled District Act (1874) and categorised the tribal areas as excluded area the Govt of India Act of 1935.

**The 1857 Rebellion : A pre-history**

The 1857 rebellion was preceded by a wave of agrarian uprising in the late eighteenth and first half of the nineteenth centuries. The trust of these uprisings was to contest the nature of changes that were being brought about by the East India Company which was leading the colonial campaign in several parts of the country. The Company's administration tried to re-order an existing feudal order in the first century of colonial rule in order to ensure the political and economic stability of the Empire. The process led to a severe discontent amongst the traditional landholders and the peasantry comprising of cultivators and tenant farmers; as we as other groups like pastoralists, tribals and landless labourers who were intrinsically depended on agriculture and its allied sectors for their survival.

Broadly speaking, there were at least three or four distict processes that led to the agrarian uprisings between 1757 and 1857. The most

important one was the land settlement process which structered all British policies through out this period. The conquest of Bengal led to the permanent settlement, while ryotwari tenures were regularised in Madras, mahalwari tenures in the North and malguzari tenures introduced in several parts of Central India. These land tenures were also accompanied by basic reforms in the process of collection of revenue where the fixing of rents was done by Company officials and not the traditional mirasidars, poligars, zamindars or taluqdars.

The British promulgated rules where the lands of revenue defaulters could be auctioned to a new class of land holders especially in the permanent settlements areas. This meant that traditional landholders were converted from people who could govern and administer their own estates to mere revenue collectors and farmers. This created a disgruntled class of displaced zamindars who provided leadership to many protests of the period either themselves or through their militia. Perhaps the most representative rebellion of traditional chiefs and revenue collectors who lost their powers because of colonial measures was the rebellion of the poligars of North Arcot (1803-05). The revolt of the Paiks in Orissa under Jagabandhu, the commander of the Raja of Khurda in 1817, the rising of the Gujars under Bijai Singh Talukdar (1824) in Kumaun and Garhwal and the revolt of the Gumsur zamindars in Ganjam district of Orissa (1835-37) reflected the general dispossession amongst the traditional feudal elite of the period.

**References :**


Adhikari, O.S : Four Immigrants Tribes of Tripura, Tripure : Directorate of Research, Government of Tripura, 1988.

Agarwal, M.M : Ethnicity, Culture and Natinalism in N.E. India, New Delhi : Indus Publishing Company, 1996.

Brown, Giles : The Hindu Conspiracy, 1914-1917, The Pacific Historical Review, University of California Press, 1948.

Campisi, Jack : The Mashpee Indians : Tribe on Trial, New York : Syracuse University Press 1991.

Dr. Mridula Mukherjee : Peasants in India's Non-Violent Revolution Practice and Theory, Sage Publication, New Delhi, 2002

Dutta, Ajit Kumar : Maniram Dewan and the Contemporary Assamese Society, Guwahati : Published by the Author, 1990.

Ehle, John : Trails of Terms : The Rise and Fall of the Cherokee Nation, New York : Doubleday, 1988.

Fabian, Johannes : Language and Colonial Power : The Appropriation of Swahili in the Former Belgian Congo, 1880-1938, New York : Cambridge University Press, 1986.

Ganggopadhay, D.K : Revenue Administration in Assam, Assam : Revenue Department, Government of Assam, 1990.○

# Environmental Pollution and Its Impact on Eco-System

*Dipak Kumar Baro*
*Asstt. Professor, Deptt. of Philosophy*

**Introduction :**

